EASTERN











# অসমৰ লোকসংস্কৃতিৰ নিৰ্বাচিত প্ৰবন্ধ

বৈজয়ন্ত কেওঁট

# অসমৰ লোকসংস্কৃতিৰ নিৰ্বাচিত প্ৰবন্ধ

# অসমৰ লোকসংস্কৃতিৰ নিৰ্বাচিত প্ৰবন্ধ

বৈজয়ন্ত কেওঁট

ইবিএইচ্ পাব্লিচার্চ (ইণ্ডিয়া)
গুৱাহাটী

অসমৰ লোকসংস্কৃতিৰ নিৰ্বাচিত প্ৰবন্ধ
বৈজয়ন্ত কেওঁট

*All rights reserved. No part of this work may be reproduced, stored in a retrieval system or transmitted in any form or by any means, electronic, mechanical, photocopying, recording or otherwise, without the prior written permission of the copyright owner and the publisher.*

*The views expressed in this book are those of the Author, and not necessarily that of the publisher. The publisher is not responsible for the views of the Author and authenticity of the data, in any way whatsoever.*

© Author, 2016

*First Published in 2016 by*
EBH Publishers (India)
an imprint of Eastern Book House
136, M.L. Nehru Road, Panbazar
Guwahati-781 001 (India)

Phone : +91 361 2513876, 2519231, 92070 45352
Fax : +91 361 2519231
Email : easternbookhouse@gmail.com.
***www.easternbookhouse.in***

Digitalized by Mage Orange Publication and Technologies, Guwahati, India
www.mageorange.com

# সম্পাদকীয়

অসমৰ লোকসংস্কৃতি সম্বন্ধীয় ভালেমান প্ৰবন্ধ আৰু কিতাপ ইতিমধ্যে প্ৰকাশ হৈছে। বিদ্যায়তনিক দিশত বিৰিঞ্চি কুমাৰ বৰুৱা, প্ৰফুল্ল দত্ত গোস্বামী, নবীন চন্দ্ৰ শৰ্মা, প্ৰবীন চন্দ্ৰ দাস, বীৰেন্দ্ৰনাথ দত্ত, লীলা গগৈ আদিকে ধৰি ভালেমান প্ৰথিতযশা পণ্ডিতে লোকসংস্কৃতিৰ ক্ষেত্ৰখনলৈ তেখেতসকলৰ অনবদ্য অৱদান আগবঢ়াইছে। উত্তৰ-পূৰ ভাৰতৰ ভালেকেইখন বিশ্ববিদ্যালয়ত 'কলা-সংস্কৃতি' সম্বন্ধীয় বিভাগ বা অধ্যয়ন কেন্দ্ৰ প্ৰতিষ্ঠা হোৱাৰ পাছৰেপৰা অঞ্চলটিৰ লোকসংস্কৃতিৰ পুনৰুদ্ধাৰ, ক্ষেত্ৰ অধ্যয়নৰ বিস্তৃতি, তুলনামূলক অধ্যয়ন, নতুন তত্বৰ সহায়ত পুনৰীক্ষণ, আন্তঃবিভাগীয় বৈশিষ্ট্য, ইতিহাসৰ পুনৰুদ্ধাৰ আদিৰ ক্ষেত্ৰত ক্ষীপ্ৰতাৰে হোৱা পৰিবৰ্তনসমূহ লক্ষণীয় হৈছে। বহুতো নবীন প্ৰবীণ গৱেষকে তেখেত সকলৰ সহজাত ৰুচি, দায়িত্ববোধ আৰু ব্যক্তিগত শৈক্ষিক মানদণ্ড নিৰূপনৰ আহিলা হিচাপে লোকসংস্কৃতিৰ গৱেষণা অব্যাহত ৰাখিছে। লোকসংস্কৃতিৰ গৱেষণাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জলপানি আৰু প্ৰকল্প প্ৰদান কৰা সংস্থাৰ সবল স্থিতি, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় কৰ্মশালা, আলোচনা চক্ৰৰ সঘন আয়োজন আদিয়ে সমসাময়িক বিশ্বত লোকসংস্কৃতিৰ চৰ্চাৰ পৰিসৰ বহুগুণে বঢ়াই তুলিছে। লোকসংস্কৃতিৰ প্ৰকাৰ্যসমূহ (Functions of Folklore) সুধী সমাজে অনুধাৱন কৰাৰ পিছত ব্যক্তি আৰু আনুষ্ঠানিকভাৱে, বিদ্যায়তনিক আৰু অবিদ্যায়তনিক উভয় ক্ষেত্ৰতে লোকসংস্কৃতিৰ পুনৰুদ্ধাৰ, সংৰক্ষণ, সংযোজন, সংবৰ্দ্ধন আদি পৰিঘটনাসমূহ ফট্‌ফটীয়া হৈ ধৰা দিছে।

উত্তৰ-পূৰ ভাৰতৰ লোকসংস্কৃতি চৰ্চাৰ ক্ষেত্ৰত অবিদ্যায়তনিক দিশটো তুলনামূলকভাৱে বেছি সমৃদ্ধ আৰু শ্ৰদ্ধা উদ্ৰেককাৰী। লোকসংস্কৃতিৰ তাত্বিক দিশটো বাদ দিলে দেখা যায় যে প্ৰাচ্যতত্ববিদ (Orientologist) সকলৰ পৰা আৰম্ভ কৰি খ্ৰীষ্টিয়ান মিছনেৰী, বৃটিছ বিষয়া, স্থানীয় উদাৰনৈতিক লেখক, জাতীয়তাবাদী নেতা আদি প্ৰায় সকলোৱেই লোকসংস্কৃতিৰ ৰহঘৰা নিজৰ নিজৰ ক্ষেত্ৰ অনুকূলে ব্যৱহাৰ কৰিছিল। শিষ্ট সাহিত্যত লোকসাহিত্যৰ প্ৰয়োগ বৰ সুষম আৰু ন্যায়সংগত আছিল।

মিছনেৰীসকলৰ ভিতৰত এণ্ডাৰচন, চিড্‌নি এণ্ডল, মিচেচ ৰেফি আদিয়ে উত্তৰ-পূৰৰ পিছপৰা জনজাতি সমূহৰ ওপৰত ওঠৰ-উনৈশ শতিকাতে লোকসংস্কৃতিৰ বিভিন্ন শিতানত বাট-পথ আৰু ভাষাৰ প্ৰাচীৰ নেওচি গ্ৰন্থ ৰচনা কৰিছিল। জোনাকী যুগৰে পৰা ৰমন্যাসবাদ আৰু জাতীয়তাবাদে উৰ্বৰ কৰি যোৱা সাহিত্যৰ পথাৰখনতো স্থানীয় শিক্ষিত লেখকে লোকসংস্কৃতিৰ ভালেকেইখন গ্ৰন্থ ৰচনা কৰিছিল। তাৰ ভিতৰত ভদ্ৰসেন বৰাৰ 'ৰামচৰিত'(১৮৯৯), ফুলকোঁৱৰ (১৯০৩) আৰু মণিকোঁৱৰ (১৯০৩), গোপাল চন্দ্ৰ দাসৰ 'অসমীয়া পটন্তৰ মালা (১৯০০), লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ

সাধু' (১৯১১), 'ককাদেউতা আৰু নাতিল'ৰা' (১৯১২), যোগেশ চন্দ্ৰ তামুলীৰ 'নিচুকনি' (১৯১৬), ইংৰাজী ভাষাত লিখা হেমচন্দ্ৰ বৰুৱাৰ Marriage Customs of the People of Assam (1892), বেণুধৰ ৰাজখোৱাৰ Assamese Demonology (1905) আৰু Assamese Popular Superstitions (1920) আদি। লোকসংস্কৃতিৰ সংগ্ৰহ আৰু চৰ্চাত লক্ষ্মীনাথ বেজবৰুৱাই অহোপুৰুষাৰ্থ কৰিছিল। তেখেতৰ সাধুকথাৰ কুকি, সুৰভি (১৯০৯) জোনবিৰি (১৯১৩), জুনুকা (১৯১৩) আদি সাধুকথাৰ সংগ্ৰহৰ লগতে লিতিকাই, চিকৰপতি নিকৰপতি, পাঁচনি, গদাধৰ ৰজা এই নাটককেইখন হ'ল লোকসমল সমৃদ্ধ।

ইয়াৰ উপৰিও সেইসময়ৰ নাটক, উপন্যাস, গল্প, কবিতা আদি সাহিত্যৰ সকলোটি গুৰুত্বপূৰ্ণ বিভাগতে লোকসংস্কৃতিৰ সমল সমূহকে আধাৰ হিচাপে গ্ৰহণ কৰিছিল। নাটকৰ ভিতৰত পদ্মনাথ গোহাঞিও বৰুৱাৰ 'জয়মতী' (১৯০০), দেৱনাথ বৰদলৈৰ 'বৈদেহী বিচ্ছেদ' (১৯০১), চন্দ্ৰধৰ বৰুৱাৰ 'মেঘনাথ বধ' (১৯০৪), দুৰ্গেশ্বৰ শৰ্মাৰ 'পাৰ্থ পৰাজয়' (১৯০৯) আদি উল্লেখযোগ্য। উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ মিৰি জীয়ৰী, নিৰ্মল ভকত, ৰহদৈ লিগিৰী আদি; জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰূপালীম, শোণিতকুঁৱৰী, কাৰেঙৰ লিগিৰী আদি নাটক কিংবদন্তী আৰু পুৰাকাহিনী আশ্ৰিত। বৃটিছ বিৰোধী সৰ্বভাৰতীয় জাতীয়তাবাদী টৌক ত্বৰান্বিত কৰিবৰ বাবেই নব্যশিক্ষিত চামে লোকসংস্কৃতিৰ আশ্ৰিত হৈছিল।

স্বাধীনোত্তৰ কালছোৱাতো স্বদেশী শোষক শ্ৰেণীৰ শোষণ, নিষ্পেষণ ৰুদ্ধ কৰিবৰ বাবে লোকসংস্কৃতিৰ বিভিন্ন উপাদান জনগণে সযত্নে ব্যৱহাৰ কৰিছিল। ক্ষুব্ধ জনগণক একত্ৰিত কৰিবৰ বাবে লোকসংগীত, মালিতা (যেনে পথৰুঘাটৰ মালিতা, ৰঙিয়াৰ কৃষক বিদ্ৰোহ, মণিৰাম দেৱানৰ গীত, লাচিত বৰফুকন, মূলাগাভৰু আদি), তেজোদ্দীপক পৌৰাণিক কাহিনীসমূহ জনগণৰ মাজত পোখা মেলিবলৈ বুদ্ধিদীপ্ততাৰে প্ৰক্ষেপ কৰা হৈছিল।

সাম্প্ৰতিক কালছোৱাতো ক্ষুদ্ৰ জাতি-গোষ্ঠীসমূহৰ অস্তিত্ব সাব্যস্তকৰণ আৰু পৰিচয় সংকট মোচনৰ অন্যতম আহিলা হিচাপে লোকসংস্কৃতিৰ ব্যৱহাৰ অতি সহজে প্ৰত্যক্ষ কৰিব পাৰি। এই সকলোবোৰৰে উৰ্দ্ধত লোকসংস্কৃতিয়ে প্ৰাগৈতিহাসিক কালৰেপৰাই লোকজীৱনক বিনোদন আৰু নীতিশিক্ষা প্ৰদান কৰি আহিছে। সাংসাৰিক জীৱনৰ সামগ্ৰিক কল্যাণৰ বাবে ডাকৰ বচন সমূহ আজিকোপতি পৰম সাৰথি হৈ আহিছে। কথাসৰিৎসাগৰ, হিতোপদেশ, পঞ্চতন্ত্ৰ, জাতকৰ সাধু, পুৰাণৰ কাহিনী আদিয়েও যুগ যুগ ধৰি লোকসমাজক সমৃদ্ধ কৰি আহিছে। লোকগীতৰ মধুৰ সুৰ, আবেদন আৰু নান্দনিকতাই মানুহক বিস্ময় বিমুগ্ধ কৰি আহিছে। বাস্তৱ ভিত্তিহীন সাধুকথা শুনি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ গুৰিয়াল স্বৰূপ ব্যক্তিসকলো তন্ময় হোৱা দেখা যায়। সাথঁৰ, প্ৰবচনসমূহ এতিয়াও আমাৰ মাৰ্গদৰ্শক।

এইসকলোবোৰৰে উৰ্দ্ধত লোকসংস্কৃতিৰ বৰঙণিটো হ'ল ই জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে ভৌগোলিক পৰিসীমাৰ উৰ্দ্ধত এনে এখন কল্পনাৰ সমাজ সৃষ্টি কৰে য'ত ভাতৃবৎ স্নেহেৰে সমস্ত মানুহ বান্ধ খাই চৰাই-চিৰিকতি, গছ-লতিকাৰে কথা পাতে, বাঘ-হৰিণাৰে, বকে-মৎস্যেৰে সখি বান্ধে।

অসমৰ লোকসংস্কৃতি বুলি ক'লে অসমত বসবাস কৰি থকা বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ লোকসংস্কৃতিক বুজায়। সুকীয়া সুকীয়াকৈ প্ৰতিটো জাতি-গোষ্ঠীৰ লোকসংস্কৃতিৰ ওপৰত বিভিন্ন জনে বিভিন্ন পৰ্যায়ত লেখা-মেলা, চিন্তা-চৰ্চা অব্যাহত ৰাখিছে। আকৌ সামগ্ৰিকভাৱেও সকলোকে সামৰি ভালেকেইখন পুথি অসমীয়া আৰু ইংৰাজীত ৰচনা হৈ গৈছে। তথাপি তৰুণ গৱেষকসকলৰ লোকসংস্কৃতি সম্বন্ধে থকা চিন্তন-মনন সমূহ সংগৃহীত ৰূপত প্ৰকাশ কৰাৰ এক হাবিয়াস আমাৰ আছিল। পক্ষীসৱ উৰে যেন পাখা অনুসাৰে। আমিও সাধ্যানুসৰি কেইটিমান জনগোষ্ঠীৰ লোকসংস্কৃতিৰ বিষয়ে লেখাৰ দায়িত্ব অৰ্পণ কৰিছিলো সেই বিশেষ জনগোষ্ঠী সমূহৰ কেইজনমান উদীয়মান লেখক-লেখিকাৰ ওপৰত। তাৰে দুটা অধ্যায় অৱশ্যে ল'ব লগা হ'ল ভিন্ন গোষ্ঠীৰ দুজন গৱেষকৰ পৰাহে। ৰিজুৰেখা বৰিৰ 'মিচিং জনগোষ্ঠীৰ স্থাপত্য কলা', পূণ্যপ্ৰভা বৰুৱাৰ 'অসমৰ টাই বৌদ্ধ ধৰ্মাৱলম্বীসকলে পালন কৰা বসন্ত উৎসৱ পয়চাংকেনঃ এক আলোকপাত', ড° ৰোহিত চন্দ্ৰ ৰাভাৰ 'ৰাভা লোকজীৱনৰ পৰম্পৰাগত বিবাহঃ এটি অধ্যয়ন', ড° পৰাগ নাথৰ 'খাচী আৰু অসমীয়া সংস্কৃতি', দীননাথ নিৰলাৰ 'অসমীয়া আৰু নেপালী লোকসমাজৰ সম্পৰ্ক আৰু সাংস্কৃতিক সমন্বয়', নকুল কুৰ্মীৰ 'চাহ-জনগোষ্ঠীৰ বৰ্ণাঢ্য লোকসংস্কৃতিৰ এক চমু অৱলোকন', মিণ্টু হেমৰমৰ 'চাঁওতাল জনগোষ্ঠীৰ লোকসংস্কৃতি', ড° ধীৰাজ পাটৰৰ 'তিৱা লোকগীত' শীৰ্ষক অধ্যায়কেইটিৰ লগতে মোৰ এটি অধ্যায় 'বড়ো সমাজৰ শ্ৰাদ্ধ আৰু কেইটিমান প্ৰাসংগিক সাধুকথা' সন্নিবিষ্ট কৰি এই গ্ৰন্থ সংকলন সুহৃদয় পাঠক সমাজলৈ আগবঢ়ালো। লেখক-লেখিকা সকলক ধন্যবাদৰ টোপোলা আগবঢ়ালো।

কিতাপখন প্ৰকাশ কৰাত বৰ ক্ষীপ্ৰতাৰে সহায়ৰ হাত আগবঢ়োৱা ভাইটি বেদান্ত বিকুলৈ মোৰ কৃতজ্ঞতা যাচিলো।

শেষত ইষ্টাৰ্ন বুক হাউচ প্ৰকাশনৰ স্বত্বাধিকাৰী প্ৰমুখ্যে অন্যান্য কৰ্মকুশলী সকললৈ মোৰ নমস্কাৰ থাকিল।

শ্ৰদ্ধাৰে

তাৰিখঃ ২৫ এপ্ৰিল, ২০১৬

ড° বৈজয়ন্ত কেওঁট
তেজপুৰ

# Contents

Cover 1
List of Contents 8
Chapter 1 9
Chapter 2 23
Chapter 3 28
Chapter 4 37
Chapter 5 55
Chapter 6 79
Chapter 7 84
Chapter 8 90
Chapter 9 100

# ১

# তিৱা লোকগীত

*ধীৰাজ পাটৰ*



**তিৱা লোকগীত পৰিবেশনৰ এক দৃশ্য**

মানুহৰ মুখে মুখে পৰম্পৰাগতভাৱে প্ৰচলিত যি সাহিত্য তাকেই সাধাৰণ অৰ্থত লোকসাহিত্য বুলি কোৱা হয়। ই লিখিত সাহিত্যৰ উৎপত্তি হোৱাৰ আগৰে পৰা জনসাধাৰণৰ মাজত প্ৰচলিত। পৃথিৱীৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ মাজত লোকসাহিত্যৰ প্ৰচলন আছে। এই লোক সাহিত্যতো লিখিত সাহিত্যৰ দৰে মানুহৰ সুখ, দুখ, হাঁহি, কান্দোন, সামাজিক চিত্ৰ, প্ৰকৃতিৰ চিত্ৰৰ ৰূপ সুন্দৰ কৈ

প্ৰতিফলিত হৈছিল। চহা কবিৰ প্ৰাণৰ পৰা নিগৰা এই শ্ৰেণী সাহিত্য লিখিত সাহিত্যৰ দৰেই আপোন। প্ৰকৃতাৰ্থত জনসাধাৰণৰ মুখে মুখে প্ৰচলিত হোৱা বাবে ইয়াক মৌখিক সাহিত্য বুলি কয়। জনসাধাৰণৰ মুখৰ সাহিত্য বাবে জন সাহিত্যও বুলি কয়। কিছুমান পণ্ডিতে আকৌ মানুহৰ মুখেৰে বাজ অৰ্থাৎ প্ৰকাশিত হোৱা বাবে বাচিক কলা বুলিও কয়। সি যি কি নহওক ই হৈছে চহা জনসাধাৰণৰ মুখে মুখে পৰম্পৰাগতভাৱে প্ৰচলিত এক সাহিত্য সেই বাবে ইয়াক লোক সাহিত্য বুলি কোৱা হয়। এই লোকসাহিত্যৰে এটি অন্যতম অংগ হৈছে লোকগীত। মানুহৰ মুখে মুখে পৰম্পৰাগতভাৱে প্ৰচলিত যি গীত তাকেই লোকগীত বুলি কোৱা হয়। মানৱ সংস্কৃতিৰ এৰাব নোৱৰা অংগ হিচাপে প্ৰাচীন কালৰ পৰাই গীত, নৃত্য, বাদ্য আদিৰ প্ৰচলন হৈ আহিছে। মানৱ সমাজৰ বিভিন্ন উৎসৱ-পাৰ্বণ তথা অন্যান্য অনুষ্ঠান আদিত গীত-মাতৰ প্ৰচলন হৈ অহাটো এক চিৰাচৰিত প্ৰথা। লোকগীতৰ যোগেদি এটা জাতিৰ সমাজ আৰু সংস্কৃতি সুন্দৰ ৰূপত প্ৰতিফলিত হোৱা দেখা যায়।

অসম তথা উত্তৰ পূব ভাৰতত বাস কৰা এটা অন্যতম জনগোষ্ঠী হৈছে তিৱা জনগোষ্ঠী। তেওঁলোকৰ লোকপৰম্পৰাৰ মাজত বিভিন্ন গীত-মাতৰ প্ৰচলন আছে। তিৱাসকলৰ লোকগীতবোৰ প্ৰধানকৈ কৃষিকৰ্মৰ সৈতে সম্পৰ্কিত। কৃষি কাৰ্যৰ আৰম্ভণি অথবা সামৰণিৰ সময়ত এই গীতবোৰ গোৱা দেখা যায়। তিৱাসকলৰ প্ৰায়বোৰ লোকগীতেই কোনো অনুষ্ঠান নতুবা আন পৰ্বৰ সৈতে সংযুক্ত। তদুপৰি এই গীতমাত সমূহ নৃত্য প্ৰধান। অৱশ্যে আনন্দ বিনোদন বা বিভিন্ন কৰ্মৰ সময়ত গোৱা লোকগীতো আছে। ইয়াৰ উপৰিও বিভিন্ন উৎসৱ-পাৰ্বণ, আচাৰ-অনুষ্ঠানত অথবা আজৰি পৰত আনন্দ-বিনোদনৰ বাবে এই লোকগীতবোৰ গায় যায়। এই গীতবোৰৰ মাজেৰেই সৰলমনা কৃষিজীৱী তিৱাসকলে নিজৰ মনৰ আনন্দ-উল্লাস, হা-হুমুনিয়াহ প্ৰকাশ কৰে। পাহাৰ আৰু ভৈয়াম অঞ্চলত বাস কৰা তিৱাসকলৰ মাজত এই লোকগীতসমূহৰ প্ৰচলন বিশেষ মনকৰিবলগীয়া। প্ৰধানকৈ ভৈয়াম অঞ্চলৰ তিৱাই গোৱা কিছুমান গীত পাহাৰীয়া তিৱাই নাগায়, তদুপৰি পাহাৰীয়া তিৱাই নিজৰ ভাষা 'তিৱা ভাষা'ত গীত-মাত পৰিৱেশন কৰে, আনহাতে দাঁতিপৰীয়া তিৱা কিছুমানৰ বাদে ভৈয়ামৰ তিৱাই অসমীয়াতহে এই গীত-মাতবোৰ গোৱা শুনিবলৈ পোৱা যায়। যদিও তেওঁলোকে অসমীয়াতে গীতবোৰ গায় তথাপি এই গীতৰ সুৰৰ স্বকীয়তা মন কৰিবলগীয়া। প্ৰতিটো উৎসৱ-অনুষ্ঠানত গোৱা প্ৰতিটো গীতৰ সুৰৰ ভিন্নতা দেখিবলৈ পোৱা যায়।

তিৱাসকলৰ মাজত প্ৰচলিত কেতবোৰ লোকগীত হৈছে এনেধৰণৰ—ক) লালি হিলালী গীত, খ) বৰতৰ গীত, গ) গদালপৰীয়া গীত, ঘ) বনগীত, ঙ) বিহুতলীৰ ঝুনা গীত, চ) বাৰকুলীয়া গীত, ছ) মৰণা মৰা গীত, জ) কাহিনী গীত, ঝ) লেচাৰী গীত, ঞ) ছগ্ৰামিছাৱা গীত, ট) ওৱানছাৱা মিছাৱাৰ গীত, ঠ) ৰাতিসেৱা বা ভকতসেৱাত গোৱা গীত, ড) নিচুকনী গীত, ঢ) নখাছাঙা বা বৰযুণ মতা গীত, ণ) লাংখুন পূজাৰ গীত, ত) খেলছাৱা মিছাৱাৰ গীত থ) মুইনাৰী কাণ্ঠি মিছাৱাৰ গীত, দ) তখাপালাৰ গীত, ধ) মাই ৰাবাৰ গীত ইত্যাদি। এই গোটেইবোৰ লোকগীতৰ মাজত তিৱা জনসাধাৰণৰ সামাজিক, সাংস্কৃতিক তথা জনজীৱনৰ সুন্দৰ আভাস ফুটি উঠা দেখিবলৈ পাওঁ। স্বভাৱ কবিৰ অন্তৰৰ পৰা নিগৰি অহা এই গীতসমূহত এফালে প্ৰেমৰ ভাৱনা আনফালে জীৱনৰ দুখ-দুৰ্দশাৰ প্ৰতিচ্ছবি ফুটি উঠে। পৰম্পৰাগত বাদ্যযন্ত্ৰৰ যোগেদি পৰিৱেশিত গীতসমূহৰ সুৰৰ লালিত্যই মানুহৰ মনপ্ৰাণ পুলকিত কৰি তোলে। তিৱা সমাজত প্ৰচলিত এই লোকগীতসমূহৰ বিষয়ে আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে—

## ওৱানছাৱা মিছাৱাৰ গীত

পাহাৰ অঞ্চলত বাস কৰা তিৱাসকলৰ মাজত উদ্‌যাপিত এটি উৎসৱ হৈছে ওৱানছাৱা মিছাৱা। ওৱানছাৱা উৎসৱ পাহাৰীয়া তিৱাসকলৰ মাজত অনুষ্ঠিত কৰিলেও দাঁতিকাষৰীয়া অঞ্চলত বাস কৰা তিৱাৰ মাজতো কেতিয়াবা কেতিয়াবা অনুষ্ঠিত হয়। এই উৎসৱত গোৱা গীতবোৰতো প্ৰেমৰ স্বতঃস্ফূৰ্ত প্ৰকাশ দেখিবলৈ পোৱা যায়। সাধাৰণতে বিভিন্ন গাঁৱৰ পৰা এই উৎসৱলৈ অহা শিল্পীসকলে গাঁৱৰ বুঢ়া-বুঢ়ীসকলৰ পৰা উৎসৱত উপস্থিত থকা ৰূপহী খৰ্‌লাহঁতৰ অৰ্থাৎ গাভৰু ছোৱালীহঁতৰ নামবোৰ জানি লয় আৰু সিহঁতৰ ৰূপ লাৱণ্যৰ কথা বৰ্ণাই গীত গাই নিজৰ মনৰ কথা ব্যক্ত কৰে আৰু নিজৰ মন পছন্দৰ মানুহগৰাকী পাবলৈ বাঞ্ছা কৰে। তদুপৰি এই উৎসৱলৈ আহোঁতে ডেকাসকলে বিভিন্ন দ্ৰব্য যেনে লাও, তামোলৰ পুলি, বিভিন্ন ফলমূল আদি লৈ আনে। ওৱানছাৱা গীতসমূহ পৰিৱেশন কৰোতে ডেকা সকলে জেন্ঠৰ (যঁতৰৰ দৰে) নামৰ এবিধ বাদ্য বজাই নিজৰ মনৰ ভাব প্ৰকাশ কৰে। তেনে এফাকি গীত হৈছে—

ইন্দ্ৰা ফাঙে জেন্থৰ টাংগানা
অখাই চং বাউলা
লাফাঙে জেন্থৰ টানা ফাইদামা
বেগল টানদং খুমতি দেই
জেন্থৰে মাত কে কে আং ফনেয়াং

আকৌ—

পাকা খাৰাইনে খুবৰী জনম চন
মুংগ মানিয়া খাং
পাকা টিলুঙে মাহাতি জলম চন
নামগ মানিয়া খাং
মুংগ মানকাই দম
চালক'ৰনে ছাজ গ'
চলগ' টিগা খাং
নামগ' ছাল নাঙানে ছাজগ'
চাদাৰ তিকা খাং

ওৱানছাৱা উৎসৱত গোৱা আন এটি গীত হৈছে এনেধৰণৰ—

ওৱাথি তানানে চিউ চিউ ওৱাফাং তানানে চিউ
আমুখীৱালিক নিখাল থ' কাইজং গজা কানা চিউ
থাচুখীৱালিক নিখালথ' কাইছং খজম কানা চিউ।

## ছগ্ৰামিছাৰাৰ গীত

ছগ্ৰামিছাৰা উৎসৱত গোৱা গীতসমূহকে ছগ্ৰা গীত বা ছগ্ৰামিছাৰাৰ গীত বুলি কোৱা হয়। প্ৰধানকৈ পাহাৰ অঞ্চলত উদ্‌যাপিত হোৱা এই উৎসৱ হৈছে তিৱাসকলৰ বসন্তকালীন উৎসৱ। ভৈয়ামৰ তিৱাই যিদৰে ব'হাগ মাহত বিহু উদ্‌যাপন কৰে তেনেদৰে পাহাৰৰ তিৱাই ফাগুন মাহৰ মাজ ভাগত উলহ-মালহেৰে ছগ্ৰামিছাৰা উৎসৱ অনুষ্ঠিত কৰে। এই ছগ্ৰামিছাৰাত গোৱা গীতবোৰ প্ৰধানতঃ আদিৰসাত্মক হ'লেও ইয়াত দাৰ্শনিক মতাদৰ্শৰ আভাস পোৱা যায়। এই গীতবোৰৰ মাজেৰে খৰ্‌লা-পান্থাইহঁতে ইজনে-সিজনক প্ৰেম নিবেদন কৰে আৰু মনে মিলিলে যুগ্ম জীৱনৰো পাতনি মেলা দেখা যায়। এই উৎসৱত গোৱা গীতবোৰৰ প্ৰতিটো দফাকে সাতবাৰকৈ গোৱা নিয়ম। তেনে গীতৰ উদাহৰণ হৈছে—

মাৰজঙে ছগ্ৰাউ আঙে অই নোৱা
নিনাৱা নিঠাৰে মিনিচে চুমে চুমে ৰিউ
বে'ক লোৱা তুৰি
আঙে মননাখি হংকা
থিচ বিচ ৰিনাছে জংকা।

চাল নাৱানে দাও দাও জনাই নাৱানে দাও
থাচুখী ৱালিক নিখাল থ' জনাই লেখা মখাং ব্লাও।

খুলচিং খাবাল অদাল অদাল
খুলচিং খাবাল অদাল
আমুখী ৱালিনে নানা লিৱানা আঙা খুচা কদাল
থাছুখী ৱালিনে নানা লিৱানা আংছা খাংচী কদাল

আলোচ্য গীত কেইফাঁকিৰ মাজেৰে কোনোবা প্ৰেমিকে নিজৰ প্ৰেয়সীৰ দেহৰ ৰূপ-সৌন্দৰ্য বৰ্ণনা কৰাৰ লগতে তাইৰ আদৰ-যত্নৰ কথা ভাবি সৰলমনা পান্থাইটোৱে আপোন পাহৰা হৈ পৰিছে। যৌৱনা খৰ্‌লাহঁতৰ ৰূপক কলডিলৰ লগত ৰিজাই গোৱা ছগ্ৰাৰ এফাকি গীত হৈছে এনেধৰণৰ—

লাইলুং লাইয়ে টপ টপ
লাইলুং লাইয়ে টপ
চিঙে কৰাইনে খৰ্‌লাৰাউৰে
চাৰে বানে খপ।

## মাই পথালা বা মৰণা মৰা উৎসৱৰ গীত

সাধাৰণতে পাহাৰৰ তিৱাসকলে লগে ভাগে ধানৰ লেচেৰিবোৰ মৰণা মাৰে। নিৰ্দিষ্ট এখন

চোতালত গাঁৱৰ ডেকা-গাভৰুসকলে আহি ধানৰ লেচেৰিবোৰ সুন্দৰকৈ যতনাই একেলগে লখিমী দেৱীক স্তুতি কৰি গীত গাই মৰণা মাৰে। ইয়াত গোৱা গীতবোৰ লখিমীদেৱীক উদ্দেশ্যি গোৱা হয় যদিও মাজে মাজে প্ৰণয়মূলক গীতো গায়। কথিত আছে যে তিৱা খৰ্লাহঁতে দাঁতত প্ৰাকৃতিক ৰং বুলাই দাঁত কলা কৰিলে দেখাত ৰূপৱতী হয়। কুজুৰলাং নামৰ ফৰিং এবিধৰো দাঁত ক'লা আৰু দেখিবলৈ ধুনীয়া সেয়ে ডেকাহঁতে এই ফৰিঙৰ সৈতে ৰূপৱতী ছোৱালীক তুলনা কৰে। সাধাৰণতে নিজ মামীয়েকৰ জীয়েকৰ সৈতে বৈবাহিক সম্বন্ধ হোৱাটো পাহাৰ অঞ্চলৰ তিৱাসকলে বিশেষ মান্যতা প্ৰদান কৰে। তেনেধৰণৰ গীত হৈছে—

আনিনে ছাজ' কুজলাং মখা দ্ৰাণ ৰমা ফৈ
আনিনে ছাজ' কুথপাং মখা চাকুনি ৰমা ফৈ
আইল' ছাত বুনিগ' লাল' তিনা ফৈ
আইল পাৰ' বুনিগ' ছ্য'ন' ৰমা ফৈ।

পাহাৰীয়া তিৱাসকলে আহিন কাতি মাহত পাহাৰৰ আৰত ঝুম খেতি কাতিবৰ বাবে গাঁৱৰ ডেকা গাভৰু আৰু বুঢ়া-বুঢ়ীসকলে মাৰ বান্ধি ধান কাটি ঝুমতলিতে লুৰু মাৰিৰে অৰ্থাৎ এছাৰিৰে ধান কোবাই ভৰিৰে মোহাৰি নৃত্য কৰি কৰি মৰণা মাৰে। লগতে তাতে ধানবোৰ ডলাৰে বাও দি পৰিষ্কাৰ কৰি পুৱা অৰ্থাৎ টোম সাজি ঘৰলৈ লৈ আহে। তিৱাসকলৰ এনে মৰণা মাৰা গীতৰ উদাহৰণ হৈছে—

উমাই মানেৰা খুমজিল মানেৰা অ
আই ছাত বুনি
আৰ বান বুনি
অ আই খুমাৰল লানা ফৈ
অ বৰগৰীয়া মাখানে বালি মাহা তুলি মাহা
ছান্দে ফৈ বলে ফৈ
অ আই ছাত বুনি
আৰ বাৰ বনি

## লাংখুন পূজাৰ গীত

এই পূজাৰ গীতবোৰ স্তুতিমূলক ইয়াত বিজুলীৰ কুঁৱৰীক উদ্দেশ্যি গোৱা হয়। বিজুলী বাঁহ কাটিবলৈ যাওঁতে বিজুলী দেৱতা স্তুতি কৰোতে বিভিন্ন ধৰণৰ গীত পৰিৱেশন কৰা হয়। তেনে গীতসমূহৰ ভিতৰত হৈছে—

আইগা লেপে লেপ লিগা ৰে
আইগা থেপে থেপ লিগা ৰে

নিনা নিথা থাইৰে পাথ চাৰি চাৰি
আগ লাগাই ব আগ ছোৰাই অ
পাছ লাগাই ব পাছ ছোৰাই অ
জুলাও কুবাই ফিদং অবাৰ বিজুলী ৰাও
মাইলাও কুবাই ফিদং অবাৰ ছালচা ৰাজানে

যদিও সকলোবোৰ পূজা যেতিয়া সামৰণি মৰা হয় তাৰ পাছত কিছুমান প্ৰণয়মূলক গীত গাই কোনোবা ডেকাই কোনোবা গাভৰুক জোকাই এইদৰে—

‘নগাঁও জিলানে থাৰা লাই আলৰি হালং
গৌহাটী জিলানে খুমলাই পচনৰি হালং
পাখা ৰলোকে চাজমুনা অই
এবে আলনগ মানা তালাগাই
থাৰন তৰুণ বে দেই
মাংথ তৰম বে দেই নাগ’

উক্ত গীতবোৰৰ উপৰিও পাহাৰীয়া তিৱাই ঝুমতলীত খেতি কৰিবলৈ যাওঁতে, খেতি ৰখোঁতে, খেতি চপাওঁতে অথবা আৰকোৰোতে (ঝুমতলীৰ হাবি কাটোতে) বিভিন্ন লোকগীত গায়। এই গীতবোৰ ডেকা-গাভৰুয়ে ইজনে-সিজনক উদ্দেশ্যি গায়। সাধাৰণতে পাহাৰত মহিলা বা গাভৰুয়েহে আৰ কৰিবলৈ যায়, সেয়ে কেতিয়াবা সেই বাটেদি কোনোবা ডেকা গৈ থাকোতে গাভৰু ছোৱালীক দেখি উকি মাৰে আৰু যদি সেই উকি মৰা ডেকাজন তাইৰ ভালপোৱাজন হয় তেতিয়া হ’লে এনেদৰে গীত গায়—

তাজ খৰ তাজ খৰ পাল্থাই কিছা ৰাউ
সেবে সেপাৰে ফানা বেফাৰা উৰিনা মন।

আইগ্ৰাং মায়ালি চাৰি হাবা জায়ানে
জাই ৰংখা কয়া কৈ থাইদ’
চদে চমদা হোংগাইদনা মায়ালি বুৰনে হাবাগ’
খচনা না মই।

এনেদৰে খৰ্লাহঁতে প্ৰেমিকজনক নিজৰ মনৰ ভাব প্ৰকাশ কৰে। পাল্থাইহঁতে কেতিয়াবা খৰ্লাক মন জুখি চাবলৈ বা ইতিকিং কৰি প্ৰণয়মূলক গীত গায়—

তুলিং নে কজানে ক্ৰাং ক্ৰাং
চিঙে ক্ৰাইনে খৰ্লা ৰাউ

আঙাচে মানিয়ানে খাং

হাকদাল হানে সাথং সাথং
হাকদাল থানে সাথং
চিঙে ক্রাইনে খৰ্লা ৰাউ
চেপ্তা চেপ্তি কোং

নখা ফিউৰানে চেউ চেউ, পাৰ ফিউৰানে চেউ
আমচাংৰালী খনা মানদ আঙাচি গুদি চেউ

এনেবোৰ গীতৰ উপৰিও কেতিয়াবা তিৱা পান্থাইহঁতে চামাদিত নিজৰ মানুহজনীৰ কথা ভাবি বা নিজৰ ভালপোৱাজনীক কেনেকৈ নিজৰ কৰি ল'ব পাৰি তাক লৈ নানা গীত গোৱা দেখিবলৈ পোৱা যায়। গীতসমূহত প্ৰেমিক-প্ৰেমিকাৰ বিৰহ-বেদনা, খং-ৰাগ, মান-অভিমান ইত্যাদিবোৰ প্ৰকাশ পোৱা দেখা যায়। পাহাৰৰ তিৱাসকলৰ মাজত পূৰ্বতে মাতৃপ্ৰধান সমাজ ব্যৱস্থাৰ বিশেষ প্ৰচলন আছিল আৰু মহিলাই প্ৰায়বোৰ কামত অগ্ৰসৰ হৈছিল। সেয়ে এই গীতবোৰত বেছিভাগ মহিলাই পুৰুষক উদ্দেশ্যি গোৱা পৰিলক্ষিত হয়। অকলে পথাৰত আৰকুৰি থাকোঁতে বা খেতি চপাওঁতে বা খেতি ৰখোঁতে নিজৰ মানুহজনৰ কথা ভাবি আবেগত উথলি উঠে আৰু তেতিয়াই এই প্ৰণয়মূলক গীতবোৰৰ সৃষ্টি হয়। কোনো আপোনজনক মনে বিচাৰিলে যদি নাপায় তেতিয়া বিৰহত খৰ্লাই গায়।

চিনানী তঙানে তি তাং লিগা
চমদা লুৰিনে লিৱা জাপ
ফিৱা জাপ ৰিৱানে
অৰলং লুৰিনে লিৱা জাপ

## লালি হিলালী গীত

লালি হিলালী গীতবোৰ প্ৰধানকৈ সন্তানৰ অশৌচ খেদা বা পথাৰত খেতি-বাতি কৰি থকাৰ সময়ত গায়। তিৱা সমাজত খেতি-বাতি কৰা সময়ত সমূহীয়াভাৱে ইজনে-সিজনক সহায় কৰি দিয়াৰ ব্যৱস্থা আছে যাক 'হেদাৰি' বা 'হাদাৰি' প্ৰথা বুলি কয়। এই হেদাৰি ডেকা-গাভৰুকে আদি কৰি সকলোবোৰ লোকে অংশগ্ৰহণ কৰে, সকলোৱে ভাগে ভাগে গৃহস্থক সহায় কৰি দিয়ে আৰু তেনেদৰে সহায় কৰি দিওঁতে কেতিয়াবা ডেকা গাভৰুসকলে এই গীত পৰিৱেশন কৰে। এই গীতবোৰ হৈছে এনেধৰণৰ—

লালি হিলালী লাইয়ে মোৰ পিতাদেউ
লালি হিলালী লাই

লালি লাং ঘৰতে বিড়ালী সোমালে

চাংতল মলঙি যায়।

কিয়নো আহিলি বা লৈ বৰষুণ

কিয়নো আহিলি বতাহ।

কিয়নো আহিলি অ' ধন চেনাইটি

হ'বলৈ নাপালো কথা।

ধনলৈ ধুনীয়া পকা তামোল পনীয়া

গোসাঁই ৰুৱা মদাৰৰ পাণ

ধনক চাইয়ে যাবি পাণক চাইয়ে খাবি

গা সাৰিবলৈ টান।

## আৰকুৰা গীত

পাহাৰত সাধাৰণতে ঝুম পদ্ধতিৰে খেতিবাতি কৰে। কোৰেৰে মাটি চহাই হাবি জংঘল পুৰি বিভিন্ন ধৰণৰ খেতি কৰে। ইয়াৰ ভিতৰত জলকীয়া, লাও, কোমোৰা, আদা, হালধি ইত্যাদি। এই আৰ কুৰিবলৈ অৰ্থাৎ মাটি চাফা কৰি খেতি কৰা প্ৰণালীকে তিৱাসকলে আৰকুৰা বুলি কয়। প্ৰকৃতাৰ্থৎ ই ঝুম পদ্ধতিৰে কৰা কৃষি। এই খেতি কৰিবলৈ তিৱা ডেকা, গাভৰু সকলোৱে যায়। ডেকা গাভৰু তথা বুঢ়া মেথাৰ সমূহীয়া প্ৰচেষ্টাত খেতি বাতি কৰাৰ সময়ত বিভিন্ন ধৰণৰ গীত গোৱা হয়। কেতিয়াবা প্ৰণয়মূলক, কেতিয়াবা কোনোবা এক ঘটনাৰ আঁত ধৰি বহু গীতৰ সৃষ্টি হয়। সেই গীতসমূহকে তিৱাসকলে আৰকুৰা গীত বা পান্থাই চ্যালৰা গীত বুলি কয়। এনে গীতৰ উদাহৰণ হৈছে—

হে মায়ালিনে ফাৰি কইথাদ'

আ আঙে ছাৰি নে জৰ

হে জায়া লিনে জুৰি কইথাদ'

অ আঙে ছাৰি নে জৰ

হে মায়ালিনে হাপা টিনা ফৈ

হে জায়ালিনে হাপা টিনা ফৈ

ৰাজে ছমদা খুম্‌জিল্ খুৰৰী

## গদালবৰীয়া গীত

ভৈয়ামৰ তিৱাসকলৰ মাজত প্ৰচলিত এক শ্ৰেণীৰ গীত। বিহুগীত, বনগীতৰ লেখিয়া এই গীতবোৰত স্বকীয় সুৰৰ ওপৰত প্ৰতিষ্ঠিত। এই গদালবৰীয়া গীতবোৰক বিভিন্ন নামেৰে নামকৰণ

কৰা দেখা যায়। ডিমৰীয়া অঞ্চলত লালিলাং, বাৰপূজীয়া অঞ্চলত গদালবৰীয়া গীত হিচাপে জনাজাত, আনহাতে তেতেলীয়াৰ বৰত উৎসৱত বৰত চাবলৈ যোৱা লোকসকলে ইজনে-সিজনক জোকোৱাৰ চলেৰে এই গীতবোৰ গায় বাবে ইয়াক বৰতৰ গীত বুলিও অভিহিত কৰে। কদাল শব্দই তিৱা ভাষাত নতুনক বুজায়। এই কদাল শব্দৰ পৰাই অপ্ৰভ্ৰংশ হৈ গদাল হোৱা বুলি ভবাৰ স্থল আছে। সেই ফালৰ পৰা এই গীতখিনিক নতুন ঠাইত সৃষ্টি হোৱা গীত বুলি ক'ব পাৰি। প্ৰধানকৈ কৃষি কৰ্মৰ সৈতে ব্যস্ত হৈ থাকোঁতে নিজৰ মনৰ কথাবোৰ কৈ কেতিয়াবা গায়। নহ'লে আজৰি পৰত আনন্দ-উল্লাসৰ বাবেও এই গদালবৰীয়া গীত গায়। ইয়াৰোপৰি মাঘ বিহুৰ সময়ত এইবিধ গীত গোৱা হয়। এই গীতবোৰত প্ৰেমৰ প্ৰাধান্যই বেছি। বিশেষকৈ গীতৰ মাজেৰে ডেকা-গাভৰুহঁতে নিজৰ ভালপোৱাজনক বিচাৰি লোৱা, ভৱিষ্যতে এখন সুন্দৰ সংসাৰ গঢ়াৰ সপোন দেখে। খেতি কৰ্মত ব্যস্ত হৈ থাকোঁতে গোৱা প্ৰণয়মূলক গদালবৰীয়া গীতবোৰ হৈছে এনেধৰণৰ—

কোনে আনিদিব নৈৰে পানী টুপি
কোনে ৰান্ধি দিব অ' ভাত,
কোনে পাৰি দিব শোৱাৰে বিচনা
কোনে লগাই যাব মাত ।
তোৰে যে চিন্তাতে অ' ওলাই চকুপানী
নেখালেও নেলাগে অ' ভোক,
এনে মৰমীয়াল অ' ব'হাগী গাভৰু
কেনেকৈ পাহৰিম অ' তোক।

এনেদৰে কোনোবা ডেকাই কোনোবা ছোৱালীক নিজৰ দুখৰ কথাকৈ প্ৰেম নিবেদন কৰে। ঠিক তেনেদৰে গাভৰুৱেও কোনোবা ভালপোৱা ডেকাজনক উদ্দেশ্যি নিজৰ মনৰ ভাৱ প্ৰকাশ কৰে। পথাৰত সকলোকে দেখি নিজৰ মানুহজনক নেদেখি গায়—

অ' বেচিমাৰি পথাৰত বাও ধান কাটিলো অ'
দবলে নধৰা মুঠি
আনক যে দেখা পাওঁ অ' ঢলাইটিক নেদেখো অ'
চাওঁয়ে বৰে গছত উঠি
অ' মতিলা দেখিব বৰে ভাল অ' সপতা পৰিছে গাল।

কেতিয়াবা পথাৰত ডেকা-গাভৰুৰ মাজত যোৱানামৰ পোহাৰ উঠে। গীতৰ মাজেৰে ইজনৰ কথা সিজনে কটা-কটি কৰে আৰু মনে মিলিলে যিজনে পৰাজিত হয় তেওঁক চিৰজীৱনৰ বাবে জীৱন লগৰী কৰি লয়। তেনেধৰণৰ দুফাকি যোৱানাম হৈছে—

প্ৰশ্ন ঃ বাঁহৰে আগলৈ চাইনো মই পঠিয়াওঁ
বাঁহৰ কোন ডালি পোন

শপত খাই কোৱাচোন মৰমৰ মইনা
তুমি ভালে পোৱা কোন

উত্তৰ ঃ সইতো নাখাওঁ মই শপতো নাখাওঁ মই
নেখাওঁ মই সফুঁৰাৰ গুৱা
মনৰ দিলৰ মানুহ নেপাওঁ মানে কৰি
দেহাকো নকৰো চুৰা।

তেতেলীয়া বৰত উৎসৱত গোৱা গদালবৰীয়া গীতসমূহ হৈছে এনেধৰণৰ—

'হাই ঐ সৰগৰ তৰাকে লিখিব পাৰো মই
হাতৰ কাজলি লৈ
ৰাতিৰে ৰাতিটো টোপনি নধৰে
তোমাৰ গুণৰ কথা কৈ।
তোমালৈ যিমান মৰম ঐ লাহৰী
মোলৈ সিমানে নাই
আশা কৰি কৰি নিৰাশা কৰিলি
তোৰ সমান নিৰ্দয়া নাই।
প্ৰেমতে পগলা গাঁৱৰ ডেকা ল'ৰা
ভক্তি পগলা সাধু
লাহৰী লগতে মই হ'লো পগলা
বিছনাত অকলে কান্দো।
ধাননী ধাননী ফুৰে লালুঙনী
ধানৰ মাজত কৰিলি বাট
কিনো লালুঙনী নানো মানে কৰি
নাখাং পেটে ভৰাই ভাত।
তয়ে ঐ হৰি বল সকলো এৰি গ'ল
বদনাম বহুতো হ'ল।'

## ৰাতিসেৱা অনুষ্ঠানত গোৱা গীত

ভৈয়াম অঞ্চলত পালন কৰা এইবিধ অনুষ্ঠানত বিভিন্ন ধৰণৰ গীত গোৱা দেখা যায়। প্ৰধানকৈ অনুষ্ঠানটোৰ আৰম্ভণিৰ পৰা শেষলৈকে হোৱা বিভিন্ন কাৰ্যৰ বিষয়েও গীতৰ জৰিয়তে উল্লেখ কৰে। সম্পূৰ্ণ আধ্যাত্মিক ভাবপূৰ্ণ। যদিও ৰাতিসেৱাৰ গীতবোৰ ভক্তি ভাবৰ আৰু এই গীতবোৰ গোপনে

ভকত-ভকতনীসকলে গায়, তথাপি ইয়াত প্ৰেমৰ ভাব পৰিস্ফুট হৈছে। তেনে প্ৰণয় ভাব পৰিস্ফুট হোৱা দুটি গীতৰ কলি এনেধৰণৰ—

'লাইনো কুমলীয়া গৰু খাই ঢুকালে
লফা কুমলীয়া বেৰো
বন্ধুৰে আমাৰে একেটি পীৰিটি
দেহাদি ভকতি কৰোঁ।
কুমাৰে গঢ়িলে চৰুলৈ কলহ
কুমাৰে গঢ়িলে চৰু
তুমিও আমাৰে আমিও তোমাৰে
একে গোহালিৰে গৰু।'

**বনগীত**

কৃষিজীৱী তিৱাসকলৰ মাজতো বনগীতৰ প্ৰচলন দেখিবলৈ পোৱা যায়। এই গীতবোৰ কৃষিৰ সৈতে সম্পৰ্কিত আৰু কোনো স্বভাৱজাত কবিৰ হাতত এইবোৰৰ সৃষ্টি হৈছিল। ধান দাওঁতে বা কোনোবা ডেকাই ম'হৰ পিঠিত উঠি পথাৰৰ মাজত এই গীতবোৰ গাইছিল। মনৰ আবেগ-অনুভূতিবোৰ গীতৰ মাজেৰেই প্ৰকাশ কৰি সন্তুষ্টি লাভ কৰিছিল। এই গীতবোৰ মূলতঃ প্ৰণয়মূলক। তেনেধৰণৰ গীতৰ উদাহৰণ হৈছে—

'আই সৰস্বতী মাগো পাৰেবতী অ'
তোমালৈ বান্ধিলো অ' বেল
পাহৰা পদকে সোঁৱৰাই এ দিবা
যেন মাথাত লোৱা তেল।'

কোনোবা প্ৰেমিকাই দূৰণিত কাম কৰি থকা চেনাইৰ পৰা চিঠি এখন পাবলৈ কিমান যে উদ্‌বাউল হৈ থাকে তাকে গীতৰ ভাষাৰে গাইছে—

'চিঠি ঐ চিঠি ঐ মৰমৰ চিঠি ঐ
বাটত নেথাকিবি বৈ
সোনকালে আহিবা পলম নকৰিবা
বন্ধুৰে বাতৰি লৈ।'

তেনেদৰে মনৰ মানুহজনীক পাবলৈ কিমানযে হাবিয়াস আৰু সদায় যে মনত পৰি থাকে তাক এনেদৰে গাইছে—

'আজি ৰাতি সপোনত দোভাগ ঐ ৰাতি অ'
কাঁহীত খাই আছিলো অ' ভাত
তোমাৰ নিচিনা মিঠা বৰণীয়া
গাতে দি আছিলো হাত।
হাতে হেৰা কাবলি চাবোন তোমাৰ লগত দিলো জীৱন
হাতৰ ঘড়ী বন্ধকত থৈয়ে পকা বগৰী অ' হ'বা জানো লগৰী
অ দিবা জানো মৰমৰ মাতে হেৰা লেজ্‌পি ৰুটি
আগে মৰম লগাইছিলি এতিয়াযে নমতা হ'লি।'

## বিহুতলীৰ ঝুনা

প্ৰধানকৈ মাঘ বিহু আৰু ব'হাগ বিহুৰ সময়ত এই গীতবোৰ গায়। ল'ৰা-ছোৱালীয়ে মুকলি পথাৰৰ মাজত পাতিঢোল আৰু পেঁপাৰ সুৰে সুৰে এইগীত গাই আনন্দ কৰে। মাঘ বিহুৰ সময়তো মেজি পুৰি ঘৰে ঘৰে গৈ মদ খাই নাচি গদালবৰীয়া বা লালিলাং গীতৰ দৰে বিহুতলীৰ ঝুনা গীত গায়। মাঘ বিহুত গোৱা এফাঁকি গীত হৈছে এনেধৰণৰ—

'হে কলি নিকলি সূতা কপাহ নধৰিলি
গোন্ধে তেল ঘঁহিলি গাতে ঐ
এতোলা সেন্দূৰৰ যোৰ ফোঁট ঐ মাৰিলি
বিহু ধ্বনি নামিছে গাতে ঐ
বিহু ধ্বনি নামিছে গাত।'

তেনেদৰে ব'হাগ বিহুৰ সয়তো ভৈয়ামৰ তিৱা খৰ্‌লাহঁতে এনেদৰে গীত গায়—

'অ' কলঙত উঠিলে বেনুমন মন ঐ
গেলাকৈ বৰালি বেনু মন মন ঐ
তাকে চাই শুকুতা বাচোঁ
বেনু মন মন ঐ ৰঙা টিকে টিকে
বেনু মন মন ঐ পনীয়াল তামোলটি
বেনু মন মন ঐ নেখাই মই তোমালৈ
যাচোঁ মন মন ঐ তোৰে যে মৰমত
মৰো মন মন ঐ পাৰিজাত ভাওনা কৰোঁ।'

## নিচুকনী গীত

তিৰাসকলৰ সমাজতো কেঁচুৰাক নিচুকাবৰ বাবে বিভিন্ন ধৰণৰ নিচুকনী গীত গোৱাৰ পৰম্পৰা আছে। বিভিন্ন ধৰণৰ জীৱ-জন্তুৰ বিষয়ে নতুবা কোনো বীৰ পুৰুষৰ কাহিনীৰ বিষয়ে কৈ ল'ৰা-ছোৱালীক সান্ত্বনা দিবৰ বাবে চেষ্টা কৰে। কেতিয়াবা ল'ৰা আৰু ছোৱালীক নিচুকাবৰ বাবে পৃথক পৃথক গীত গোৱাও দেখা যায়।

ছোৱালী সন্তান নিচুকোৱা গীত—

কুং কুআ কুংকাই তাক্ৰা দেই 'মা' হাজেৰা
সাঙাল্ হংব ন' খশই চলম-ফিৰা
পৰই তালা দেই 'মা' হাজেৰা
সাঙাল তৰে ফই মায়া মিদ' খশই ফিৰা
তাক্ৰা দেই দেই 'মা' হাজেৰা।

ল'ৰা সন্তান নিচুকোৱা গীত—

তাক্ৰা দেই খাই দেই, জেলা হাজেৰা
তাচিৰি দেই খাই দেই, মালি হাজেৰা
কুং কাই কাই জেলা হাজেৰা

নানা ক্ৰামৰে, জেলা হাজেৰা
নানা জিৰিম্বে, মালি হাজেৰা
তাক্ৰাফা দেই, ন' ৰমা হাজেৰা
তাজিৰিনা দেই, হা ৰমা হাজেৰা
কুং কাই কাই....

## সামৰণি

তিৰাসকলৰ সমাজ জীৱনত প্ৰচলিত লোকগীতসমূহৰ বিষয়ে অধ্যয়ন কৰিলে দেখা যায় যে প্ৰধানকৈ অনুষ্ঠানমূলক লোকগীতৰ প্ৰাধান্যই অধিক। তদুপৰি পাহাৰ আৰু ভৈয়ামৰ তিৰাসকলৰ মাজত প্ৰচলিত প্ৰায়বোৰ লোকগীতেই প্ৰেমমূলক। কৃষিজীৱী তিৰাসকলৰ লোকগীতবোৰ কৃষিৰ সৈতে সম্পৰ্কিত। বিবিধ উৎসৱ-পাৰ্বণ, আচাৰ-অনুষ্ঠান আদিত গোৱা গীতবোৰৰ মজেৰে তিৰা সমাজ আৰু সংস্কৃতিৰ সুন্দৰ আভাস পাব পাৰি। স্বভাৱ কবিৰ সৃষ্ট এই গীত-মাতবোৰ মানুহৰ মুখে মুখে আজিও প্ৰচলন হৈ আহিছে। পাহাৰ আৰু ভৈয়াম অঞ্চলত বাস কৰা তিৰাসকলৰ লোকগীতবোৰ

লিখিত ৰূপত সংৰক্ষণ কৰি ৰাখিব পাৰিলে অসমীয়া লোক-সাহিত্যৰ ভঁৰাল আৰু চহকী হ'ব বুলি আমাৰ ধাৰণা প্ৰবল।


*প্ৰসঙ্গ পুথি*

গগৈ, লোকেশ্বৰ ঃ *তিৱা সংস্কৃতিৰ ৰূপৰেখা,* প্ৰথম খণ্ডা, ১৯৮৬

দাস, মুৰুলীধৰ ঃ *পাঁচকুৰি লালিলাং* ২০০২

দেউৰী, মনেশ্বৰ ঃ *মৰিগাঁও জিলাৰ লোক সংস্কৃতি,* ১৯৯৪

নাথ, প্ৰফুল্ল কুমাৰ (সম্পা.) ঃ *অসমৰ জনগোষ্ঠীয় ঐতিহ্য* ২০০৮

পাটৰ, ধীৰাজ ঃ *তিৱা লোকসংস্কৃতিৰ আভাস,* বান্ধৱ প্ৰকাশন, গুৱাহাটী, ২০১৩

পাতৰ, মহেশ্বৰ (সংক.) ঃ *ফেৰা* ২০০০ আৰু *মুহুৰী* ২০০২

ৰাভা হাকাচাম, উপেন ঃ *অসমৰ জনজাতীয় সংস্কৃতি,* ২০০৫

সেনাপতি, বলাইৰাম ঃ *পাঁচোৰজীয়া অঞ্চলৰ লালুঙৰ লোকগীতৰ ওপৰত সামান্য আলোকপাত,* ১৯৯৭

সেনাপতি, গণেশ (সম্পা.) ঃ *ৰিংচাং* ২০০৮

*আলোচনী/ স্মৃতিগ্ৰন্থ*

আমচি, ৰিমল ঃ *থুৰি,* তিৱা মাথনলাই তখ্ৰা, পঞ্চম অধিৱেশন, ২০০২

পাটৰ, কাবেৰী ঃ *চাৰজিনা,* সদৌ তিৱা ছাত্ৰ সন্থা, গুৱাহাটী মহানগৰ সমিতি, ২০১৩

পাতৰ, মহৎসিং ঃ *চনাইনে তিহান্দ,* তিৱা মাথন্‌লাই তখ্ৰা, চতুৰ্থ অধিৱেশন, ২০০০

বৰদলৈ, তুলসী ঃ *থোৰাং,* তিৱা মাথনলাই তখ্ৰা, তৃতীয় অধিৱেশন, ১৯৯৭

বৰদলৈ, হৰেশ্বৰ ঃ *ছগ্ৰাচাল,* উত্তৰ-পূব ভাৰত তিৱা সাংস্কৃতিকৰ মহোৎসৱ, জাগীৰোড, ২০১৫

বড়ো, নামেশ্বৰ ঃ *চাংখৱ্‌লা,* তিৱা মাথন্‌লাই তখ্ৰা, সপ্তম অধিৱেশন, ২০০৬

লুমফৈড, ৰবাৰ্ট আৰু ঃ *লাংখন,* উলুখুনচি, কাৰ্বি আংলং, ২০০৯

খলাৰ, হৰসিং সেনাপতি, বগাধৰ ঃ *থোৰাং,* মুখপত্ৰ, তিৱা মাথন্‌লাই তখ্ৰা, ২০০৬

..............;........... ঃ *থোৰাং,* মুখপত্ৰ, তিৱা মাথন্‌লাই তখ্ৰা, ২০০৮


*সংবাদদাতা*

তপন বৰদলৈ (শিলচাং), ধৰ্মেশ্বৰ বৰদলৈ (শিলচাং), দেৱজিৎ বৰদলৈ (গেৰুৱা)

মহেশ্বৰ পাতৰ (আমচৈ), ৰত্নেশ্বৰ বৰদলৈ (তেতেলীয়া)

২

# অসমৰ টাই বৌদ্ধ ধৰ্মাৱলম্বীসকলে পালন কৰা বসন্ত উৎসৱ পয়চাংকেন ঃ এক আলোকপাত

*পূণ্যপ্ৰভা বৰুৱা*



**অসমৰ টাই বৌদ্ধ ধৰ্মাৱলম্বী সকলৰ পয়চাংকেন উৎসৱৰ এক দৃশ্য**

অসমত বসবাস কৰা টাইসকল হ'ল দক্ষিণ পূব এছিয়াৰ বিৰাট শ্বান বা টাই জাতিৰ লোক। বৰ্তমান অসম তথা উত্তৰ-পূৰ্বাঞ্চলত মুঠ ছয়টা টাই গোষ্ঠীৰ লোকে বসবাস কৰে। সেইকেইটা হ'ল--- টাই আহোম, টাই খামতি, টাই ফাকে বা ফাকিয়াল, টাই আইতনীয়া আৰু টাই টুৰুং। এই ছয়টা জনগোষ্ঠীৰ ভিতৰত আহোমসকলৰ বাহিৰে বাকীকেইটা জনগোষ্ঠীয়ে বৌদ্ধ ধৰ্মৰ বাহিৰে

আন ধৰ্ম গ্ৰহণ কৰাৰ উদাহৰণ পাবলৈ নাই। সেয়ে হ'লেও উজনি অসমৰ কিছু আহোম পৰিয়ালে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰা দেখিবলৈ পোৱা গৈছে। এই টাইসকল মূলত একে মূলৰ। অসমত থকাৰ সময়ত তেওঁলোকে সামাজিক উত্তৰণ আৰু ধৰ্মীয় পৰম্পৰাৰ সংমিশ্ৰণ দেখিবলৈ পোৱা যায়। অসমত থকা বৌদ্ধ ধৰ্মাৱলম্বী টাইসকলৰ বসতি সাধাৰণতে উজনি অসমত দেখিবলৈ পোৱা যায়। উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, যোৰহাট, শিৱসাগৰ, গোলাঘাট, কাৰ্বি আংলং প্ৰভৃতি জিলাকে ধৰি অসমৰ লখিমপুৰ জিলাতো বসতি আছে। এই টাই বৌদ্ধ ধৰ্মাৱলম্বীসকলৰ জীৱনত এক উচ্চমানৰ সাংস্কৃতিক বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। সামাজিক সাংস্কৃতিকভাৱে টাই বৌদ্ধ ধৰ্মাৱলম্বী পাঁচটা জনগোষ্ঠীৰ মাজত বিশেষ সম্পৰ্ক দেখিবলৈ পোৱা যায়।

## টাই বৌদ্ধসকলে পালন কৰা 'পয়চাংকেন'

টাই বৌদ্ধসকল উৎসৱপ্ৰিয় লোক। এওঁলোকৰ দৈনন্দিন জীৱনৰ প্ৰায়বোৰ দিশতে উৎসৱে বিশেষ মহত্ব প্ৰদান কৰিছে। পয়চাংকেন, মাইকৌচুমফাই, প্ৰবাৰনা, বুদ্ধ পূৰ্ণিমা, পয়লেং, বৰ্ষাবাস প্ৰভৃতি উৎসৱকে ধৰি বহু উৎসৱ টাই বৌদ্ধ ধৰ্মাৱলম্বীসকলে পালন কৰি আহিছে। টাই বৌদ্ধ ধৰ্মাৱলম্বীসকলৰ লোক কৃষ্টিত ধৰ্মীয় ভাৱনা আৰু সংস্কৃতিৰ প্ৰভাৱ বৰকৈ অনুভৱ কৰা হয় উৎসৱ-পাৰ্বনসমূহত। এওঁলোকে পালন কৰা প্ৰায়বোৰ ৰাজহুৱা পৰম্পৰাগত উৎসৱ অনুষ্ঠানেই ধৰ্মৰ লগত জড়িত হৈ আছে। যুগ যুগ ধৰি ধৰ্মীয় প্ৰভাৱেৰে আচ্ছন্ন হৈ অহাৰ বাবেই সেই উৎসৱসমূহৰ ঐতিহাসিক সমলখিনিও ধৰ্মীয় বাখ্যাযুক্ত হৈ পৰিছে। এনেবোৰ কাৰণতে বৌদ্ধ ধৰ্ম আৰু সামাজিক ৰীতি-নীতি আদিবোৰ টাই বৌদ্ধসকলৰ জাতীয় কৃষ্টিৰ অপৰিহাৰ্য অংগ হৈ পৰিছে।

উৎসৱপ্ৰিয় টাই বৌদ্ধসকলে পালন কৰা উৎসৱসমূহৰ ভিতৰত এটা অন্যতম উৎসৱ হ'ল পয়চাংকেন উৎসৱ। এই উৎসৱক বৌদ্ধসকলৰ বসন্ত উৎসৱ বুলিব পাৰি। ব'হাগ বিহুৰ তাৎপৰ্যৰ লগত এই উৎসৱৰ সম্পৰ্ক নিহিত হৈ আছে। সেয়ে হ'লেও, বহাগ বিহুৰ ঐতিহাসিক ভিত্তি ইয়াত ধৰ্মীয় দিশেৰে ব্যাখ্যা কৰা হয়। কিয়নো এই 'পয়চাংকেন' উৎসৱক বসন্ত উৎসৱ হিচাপে বা সংক্ৰান্তি উৎসৱ হিচাপে পালন কৰাৰ উপৰিও 'বুদ্ধ মূৰ্তি ধুওৱা' উৎসৱ হিচাপেও পালন কৰা হয়। নৱবৰ্ষৰ আগমনিত প্ৰকৃতিয়ে নতুন ৰূপ সলাই চঞ্চলা-চপলা লাস্যময়ী হৈ পৰে। এনে সময়তে আহি পায় চাংকেন বা চাংকেন উৎসৱ। চ'ত মাহৰ সংক্ৰান্তিৰ দিনাৰ পৰাই চাংকেন আৰম্ভ হয়। বহাগৰ সময়ত দ খেতিত নামিবলৈ এই উৎসৱ পালন কৰা হয়। এই উৎসৱ অসমত থকা ছয়টা টাই জনগোষ্ঠীৰ ভিতৰত আহোমৰ বাদে বাকী পাঁচটা টাই বৌদ্ধ ধৰ্মাৱলম্বী জনগোষ্ঠীয়ে পালন কৰে।

চ'ত মাহৰ সংক্ৰান্তিৰ দিনা বৌদ্ধ বিহাৰৰ বেদীৰ পৰা বুদ্ধ মূৰ্তি স্থানান্তৰিত কৰি এখন সুন্দৰকৈ সজোৱা আসনত বহুৱাই পৰিস্কাৰ পৰিচ্ছন্ন কৰা হয়। উল্লেখ্য যে, এই উৎসৱৰ আৰম্ভণিৰ প্ৰায় এমাহৰ পৰাই লিক্‌চাংকেন (টাই পুথিৰ স্তুতি) পৰ্ব আৰম্ভ হয়। জনা যায় যে তেতিয়াৰে পৰা তেওঁলোকে লিক্ বা স্তুতিবোৰ শিকে আৰু পয়চাংকেন উৎসৱৰ সময়ত বৌদ্ধমূৰ্তিত পানী ঢালি

ঢালি গায়।[1]চাংকেন উৎসৱ আৰম্ভ হোৱাৰ কিছুদিন পূৰ্বে গাঁৱৰ ৰাইজ মিলিত হৈ বিহাৰৰ প্ৰাংগনৰ এক আছুতীয়া ঠাইত এটা বিশেষ ঘৰ সাজি উলিয়ায়। বুদ্ধ মূৰ্তি স্থাপন কৰিবলৈ বিশেষভাৱে সজা এই ঘৰটোক 'ক্যংফা' ঘৰ বুলি কোৱা হয়। ৰং বিৰঙৰ সূতাৰে সজাই তোলা 'কোংপান' নামৰ বাঁহৰ চুঙাৰ চকৰি এটাৰ লগত সংযোগ কৰি ক্যংফা ঘৰটোৰ এফালে এখন কাঠৰ নেওৰাৰে বিন্ধা কৰি বাহিৰৰ ফালৰ পৰা সুমুৱাই দিয়া হয় আৰু তলৰ ফালে সৰু শিলৰ ওপৰত বহুৱাই দিয়া হয়।

সংক্ৰান্তিৰ দিনা বুদ্ধমূৰ্তি ক্যংফা ঘৰ বা বুদ্ধ মূৰ্তি ধুওৱা স্নান ঘৰলৈ স্থানান্তৰিত কৰা আৰু পুনৰ বেদীত স্থাপন কৰাৰ শুভক্ষণৰ বিষয়ে গৱেষণাৰদ্বাৰা চাক্ৰেত (বৰ্ষপঞ্জী) প্ৰকাশ কৰি বৌদ্ধ ৰাষ্ট্ৰসমূহলৈ প্ৰেৰণ কৰে দক্ষিণ-পূব এছিয়াৰ বৌদ্ধসকলে। এই চাক্ৰেতত ব্যক্তিবিশেষৰ নৱবৰ্ষৰ শুভাশুভৰ বিষয়েও বৰ্ষচক্ৰত উল্লেখ থাকে।[2]

অসমতো চাংকনৰ সময় হোৱাৰ লগে লগেই প্ৰত্যেক টাই বৌদ্ধ গাঁওবোৰলৈ পঞ্জিকা আহে। এই পঞ্জিকাবোৰত চাংকেন নিৰ্দিষ্ট সময়, দিন, বাৰ, ক্ষণ, ঘণ্টা আদি নিৰ্দিষ্ট কৰি দিয়া থাকে। জনা যায় যে, টাই বৌদ্ধ গাঁওবোৰলৈ অহা এই পঞ্জিকাবোৰৰ ভাষা টাই আৰু বাৰ্মিজ মিহলি। এই পঞ্জিকাবোৰত মূৰ্তিবোৰ ৰখাৰ সময়, দিশ, মূল বিহাৰত স্থাপনৰ সময় আদি সকলোবোৰ নিৰ্দ্ধাৰণ কৰা থাকে। তদুপৰি পঞ্জিকাবোৰত ৰাশি অনুযায়ী মানুহৰ বছৰটোৰ লাভ লোকচান, কৰণীয় সকলো বিধি সুন্দৰকৈ সজোৱা থাকে।

উৎসৱৰ সময়ত বৌদ্ধ ভিক্ষু শ্ৰমন আৰু ৰাইজ সমবেত হৈ বিহাৰত ভিতৰত প্ৰৱেশ কৰি ধৰ্মীয় কাম-কাজ তথা নীতি নিয়মেৰে বুদ্ধমূৰ্তি আনি 'ক্যংফা' ঘৰত স্থাপন কৰে। ক্যংফা ঘৰত স্থাপন কৰাৰ প্ৰস্তুতিৰ এনে উৎসৱ-আনন্দৰ সময়তে গাঁৱৰ ৰাইজে পৰম্পৰাগত নানান বাদ্যযন্ত্ৰ বজায়। নানান সুগন্ধি ফুল, আখৈ আদি মূৰ্তিৰ ওপৰত ছটিয়ায়। তদুপৰি মূল ক্যংফা ঘৰত বুদ্ধমূৰ্তি স্থাপনৰ ঠিক আগে আগে পূৰ্বতে সজাই ৰখা এখন আসনত বুদ্ধ মূৰ্তিৰ কিছু সময়ৰ বাবে ৰখা হয়। সেই সময়তে গাঁৱৰ সমবেত সকলো ৰাইজে মূৰ্তিৰ ওপৰত সুগন্ধি তেলযুক্ত পানী ঢালি পূজা সেৱা কৰে। তাৰ ঠিক পাচতহে শ্ৰমণে বুদ্ধ মূৰ্তি পৱিত্ৰভাৱে নি ক্যংফা ঘৰৰ ভিতৰত স্থাপন কৰে। এনে সময়তে উৎসৱ আৰম্ভ হয়। এনে আৰম্ভণি হৈছে বুদ্ধ মূৰ্তিক গা ধুওৱা পৰ্ব। যাক 'চনফ্ৰা' বুলি কোৱা হয়। সুগন্ধি তেল-পানী-চন্দন মিশ্ৰিত উপাদানেৰে সন্মিলিত গাঁৱৰ ৰাইজে ন-সাজ পৰিধান কৰি অতি পৱিত্ৰতাৰে মূৰ্তিক স্নান কৰে। এই পানী ঢলা কাৰ্য বৰ আকৰ্ষণীয়। কিয়নো বুদ্ধ মুৰ্তিৰ গাত যি পানী ঢলা হয়, সেই পানী পোনপটীয়াকৈ বুদ্ধ মূৰ্তিৰ গাত ঢলা নহয়। সেই পানী পূৰ্বতে ঠিক কৰি থোৱা নেওৰা বা নৌকাসদৃশ অংশটোত ঢালি দিয়া হয়। নেওৰাৰ পানী গৈ কুংপানত পোৱা মাত্ৰকে পানীৰ নিম্নচাপৰ ফলত কুংপানটো ঘূৰ্ণীয়মান গতিত ঘূৰিবলৈ ধৰে। ইয়াৰ পৰা পানী গৈ কুংপানত পোৱা মাত্ৰেই পানী সিঁচৰিত হৈ বুদ্ধমূৰ্তিৰ গাত পৰে। ইয়াৰ লগে লগে ডেকা-গাভৰু, আবাল, বৃদ্ধ-বনিতা, ল'ৰা-ছোৱালী সকলো লগ হৈ পানী খেলাৰ মাজেৰে

---

*(১) ধ্ৰুৱকুমাৰ তালুকদাৰ, অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোক উৎসৱ ঃ পৃঃ-৭২*

*(২) টাই খাময়াং বুৰঞ্জী, সম্পাদনা সমিতি। সম্পা. টাই খাময়াং বুৰঞ্জী ঃ পৃঃ-৮৩*

ৰং ৰহইচ কৰে। সুগন্ধি সুবাস মিশ্ৰিত পানীৰে বুদ্ধমূৰ্তিক স্নান কৰোৱাই নৱবৰ্ষৰ বাবে সংস্কাৰ সাধন কৰোৱা মুহূৰ্তত ডেকা-গাভৰুসকলেও নিজৰ আপোনজনৰ হাতেৰে তেনে এছাটি পানীৰে নৱবৰ্ষৰ সম্ভাষণ পাবলৈ গোপনে আশা পালি থাকে।(৩)

এই পয়চাংকেন উৎসৱত কনিষ্ঠসকলে জ্যেষ্ঠজনৰ গাত পৰিষ্কাৰ পানী ঢালি আশীৰ্বাদ বিচাৰে। পানী খেলি আনন্দ উল্লাসৰ মাজত সেইদিনা 'চনফ্ৰা' শেষ কৰি সমবেত ৰাইজে চিমিথং অৰ্থাৎ বন্তি প্ৰজ্বলন 'খামচি'ন অৰ্থাৎ প্ৰাৰ্থনা গায়। গাঁৱৰ ডেকা-গাভৰুসকলে টাই বিহুগীত গাই সেইদিনা গোটেই ৰাতি আনন্দোৎচ্ছাসৰ মাজত অতিবাহিত কৰে। এইখিনিতে উল্লেখ যে, ক্যংফাত বুদ্ধ মূৰ্তিসহ ৫২ ঘণ্টা ৰখা হয়। এইখিনি অৰ্চনা আৰু পানী ছটিওৱা কাৰ্যক অতি পৱিত্ৰ হিচাপে গণ্য কৰা হয়।

পিচদিনা ৰাতিপুৱা ৰাইজসকল আহি পুনৰ ক্যংফা ঘৰৰ সন্মুখত সমবেত হয় আৰু তাংচম (অন্নদান পূজা), পুষ্পদান আদি কৰি ভগৱান বুদ্ধৰ ওচৰত সৰ্বমংগল কামনা কৰি প্ৰাৰ্থনা জনায়। এনে কৰাৰ পিচত পুনৰ 'চনফ্ৰা' আৰম্ভ হয়। এনেদৰে পয়চাংকেন উৎসৱ প্ৰায় তিনিদিন ধৰি চলে। ৰং ৰহইচৰ মাজেদি এনেকৈয়ে চাংকেনে সামৰণিৰ ফালে গতি কৰে। উৎসৱ সামৰণিৰ পৰাৰ পিচত চাক্ৰেতত নিৰ্দিষ্ট কৰা ক্ষণ অনুসৰি ক্যংফা ঘৰৰ পৰা বুদ্ধমূৰ্তি নি বিহাৰৰ স্থায়ী বেদীত নি স্থাপন কৰে। লগে লগেই বিহাৰৰ বাহিৰ-ভিতৰ ভাগত সুগন্ধিত চন্দন পানী ছটিয়াই শুচি কৰা হয়। সেই চন্দন পানী ৰাইজৰ গালৈ ছটিয়াই সৰ্বমংগল, সৰ্বসুখৰ কামনা কৰা হয়। যদি পুৱাৰ ভাগতেই এই কাৰ্য সম্পন্ন হয়, তেন্তে উক্তদিনাই বিহাৰত সামৰণি উৎসৱ পাতি ভগৱান বুদ্ধৰ প্ৰতীক বুদ্ধ মূৰ্তিৰ ওচৰত নৱবৰ্ষৰ শুভ মংগলৰ বাবে কান্-ট (ক্ষমা প্ৰাৰ্থনা) কৰে।(৪) বিহাৰস্থিত ভিক্ষু শ্ৰমন সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি সুগন্ধি জল লৈ পৱিত্ৰভাৱে গৃহাভিমুখে যাত্ৰা কৰে। বিহাৰত উপস্থিত সকলো লোকে সেইদিনা পঞ্চশীল গ্ৰহণ কৰা দেখা যায়।

পয়চাংকেনৰ পিছদিনা অথবা দুই চাৰিদিনৰ পিছত চ'ম চাংকেল নামৰ ধৰ্মীয় অনুষ্ঠান এটা পাতি সকলোৰে মংগল কামনা কৰি পুৰণি বছৰটোক বিদায় দি নতুন বছৰটোক আদৰণি জনায়। অনুষ্ঠানৰ শেষত বৌদ্ধ ভিক্ষু শ্ৰমণে বুদ্ধ মূৰ্তিক বিচনীৰে বিচি দিয়ে। ইয়াৰ পিছত ৰাইজেও বিচনী ব্যৱহাৰ কৰিব পাৰে বুলি টাই বৌদ্ধ সমাজত প্ৰবাদ প্ৰচলন আছে।

'পয়চাংকেন' হৈছে এফালেদি উচ্চ ধৰ্মীয় ভাৱযুক্ত পঞ্জিকা আশ্ৰয়ী লোক উৎসৱ। অসমৰ টাই বৌদ্ধসকলৰ (টাই খামতি, টাইফাকে বা ফাকিয়াল, টাই আইতনীয়া, টাই খাময়াক টাই টুৰুং) 'পয়চাংকেন' উৎসৱ অতি উলহ-মালহেৰে পালন কৰা আনন্দৰ উৎসৱ। এই উৎসৱৰ লগত অসমৰ বহাগ বিহুৰ যথেষ্ট সাদৃশ্য দেখিবলৈ পোৱা যায়। পানী ছটিওৱা কাৰ্যই অসমৰ ফাকু বা হোলী উৎসৱৰ বহু দিশৰ সাদৃশ্য অৱতাৰণা কৰিছে। তদুপৰি নীতি নিয়মৰ ফালৰ পৰা চাবলৈ গ'লেও ৰঙালী বিহুৰ বহু নিয়ম (যেনে গা ধুওৱা, জ্যেষ্ঠজনৰ পৰা আশীৰ্বাদ, বিচনীৰ বা, গীত-

---

*(৩) তাই খাময়াং বুৰঞ্জী সম্পাদনা সমিতি, উল্লিখিত।*

(৪) *উল্লিখিত।*

নৃত্যৰ উল্লাস ইয়াৰ লগত মিল থকা দেখা যায়)। অসমৰ বহাগ বিহুৰ দৰে অসমত বসবাস কৰা টাই বৌদ্ধ ধৰ্মাৱলম্বীসকলে ‘পয়চাংকেন’ উৎসৱৰ জৰিয়তে অসমীয়া কৃষ্টি সভ্যতাক আকোৱালি লৈ আজিকালি হুচৰি গোৱা প্ৰথাও প্ৰচলন কৰিছে। বহুক্ষেত্ৰত এই আনন্দ উৎসৱত ডেকা গাভৰুৰ হৃদয়ৰ বেথাই বিবাহৰ দিশলৈও গতি কৰা দেখা যায়। পয়চাংকেন উৎসৱৰ লগত ত্ৰিপুৰাৰ মদন পূজাৰ সাদৃশ্য মন কৰিবলগীয়া। অৱশ্যে ‘চাংকেন’ টাই বৌদ্ধসকলৰ বাপতিসাহোন, স্ব-ঐতিহ্য মহিমাৰে উদ্বুলিত আনন্দ উল্লাসৰ উৎসৱ। এই চাংকেন উৎসৱৰ বিষয়ে ‘টাই খাময়াং বুৰঞ্জী’ত পোৱা মন্তব্য এইক্ষেত্ৰত প্ৰণিধানযোগ্য-----------ঃ

> “Each year of this festival is followed by a wave of betrothels and weddings. Young people of the villages have several weeks for singing, dancing and couting untill the monsoon rain arrive about the first of June”[(৫)]

## উপসংহাৰ

উৎসৱ অনুষ্ঠান হ’ল কোনো জনগোষ্ঠীৰ সংস্কৃতিৰ প্ৰধান উপাদান। এনে অনুষ্ঠান পৰম্পৰাৰ মাজেদিয়েই জনগোষ্ঠীৰ সাংস্কৃতিক জীৱন প্ৰতিফলিত হয়। টাই বৌদ্ধসকলৰ বসন্ত উৎসৱ পয়চাংকেনৰ লগত জনগোষ্ঠীকেইটাৰ প্ৰধানকৈ ধৰ্মীয় দিশো জড়িত হৈ আছে। যিয়েই নহওঁক, চ’তৰ সংক্ৰান্তিত বসন্তৰ আগমনৰ লগে লগে এই জাতীয় উৎসৱটো পালন কৰাৰ বাবে এই উৎসৱক বসন্ত উৎসৱ বুলিব পাৰি। ‘পয়চাংকেন’ৰ মাজেদি টাই বৌদ্ধ জনগোষ্ঠী (ফাকে, আইতন, খামতি, খাময়াং টুৰং) কেইটাৰ সামাজিক, সাংস্কৃতিক, ধৰ্মীয় আদি দিশবোৰ সুন্দৰকৈ পৰিস্ফুট হৈ পৰিছে। অসমীয়া সংস্কৃতিৰ প্ৰভাৱত আচ্ছন্ন এই পয়চাংকেন উৎসৱে অসম তথা সমগ্ৰ বিশ্বৰে সাংস্কৃতিক ভঁৰাল সমৃদ্ধিশালী কৰি তুলিছে।

### *সহায়ক গ্ৰন্থপঞ্জী*


(১) তাই খাময়াং সম্পাদনা সমিতি (সম্পা) তাই খাময়াং বুৰঞ্জী, তাই খাময়াং সম্পাদনা সমিতি, শিৱসাগৰ। প্ৰথম প্ৰকাশ, ২০০৪।

(২) তালুকদাৰ, ধ্ৰুৱজ্যোতি। অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোক উৎসৱ, বনলতা, গুৱাহাটী, ২০০৪।

(৩) দাস, অংশুমান (সম্পাঃ)। অসমৰ বাৰেৰহণীয়া সংস্কৃতি। আঁক বাক প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ ২০১৩।

(৪) বৰুৱা, ভীমকান্ত, অসমৰ ভাষা, বনলতা, ডিব্ৰুগড়। পঞ্চম পৰিবৰ্ধিত সংস্কৰণ, ২০১০।

(৫) শৰ্মা, জয়কান্ত (সম্পাঃ)। অসমৰ জনজাতিসকলৰ ধৰ্মীয় আচাৰ আৰু সংস্কৃতি। হেৰিটেজ ফাউণ্ডেচন, গুৱাহাটী ২০১১।

(৬) শৰ্মা, নবীনচন্দ্ৰ। অসমৰ লোক সংস্কৃতিৰ আভাস, বাণী প্ৰকাশ, গুৱাহাটী, ২০০৫।


---

(৫) *তাই খাময়াং বুৰঞ্জী সম্পাদনা সমিতি, উল্লিখিত।*

# ৩

# মিচিং জনগোষ্ঠীৰ স্থাপত্য-কলা

*ৰিজু ৰেখা বৰি*



**পৰম্পৰাগত মিচিং চাংঘৰ**

মানুহৰ চৌষষ্ঠি কলাৰ ভিতৰত স্থাপত্য কলা এক অতি মনোৰম আৰু বিচক্ষণ কলা। নিজৰ থকা ঘৰটো বা বিশেষ-বিশেষ প্ৰয়োজনত দৈনন্দিন ব্যৱহাৰ্য অন্যান্য থানবোৰ সুবিধাজনক, আৰামদায়কআৰু শুৱনি কৰি লোৱাতো মানুহৰ স্বভাৱজাত কলা। আদিম গুহাবাসী সভ্যতাতো মানুহে

নিজৰ গুহাটো প্ৰাকৃতিক ৰং বিৰঙৰে বেৰত নান্দনিক ছবি আঁকি সৌন্দৰ্য্যমণ্ডিত কৰি তুলিছিল। কালক্ৰমত সভ্যতাৰ অগ্ৰগতিত প্ৰাকৃতিক সঁজুলিৰে নিজা ঘৰ সাজি লোৱা প্ৰক্ৰিয়াৰ আৰম্ভণিৰেপৰাই মানুহৰ অন্তৰত সুপ্ত হৈ থকা এটি অনুপম কলাই গা-দাঙি উঠিল। মানুহে নিজৰ বুদ্ধি খটুৱাই জীৱন যাপনৰ সুবিধাজনক আৰু আনক আকৃষ্ট কৰিব পৰাকৈ আটক ধুনীয়া ঘৰ সাজি লোৱা এই কলাই হ'ল স্থাপত্য কলা।

ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ চহকী লোককৃষ্টিৰে নিজৰ পৰিচয় দাঙি ধৰা এটা অন্যতম জনগোষ্ঠী হ'ল নৈপৰীয়া মিচিং জনগোষ্ঠী। জনসংখ্যাৰ ফালৰ পৰা ই অসমৰ দ্বিতীয় বৃহত্তম জনগোষ্ঠী। সৌন্দৰ্য্যৰ মন্ত্ৰ জনা এই মিচিং সকলৰ যাদুকৰী হাতত অনেক শিল্পকলাৰ সৃষ্টি হৈ বিকাশ লাভ কৰিছে। মিচিং নাৰীৰ হাতত প্ৰাণ পাই উঠা মিচিঙৰ বয়ন শিল্প ঈৰ্ষণীয় কলা। বয়নশিল্প, বাঁহ-বেত শিল্প, কাঠ-শিল্পৰ পৰা ঘৰ-দুৱাৰ নিৰ্মাণলৈকে মিচিং জনগোষ্ঠীৰ লোকসকল জাতীয় জীৱনৰ একো একোজন নিপুন শিল্পী। মিচিংসকল চাংঘৰৰ কাৰণে বিখ্যাত। চাংঘৰেই তেওঁলোকৰ ঘাই পৰিচয়। চাংঘৰৰ উপৰি তেওঁলোকে গাহৰি গড়াঁল, হাঁহ-গঁড়াল, কুকুৰা ঘৰ, তাঁতবোৱা ঘৰ, গোহালি, ধান মেলা ৰহা, মূৰংঘৰ, নামঘৰ আদিৰ নিৰ্মাণত স্বকীয় গুণ-বিদ্যাৰ পৰিচয় দিয়ে। এই প্ৰবন্ধৰ আলোচনাত মিচিঙৰ স্থাপত্য-কলাৰ ওপৰত এটি চমু অৱলোকন কৰাৰ প্ৰয়াস কৰা হৈছে।

## মিচিং স্থাপত্য-কলা ঃ প্ৰকাৰ আৰু শৈলী

মিচিং জনগোষ্ঠীৰ স্থাপত্য-কলাৰ বিষয়ে ক'বলৈ গ'লে চাংঘৰৰ কথাই প্ৰথমে মনলৈ আহে। মিচিং গাঁৱৰ শাৰী শাৰী চাংঘৰবোৰ অসমলৈ অহা বিদেশী পৰ্যটকসকলৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। চাংঘৰৰ উপৰি মিচিং লোকসমাজত অন্যান্য কিছুমান স্থাপত্যৰ নিদৰ্শনো পোৱা যায়। যেনে - পোহনীয়া জন্তু ৰখা ঘৰ, তাঁতবোৱা ঘৰ, কৃষিকেন্দ্ৰিক- ভঁৰালঘৰ, ধান মেলা চাং আদি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানমূলক স্থাপত্য-মুৰংঘৰ, নামঘৰ ইত্যাদি। আলোচনাৰ সুবিধাৰ বাবে এই প্ৰবন্ধত মিচিং জনগোষ্ঠীৰ স্থাপত্য-কলাসমূহক বহলভাৱে দুটা ভাগত ভগোৱা হৈছে - (১) চাংঘৰৰ স্থাপত্য-কলা আৰু (২) অন্যান্য স্থাপত্য-কলা। তলত এই স্থাপত্য-কলাসমূহৰ নিৰ্মাণশৈলী আৰু বিশেষত্ব সম্পৰ্কে আলোচনা কৰা হৈছে।

## চাংঘৰৰ স্থাপত্য-কলা

মানুহৰ থকা-খোৱা ঘৰটো ভৌগোলিক পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। তাৰ লগতে ঘৰটোৰ ভিতৰৰ আঁচ-বাববোৰ নিৰ্ভৰ কৰে খাদ্যৰীতিৰ ওপৰতো। এই দুয়োটা দিশেই মিচিঙৰ চাংঘৰটোত প্ৰভাৱ বিস্তাৰ কৰি আছে। নদীপৰীয়া আৰু অৰণ্যৰ দাঁতিকাষৰীয়া হোৱা বাবে ভৌগোলিক পৰিৱেশৰ লগত খাপ-খাবলৈ মিচিংসকলে চাংঘৰ সাজি বসবাস কৰাৰ অভ্যাস গ্ৰহণ কৰিলে। মিচিং জাতিকে ধৰি অসমৰ জনজাতিসকলৰ চাংঘৰত থকাৰ এই কৌশলগত কলাই সুদূৰৰ ব্ৰিটিছ চাহাবসকলকো আকৰ্ষণ কৰিছিল। সেয়েহে ব্ৰিটিছ চাহাবসকলে কাঠ-বাঁহেৰে তেওঁলোকৰ আবাসথলী হিচাপে ধুনীয়া চাং বঙলাবোৰ সাজিছিল। কিন্তু দুখৰ বিষয় যে আধুনিক মিচিং সমাজত আসাম টাইপ আৰু আৰ চি চি ৰ ডিজাইনে চাংঘৰৰ সৌন্দৰ্য্যক গো-গ্ৰাসে গিলি পেলাইছে। আৰ্থিকভাৱে টনকিয়ালসকলে কংক্ৰিটৰ

চাংঘৰ সজা হ'লেও চাংঘৰৰ পৰম্পৰাগত সৌন্দৰ্য্যখিনি কিছু ৰক্ষা পৰিলেহেঁতেন। এই ক্ষেত্ৰত মিচিং সংস্কৃতিৰ আলোচক ইন্দ্ৰেশ্বৰ পেগুৰ দিহাটো প্ৰণিধানযোগ্য - "পৰমম্পৰাগত বাঁহ-বেত-খেৰ ব্যৱহাৰ নকৰাকৈও আধুনিক পকাঘৰ বনোৱা সামগ্ৰীয়ে চাংঘৰ সাজিব পাৰি। অন্ততঃ চাংঘৰৰ আকৃতিটোৱে মিচিং ঐতিহ্যক সোঁৱৰাই থাকিব। আৰ্থিক, সামাজিক, বৌদ্ধিক, ৰাজনৈতিক আদি ক্ষেত্ৰত পৰিৱৰ্তন আহিলেও কেৱল চাংঘৰৰ অস্তিত্ব ৰক্ষা কৰিয়েই তেওঁলোকৰ নিজস্ব জাতীয় বৈশিষ্ট অটুট ৰাখিবলৈ সক্ষম হ'ব। আধুনিক ঘৰ এটাৰ সুসজ্জিত দাইনিং টেবুলত মিচিংসকলৰ পৰম্পৰাগত ৰন্ধন খাদ্য প্ৰকৰণবোৰ যেনে - নামচিং, ঙচান, দিন্‌চান, পুৰাং, ৰা-চৰ, প-ৰ আপং আদি পৰিৱেশন কৰিলে শোভা নাপায় যেন লাগে। এই খাদ্যবোৰ যেন মিচিং চাং ঘৰতহে সুস্বাদু হৈ পৰে। একেদৰে আধুনিক মিচিং চাংঘৰ সাজি ল'লে ঘৰৰ ভিতৰত যাৱতীয় পৰম্পৰাগত ঘৰুৱা আহিলা সামগ্ৰী, যেনে - তা-চুক, পেৰাৰ, ৰাবুং, কিংকে, বাতি, গিৰী আদিৰ ব্যৱহাৰ প্ৰথাও সংৰক্ষিত হ'ব।[২]

## চাংঘৰ স্থাপত্যৰ উপাদান আৰু নিৰ্মাণ শৈলী

মিচিঙৰ পৰম্পৰাগত চাংঘৰটোৰ বাবে প্ৰকৃতিৰ কাঠ-বাঁহ-বেত-খেৰ-ইকৰা আদিয়ে যথেষ্ট। পৰিয়ালৰ বাবে উপযোগীকৈ চাংঘৰটো দীঘলকৈ আয়তাকাৰত সজোৱা হয়। সাধাৰণতে ৰাস্তাৰ মুখীয়াকৈ বা ৰাস্তাৰ সমান্তৰালভাৱে পথালিকৈ ঘৰটো সাজে। উৎপল দলেই মিচিং চাংঘৰটোৰ জোখ দিছে দীঘলকৈ ৪০ ৰ পৰা ১০০ ফুটলৈকে আৰু বহলকৈ ১০ -১৫ ফুটলৈকে।[২] অৱশ্যে দীঘলৰ জোখটো নিৰ্ভৰ কৰে পৰিয়ালটো কিমান ডাঙৰ তাৰ ওপৰত। চাংঘৰৰ দুচলীয়া চালখন খেৰেৰে চোৱা হয়। দুয়োখন চালিৰ পৰা হাউলি থকা খেৰবোৰ সমানকৈ কাটি আৰু চালৰ ওপৰৰ ফালে দুইমূৰত বা মাজত ধানৰ মুঠিৰ দৰে খেৰৰ মুঠি মেলি সৌন্দৰ্য্যৰ সৃষ্টি কৰে। ঘৰৰ খুটাৰ বাবে সাধাৰণতে ভলুকা বাঁহ আৰু শাল কাঠৰ দৰে টান আঁহযুক্ত কাঠৰ কুণ্ডা ব্যৱহাৰ কৰে। বেৰ, চিলিঙি, দৰজা আদিৰ বাবে মকাল বা জাতি বাঁহৰ ব্যৱহাৰ হয়। আদৰ্শ চাংঘৰৰ বাবে পিচফালে একোঠালি মুকলি আওলা আৰু আগফালে একোঠালি আওলা (মুকলি চাং) থকাটো বাধ্যতামূলক। আগফালৰ খনক 'টুংগিং' (Tunggéng) আৰু পিছফালৰ খনক 'য়াপকুৰ টুংগিং' (Yapkur tunggéng) বোলে। পিছফালৰ আওলা চাঙত ধানৰ বা তুলাৰ ডুলি, তাঁতশালৰ সামগ্ৰী, ডলা, চালনী আদি যাৱতীয় সামগ্ৰী থবৰ বাবে আৰু আগফালৰ আওলাখন মানুহ জিৰাবৰ বাবে। প্ৰত্যেকটো কোঠালিৰ অন্তৰে অন্তৰে তিনিডাল ওখ খুটাৰ লগতে তল খুটা পোতে। কাণৰ দুযোৰ খুটা আৰু কাণৰ খুটাকেইডালতকৈ প্ৰায় পাঁচফুটমান ওখকৈ মাজৰ মূধচ খুটাৰ লগত প্ৰায় ৪-৫ ফুট উচ্চতাৰ তলখুটা পোতে। খুটাবোৰ পোতাৰ পিছত আদিৰ পৰা অন্তলৈ তলখুটা সংযোগী ধৰণী আৰু ওপৰ খুটা সংযোগী চ'টি আৰু মাৰলী বান্ধে। বান্ধিবৰ কাৰণে বাঁহ বা বেতৰ তমাল ব্যৱহাৰ কৰে। এনেদৰে ঘৰৰ গাঁথনিটো হৈ যোৱাৰ পিচত ধৰণীৰ ওপৰত চতা বাঁহৰ কামি আৰু কামিৰ ওপৰত ডেৰ দুই আঙুল জোখৰ কাঠি পাৰি পথালিকৈ বাঁহ বা তামোলৰ চাঁচলিৰ চাঙ গাঁঠে। চাংখন কটকটীয়া হ'বৰ বাবে কাঠিৰে সৈতে চঁচালিবোৰ বেতৰ তমাল বা তাঁৰেৰে টানকৈ গাঁঠে। এনেদৰে গৃহস্থই সাঁউৰি মাতি একেদিনাই চঁচ গাঠি চাং বনাই, চাল-বেৰ বই একেদিনাই ঘৰ উঠে। বেৰ সাঁজোতাই বেৰ সাজে, চাল চাওঁতাই চাল চায় আৰু চাং গাঁঠোতাই চাং গাঁঠে। সেইদিনাই জু-শালৰ ওপৰত বৰ পেৰাব আৰু সৰু পেৰাব দুখনো

ওলোমাই ৰখাৰ ব্যৱস্থা কৰি দিয়ে। বেঙেচীয়াই হাতে ঢুকি পোৱাৰ জোখত বৰ পেৰাবখন আৰু বৰ পেৰাবখনৰ লগত সংযোগ ৰাখি ৰান্ধনিয়ে বহিয়েই ঢুকি পোৱাকৈ সৰু পেৰাবখন ৰছীৰে ওলোমাই থয়। জু-শালখন চাৰিচটা কাঠ বা বাঁহেৰে বৰগাকাৰকৈ এটা ফ্ৰেম (Frame) সাজি চাঙৰ ওপৰত পাটি ঢাৰি টুকুৰা বা তামোলৰ ঢকুৰা নহলে বাঁহৰ চঁচ পাৰি তাৰ ওপৰত উক্ত ফ্ৰেমযোৰৰ সমান উচ্চতালৈ মাটি ভৰাই প্ৰস্তুত কৰি লয়। এই ফ্ৰেমযোৰক মিচিং ভাষাত "গেলোং" বোলা হয় আৰু গেলোঙৰ ভিতৰত মাটি ভৰাই তৈয়াৰ কৰি লোৱা জু-শালখনক "মে'ৰাম" বোলে। মে'ৰামৰ সমান আকাৰত চাঁচি লোৱা বাঁহৰ কামিৰে ছয় সাত ইঞ্চিমান অন্তৰালত বৰ্গাকাৰকৈ বই লোৱা মে'ৰামৰ ওপৰত ওলমি থকা চাংখনেই "পেৰাব"। পেৰাবত শুকান মাছৰ চালনী, নামচিঙৰ চোঙা, হেতা, বাঁহেৰে তৈয়াৰী হেতা 'পেঁইয়প', চাহৰ কেট্‌লি আদি থোৱা দেখা যায়। বৰ পেৰাব আৰু সৰু পেৰাবৰ কাণেদি বাঁহৰ চোঙাৰ "নাওৰা" (নাৱৰ পেটৰ দৰে মাজডোখৰ দীঘলীয়াকৈ কাটি) বা গোলাকৃতিৰ দীঘল টোম চাধা-বিড়ি, চেনী-চাহপাত, দা-কটাৰী আদি দৰকাৰী বস্তুবিলাক থবলৈ বান্ধি থয়। বৰপেৰাবত আপঙৰ খালী কলহবোৰ ধুই শুকুৰাই থোৱা দেখা যায়। মে'ৰামৰ সোঁফালে গৃহস্থীজন বহে আৰু পশ্চিমফালে গৃহিনী গৰাকী বহে। গৃহস্থীজন বহাৰ সোঁ-চুকেদি মে'ৰামত সৰুকৈ এটি ঢাপ তোলে। তাতে মৃতকলৈ বুলি আপং ঢালি খোৱা বস্তু গ্ৰহণ কৰে। মে'ৰামৰ এচুকত ভিন্ন শৈলীত কটা কাঠৰ গঁচা থকাটো লক্ষ্যণীয় কথা। জু-শালৰ পশ্চিমফালে বেৰৰ দাঁতিলৈ এটা "তাঃচুক" ওলোমাই ৰখা হয়। তাঃচুক মানে পঃৰ আপং চকা যতন। মে'ৰামৰ চাৰিওকাষে পীৰা পাৰি থোৱা থাকে। গৃহস্থীজন বহাৰ ঠাইত এখন বৰপীৰা থাকে। আঢ্যৱন্ত মিচিং পৰিয়ালত মে'ৰামৰ কাষত এখন বেতৰ টোল থাকে য'ত ঘৰৰ বয়োজ্যেষ্ঠজনে খোৱা কাঁহী তুলি ভাত খায়। মে'ৰামৰ এচুকে শাকচৰু আৰু আনএচুকে ভাতচৰু থবলৈ 'কিংকেৰ' (বাঁহৰ বা বেতৰ তমালেৰে বাতি লোৱা চকা) বাতি থয়। গতিকে দেখা যায় মিচিং লোকজীৱনত কেৱল জু-শালখনক কেন্দ্ৰ কৰিয়েই বিভিন্ন সা-সৰঞ্জাম সু-সজ্জিত কৰি ৰখাটো মিচিং স্থাপত্য-কলাৰ এটা মন কৰিবলগীয়া বিশেষত্ব।

চাং ঘৰত উঠিবৰ কাৰণে পাঁচটা খাপৰ জখলা আৰু এডাল বাঁহৰ দীঘল চৰি বান্ধি দিয়া হয়। মিচিং সকলৰ মাজত বিশ্বাস প্ৰচলিত আছে যে যুৰীয়া খাপৰ জখলা দিব নাপায়। হয় তিনিটা খাপ নহয় পাঁচটা খাপ নাইবা সাতটা খাপৰ জখলা হ'ব লাগে। সাধাৰণতে পাঁচটা খাপৰ জখলাৰ উচ্চতাৰেই ঘৰ সাজে। ঘৰটোৰ ভিতৰখনত কোঠালি বুলিবলৈ তেনেকৈ নাথাকে। ঘৰৰ বুঢ়া-বুঢ়ী দুটা মে'ৰামৰ পিছফালে থকা কোঠালিত শুৱে। আনহাতে একাধিক ককাই ভাই থকা ঘৰৰ ডাঙৰ পো-বোৱাৰী হালে সকলোতকৈ আগফালৰ কোঠালিটো লয়। তাৰ পিছত ক্ৰমান্বয়ে সৰুবোৰে মাজত সামান্য বেৰ একোখন দি মে'ৰামৰ ফাললৈ কোঠালিৰ ব্যৱস্থা কৰি লয়। ক'ৰিডৰৰ কাৰণে ঘৰৰ পশ্চিম বা উত্তৰ দিশৰ অংশটো ব্যৱহাৰ কৰি দক্ষিণ বা পূবৰ অংশটো শুবলৈ ব্যৱহাৰ কৰে। শিতানৰ মূৰেদি কাঠৰ সৰু-ডাঙৰ পেৰাবোৰ ৰাখে আৰু সাধাৰণ সাজ-পোছাকবোৰ থবৰ কাৰণে একোডাল সৰু আগলি বাঁহৰ ডাঙ বেৰত বান্ধি লয়। মিচিংসকলে এই ডাং ডালক 'চঃপোন' বোলে। মিচিং সমাজত শুবৰ বাবে পালেঙৰ ব্যৱহাৰ নহৈছিল। বাঁহৰ গাধৈ চঁচ দি তাৰ ওপৰত ঢাৰি পাৰি বিচনাৰ ব্যৱস্থা কৰি লয়। আঁঠুৰাৰ জোখৰ চাৰিদিশত চাৰিডাল বাঁহৰ দীঘল ডাং চাং তলেদি মাটিত থিয় দি থকাকৈ সৰকাই

দিয়ে। অৱশ্যে আজিকালি মিচিংসকলে চাঙৰ ওপৰতো পালেঙত শুৱাৰ অভ্যাস গ্ৰহণ কৰিছে। চাংঘৰৰ পৰলীখন মিচিংসকলে অতি সুন্দৰকৈ ফুল কটা শৈলীত তমালেৰে বয়। পূৰণচিনৰ দৰে সৰু সৰু ঘৰ কৰি পৰলীখন বই উঠাৰ পিছত ভাঁজে ভাঁজে যোগচিনৰ দৰে দুডাল চুটি কাঠি গুজি দিয়ে। ইয়াক দেখাত ফুল এপাহৰ দৰে লাগে। এই পৰলীখনে ভেন্টিলেটৰৰো কাম কৰে। অৱশ্যে উক্ত শৈলীৰ পৰলীখন বতাহ-বৰষুণ প্ৰতিৰোধ কৰিব নোৱাৰাৰ বাবে লোপ পালে। তাৰ সলনি বাঁহৰ মিহি কাঠি বা ইকৰাৰে বেৰ বই পৰলীৰ জোখত কাটি দিয়ে। চাংঘৰৰ পিচফালে এখন পানী বকা চাং থাকে য'ত কাঁহী-বাটি ধোৱা-পখলা কৰে। কিছুমানে শোৱাঘৰ আৰু পাকঘৰ হিচাবে দুটা ঘৰ সাজে। শোৱাঘৰ আৰু পাকঘৰলৈ যাবলৈ এখন চুটি বাঁহৰ দলং দি লয়। দলঙৰ পৰা অসাৱধানবশতঃ পৰি নাযাবৰ বাবে দুয়োফালে ডাং বান্ধি ৰেলিঙৰো ব্যৱস্থা কৰি লয়। চাংঘৰৰ আগফালে মুকলি চাংখনৰ উপৰি চাং নাইকিয়া মাটিৰ একোঠালি মুকলিকৈ ৰাখে খুবলি বা উৱাল থবৰ বাবে। ঢেকী থোৱাবোৰ চাং আৰু পথালি ধৰণীৰ ফাঁকেৰে সুমুৱাই থয়। মন গ'লে মুকলি চাং ডোখৰত বাঁহৰ কাঠিৰে জালি কটা চাপৰ বেৰা দি সৌন্দৰ্য্যৰ সৃষ্টি কৰে। এই বাৰান্দাখনত দূৰণিৰ আলহী আহিলে বহিবলৈ দি পিছত জু-শাললৈ মাতি নিয়ে। চাংঘৰটোৰ চ'তি মাৰলিবোৰ কাঠৰ হ'লে তাত পশু-পক্ষী বা মাছৰ নক্সা কাটি ৰং কৰে। মিচিংসকলে বানপানী, সৰীসৃপ বা বন্যপ্ৰাণীৰ পৰা ৰক্ষা পাবলৈ চাংঘৰটো সাজে যদিও তেওঁলোকে অভ্যাসগতভাৱেই বাম ঠাইতো চাংঘৰ সাজি থাকিয়েই স্বস্তি লভে। কিয়নো তেওঁলোকে ভাৱে যে চাংতলখন এখন তাঁতশালৰ লগতে হাঁহৰ গঁড়াল আৰু গাহৰি, কুকুৰাই চৰি শুৱনি কৰিব লাগে। আগৰ দিনত চাংঘৰ সাজি থাকিব নোৱাৰাজন ৰাইজৰ হাঁহিয়াতৰ পাত্ৰ হৈছিল। যিকি নহওঁক আলোচনাৰ পৰা দেখা যায় যে মিচিংসকলে তেওঁলোকৰ চাংঘৰটোত জীৱন ধাৰণৰ ৰুচি, দৈনন্দিন জীৱনৰ প্ৰয়োজন, প্ৰচলিত বিশ্বাস আৰু ভৌগোলিক পৰিৱেশ অনুযায়ী সুবিধাজনকভাৱে লগতে দৃষ্টিনন্দনৰ প্ৰতিও লক্ষ্য ৰাখি তৈয়াৰ কৰে।

## চাংঘৰৰ আহিলাবোৰৰ লগত জড়িত খণ্ডবাক্য

চাংঘৰটোৰ আহিলাবোৰক কেন্দ্ৰ কৰি মিচিং সমাজত কিছুমান খণ্ডবাক্যও প্ৰচলিত হৈ থকা দেখা যায়। যেনে কোনো ছোৱালী বা তিৰোতাৰ চৰিত্ৰত ধৰি কথা ক'লে "তিনি চাৰিটা জখলা গচকা" বিশেষণ আৰোপ কৰে। অৰ্থাৎ এজন স্বামীলৈ গ'লে এটা জখলা গচকা বুজায়। আকৌ কোনো জনী ছোৱালীক যদি মনেখোৱা ডেকাটোলৈ ঘৰৰ মানুহে টোকোনা বুলি নিদিয়ে তেতিয়া তাই লগৰীয়াৰ আগত ক'ব - "লাগিলে মই ধৰণীতে শুম তথাপি অমুকলৈকে যাম"। অৰ্থাৎ অতি দুখীয়া বুজাবলৈ "ধৰণীত শোৱা" খণ্ডবাক্যৰ ব্যৱহাৰ কৰে। "ধৰণীত শোৱা" মানে ভগা চিগা চাং অৰ্থাৎ ভঙা ঘৰৰ লাওটোকোনা মানুহ। আনহাতে কোনো এঘৰ মানুহৰ লগত ল'ৰালিৰে পৰা অতি ঘনিষ্ঠতা বুজাবলৈ "চ'তিয়ে মাৰলিয়ে বগাই ফুৰা ল'ৰা/ ছোৱালী" বুলি কয়। পুৰণি মিচিং সমাজত ছোৱালীৰ 'মিদাং' অৰ্থাৎ বিয়া পাতিলে কইনা গৰাকীয়ে বিনাই বিনাই মিদাং নিঃতম গাইছিল আৰু মানুহ মৰিলে তিৰোতাবোৰে দুখৰ কাংবান গাই বেজাৰ কৰিছিল। তেওঁলোকে হৃদয় গধূৰ কৰি ৰখা বেজাৰৰ সমস্ত ভাৰখিনি কাপোৰ থোৱা ডাং 'চঃ পোন' ডালত সঁপি দিছিল। সৰুকালৰ ঘৰখন এৰি যাবলৈ ওলোৱা বেজাৰত দগ্ধ কইনাজনী অথবা ঘৰৰ আত্মীয়জনক চিৰদিনৰ বাবে হেৰুৱাৰ দুখত শোকসন্তপ্ত, বেছিকৈ

আন্তৰিক আহত হোৱা তিৰোতাজনীক অন্যান্য তিৰোতাসকলে বুজাই বঢ়াই চঃপোন ডালৰ পৰা এৰুৱাই আনি সাময়িক পৰিস্থিতিৰ সৈতে সমাযোজন কৰোৱাৰ চেষ্টা কৰে। কিন্তু তাই একোপীয়া দুখটোকে জেদ ধৰি চঃপোন ডালকে সাৱটি ধৰি বিনাই থাকে। বাকীকেইজনীয়ে যিমান চেষ্টা কৰে এৰুৱাবলৈ তাই তিমান জোৰেৰে চঃপোন ডাল সাৱটি ধৰে। এনেদৰে টনা-আজোৰা কৰোতে কেতিয়াবা চঃপোনৰ জৰী চিঙি চঃপোন ডাল পৰি যায়। তাকে "চঃপোন ভঙা কান্দোন" বোলে। তেনে এক দাৰুণ পৰিস্থিমূলক বেজাৰ বুজাবলৈকে "চঃপোন ভাঙি কন্দা" খণ্ডবাক্যৰ ব্যৱহাৰ হয়। এনেদৰে জখলা, চ'তি, মাৰলি, ধৰণী, চঃপোন আদি চাংঘৰৰ আহিলা পাতিক লৈ ৰচনা কৰা খণ্ডবাক্য বিচাৰিলে আৰু ওলোৱাৰ থল আছে।

## অন্যান্য স্থাপত্য-কলা

মানুহ থকা চাংঘৰটোৰ উপৰি মিচিং স্থাপত্য-কলাৰ অন্য কিছুমান নিদৰ্শনো আছে। যেনে পোহনীয়া জন্তু ৰখা ঘৰ, ভঁড়ালঘৰ, ধান মেলা চাং, তাঁতবোৱাঘৰ, মুৰংঘৰ, নামঘৰ ইত্যাদি।

## পোহনীয়া জন্তু ৰখা ঘৰৰ স্থাপত্য

মিচিংসকলৰ আৰ্থ-সামাজিক জীৱনত পশুধনৰ গুৰুত্ব অপৰিসীম। পশুধনৰ ভিতৰত হাঁহ, কুকুৰা, গাহৰি আৰু গৰুৱেই প্ৰধান। মিচিঙৰ হাঁহৰ গঁড়ালটো সাধাৰণতে চাং তলত থাকে। হাঁহ পোৱালী ওলাই যাব নোৱাৰাকৈ গোলাকৃতিত ঘনকৈ বাঁহৰ কামিৰে বেৰি দিয়ে। হাঁহৰ গঁড়ালটো উচ্চতা একমিটাৰতকৈ বেছি নহয়। ওপৰত পাঁচ ছয় ইঞ্চিমান বহল ফুটাৰ এখন চিলিঙি বই দিয়ে। সমুখেদি চৈধ্য পোন্ধৰ ইঞ্চিৰ এখন সৰু দৰ্জা ৰাখে আৰু কাষতে খুঁটি দুডাল পোতি ডুখৰি পীৰা দি শলখা মাৰিৰে দৰ্জা বন্ধ কৰে। হাঁহৰ গঁড়ালৰ দৰেই গাহৰি গঁড়ালটো সাজে। মাত্ৰ গাহৰি গঁড়ালটো হাঁহৰ গঁড়ালতকৈ ওখ ওপৰৰ চিলিঙি খনৰ সলনি এচলীয়া চাল এখন থাকে। পাকঘৰৰ পিচফালে গাহৰি গঁড়াল সাজে যাতে দানা-পানী দিবলৈ সুবিধা হয়। মিচিঙৰ গোহালিৰ একোণত এখন সেৰেঙা চিলিঙি থাকে তাত গৰুৰে খাবলৈ ধান খেৰ জমা কৰি ৰাখে। বহুতে ভঁৰালৰ চাং তল আৰু আওলাখনকে গোহালি হিচাপে ব্যৱহাৰ কৰে। মিচিঙৰ কুকুৰাঘৰটো এটা সৰু চাংঘৰেই। ইয়াৰ জোখ প্ৰায় দীঘে পথালিয়ে ৩/৪ ফুটৰ পৰা ৪/৫ ফুট থাকে।

## ভঁৰাল ঘৰ

ঘৰৰ পৰা নাতি দূৰৈত আগফালে মিচিং মানুহৰ ভঁৰালটো থাকে। মিচিংসকলে গৰুক খোৱাবলৈ থোৱা ধান খেৰবোৰ মেজি সজাই নথয়। ভঁৰালৰ আগফালে ওপৰত এখন চাং বনাই ৰাখে আৰু তাতেই ধান খেৰবোৰ দ'মাই ৰাখে। মিচিংসকলে অনা মিচিঙৰ দৰে ভঁৰালটো চাপৰকৈ নাসাজে। নিজৰ থকা ঘৰটোতকৈ সামান্য চাপৰ জোখত সাজে।

## ধান মেলা চাং

দৈনন্দিন জীৱনটো খেতিবাতিৰ লগতে পাৰ কৰা মিচিংসকলে ধান মেলিবৰ বাবে এখন ওখ

চাং সাজি লয়। চাংখনৰ পাৰে পাৰে ডেৰ- দুই ফুট ওখৰ জেওৰাও বেৰি লয়। তেওঁলোক অত্যন্ত ব্যস্ত মানুহ। চোতালত ধান মেলি অন্য কাম ক্ষতি কৰি ৰৈ থাকিব নোৱাৰে বাবেই ওখকৈ চাং সাজি চাংখনৰ পৰা ঘৰৰ ভিতৰলৈ দীঘল ডাং এডাল সংযোগ কৰি লয় আৰু ভিতৰত কাম কৰি থাকিয়েই ঘৰৰ তিৰোতাসকলে ডাং ডাল মাজে মাজে কোবাই থাকে। তেতিয়া ধান খাবলৈ অহা চৰাই-চিৰিকটিবোৰ উৰি যায়। এই চাংখনক মিচিং ভাষাত 'য়ংৰা' বোলা হয়।

## তাঁতবোৱা ঘৰ

মিচিং পুৰুষসকলে তিৰোতাসকলক তাঁতবোৱা ঘৰো সাজি দিয়ে। এই ঘৰটো তিনি চাৰিখন মান শাল ধৰা জোখৰ দীঘল মুকলি হলঘৰ। মিচিংসকলৰ জাতীয় জীৱনত এই তাঁতঘৰটোৱে গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। ই মিচিং জীয়ৰী-বোৱাৰীৰ আজৰি সময় পাৰ কৰা আৰু গল্প কৰাৰ ঠাই। তাঁত ববলৈ নথকা চুবুৰীৰ জীয়ৰী-বোৱাৰীবোৰো তাত গোট খাই ৰং ধেমালি কৰে।

## মুৰংঘৰ

মিচিংসকলৰ মুৰংঘৰটো মিচিং স্থাপত্য-কলাৰ অন্যতম নিদৰ্শন। মুৰংঘৰটো পূৱা-পশ্চিমাকৈ দুফালে দুটা জখলা দি মুকলিকৈ চাং দি সাজে। মুৰংঘৰৰ নিৰ্মাণশৈলী সম্পৰ্কে হৰেন্দ্ৰনাথ লাচনে লিখিছে - "মুৰংঘৰটো সৰ্বসাধাৰণতে চাংঘৰ। কিন্তু ঘৰটোৰ ঘাই খুটা আৰু চ'তিটো অলপ বেলেগ। ঘৰটোৰ ঘাই খুটাটো মাৰলিৰ দৰে কটা হয় আৰু চ'তিটোৰ সোঁমাজতে এটি চক্ৰ ঘূৰণীয়াকৈ কাটি তাত কেইটামান দণ্ড দিয়া থাকে। তাৰপিছত চক্ৰটোৰ দুই ঠাইত চন্দ্ৰ আৰু সূৰ্যৰ ছবি আঁকি থোৱা থাকে। চন্দ্ৰৰ নিচেই কাষত ধ্ৰুৱতৰাটো আৰু সূৰ্য্যৰ কাষত মিবুৰ য়ক্‌চিডাল অংকন কৰি ৰং বিৰঙৰ কৰি তোলা হয়।"[৩] য়ক্‌চি হ'ল মিবুৰ সুসজ্জিত তৰোৱালখন। তৰোৱালখনৰ মুঠিটোত আঙুঠি সজোৱা থাকে যাৰ ফলত জোকাৰি দিলে চৰক্ চৰক্ শব্দ এটা কৰে। মুৰংঘৰৰ সোমাজত এখন মে'ৰাম আৰু এখন পেৰাব থাকে। মে'ৰামৰ চৌকাটো পঃৰাগ উৎসৱৰ আগদিনা ৰাতিৰ ভাগৰ ডাঙৰীয়া সকাম কৰিবৰ বাবে পকা ভকত-ভকতনীসকলে ভাত-শাক ৰান্ধিবলৈ ব্যৱহাৰ কৰে। পঃৰাগৰ দিনা মুৰংঘৰৰ সমুখৰ খুটাটোত পঃৰ আপং চাকিবলৈ তাংচুক এটা বান্ধি থয়। আগৰ দিনত পঃৰাগৰ ৰাতিকেইটা বৰা-বৰাণীৰ সৈতে ডেকা-গাভৰুসকলে মুৰংঘৰটোতে ৰাতি কটাইছিল। বৰ্তমান এই প্ৰথা বিভিন্ন অসুবিধাৰ বাবে লোপ পালে। পুৰণিকালত মিচিংসকলৰ সুকীয়া সুকীয়া গাভৰু চাং আৰু ডেকা চাং আছিল। বৰ্তমান ই লুপ্ত হ'ল। এতিয়া কেৱল জাতীয় উৎসৱ বা সভা-সমিতি পাতিবৰ বাবে ব্যৱহাৰ হোৱা মুৰংঘৰটো ৰ'লগৈ।

## নামঘৰ

শংকৰদেৱৰ ভাগৱত ধৰ্মৰ প্ৰভাৱত গঢ় লৈ উঠা প্ৰায়ভাগ মিচিং গাঁৱৰ নামঘৰসমূহ বৰ্তমানলৈকে টাইলচ্ লগোৱা মজিয়া আৰু পকা খুটাৰ নামঘৰৰ সলনি কাঠ বাঁহেৰে তৈয়াৰী। অইন নামঘৰবোৰৰ দৰেই ইবিলাকৰো পূৱদিশে মণিকূট আৰু পশ্চিম দিশে প্ৰৱেশদ্বাৰ। মাত্ৰ কাল সংহতি পন্থৰ কেৱলীয়া সকলৰ নামঘৰত মণিকূট আৰু চন্দ্ৰতাপখন নাথাকে। অৱশ্যে পূৱ মূৱত থাপনা বিহীন এখন শাস্ত্ৰ

ৰঙা কাপোৰেৰে মেৰিয়াই থয় আৰু পশ্চিমদিশে প্ৰৱেশদ্বাৰ দিয়ে। উক্ত দুই ধৰণৰ নামঘৰেই মিচিং সমাজত দেখিবলৈ পোৱা যায়।এনেদৰে মিচিং সমাজত স্বকীয় স্থাপত্য-কলাৰ নমুনা দেখা যায়।

## পৰিৱৰ্তনকামী মিচিং সমাজত পৰম্পৰাগত স্থাপত্য-কলাৰ সংকট আৰু সংৰক্ষণ

বৰ্তমানৰ মিচিং স্থাপত্য-কলাই ভালেখিনি ৰূপ পৰিৱৰ্তন কৰিছে। পূৰ্বৰ I পেটাৰ্ণ ঘৰটোৰ ঠাইত এতিয়া L পেটাৰ্ণ, U পেটাৰ্ণ, আসাম টাইপ, আৰ.চি.চি. আদি ঘৰে ঠাই অধিকাৰ কৰিছে। ফলস্বৰূপে কিছুমান লোকবিশ্বাসো হেৰাই গৈছে। যেনে - ভৰি-পথানেদি বিছনা পাৰিব নাপায় বোলা লোকবিশ্বাসটো একমাত্ৰ I পেটাৰ্ণ ঘৰতহে পালন কৰা সম্ভৱ। পাকঘৰলৈ ৰন্ধন গেছ, মিটছেপ্ আদি সোমোৱাৰ ফলত বহুতো পূৰ্বৰ সা-সৰঞ্জাম হেৰাই গৈছে। পূৰ্বৰ বৃত্তাকাৰ গাহৰি গঁড়ালক গাহৰি ফাৰ্মলৈ উন্নত কৰি আয়তাকাৰ বা বৰ্গাকাৰত পকাৰ সাজিবলৈ লৈছে। চাংঘৰৰ পৰিৱৰ্তে কিছুমানে মাটি-ঘৰ সাজিবলৈ লৈছে। ইয়াৰ কাৰণ বিচাৰ কৰিলে দেখা যায় যে I পেটাৰ্ণ ঘৰতকৈ অন্যান্য আৰ্হিৰ ঘৰবোৰ কম মাটিত বেছি কোঠালি সাজিব পাৰি। জনসংখ্যাৰ বৃদ্ধিৰ ফলত ভেটি-মাটি কমি অহাত অন্যান্য আৰ্হিৰ ঘৰবোৰকে গ্ৰহণ কৰা হ'ল। দ্বিতীয়তে, মাটি-ঘৰতকৈ চাংঘৰ বেছি খৰচী। তৃতীয়তে, লজ্জাবোধ। আধুনিক মিচিং সমাজৰ বৃহৎ একাংশই চাংঘৰ সাজি থকাটো সভ্যতাহীন আৰু পিছপৰা সমাজ-ব্যৱস্থাৰ প্ৰতীক বুলি ভাবিবলৈ ধৰি মাটি-ঘৰ সাজি থাকিবলৈ লৈছে। আধুনিক মিচিং মুৰংঘৰবোৰো সৰ্বসাধাৰণ প্ৰেক্ষাগৃহৰ ৰূপ লৈছেগৈ। ফলস্বৰূপে মিচিং জনগোষ্ঠীয়ে যুগ যুগ ধৰি আহৰণ কৰা চাংঘৰৰ স্থাপত্য-কলাটো বিকল হ'বলৈ ধৰিছে। ঘৰৰ চৌপাশটো বেৰিবলৈ লোৱাৰ ফলত ধান মেলা য়ঃৰা খনৰো বিশেষ প্ৰয়োজন নোহোৱা হৈ পৰিল। গাহৰি গঁড়ালটো বৃত্তাকাৰত পকাকৈ সাজিলে বহুত মাটি দখল কৰিব বুলি প্ৰত্যেকটো গাহৰিৰ বাবে সৰু সৰু বৰ্গাকাৰ কোঠালি সাজি দিয়া হ'ল। কিন্তু বৃত্তাকাৰ গঁড়ালটো বিজ্ঞানসন্মত আছিল। পোৱালি এপালেৰে সৈতে মাকজনী আৰু নতুনকৈ পোহ মনোৱা গাহৰিটো খুটি বান্ধি থোৱা ঠাইখনত ঘুৰি ঘুৰি চৰিবৰ কাৰণে বৃত্তাকাৰ গঁড়ালটোৰ প্ৰয়োজনবোধ কৰি পূৰ্বপুৰুষসকলে তেনেকৈ সাজিছিল। বৰ্তমানৰ গাহৰি গঁড়াল চিৰিয়াখানাৰ জন্তুৰ জেলঘৰৰ দৰে হ'ল। যিকি নহওঁক বিভিন্ন কাৰণত এনে পৰিৱৰ্তনবোৰ আহে। এনে ক্ষেত্ৰত চিন্তনীয় বিষয়টো হ'ল - পূৰ্বৰ ৰূপটো অলপ হলেও অক্ষুণ্ণ ৰাখি যুগৰ সৈতে খাপ খুৱাই কেনেকৈ মিচিং স্থাপত্যৰ নৱৰূপ দিব পাৰি তাৰ প্ৰতি সচেতন হ'লে মিচিংসকলৰ অনুপম স্থাপত্য-কলাসমূহ সুৰক্ষিত হ'ব। এই ক্ষেত্ৰত মিচিং অটনʼমাছ কাউনচিলৰ ভূমিকা অপৰিহাৰ্য। মিচিং লেণ্ডৰ প্ৰত্যেকখন জিলাতে একোখনকৈ আদৰ্শ মিচিং গাঁৱৰ নমুনাৰে উদ্যান বা ৰিজৰ্ট সাজিলেও মিচিং স্থাপত্য-কলাৰ অৱশেষ ৰ'ব।

## উপসংহাৰ

সময়ৰ লগে লগে সমাজত প্ৰচলিত লোকাচাৰ আৰু লোককৃষ্টিৰো পৰিৱৰ্তন ঘটে। মিচিং স্থাপত্য-কলালৈয়ো পৰিৱৰ্তন অহাৰ লগতে কিছু কিছু লুপ্তও হৈছে। ই স্বাভাৱিক কথা। কিন্তু সকলো পৰিৱৰ্তন মঙ্গলজনক নহয়। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ "ৰূপান্তৰেহে কৰে পৃথিৱী সুন্দৰ" আদৰ্শৰে কৃষ্টিৰ পৰিৱৰ্তন ঘটিলেহে সংস্কৃতি সুৰক্ষিত হয়। আমি আশা কৰিম যুগৰ সৈতে খাপ খুৱাই মিচিং

জনগোষ্ঠীৰ সুন্দৰ কলাবোৰৰ ৰূপান্তৰ ঘটক। প্ৰজন্মৰ পৰা প্ৰজন্মলৈ বোৱাই অনা মিচিঙৰ মনোৰম স্থাপত্য-কলাবোৰ সুৰক্ষিত হওক।

*পাদটীকা*

১। পেগু, ইন্দ্ৰেশ্বৰ ঃ পৰিৱৰ্তনৰ আলি দোমোজাত মিচিং সমাজ; ৰামনগৰ স্মৃতিগ্ৰন্থ, পৃষ্ঠাঃ৫৪

২। দলে, উৎপলঃ Transition of the Mising Tribe; Pro Mising Action; Vol : 4, No. 6 November - December 2006, Page- 23.

৩। লাচন, হৰেন্দ্ৰ নাথ ঃ মুৰংঘৰ নিৰ্মাণ আৰু পঃৰাগৰ তাৎপৰ্য; ৰামনগৰ স্মৃতি গ্ৰন্থ, পৃষ্ঠাঃ ৯৯

**গ্ৰন্থপঞ্জী**

১। পাংগিং, দীননাথ আৰু পাতিৰি, ভীমবৰ (সম্পাদক) (৬ ফেব্ৰুৱাৰী ২০১৪) ঃৰামনগৰ; ৰামনগৰ ৰাইজ আৰু বৰা বাৰগৃহৰ উদ্যোগত আয়োজিত পঃৰাগ উৎসৱৰ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ। প্ৰকাশক - পঃৰাগ উদ্‌যাপন সমিতি, শিৱসাগৰ।

২। পাদুন, নাহেন্দ্ৰ (পত্ৰিকা, মুখ্য সম্পাদক) ঃ Pro Mising action, চতুৰ্থ বছৰ, ষষ্ঠ নৱেম্বৰ-ডিচেম্বৰ, ২০০৬ সংখ্যা। ঠিকনা ঃ Pro Mising action, I-Card, Post Box - 125, Jorhat, Assam, India, 785001

# 4

# ৰাভা লোক জীৱনৰ পৰম্পৰাগত বিবাহঃ এটি অধ্যয়ন

*ৰোহিত চন্দ্ৰ ৰাভা*



**ৰাভা সকলৰ পৰম্পৰাগত বিবাহৰ এক দৃশ্য**

নিজস্ব ভাষা আৰু স্বকীয় বৈশিষ্ট্যেৰে পৰিপুষ্ট ৰাভাসকল অসমৰ এটা উল্লেখযোগ্য জনজাতি। বৰ্তমান অসমৰ গোৱালপাৰা, কামৰূপ গ্ৰাম্য (দক্ষিণ), গুৱাহাটী মেট্ৰ', ওদালগুৰি, বাক্‌চা, কোকৰাঝাৰ, ধুবুৰী, বঙাইগাঁও, শোণিতপুৰ, চিৰাং, বৰপেটা, দৰং, ধেমাজী, তিনিচুকীয়া, গোলাঘাট, নগাঁও, মৰিগাঁও জিলাত বিশেষভাৱে ৰাভাসকলৰ বসতি। জনসংখ্যাৰ ফালৰ পৰা এই জিলাকেইখনৰ ভিতৰত

গোৱালপাৰা আৰু কামৰূপ গ্ৰাম্য (দক্ষিণ) জিলাত তুলনামূলকভাৱে সৰ্বাধিক। বৰ্তমান এই দুখন জিলাক কেন্দ্ৰ কৰি ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদ গঠিত হৈছে। অসমৰ উপৰিও মেঘালয়, পশ্চিমবংগ, মণিপুৰ, নাগালেণ্ড, ত্ৰিপুৰা, অৰুণাচল, বিহাৰ আনকি ভাৰতবৰ্ষৰ ওচৰ চুবুৰীয়া দেশ নেপাল, ভূটান আৰু বাংলাদেশতো ৰাভাসকলৰ বসতি মনকৰিবলগীয়া।

ৰাভা জনগোষ্ঠীয় লোকসকল দেশী-বিদেশী পণ্ডিত গৱেষক সকলৰমতে কেইবাটাও উপগোষ্ঠী বা ফৈদত বিভক্ত বুলি পৰিচিত ।এই উপগোষ্ঠীবোৰ হ'ল ৰংদানি, মায়তৰি, পাতি, দাহৰি, বিটলীয়া, হানা, টোটলা, কোচা, চুংগা আৰু মদাহী। সম্প্ৰতি ৰংদানি, মায়তৰি, পাতি, দাহৰি, বিটলীয়া, হানা, টোটলা আৰু কোচা উপগোষ্ঠীৰ স্বৰূপ ৰাভা জনজাতীয় সমাজত বিদ্যমান। মনকৰিবলগীয়া যে প্ৰতিটো উপগোষ্ঠীৰ বসবাসৰ স্থলো বেলেগ বেলেগ। এই প্ৰসংগত ক'ব পাৰি যে, কামৰূপ গ্ৰাম্য (দক্ষিণ) জিলা আৰু গোৱালপাৰা জিলাৰ দুধনৈ আৰু ইয়াৰ কিছু ভিতৰুৱা অঞ্চললৈকে পাতি ৰাভাসকলৰ বসতি। গোৱালপাৰা জিলা আৰু মেঘালয়ৰ গাৰোপাহাৰ জিলাৰ দাঁতি কাষৰীয়া অঞ্চলত মায়তৰি ৰাভাৰ প্ৰাধান্য আছে। ৰংদানি ৰাভাসকল মায়তৰি ৰাভাসকলৰ ওচৰা-ওচৰিকৈ বসবাস কৰে। দাহৰি উপগোষ্ঠীৰ বসতি গোৱালপাৰা জিলাৰ আগিয়া, শালমাৰা আৰু ধেমাজী জিলাৰ জোনাই অঞ্চলত দেখা যায়। হানা উপগোষ্ঠীৰ লোকসকল কামৰূপ গ্ৰাম্য (দক্ষিণ) জিলাৰ ঠাই বিশেষে বসবাস কৰে। বিটলীয়া ৰাভাসকলৰ বসতি কামৰূপ গ্ৰাম্য (দক্ষিণ) আৰু গোৱালপাৰা জিলাত পাতি ৰাভাসকলৰ বসতি স্থলৰ মাজে মাজে দেখা যায়। কোকৰাঝাৰ, ধুবুৰী, বঙাইগাঁও, চিৰাং আৰু ধেমাজী জিলাত কোচ ৰাভাসকলৰ বসতি। বৰপেটা, বাক্‌চা, ওদালগুৰি, দৰং আৰু শোণিতপুৰত বসবাস কৰা ৰাভাসকল হ'ল টোটলা উপগোষ্ঠীৰ লোক ।তিনিচুকীয়া, গোলাঘাট জিলাত বাস কৰা ৰাভাসকল প্ৰধানকৈ ৰাভা হাছং আৰু কোকৰাঝাৰ, ধুবুৰী, বঙাইগাঁও আদি জিলাৰ পৰা প্ৰব্ৰজন কৰা ৰংদানি, মায়তৰি, পাতি, দাহৰি আৰু কোচা উপগোষ্ঠীৰ লোক। উল্লেখ্য যে ধেমাজি জিলাত বাস কৰা ৰাভা লোকসকলো উক্ত জিলাসমূহৰ পৰা প্ৰব্ৰজন কৰা লোক। নগাঁও আৰু মৰিগাঁও জিলাত অৱস্থিত ৰাভা লোকসকল প্ৰধানকৈ পাতি আৰু টোটলা উপগোষ্ঠীৰ লোক। এনেদৰে অসমৰ বিভিন্ন স্থানত সুকীয়া-সুকীয়াকৈ বসবাস কৰা বাবে ৰাভা লোকগোষ্ঠীৰ উপগোষ্ঠীসমূহৰ মাজত বিভিন্ন ৰূপত লোক সংস্কৃতিৰ সমাহাৰ দেখিবলৈ পোৱা যায়। বিবাহ লোক সংস্কৃতিৰ অনুপম উপাদান। ৰাভা লোক সংস্কৃতিত বিবাহৰ স্থান সুকীয়া । কেউটা উপগোষ্ঠীৰ বৈবাহিক প্ৰথাই ৰাভা জনজাতীয় লোক সমাজ জীৱনৰ লোক সংস্কৃতি সমৃদ্ধিশালী কৰিছে। এই প্ৰবন্ধৰ যোগেদি ৰাভা লোক সমাজ জীৱনৰ পৰম্পৰাগত বিবাহ সন্দৰ্ভত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

## ৰাভা লোক সমাজৰ বিবাহ

ৰাভা লোক সমাজত সামাজিক নীতি-নিয়মেৰে বৈবাহিক জীৱন উপভোগ আৰু সন্তান উৎপাদন নকৰাকৈ কোনো ব্যক্তি পৰজন্মত মুক্তি লাভ কৰিব নোৱাৰে বুলি জনবিশ্বাস পোৱা যায়। বিভিন্ন উপগোষ্ঠীত বিভক্ত ৰাভা লোক সমাজত বিবাহৰ ক্ষেত্ৰত কোনো ভেদ ভাব নাই যদিও এই ক্ষেত্ৰত প্ৰধানকৈ গুৰুত্ব আৰোপ কৰা হয় 'বাৰায়' বা 'হুছীগ' (গোত্ৰ) আৰু 'হুৰি', 'ছীৰী' (গোত্ৰৰ গোট)ৰ

ওপৰত। একে 'গোত্ৰ' বা 'গোত্ৰৰ গোট'ৰ ল'ৰা-ছোৱালীৰ মাজত বিবাহ হোৱাটো নিষেধ। কাৰণ একে গোত্ৰৰ লোকসকল আদিতে একেটা পৰিয়ালৰ আছিল বাবে বৰ্তমান তেওঁলোক সম্বন্ধত ভাই-ভনীৰ দৰে। আনহাতে একে 'গোত্ৰৰ গোট'ৰ লোকসকল হৈছে তাহানিৰে পৰা অতি আত্মীয়তাৰে সহায়-সহযোগ আগবঢ়াই অহা অতি বিশ্বাসী বন্ধু ভাবাপন্ন লোক। ৰাভা লোক সমাজত তেনেকুৱা লোকসকলৰ মাজতো বিবাহ নিষিদ্ধ বুলি প্ৰচলিত হৈ আহিছে।

## বিবাহৰ প্ৰকাৰ

ৰাভা জনজাতীয় লোক সমাজত প্ৰধানকৈ সাত ধৰণে বিবাহ অনুষ্ঠিত হোৱা দেখা যায়। এইবোৰ হ'ল ঃ -

১) সামাজিক বা ৰাজসিক বিবাহ

২) সাধাৰণ বিবাহ বা সাদৰি অনা বিবাহ

৩) প্ৰণয় বিবাহ বা গোপন বিবাহ

৪) আসুৰিক বিবাহ

৫) ঘৰ জোঁৱাই বিবাহ

৬) বিধৱা বিবাহ

৭) কোৰ্ট বা ৰেজিষ্টাৰী বিবাহ

## সামাজিক বা ৰাজসিক বিবাহ

সামাজিক বা ৰাজসিক বিবাহ ৰংদানি আৰু মায়তৰি উপগোষ্ঠীত 'বৰিছেকায়' বা 'ভৰি চিংকায়', টোটলা উপগোষ্ঠীত ' বৰ বিয়া' বা 'পকা বিয়া', দাহৰি উপগোষ্ঠীত 'বৰ বিয়া', পাতি, হানা আৰু বিটলীয়া উপগোষ্ঠীত 'দৰা সজা বিবাহ' বা 'কইনা সজা বিবাহ' আৰু কোচা উপগোষ্ঠীত 'বিয়ৌ গোদা' বুলি অভিহিত কৰা হয়। এই বিধ বিবাহ ৰাভা লোক সমাজৰ উৎকৃষ্ট বিবাহ। সমাজ স্বীকৃত আৰু মহা পয়োভৰেৰে অনুষ্ঠিত এই বিবাহক সামগ্ৰিকভাৱে সামাজিক বা ৰাজসিক বিবাহ বুলি কোৱা হয়। তলত এই সন্দৰ্ভত আলোচনা আগবঢ়োৱা হ'ল ঃ

## বৰিছেকায় বা ভৰি চিংকায় বিবাহ

ৰংদানি আৰু মায়তৰি উপগোষ্ঠীৰ সামাজিক জীৱনত উপলব্দ হোৱা সুশৃংখলিত সমাজ স্বীকৃত বিবাহ ব্যৱস্থাক কোৱা হয় 'বৰিছেকায়' বা 'ভৰি চিংকায়'। এই প্ৰকাৰৰ বিবাহক ৰাজসিক বিবাহ, কাম্বুং বিবাহ, মুকুট বিবাহ বুলিও কোৱা হয়। এই পদ্ধতিমতে অতীতত ভাবী দৰাৰ অভিভাৱকে এহাল 'জোৰকায়' (স্বামী-স্ত্ৰী), কেইজনমান সপত্নীক পুৰুষ আৰু কেইজনীমান সধৱা মহিলাৰ সৈতে ৰাতি নৌপুৱাওঁতেই আকস্মিকভাৱে ভাবী কইনাৰ ঘৰলৈ গৈ ভাবী কইনাজনীক ঘৰৰ পৰা উলিয়াই আনি চোতালত সকলোৰে সন্মুখত জোৰ কৰি মূৰত তেল ঢালি কপালত সেন্দুৰৰ ফোঁট দিছিল। ভাবী কইনাজনী অমত হ'লে পলাবলৈ চেষ্টা কৰে। দৰাপক্ষৰ তিৰোতাসকলে পিছে পিছে খেদি গৈ তাইক

ধৰি আনি মূৰত তেল ঢালে আৰু কপালত  সেন্দুৰৰ ফোঁট দিয়ে। ভাবী কইনাজনীৰ ইচ্ছা নাথাকিলে লগে লগে গা ধুই পেলায়। ইয়াৰ পিছতো দৰাপক্ষই তিনিবাৰকৈ চেষ্টা কৰে। তিনিবাৰকৈ অমান্তি হ'লে দৰাপক্ষই সেই আশা এৰি দিয়ে যদিও লগত লৈ যোৱা জঙা মদ একলহ কইনা ঘৰীয়া ৰাইজক দিয়ে আৰু 'চিতাবুন্দা' (সুতাবন্ধা) ভাবী  কইনা ঘৰত থৈ আহে। 'চিতাবুন্দা'ত থাকিবলগীয়া বস্তু কেইপদ হ'ল গামোচা এখন, ৰিফানছাক এখন, শঙ্খৰ শাখা আৰু ৰূপ ৫.০০ (পাঁচ) টকা । ভাবী কইনা আৰু পৰিয়ালৰ সন্মতি নাথাকিলে 'চিতাবুন্দা'টো এঘন্টাৰ ভিতৰত ভাবী দৰাঘৰত ঘূৰাই দিব লাগে। নহ'লে সন্মতি আছে বুলি জনা যায়। তেনেক্ষত্ৰত বিয়া নহ'লে ভাবী কইনাঘৰীয়াক দোষী সাব্যস্ত কৰি দণ্ডনীয় কৰা হয়।

বৰ্তমান এই নিয়মৰ পৰিবৰ্তন ঘটিছে। নতুন নিয়মমতে এজন মধ্যস্থতাকাৰী (ঘটক)ৰ দ্বাৰা বা বিশ্বাসী লোকৰ দ্বাৰা ছোৱালীৰ পৰিয়ালৰ সৈতে ল'ৰাঘৰৰ পৰিয়ালৰ যোগাযোগ স্থাপন কৰা হয়। দুই পৰিয়ালৰ সিদ্ধান্তমৰ্মে এদিন ল'ৰাৰ পৰিয়ালৰ অভিভাৱকে সপত্নীক পুৰুষ আৰু সধবা তিৰোতাৰ সৈতে ছোৱালীৰ ঘৰলৈ গৈ ৰাইজ গোট খুৱায়। এখনি আগলি কলপাতত এযোৰ তামোল-পাণ আৰু ৫.০০ (পাঁচ) টকা আগবঢ়াই ৰাইজক তেওঁলোকৰ আগমনৰ উদ্দেশ্য ব্যাখ্যা কৰে। তাৰপিছত ছোৱালীজনীৰ পিতৃ-মাতৃৰ সন্মতিক্ৰমে ৰাইজৰ সাক্ষাতত মূৰত তেল আৰু কপালত সেন্দুৰৰ ফোঁট দিয়ে। ইয়াৰ লগে লগে ল'ৰাপক্ষই লগত লৈ যোৱা জঙা মদ ৰাইজক খুৱায় আৰু ছোৱালীৰ গৃহস্থই তেওঁলোকক মদ ভাতেৰে আপ্যায়ণ  কৰি আনন্দময় পৰিৱেশৰ সৃষ্টি কৰে। সাধাৰণতে গ্ৰিমবুদা বা শাৰদীয় উৎসৱ হৈ যোৱাৰ পিছতহে এই অনুষ্ঠানটো সম্পন্ন কৰা হয়।

খোজা-বঢ়া হোৱাৰ পিছত নিৰ্দিষ্ট দিনত বিবাহ অনুষ্ঠান আয়োজন কৰা হয়। এই বিবাহ তিনি দিন ধৰি চলে। প্ৰথম দিনক 'নোক-খি-ঠাৰকায়' অৰ্থাৎ 'ঘৰ শুদ্ধিকৰণ' বুলি কোৱা হয়। গাঁৱৰ মানুহক মাতি মদ-ভাত খুৱাই সামাজিক বিবাহৰ বিধি ব্যৱস্থাসমূহ কাৰ্যকৰীকৰণাৰ্থে আলোচনা কৰা আৰু চোতালত ৰভা দিয়া, কলপাত কটা, দোনা সজা ইত্যাদি কামবোৰ সম্পন্ন কৰে। আলহী-অতিথি, আত্মীয়-স্বজন সেইদিনাখনে দৰা বা কইনাৰ  ঘৰত সোমায়।

বিবাহৰ দ্বিতীয় দিনক 'তোতি কাম' অৰ্থাৎ 'ভৰ বিয়া' বোলা হয়। সেইদিনা দৰাঘৰৰ পৰা বিবাহ যাত্ৰী কইনাঘৰলৈ যায়। যাওঁতে লগত মদ, তামোল-পাণ, চিৰা, কইনাৰ বাবে আৱশ্যকীয় পোচাক পৰিচ্ছদ যেনে ঃ- লেমাৰিফান (মেখেলা), কাম্বুং (ৰিহা), খদাবাং (মূৰত লোৱা কাপোৰ) আৰু অলংকাৰ পাতি যেনে ঃ- গলত পিন্ধা চন্দন হাৰ, কঁকালত পিন্ধা ৰুবুক মালা, কাণত পিন্ধা নামব্ৰি, নাকত পিন্ধা নাকাপতি, খোপাত পিন্ধা খুচুমাক্ৰং, হাতত পিন্ধা ছান গাগ্ৰা ( ফোপোলা খাৰু) বাহুত পিন্ধা বাজু, সেন্দুৰ, আয়না, ফণী আদি বস্তু লৈ যায়। এই সাজ-পোচাক আৰু আ-অলংকাৰবোৰেৰে কইনাজনীক সজাই পৰাই ঢোল-ডগৰ-কাঁহ বজাই দিনৰ ভিতৰতে কইনাজনীক দৰাঘৰলৈ লৈ অহা হয়। কইনা থবলৈ কইনাৰ লগত নোকস্বামী ('নোক' মানে 'ঘৰ' আৰু 'স্বামী' মানে 'মালিক' অৰ্থাৎ ঘৰৰ মালিক বা কইনা ঘৰৰ মালিক) আহে।

কইনা দৰা গৃহলৈ আহি পোৱাৰ লগে লগে পদূলিমুখত কইনাজনীক ভৰি ধুৱাই বৰঘৰলৈ

আদৰি আনি গৃহদেৱী 'ৰোন্তাক'ৰ বেদীত সেৱা কৰিবলৈ দিয়া হয়। তাৰপিছত আগৰে পৰা সাজি কাচি থকা (জামা, ৰাভা ধূতী, পাগুৰি পৰিহিত) দৰাজনৰ সোঁফালে কইনাজনীক বহিবলৈ দি বেদীত সজাই থোৱা ঘটটোৰ ওপৰত দৰাৰ সোঁহাতখনত কইনাৰ বাওঁহাতখন ওপৰমুৱাকৈ ৰখা হয়। দৰা-কইনা দুয়োৰে হাতত দুবৰি, তুলসী আৰু চাউল দি প্ৰথমে ঘৰৰ মুৰব্বীজনে আশীৰ্বাদ দিয়ে। ইয়াৰ পিছত সমাজৰ বয়োজ্যেষ্ঠ লোকসকলে দৰা-কইনাক আশীৰ্বাদ আৰু দান-দক্ষিণা আগবঢ়ায়। বহি থকা অৱস্থাতে দৰা-কইনাক লগন গাঁঠি দি খামালে (পুৰোহিতে) মংগলসূচক বাণী প্ৰচাৰ কৰে। ইয়াৰ ঠিক পিছতে খামালে বৰঘৰৰ মূধৰখুঁটা (ৰিছিখুঁটা)ত ৰিছি দেৱতাৰ নামত মন্ত্ৰপুত কৰি এহাল (মতা আৰু মাইকী) কুকুৰা ডিঙি মুচৰি বা কাটি বলি দিয়ে। ইয়াক 'তো থাকায়' বুলি কোৱা হয়। 'তো থাকায়'ৰ সময়ত খামালে গোৱা মন্ত্ৰফাঁকি এনে ধৰণৰ ঃ -

" তেনি পাৰা আমকা তুচকা জোৰা চাংজো,
অৰঙি জীৱন নেমে চলিখান
নাং নেমে-খাৰে জোৰা-খাৰে ৰাখু দে
ঈশ্বৰ ঠাকুৰ"।

অৰ্থ ঃ- "হে পৰম ভগৱান, আজিৰ পৰা তোমাক সাক্ষী কৰি অমুক-অমুকীক মিলন কৰি দিয়া হ'ল। সিহঁতৰ জীৱন যেন সুখৰ আৰু আনন্দময় হয়"। (মণি ৰাভা, ৰাভা সংস্কৃতিৰ ধাৰা, পৃষ্ঠা- ১০৫)

মায়তৰি আৰু ৰংদানি ৰাভা সমাজত জনবিশ্বাস আছে যে 'তো থাকায়'ৰ সময়ত বলি দিয়া কুকুৰা হালে মুখামুখিকৈ বা একেলগে লগলাগি মৰিলে দৰা-কইনাৰ ভৱিষ্যত সংসাৰ সুখকৰ আৰু যদি পিঠিয়া-পিঠিকৈ বা বেলেগ-বেলেগকৈ আঁতৰত গৈ মৰে তেতিয়া তেওঁলোকৰ ভৱিষ্যত সংসাৰ অশান্তিকৰ আনকি বিচ্ছেদ হোৱাৰো সম্ভাৱনা থাকে। মতা বা মাইকী কুকুৰাৰ পৰা যিটো বেছি ধৰফৰ কৰে সেই ধৰণে দৰা বা কইনাৰ পৰা ঘৰৰ অশান্তি সৃষ্টি হয়। যিটো কুকুৰা আগতে মৰে সেই অনুক্ৰমে দৰা বা কইনাৰ মৃত্যুও আগপিছ হয় বুলি জনবিশ্বাস পোৱা যায়। 'তো থাকায়' অনুষ্ঠান সমাপ্তিৰ পিছত দৰা-কইনাক ৰাইজৰ ওচৰত আঠুকাঢ়ি সেৱা ল'বলৈ দিয়া হয়। তাৰপিছত দৰা-কইনা দুয়োকে গা-পা ধোৱাই নতুন কাপোৰ পিন্ধাই 'হাথাছুৱানি' বা 'হাতছুনি' পৰ্বৰ বাবে সাজু হ'বলৈ কোৱা হয়। এই পৰ্বত কইনাজনীয়ে এক নিৰ্দিষ্ট সংখ্যক সমজুৱাকৰ ভাতৰ পাতত এখন দেংগা (হেতা)ত পৰিপূৰ্ণ কৰি লোৱা ভাত এমুঠি-এমুঠিকৈ বিতৰণ কৰিব লাগে আৰু দৰাজনে আঞ্জা বিতৰণ কৰিব লাগে। বিতৰণ কৰি হোৱাৰ পিছত হেতাত ৰাহি হোৱা ভাতৰ পৰিমাণলৈ চাই কইনাজনী পাৰিবাৰিক জীৱনত কিমান লখিমী বা আলাযাণী হ'ব সেই বিষয়ে অনুমান কৰা হয়। নৃত্য-গীত পৰিৱেশন কৰি আলহী-অতিথি, আত্মীয়-স্বজন আৰু নোকস্বামী (কইনা ঘৰৰ মালিক) সকলক মদ-ভাত খুৱাই-বোৱাই ভৰ বিয়াৰ পৰ্ব সামৰা হয়।

তৃতীয় দিনৰ অনুষ্ঠানক 'বাছি বিয়া' বুলি কোৱা হয়। সেইদিনা আত্মীয়-স্বজন আৰু বিয়াত কাম কৰা লোকসকলক মদ-ভাত খুৱাই বিয়াৰ কাম সমাপ্ত কৰা হয়।

**পাতি, হানা আৰু বিটলীয়া উপগোষ্ঠীৰ সামাজিক বিবাহ**

পোনতে এটা শুভদিনত দৰাৰ মাক-দেউতাক আৰু গাঁৱৰ কেইগৰাকীমান বিবাহিত পুৰুষ-মহিলাই দুবটল মদ টঙালেৰে বান্ধি পছন্দ হোৱা ভাবী কইনাৰ গৃহলৈ গৈ মদ দুবটল গৃহস্থৰ চোতালত উভয়পক্ষৰ মাজত থৈ দিয়ে। গৃহস্থই মদ দুবটল গ্ৰহণ কৰাৰ পূৰ্বে মদ দুবটল কি উপলক্ষত আনিছে সেই বিষয়ে সুধে। তেতিয়া দৰাপক্ষই কয় "আপোনাৰ ঘৰত পুখুৰী দেখিছো, পুখুৰীত পানীও দেখিছো। মাছ আছে নে নাই জাল পেলাব বিচাৰিছোঁ"। কইনা গৃহস্থই কথাটো বুজি পাই কোনজন ল'ৰাৰ বাবে কইনা চাবলৈ আহিছে — ল'ৰাজন ঘৰৰ ডাঙৰ ল'ৰা নে সৰু ল'ৰা — কি কাম কৰে ইত্যাদি কথা সুধে। কইনা গৃহস্থৰ ভাবী দৰা আৰু তেওঁৰ পৰিয়ালক পছন্দ হ'লে মদ দুবটলৰ টঙালেৰে মেৰিওৱা বান্ধ দুটা কইনাৰ মাক-বাপেক বা আত্মীয়-স্বজনে খুলি দিয়ে আৰু মদ দুবটল উভয়পক্ষই ভগাই খায়। প্ৰয়োজন সাপেক্ষে কইনাঘৰীয়াই ৰাইজক আৰু দুবটলমান মদ খুৱাই আপ্যায়ন কৰে। যদি গৃহস্থই ল'ৰাজনক পছন্দ নকৰে তেন্তে মদ দুবটলৰ টঙালেৰে মেৰিওৱা বান্ধ খুলি নিদিয়ে আৰু আমি আপোনালোকৰ সৈতে সম্বন্ধ নগঢ়ো বুলি স্পষ্টকৈ কৈ মদ দুবটল ঘূৰাই ল'বলৈ কয়। অৱশেষত ল'ৰাৰ অভিভাৱকে মদ দুবটল ঘূৰাই নলৈ তাতে উভয়পক্ষৰ ৰাইজৰ সৈতে মিলিজুলি খাই যাবলৈ অনুমতি বিচাৰে। ছোৱালী গৃহস্থই সেই মদ নাখায় যদিও ৰাইজক খোৱাত সন্মতি জনায়।

ছোৱালীঘৰৰ পৰা ল'ৰাঘৰে সন্মতি পোৱাৰ পিছত ল'ৰাজনে কইনাক চাবলৈ যোৱা আৰু কইনা ঘৰে ল'ৰাৰ ঘৰ চাবলৈ যোৱা পৰ্ব আৰম্ভ হয়। তাৰপিছত বিয়াৰ আগমুহূৰ্তলৈকে ল'ৰাৰ ঘৰৰ পৰা দুই তিনিবাৰ কইনাৰ ঘৰলৈ খা-খবৰ ল'বলৈ যাব লাগে। প্ৰতিবাৰতে কমেও দুবটলকৈ মদ নিয়াটো বাধ্যতামূলক। ছোৱালী গৃহস্থৰফালৰ পৰাও ল'ৰাৰ ঘৰ চাবলৈ যোৱা নিয়ম আছে। বিয়াৰ এসপ্তাহ বা এমাহমানৰ আগত 'জোৰোণ বিয়া' বা 'গোট কৰোৱা' অনুষ্ঠিত কৰা হয়। সেইদিনাখন দৰাপক্ষই বিয়াত কইনাৰ বাবে প্ৰয়োজনীয় সাজ-পোছাক আৰু অলংকাৰসমূহ দিয়ে। জোৰোণৰ দিনা বিবাহৰ দিন ধাৰ্য কৰে আৰু কইনাজনীৰ মূৰত তেল আৰু কঁপালত সেন্দুৰৰ ফোঁট দি আহে।

পাতি, হানা আৰু বিটলীয়া ৰাভা সমাজত সামাজিক বা ৰাজসিক বিবাহ দুইধৰণে চলে। 'দৰা সজা বিবাহ' আৰু 'কইনা সজা বিবাহ'। দৰা সজা বিবাহত দৰাজন দৰাৰ স্বকীয় সাজ-পোছাক পৰিধান কৰি কইনা আনিবলৈ কইনাগৃহলৈ যাব লাগে আৰু কইনা সজা বিবাহত দৰাজন কইনাগৃহলৈ যাব নালাগে। তাৰ পৰিবৰ্তে কইনাজনী কইনাৰ স্বকীয় সাজ-পোছাক, আ-অলংকাৰ পৰিধান কৰি বিবাহ যাত্ৰীৰ সৈতে দৰাঘৰলৈ আহিব লাগে। দৰাই পৰিধান কৰা সাজ-পোছাকবোৰ হ'ল ৰাভা ধূতী, ৰাভা চোলা, পাজাৰ, পাগুৰি আৰু মুকুট। কইনাই পৰিধান কৰা সাজ-পোছাকবোৰ হ'ল পাতানি (মেখেলা), কাম্বুং (ৰিহা), বুকচিল (ব্লাউজ), পেটিকোট, খদাবাং (মহিলাসকলে মূৰত লোৱা কাপোৰ), আমচা (গাত লোৱা এবিধ ফুলাম চাদৰ) আৰু অলংকাৰবোৰ হ'ল- কাণফলি, নাকফুল, হাতৰ খাৰু, ভৰি খাৰু, আঙঠি, ডিঙিত পিন্ধা গলমণি বা গলপতা। বিয়াৰ আগদিনা দৰা-কইনা উভয়ে উপবাসে থাকে। দৰাঘৰত বিয়াৰ দিনাখন গাঁৱৰ সধৱা বোৱাৰী আৰু গাভৰুহঁতে নৈৰ ঘাটৰ পৰা অনা পানীৰে দৰাক মাহ, হালধী, তেল সানি গা-ধুৱায়। একেদৰে কইনাঘৰতো কইনাজনীক গা ধুওৱা হয় উপবাসে থকা

দিনাখন দৰাক সম্বন্ধীয় বৌৱেক, ভনীয়েকহঁতে গাত তেল, হালধী সানে। ইয়াক 'তেল চৰোৱা' বোলে।

দৰাঘৰীয়াই কইনাজনীক মূৰ ফণিয়াই সাজ-পোছাক আৰু অলংকাৰ পৰিধান কৰাই ম'হৰগাড়ী (আগতে) বা মটৰ গাড়ী (বৰ্তমান)ৰে দৰাঘৰলৈ লৈ আহে। পদূলিমুখত কইনাক থিয় কৰাই 'চালনি বাটি' সৰকায় আৰু কইনাজনীক বৰঘৰলৈ লৈ যায়। ৰভাৰ তলত মণ্ডপ সাজি সোঁমাজত বগা কাপোৰ মেৰিওৱা এটা ঘট প্ৰতিষ্ঠা কৰে। ঘটৰ ওপৰত এযোৰ তামোল-পাণ থৈ চাকি বন্তি জ্বলোৱা হয়। বিবাহৰ কাম শেষ নোহোৱা পৰ্যন্ত বন্তি জ্বলি থাকিব লাগে। নোকস্বামী (কইনা ঘৰৰ মালিক) সকলৰ পুৰুষসকল ৰভাৰ তলত আৰু তিৰোতাসকলক বৰঘৰত বহিবলৈ দিয়ে। অলপ পিছতে দৰা-কইনাক ঘটত ভৰাই ৰখা নৈৰ ঘাটৰ পানীৰে গা-ধুওৱা হয়। গা-ধুৱাই দৰা-কইনাৰূপে পুনৰ সুসজ্জিত কৰি ৰভাৰ তলত স্থাপন কৰা বেদীত দৰাক বহুৱায়। তাৰপিছত কইনাজনীক ৰভালৈ নি বেদীত থকা পীৰা এখনত থিয় কৰাই পীৰাৰ ওপৰত সাতবাৰ ঘূৰিবলৈ দিয়ে। প্ৰতিবাৰ ঘূৰোতে কইনাজনীয়ে ইতিমধ্যে তাইৰ পিনে মুখ কৰি থিয় হৈ থকা দৰাজনলৈ এমুঠিকৈ আখৈ ছটিয়ায়। দৰাই প্ৰতিবাৰতে কইনাই ছটিওৱা প্ৰতি মুঠি আখৈ আঁচলেৰে গ্ৰহণ কৰে। তাৰপিছত কইনাক দৰাৰ সোঁফালে বহুৱাই দৰাক মুকুট, কইনাক মূৰাৰী পিন্ধায় আৰু দৰা-কইনাৰ মূৰ ফণিওৱা তিৰোতা দুগৰাকীয়ে সাতবাৰ আমপাতেৰে ঘটৰ পানী ছটিয়াই চাউল আৰু আখৈ ওপৰলৈ চাৰিবাৰ ছটিয়ায়। কইনাৰ মোমায়েক বা ককায়েক নাইবা জ্যেষ্ঠজনে 'টিকি ধৰা' হয়। টিকি ধৰাজনে দৰা-কইনাৰ মাজত লগন গাঁঠি মাৰি দি যৌতুক আগবঢ়ায়। তাৰপিছত বাকীসকলে যৌতুক আগবঢ়াই আশীৰ্বাদ দিয়ে। যৌতুক দিয়া পৰ্ব শেষ হ'লে সকলোকে আমিষ ভোজনেৰে আপ্যায়ন কৰে। ভোজন কৰি নোকস্বামীসকলে স্বগৃহলৈ প্ৰস্থান কৰে।

উল্লেখযোগ্য যে 'দৰা সজা বিবাহ' নাইবা 'কইনা সজা বিবাহ' উভয়ক্ষেত্ৰতে উক্ত নিয়মেৰে সম্পন্ন কৰা হয়। দৰা সজা বিবাহত এই নিয়ম কইনা ঘৰত কৰাৰ উপৰিও দৰা ঘৰতো একেখিনি নিয়ম পালন কৰিব লাগে। সেয়ে আজিকালি কিছুমান সমাজত দৰা সজা বিবাহতকৈ কইনা সজা বিবাহৰ প্ৰচলন বেছি। বিবাহৰ প্ৰতি স্তৰৰ প্ৰস্তুতি আৰু পদক্ষেপবোৰ আগবঢ়াই নিবৰ বাবে বিয়ানামৰ যোগেদি সকীয়াই দিয়াটো এই উপগোষ্ঠীবোৰৰ সামাজিক বিবাহৰ এটা বিশেষ বৈশিষ্ট্য।

**বৰ বিয়া বা পকা বিয়া**

টোটলা উপগোষ্ঠীৰ সামাজিক বা ৰাজসিক বিবাহক 'বৰ বিয়া' বা 'পকা বিয়া' বোলে। এই বিয়াৰ বাবে কৰা আলোচনাটো হ'ল এনে ধৰণৰ ঃ-

ল'ৰা আৰু ল'ৰাৰ অভিভাৱকৰ কোনো ছোৱালীক পছন্দ হ'লে এজন মধ্যস্থতাকাৰী (ঘটক)ৰ যোগেদি ছোৱালীৰ অভিভাৱকলৈ বিবাহৰ প্ৰস্তাৱ প্ৰেৰণ কৰে। ঠিক তেনেদৰে কোনো ছোৱালী আৰু অভিভাৱকে কোনো ল'ৰাক পছন্দ কৰিলে এজন মধ্যস্থতাকাৰীৰ দ্বাৰা বিবাহৰ প্ৰস্তাৱ প্ৰেৰণ কৰে। ল'ৰাৰ অভিভাৱকে পঠোৱা প্ৰস্তাৱ যদি ছোৱালীৰ অভিভাৱকে গ্ৰহণ কৰে নাইবা ছোৱালীৰ অভিভাৱকৰ প্ৰস্তাৱক যদি ল'ৰাৰ অভিভাৱকে সন্মতি দিয়ে তেতিয়া মধ্যস্থতাকাৰীৰ হতুৱাই ছোৱালীৰ অভিভাৱকে

এটা ভাল দিন ঠিৰাং কৰি ছোৱালীজনীক চাবৰ বাবে ল'ৰাজনৰ অভিভাৱকক আমন্ত্ৰণ জনায়। ল'ৰাৰ অভিভাৱকেও দিন ঠিৰাং কৰি ছোৱালীজনী চাবলৈ ছোৱালীৰ অভিভাৱকক খবৰ দি পঠায়।

নিৰ্দিষ্ট দিনাখন মধ্যস্থতাকাৰীৰ সৈতে ল'ৰাৰ অভিভাৱক হিচাপে মাক বা দেউতাক নাইবা যিকোনো এজন আত্মীয়ই ভাবী কইনাজনী চাবলৈ যাত্ৰা কৰে। ইয়াক 'কইনা চোৱা ভাৰ' বা 'কইনা সোধা ভাৰ' দিয়া বোলা হয়। এই ভাৰত থাকে দুবটল ফটিকা, তামোল-পাণৰ এটা মোনা, বিড়ি আৰু চিগাৰেট। ছোৱালীগৃহলৈ গৈ পোৱাৰ পিছত ছোৱালীৰ আত্মীয়-কুটুমৰ সন্মুখত ভাৰত থকা বস্তুকেইপদ আগবঢ়াই দি উদ্দেশ্যটো ব্যাখ্যা কৰে এনেদৰে— "আজিৰ পৰা আমি আপোনালোকৰ সৈতে এটা সম্পৰ্ক গঢ়িম বুলি ভাবিছো। আমাৰ ল'ৰা অমুকৰ লগত আপোনালোকৰ ছোৱালী অমুকীক বোৱাৰীস্বৰূপে পাবলৈ আশা কৰি এইখিনি অৰিহণা আগবঢ়ালো"। ছোৱালী গৃহস্থৰ পছন্দ থাকিলে বস্তুকেইপদ গ্ৰহণ কৰিব আৰু দৰাপক্ষক অভ্যৰ্থনা কৰিব।

ইয়াৰ পিছতে দৰাজনে কেইজনমান সতীৰ্থৰ সৈতে কইনাজনী চাবলৈ যায়। ইয়াক 'দৰা চোৱা' বোলে। দৰা চোৱাৰ পিছত কইনা গৃহস্থই দৰাৰ ঘৰ চাবলৈ যায়। ইয়াক কোৱা হয় 'দৰা ঘৰ চোৱা' বা 'বাট বুলনি'। বাট বুলনিৰ পিছত বিবাহলৈকে দৰাপক্ষই কইনাপক্ষক কেইবাখনো মদৰ ভাৰ দিব লাগে। এই ভাৰবোৰ হৈছে সাধনীয়া ভাৰ, লাংটিয়া ভাৰ, মুখবন্ধা ভাৰ, খা-খবৰ লৈ থকা ভাৰ, বিহুত দিয়া ভাৰ, তেল ভাৰ, খাঁটি ভাৰ ইত্যাদি। এই ভাৰবোৰৰ ভিতৰত সাধনীয়া ভাৰ অতিকৈ ব্যয় বহুল। বৰ্তমান সমাজত কেৱল খাঁটি ভাৰখনহে প্ৰচলন হোৱা দেখা যায়। যিকোনো ভাৰ লওঁতাসকল দৰাৰ বংশ পৰিয়ালৰ হ'ব নোৱাৰে। খাঁটি ভাৰত এযোৰ মদ থাকে। কইনাগৃহত দুয়োপক্ষই খাঁটি ভাৰ খোৱাৰ পিছত বিবাহৰ দিন বাৰ ঠিৰাং কৰে।

টোটলা ৰাভা সমাজত দৰাঘৰত দৰাজনক আৰু কইনাঘৰত কইনাজনীক মাহ-হালধী, তেল সানি গা-ধুওৱা নিয়ম, সধৱা তিৰোতা, গাভৰুহঁতে নৈৰ ঘাটৰ পৰা পানী অনা নিয়ম, বহু ধৰণৰ বিয়ানাম গোৱা নীতি প্ৰচলিত আছে। বিবাহৰ দিনাখন দৰাপক্ষই বৰ ভাৰ, মদৰ ভাৰ, গোঁসাই ভাৰ বা ধৰ্ম ভাৰ, গৰখীয়া ভাৰ নিব লাগে। বৰ ভাৰত থাকিবলগীয়া বস্তুকেইপদ হ'ল হিচাপমতে চিৰা বা মুড়ি, চাহপাত, চেনি, বিস্কুট, তামোল-পাণ, বিড়ি, চিগাৰেট, চাধা। মদৰ ভাৰ এখন। মদৰ ভাৰখনৰ সৈতে এযোৰ তামোল, এগুছি পাণ আৰু এখন ফুলাম গামোচা দিব লাগে। গোঁসাই ভাৰত আগুনি পাণ, জাতি পাণ এমুঠা, এটা মুদ্ৰা, এটা কুকুৰা পোৱালী আৰু এটা চাউলৰ টোপোলা ৰখা হয়। এই ভাৰখন কইনাঘৰীয়া গাঁৱৰ গোঁসাই ঘৰ বা নামঘৰৰ নিমিত্তে বয়োজ্যেষ্ঠ লোকসকলক দিয়ে। গৰখীয়া ভাৰত এটা টেকেলিত গাখীৰ বা দৈ আৰু আনটোত চিৰা, মুড়ি, আখৈ, লাড়ু, পিঠা, গুৰ আৰু এক আথি কল থাকে। এই ভাৰখন গৰখীয়াসকলক অৰ্পণ কৰে।

বিবাহৰ দিনাখন কইনাৰ পিতৃ-মাতৃ, মোমায়েক, খুড়াক আৰু আপোনজনক মান দিয়া হয়। ইয়াক পকা মান বোলে। পকা মানবোৰ হ'ল- মাকৰ মান, দেউতাকৰ মান, মোমাই মান, শুকান মান বা আগুনি মান, গাঁওবুঢ়া বা গাঁৱৰ মুৰব্বীৰ মান। মোমাই মানত থাকে ধূতী বা কম্বল এখন, হাঁহ এযোৰ, ফটিকা দুবটল, মাননী পাঁচ টকা, তামোল এথোক আৰু পাণ দুই গুছি। পিতাক, খুড়াক আৰু

ককায়েকৰ বাবে দিয়া মানবোৰ মোমাই মানৰ দৰে একে। মাকৰ মান অৰ্থাৎ মাকক দিয়া মানত থাকে এযোৰ ৰিহা-মেখেলা, এৰি চাদৰ বা কম্বল নাইবা ফুলাম চাদৰ এখন, ফটিকা দুবটল, মাননী পাঁচ টকা, তামোল এথোক আৰু পাণ দুই গুছি। আত্মীয়-স্বজনক দিয়া শুকান মান বা আওঁনি মানত থাকে তামোল এক আওঁনি, পাণ এক গুছি , মাননী দুই টকা। গাঁওবুঢ়া বা গাঁৱৰ মুৰব্বীৰ মানত থাকে ধূতী বা কম্বল এখন, ফটিকা দুবটল, মাননী পাঁচ টকা, তামোল এথোক আৰু পাণ পাঁচ গুছি। উল্লেখযোগ্য যে বৰ্তমান এই মানবোৰ শিথিল কৰি দিয়া হৈছে।

বিবাহৰ দিনা বৰযাত্ৰীসকলক কইনাগৃহৰ পদূলিমুখত বিপুল আনন্দেৰে আদৰণি জনায়। বিবাহৰ মধ্যভাগত পকা বিয়াৰ পূৰ্ণ আয়োজন চলে। দৰা-কইনা দুয়োৰে মাক দেইতাকক ৰাইজৰ সৈতে চিনাকি কৰি দি বিয়ৈ বিয়নী পাতি দিয়ে। ইয়াৰ পিছতে সকলোবোৰ মান একাদিক্ৰমে অৰ্পণ কৰিব লাগে। এই সময়ছোৱাত কইনাৰ মাকক দৰাঘৰীয়াই গা-ধন দিয়ে। গা-ধনৰ বাবত এযোৰ তামোল-পাণ, এশ টকামান আৰু এযোৰ মদ দিয়া হয়। মদৰ ভাৰবোৰ খুলি দৰাঘৰীয়াই ছেকি ৰাইজক বিলাই দিয়াটো নিয়ম। বৰ ঘৰত থকা সকলোবোৰ বস্তু কইনাঘৰীয়াই গ্ৰহণ কৰি উভয়পক্ষক দৰাঘৰীয়াই দিয়া লঘু আহাৰেৰে আপ্যায়ন কৰে। আনহাতে কইনাঘৰীয়া তৰফৰ পৰা দৰাঘৰীয়াক আদৰ সাদৰ কৰি মদ আৰু আমিষ ভাতৰ ব্যৱস্থা কৰে। সিফালে কইনাঘৰীয়া আৰু দৰাঘৰীয়া নামতীসকলে কইনাজনীক দৰাপক্ষৰ পৰা দিয়া পাটৰ সাজপাৰযোৰ পিন্ধাই সুগন্ধি তেল সানি মূৰ ফণিয়াই মুখত পাউদাৰ বা ক্ৰীম ঘঁহি কঁপালত সেন্দুৰৰ ফোঁট দি হাত-ভৰি, নাক-কাণ, ডিঙি, আঙুলি, বাহু আদিত অলংকাৰ পৰিধান কৰাই সজাই পৰাই কোঠাৰ ভিতৰত থাকিবলৈ দিয়ে। বিবাহৰ মাজভাগৰ কামবোৰ সমাপ্ত হোৱাৰ পিছত দৰাঘৰীয়া নামতীসকলে কইনাৰ লগতে সখীয়েক আৰু নামতীসকলক ৰভাতলীলৈ আগবঢ়াই আনি দৰাজনৰ কাযত বহুৱায়। তাৰপিছত দৰা-কইনাই পৰস্পৰে পৰস্পৰক একোডালকৈ ফুলৰ মালা পিন্ধাব লাগে। ইয়াক 'মাল্যদান' বোলে। মাল্যদানৰ পিছত পুৰোহিতে কইনাৰ আঁচল আৰু দৰাৰ পাঞ্জাৰী চোলাৰ সৈতে এখন ফুলাম গামোচাৰে জোৰণ গাঁঠি দি পূজামণ্ডপৰ চাৰিওফালে সাতপাক ঘূৰিব দিয়ে। পুৰোহিতে দৰা-কইনাৰ মংগলাৰ্থে মন্ত্ৰ মাতে। ইয়াৰ পিছতে কইনাক যৌতুকস্বৰূপে উপহাৰ প্ৰদান কৰা হয়। যৌতুকৰ পিছতে কইনাৰ দেউতাক বা অভিভাৱকে কইনাৰ সোঁহাতখন দৰাৰ সোঁহাতত তুলি দি কন্যাদান কৰে। শেষত দৰা-কইনাই একেলগে কইনাৰ মাক-দেউতাক, মোমায়েক-মামীয়েক, খুড়া-খুড়ী সমন্বিতে পৰিয়ালৰ অন্যান্য আত্মীয়-স্বজন, গাঁৱৰ জ্যেষ্ঠ লোক,গাঁৱৰ মু ৰব্বী আৰু পুৰোহিতক সভক্তিৰে সেৱা জনায়। বয়োজ্যেষ্ঠ সকলোৱে দৰা-কইনাক দীৰ্ঘজীৱী হওঁক, ধন-জন, যশ-মান বৃদ্ধি হওঁক বুলি আশীৰ্বাদ দি বিদায় দিয়ে। দৰাঘৰলৈ আহি পোৱাৰ পিছত দৰা-কইনাক আদৰি ৰভাতলীত সজাই থোৱা পূজামণ্ডপলৈ লৈ গৈ সেৱা ল'বলৈ কোৱা হয়। তাৰপিছত ৰাইজৰ সাক্ষাতত এবাটি চাউল আৰু এটা সোণৰ আঙঠি থৈ দৰা-কইনাক আঙঠি লুকুৱা খেল খেলিবলৈ দি দৰা-কইনাৰ নৈমিত্তিক সকাম সমাপন কৰে। সিফালে কইনাঘৰীয়া বিবাহযাত্ৰীসকলক আমিষ ভোজন কৰাই বিদায় দিয়ে। পিছদিনা দৰাঘৰত ৰাইজ, আত্মীয়-স্বজন আৰু নিমন্ত্ৰিত অতিথিসকলৰ জ্ঞাতাৰ্থে এটা আমিষ ভোজ দিয়ে। ৰাইজে ভোজন কৰাৰ প্ৰাকমুহূৰ্তত কইনাজনীয়ে কাঠেৰে নিৰ্মিত এখন ডাঙৰ 'হেতা' বা 'হাতা'ত ভাত লৈ আগে আগে আৰু দৰাজনে আন এখন 'হেতা'ত তৰকাৰি লৈ

পিছে পিছে গৈ পূজা মণ্ডপৰ সন্মুখত ভোজ ভাত খাবৰ বাবে বহি থকা দুশাৰী সৰু ল'ৰা-ছোৱালীবোৰক ভাত আৰু তৰকাৰি ভগাই দিয়ে। এই পৰ্বটোক টোটলা ৰাভাসকলে 'হাতাচিনি' বা 'হাতা চিনানি' বুলি কয়।

**দাহৰি উপগোষ্ঠীৰ বৰ বিয়া**

প্ৰথমে ল'ৰাৰ মাক-দেউতাক আৰু গাঁৱৰ কেইজনমান পুৰুষ-মহিলাই তামোল-পাণ অলপমান লৈ ভাবী বোৱাৰীৰূপে চাবলৈ যোৱা ছোৱালীজনীৰ ঘৰলৈ যায়। ছোৱালীগৃহত প্ৰৱেশ কৰি ক্ষন্তেক সময় বহাৰ পিছত এযোৰ তামোল-পাণ গৃহস্থক আগবঢ়াই দিয়ে। গৃহস্থই তামোল-পাণবোৰ গ্ৰহণ নকৰি তেওঁলোকে অহা উদ্দেশ্যটোহে সুধে। তেতিয়া ল'ৰাপক্ষই কয়- "এই বোলে আপোনাৰ ঘৰত খেৰডাল দেখিছো, তাকে বোলে ভাৰবাৰিডাল পেলাইছো"। গৃহস্থই কথাষাৰ বুজি পাই তেওঁলোকৰ সৈতে আলোচনা কৰে আৰু নানা অসুবিধা দেখুৱাই নহ'ব বুলি জনায়। ল'ৰাপক্ষই আশা বাদ নিদি আকৌ এযোৰ তামোল-পাণ গৃহস্থৰ ঘৰত থৈ উভতি আহে। উভতি অহাৰ সময়ত অন্য মানুহৰ সাক্ষাতত গৃহস্থক শুনাকৈ কয়- "আমি অহা বুধবাৰে (বুধবাৰটো দাহৰি ৰাভাসকলৰ অতি ভাল দিন। সেয়ে তেওঁলোকে যিকোনো শুভ কাম এই দিনটোতহে বেছিকৈ কৰে।) আকৌ আহিম"। ছোৱালী গৃহস্থই কোনো সহাঁৰি নিদিলেও দৰাপক্ষই পৰৱৰ্তী বুধবাৰে একে নিয়মেৰে ছোৱালীৰ গৃহলৈ যায়। সেইদিনাখনো যদি গৃহস্থ অমান্তি হয় তেতিয়াও কিন্তু ল'ৰাপক্ষই একেধৰণে গৈয়ে থাকে। এনেদৰে কেবাবাৰো যোৱাৰ পিছত যদি ছোৱালী গৃহস্থৰ ল'ৰাজনক পছন্দ নহয় তেন্তে ছোৱালী গৃহস্থই ল'ৰাপক্ষক বেয়া ব্যৱহাৰ কৰে। মাতবোল নকৰে। আনকি বহিবলৈও নিদিয়ে। তেতিয়া ল'ৰাপক্ষই সেই আশা বাদ দিয়ে। ছোৱালী গৃহস্থৰ পছন্দ হ'লে তামোল-পাণবোৰ গ্ৰহণ কৰে। ইয়াৰ পিছত পৰৱৰ্তী বুধবাৰে দৰাপক্ষই কইনা ঘৰলৈ গৈ মদৰ ভাৰ অৰ্পণ কৰি কইনা গৃহস্থৰ সৈতে ৰাইজৰ সাক্ষাতত পকা বন্দবস্ত কৰে আৰু ইয়াৰ লগে লগে উভয়পক্ষ বিবাহৰ বাবে প্ৰস্তুত হয়।

উভয়পক্ষই ঠিৰাং কৰা এটা বুধবাৰে নাইবা পঞ্জিকা চাই ঠিৰাং কৰা দিন এটাত দৰাপক্ষই কইনা আনিবলৈ যায়। দাহৰি ৰাভা সমাজত দৰাই কইনা আনিবলৈ যোৱা নিয়ম নাই। দৰাৰ মাক দেউতাক, আত্মীয়-কুটুম আৰু গাঁৱৰ মানুহে কইনা আনিবলৈ যায়। দৰাঘৰীয়াই কইনাঘৰীয়া সমাজৰ বাবে প্ৰয়োজনীয় মদ, চিৰা, চেনি, চাহ, তামোল-পাণ, বিড়ি, চিগাৰেট, চাধা, চূণ লৈ যায় আৰু সেইবোৰ কইনা গৃহস্থক জমা দিয়ে। বিবাহৰ সময়ছোৱাত কইনাঘৰীয়া ৰাইজক এইবোৰ বস্তু খুৱাই মনত আনন্দ দান কৰা হয়। এই উপগোষ্ঠীয় সমাজত যৌতুক প্ৰথা নাই যদিও বিবাহৰ দিনাখন পৰিয়ালবৰ্গ, গাঁওবাসী আৰু আলহী-অতিথিয়ে কইনাজনীক যৌতুক স্বৰূপে প্ৰীতি উপহাৰ অৰ্পণ কৰে। প্ৰীতি উপহাৰ অৰ্পণ কৰা শেষ হ'লে কইনাজনীয়ে মাক দেউতাক, পৰিয়ালবৰ্গৰ আত্মীয় স্বজন, গাঁওবাসী ৰাইজ আৰু আলহী-অতিথিক এযোৰকৈ তামোল-পাণ মান দি ভৰিত ধৰি সেৱা কৰে আৰু বিদায় মাগে। প্ৰত্যেকে কইনাজনীক আশীৰ্বাদ দি দৰাঘৰলৈ বিদায় দিয়ে। কইনাজনীক থবলৈ নোকস্বামীসকল দৰাগৃহলৈ যায়।

দাহৰি ৰাভা সমাজত বিবাহৰ মাংগলিক কাম প্ৰধানকৈ দৰাগৃহতহে অনুষ্ঠিত কৰা হয়। কইনাজনী

দৰাগৃহলৈ আহি পোৱাৰ পিছত সেইদিনাখনেই ৰাতি দুয়োকে মাংগলিক বিবাহ পাতি দিয়া হয়। কইনাজনীক লা ৰঙ (লা ৰঙটো ৰাভাসকলৰ অতি প্ৰিয় ৰং)ৰ পাতানি (মেখেলা), কাম্বুং (ৰিহা), মূৰত খছনে (মূৰত লোৱা কাপোৰ), বুকচিল (ব্লাউজ) আমচা (গাত লোৱা এবিধ ফুলাম চাদৰ) আদি সাজ-পোছাক আৰু নামব্ৰিং (কাণফলি), নাকবালি (নাকফুল), হাতত ফপলা খাৰু ( ফোপোলা খাৰু), বাহুত কাটাবাজু, ভৰিত ঠেংচলা, ডিঙিত চন্দ্ৰহাৰ, আঙুলিত আঙঠি পৰিধান কৰাই মূৰত সুগন্ধি তেল সানি মূৰ ফনিয়াই কঁপালত সেন্দুৰৰ ফোঁট দি দৰাগৃহৰ বিবাহ মণ্ডপত বহুৱাই ৰখা হয়। দৰাজনেও স্বকীয় সাজ-পোছাক পৰিধান কৰি কইনাজনীৰ বাওঁফালে বহে। মাংগলিক বিবাহৰ বাবে ৰিছি পূজা পাতে । পূজাৰ সময়ত ৰাইজৰ সন্মুখত দৰা-কইনাক থিয় কৰাই দুফালে এযোৰকৈ তামোল-পাণ দি পুৰোহিত আৰু মুখিয়াল ব্যক্তিসকলে “অ' কৃষ্ণনামে হৰিবোল হৰিবোল” বুলি সাতবাৰ হৰিধ্বনি দিয়ে আৰু প্ৰতিবাৰ হৰিধ্বনিত দৰা আৰু কইনাই তেওঁলোকৰ প্ৰত্যেকৰে হাতত থকা তামোল-পাণযোৰ দৰাই কইনাক আৰু কইনাই দৰাক দি সাতবাৰ অদল-বদল কৰে। শেষত এই তামোল পাণবোৰ দুয়োৱে নিজ নিজ কাপোৰত বান্ধি লয় আৰু এই তামোল-পাণ পিছত তেওঁলোকে খাব লাগে। ইয়াক মালাবৰণ বুলি কোৱা হয়। এই অনুষ্ঠানৰ পিছতেই দৰা-কইনাই জ্যেষ্ঠ লোকসকলক এবাটিকৈ মদ মান দি সেৱা কৰে। জ্যেষ্ঠ লোকসকলে নৱ দম্পত্তিৰ সেৱা গ্ৰহণ কৰি যিকোনো এটি উপহাৰ আগবঢ়াই আশীৰ্বাদ দিয়ে।

বিয়াৰ পিছদিনাখন টোটলা ৰাভাসকলৰ নিচিনাকৈ ‘হাতাচিনি’ অনুষ্ঠান আৰু আলহী-অতিথি, গাঁওবাসীৰ বাবে ভোজ ভাতৰ আয়োজন কৰে। দাহৰি ৰাভাসকলে ‘হাতাচিনি’ক ‘কাঞ্চাৰস’ বুলিও কয়। এই দিনাখনেই কইনাজনীৰ মাক-দেউতাকে গাঁৱৰ কেইজনমান পুৰুষ-তিৰোতা লগত লৈ দৰাঘৰলৈ যায় আৰু কইনাজনীয়ে যৌতুক স্বৰূপে পোৱা প্ৰীতি উপহাৰবোৰ দৰাজনৰ গৃহস্থক ৰাইজৰ সাক্ষাতত চম্জি দিয়ে। ইয়াৰ পিছত কইনাৰ পিতৃ-মাতৃয়ে দৰা-কইনাৰ হাতত ধৰি ৰাইজৰ সাক্ষাতত কইনাজনী দৰাজনক গতাই দিয়ে। ইয়াকে ‘ছোৱালী গতোৱা’ বোলে। ছোৱালী গতোৱা অনুষ্ঠান সম্পন্ন হোৱাৰ পিছত ছোৱালীজনীৰ বাবে ল'ৰাজনৰ গাঁৱৰ এজন জ্যেষ্ঠ লোকক ধৰ্ম বাপ বা ধৰ্মপিতা পাতি দিয়ে যাতে ভৱিষ্যতে ছোৱালীজনীয়ে তাইৰ সুখ-দুখৰ কথাখিনি এইগৰাকী ধৰ্মপিতাৰ আগত ক'ব পাৰে আৰু ধৰ্ম পিতৃয়েও তাইক সহায় কৰিব পাৰে।

## কোচা ৰাভাৰ ‘বিয়ৌ গোদা’ (বৰ বিয়া)

### বিবাহৰ বন্দবস্ত

ল'ৰাৰ উপযুক্ত বয়স হ'লে ল'ৰাজনৰ পিতৃ-মাতৃ বা অভিভাৱকে আলহী খাবলৈ যোৱা চলেৰে আগেয়ে ভাবি থোৱা কোনো ছোৱালীৰ ঘৰলৈ গৈ ছোৱালীৰ পিতৃ-মাতৃ নাইবা অভিভাৱকৰ সৈতে আলোচনা কৰি তেওঁলোকৰ ছোৱালীজনীক বোৱাৰীৰূপে পাবলৈ প্ৰস্তাৱ আগবঢ়ায়। ছোৱালীৰ ঘৰৰ পৰা অনুৰূপ সঁহাৰি পালে ছোৱালীজনীক বন্দবস্ত কৰিবলৈ দিন তাৰিখ ঠিক কৰা হয়। নিৰ্দিষ্ট দিন তাৰিখত ল'ৰাৰ অভিভাৱকে গাঁৱৰ দুজন মুখিয়াল পুৰুষ আৰু দুজনী তিৰোতা লগত লৈ বিবাহৰ বন্দবস্তৰ বাবে ছোৱালীৰ ঘৰলৈ যায়। ঘৰলৈ যাওঁতে এক কেজি চেনি, এশ গ্ৰাম চাহপাত, এক কেজি মুড়ি, দুই মুঠা বিড়ি, এটা দিয়াচলাই, পঞ্চাশ গ্ৰাম গাখীৰ, তামোল এক পোণ আৰু পাঁচ গুছি পাণ লৈ যায় আৰু ছোৱালীৰ গৃহস্থক জমা দিয়ে। এই বস্তুবোৰ ছোৱালীৰ অভিভাৱকে ৰাইজক

খাবলৈ অৰ্পণ কৰে। বিবাহৰ বন্দবস্ত ঠিৰাং হ'লে সেই ছোৱালীজনী যাতে অইন ল'ৰাৰ সৈতে আৰু ল'ৰাজনে যাতে অইন ছোৱালীৰ সৈতে বিবাহ পাশত আৱদ্ধ হ'ব নোৱাৰে তাৰ বাবে চৌতিল বা প্ৰতিজ্ঞাবদ্ধ হোৱাৰ চিনস্বৰূপে দুয়োপক্ষৰ অভিভাৱকে উপস্থিত ৰাইজৰ সন্মুখত এখনি আগলি কলপাতত এযোৰ তামোল-পাণ আৰু দুটকা দি ৰাইজক সেৱা জনাব লাগে। ৰাইজৰ সন্মুখত দিয়া উক্ত বস্তুবোৰ ছোৱালীৰ গাঁৱৰ গাঁওবুঢ়া বা গাঁওবুঢ়া নাথাকিলে গাঁৱৰ অন্য মুৰব্বীয়ে গ্ৰহণ কৰে। আলোচনা শেষ হ'লে ছোৱালীৰ বিবাহৰ বন্দবস্ত কৰিবলৈ অহা ল'ৰাপক্ষৰ মানুহকেইজনক ভাত-পানী খুৱাই বোৱাই বিদায় দিয়ে।

বিবাহৰ বাবে বন্দৰস্ত হোৱাৰ পিছত বিবাহৰ দিন ধাৰ্য কৰা হয়। ইয়াৰ বাবে ল'ৰাৰ অভিভাৱকে চাৰিজন সপত্নীক পুৰুষ আৰু তিনিজনী আয়তী লগত লৈ ছোৱালীৰ গৃহলৈ যাব লাগে। যাওঁতে লগত তিনিখন ভাৰ যেনে- চকৰ ভাৰ (মদৰ ভাৰ), গয় ভাৰ (তামোল ভাৰ) আৰু গুনাগাৰ (বিবাহৰ পূজা)ৰ ভাৰ নিব লাগে। চকৰ ভাৰত লগা বস্তুকেইপদ হ'ল - চেনি , চাহ , গাখীৰ মুড়ি, চিৰা আৰু দিয়াচলাই। বৰ্তমান এই ভাৰত মদৰ প্ৰচলন নাই। গয় ভাৰত থাকে- তামোল-পাণ, চুণ আৰু চুণ ৰাখিবলৈ দুটা বাঁহৰ চুঙা, তামোল-পাণ বিতৰণ কৰিব পৰা বাঁহেৰে নিৰ্মিত দুটা বটা। গুনাগাৰ ভাৰৰ বাবে এটা পবিত্ৰ বাখৰ, ক'লা ৰঙৰ বাহিৰে যিকোনো ৰঙৰ এটা মতা কুকুৰা আৰু এজনী মাইকী কুকুৰা, যিকোনো ৰঙৰ এযোৰ পাৰ চৰাই। ধূনা পঞ্চাশ গ্ৰাম, ধূনা ৰাখিবৰ বাবে দুটা বা তিনিটা কলপটুৱাৰ থোলা লাগে । এই ভাৰখন হ'বলগীয়া বিবাহৰ বাবে মংগল কামনা কৰি পূজা অৰ্চনা কৰিবলৈ দিয়া হয়। বাকী দুখন ভাৰ কইনাঘৰৰ মানুহক আপ্যায়ন কৰিবৰ বাবে দিয়া হয়। চমুকৈ এই অনুষ্ঠানটোক তেওঁলোকে 'গয়-গাচানি' অৰ্থাৎ 'তামোল-পাণ খোৱা পৰ্ব' বুলি কয়।

বিবাহৰ দিনা ৰাতিপুৱাতে দৰা বা কইনা প্ৰত্যেকৰে একে হুছৗগ (গোত্ৰ)ৰ এজনী বুঢ়ীয়ে তেওঁলোকৰ মৃতকক ভাত-পানী আগবঢ়াব লাগে। সিফালে পুৱাতে হুজী বা ছাৰাংগা (পুৰোহিত) ই গাঁৱৰ পূজাস্থলীৰ বেদী দৰ্শন কৰি দৰা বা কইনা গৃহস্থৰ ঘৰলৈ আহে। পুৰোহিতে ঘটৰ পানী তুলিবৰ বাবে নৈলৈ যায়। তেওঁৰ আদেশমতে এজনী ছোৱালীয়ে তিনি বা সাতবাৰ পানীত ডুব মাৰি ঘটৰ পানী তুলি ল'ব লাগে। এই ঘটটো গৃহস্থৰ পাকঘৰত থকা ৰুস্তুক (লখিমী)ৰ সন্মুখত ভালকৈ থৈ দিয়ে।ইয়াৰ পিছতে দৰাৰ মাক-দেউতাকে তিনিজনী গাভৰু; তিনিজন সপত্নীক পুৰুষ; দুজন বৃদ্ধ, দুজনী আয়তী, চকৰ ভাৰ (মদৰ ভাৰ), লাকৰ (গৰখীয়া) ভাৰ দেদা ভাৰ (একান্ধীয়া ভাৰ) বহন কৰা তিনিজন মানুহ, চালনী বাটি লোৱা এজনী ছোৱালী আৰু এজন বগা গামোচা পৰিহিত সপত্নীক হুজী বা ছাৰাংগা (পুৰোহিত)ৰ সৈতে কইনা আনিবলৈ যায়। এই উপগোষ্ঠীৰ লোকসকলে কইনা আনিবলৈ বিবাহযাত্ৰীসকলৰ সৈতে দৰা বা দৰাৰ সখিয়েকে কইনা গৃহলৈ যাব নালাগে।

কইনাঘৰীয়া গাঁৱৰ গৰখীয়াসকলৰ বাবে দৰাঘৰীয়াই দিবলগীয়া লাকৰ ভাৰ বা গৰখীয়া ভাৰত থকা বস্তুকেইপদ হ'ল- চাউল, তামোল -পাণ, আলু, নিমখ, জলকীয়া, হালধী, মচলা, মাছ-মাংস। আজিকালি ঠাই বিশেষে মাছ-মাংস বৰ্জন কৰা হৈছে। দেদা ভাৰত কইনাৰ পিতৃ-মাতৃ প্ৰত্যেকৰে বাবে এখনকৈ কাম্বাং বাচেক্, এযোৰকৈ তামোল-পাণ থাকে। দৰাঘৰীয়া মানুহবোৰ কইনাগৃহলৈ গৈ পোৱাৰ পিছত এই ভাৰকেইখনত থকা বস্তুবোৰ এপদ এপদকৈ উলিয়াই কইনাঘৰীয়াক চম্‌জি দিয়ে। কইনাৰ

পিতৃ-মাতৃয়ে দৰাঘৰৰ পৰা সন্মানেৰে আগবঢ়োৱা দেদা ভাৰখন সাদৰেৰে গ্ৰহণ কৰি তেওঁলোকে এখনি আগলি কলপাতত কাম্বাং বাচেক্ এখন আৰু তামোল-পাণ লৈ বিয়ে-বিয়েনীক অৰ্পণ কৰি নমস্কাৰ জনায়। ইয়াৰ পিছত চাহ-জলপান, তামোল-পাণ আৰু তাৰপাচত পৰ্যায়ক্ৰমে মদ, ভোজ ভাত আদিৰে দৰাঘৰীয়াক আপ্যায়ন কৰে। এই সমছোৱাতে দৰাঘৰীয়া বৈৰাথীসকলে কইনাজনীক কেমলেট (মেখেলা), কাম্বুং (ৰিহা), লৌফান বা লৌফুন বুচিল ( ব্লাউজ) আদি সাজ-পোছাক, চাকি (কাণৰ ওপৰ অংশত পিন্ধা অলংকাৰ), ফুলকৰি (কাণফলি), মৌতকুৰ (কাণফুল), সোণখিৰ (কেৰু), নাল্লক (নাকৰ লতিত পিন্ধা অলংকাৰ), নৌকুংপাৰ (নাকফুল), নলক (নাকৰ মাজত পিন্ধা অলংকাৰ), চন্দ্ৰহাৰ (ডিঙিত পিন্ধা অলংকাৰ), চৌংকুং চাংখা (হাতত পিন্ধা শঙ্খ খাৰু), লেচাখাৰু (ভৰিত পিন্ধা খাৰু) পৰিধান কৰাই চুলিত তেল সানি ফণীৰে মূৰটো ফনিয়াই মুখত পাউদাৰ বা ক্ৰীম ঘঁহি তেওঁলোকৰ সৈতে বহুৱাই ৰাখে। গাঁৱৰ মানুহবোৰে আহি কইনাজনীক দেখা কৰি আশীৰ্বাদ দিয়ে আৰু উপহাৰ দিয়ে। কইনাজনীয়ে এইলোকসকলক সেৰা-শ্ৰদ্ধা নিবেদন জনায়। শেষত কইনাজনীয়ে ঘৰৰ ভিতৰলৈ গৈ নিজৰ পিতৃ-মাতৃক প্ৰণাম কৰি আশীৰ্বাদ লৈ গাঁৱৰ ৰাইজক সেৰা কৰি বিদায় লয়। কইনাজনীক দৰাঘৰীয়াৰ সৈতে কইনাজনীৰ বাপেক বা অভিভাৱক আৰু কেইজনমান ডেকা-গাভৰু গৈ থৈ আহে। দৰাগৃহৰ পদূলিমুখ পোৱাৰ লগে লগে কইনাজনীক দৰাঘৰীয়া বৈৰাথীসকলে লোটাৰ পানীৰে ভৰি দুখন ধুই আদৰি নি দৰা, দৰাৰ সখিয়েক আৰু বুঢ়া-মেথা থকা কোঠাৰ ভিতৰলৈ লৈ যায়।

কোচা ৰাভাসকলে বিবাহৰ মূল পৰ্বটোক যোৰ্ফাগ (জোৰণ) বুলি কয়। এই পৰ্বটো দৰাগৃহতহে অনুষ্ঠিত হয়। প্ৰথমে ৰভাতলীৰ এচুকত পতা থাপনা এখনৰ সমীপত পাৰি থোৱা বৰপীৰাখনত দৰাঘৰীয়া বৈৰাথীসকলে দৰাজনক ঘৰৰ ভিতৰৰ পৰা আদৰি আনি ৰভাতলীৰ এচুকত পাতি থোৱা থাপনাখনৰ সন্মুখত বৰপীৰাখনত থিয় কৰাই ভৰি দুখন ধুই বিবাহ মণ্ডপত বহিবলৈ দিয়ে। তাৰপিছত বৈৰাথীসকলে একেদৰে কইনাজনীকো ঘৰৰ ভিতৰৰ পৰা আদৰি আনি দৰাৰ কাষতে বাওঁফালে বহিবলৈ দিয়ে। এই সময়তে ছাৰাংগাই বিবাহৰ মন্ত্ৰ পাঠ কৰি দৰা-কইনা দুয়োকে শপত খুৱায় যাতে তেওঁলোকৰ মাজত কোনো দিনে বিচ্ছেদ নহয় আৰু দৰাই কইনাজনীক ভৰ-পোষণ, বেমাৰ-আজাৰ আদি সকলো ধৰণৰ দায়িত্ব মূৰ পাতি ল'বলৈ প্ৰতিজ্ঞাবদ্ধ হয়। ইয়াৰ পিছত ছাৰাংগাই কইনা সম্প্ৰদানৰ মন্ত্ৰ পাঠ কৰি যোৱামতে কইনাজনীৰ দেউতাক বা অভিভাৱকে কৈ যায় আৰু শেষত কইনাজনীৰ দেউতাক বা অভিভাৱকে দৰা আৰু কইনাৰ চাদৰ দুখন বান্ধি দিয়ে আৰু ইয়াৰ লগে লগে কইনাজনীৰ অভিভাৱকে কইনাৰ বাওঁহাতখন ধৰি দৰাজনৰ সোঁহাতত ধৰাই দি কইনাজনীক গতাই দিয়ে । ছাৰাংগাৰ নিৰ্দেশানুসৰি দৰাজনে ঠিয় হৈ বাওঁহাতৰ অনামিকা আঙুলিৰে কইনাজনীৰ কঁপালত সেন্দুৰৰ ফোঁট আৰু শিৰত সেন্দুৰ পিন্ধাই দিব লাগে। কইনাজনীয়েও ঠিয় হৈ সোঁহাতৰ অনামিকা আঙুলিৰে দৰাৰ কঁপালত কাজলৰ ফোঁট দিয়ে। ইয়াৰ পিছতে ছাৰাংগাই চাউলেৰে পুৰ্তি দোণ এটাত এটি ৰূপৰ আঙঠি লুকোৱা খেল খেলিবলৈ দিয়ে। তিনি বা সাতবাৰ এই খেল খেলাৰ পিছত ছাৰাংগাই দৰা-কইনাক সংসাৰখনৰ বিষয়ে দু-আষাৰ কথা কৈ বুজনি দিব লাগে। তাৰপিছত কইনাৰ অভিভাৱকে দৰা আৰু কইনাৰ চাদৰত বান্ধি দিয়া গাঁঠিটো খুলি দিয়ে। ইয়াকে কোচা উপগোষ্ঠীৰ লোকসকলে 'কোমৰ দাণ্ডি' অৰ্থাৎ 'জোৰণ গাঁঠি খুলি দিয়া' বোলে। ইয়াৰ লগে লগে উপস্থিত থকা ৰাইজে উপহাৰ দি দৰা-

কইনাক আশীৰ্বাদ দিয়ে। উপহাৰ প্ৰদান সমাপ্ত হোৱাৰ পিছত ছাৰাংগাৰ নিৰ্দেশমতে বৈৰাথী, দৰা, দৰাৰ সখিয়েক, কইনা, কইনাৰ সখীয়েক আৰু ডেকা-গাভৰুসকলে বিবাহ মণ্ডপত তিনি বা সাতপাক ঘূৰি বৰঘৰৰ ভিতৰত প্ৰৱেশ কৰি ৰুন্তুকৰ ওচৰত সেৱা লয়। সামৰণিত দৰা-কইনাই প্ৰথমে ছাৰাংগাক প্ৰণাম জনাই দৰাৰ পিতৃ-মাতৃক সেৱা কৰে। তাৰপিছত দৰাঘৰীয়াই বিবাহ থলীত উপস্থিত থকা সকলো জ্যেষ্ঠ লোকক সেৱা জনাই সকলো লোকক দেখা কৰি চাহ-পানী, মদ, ভোজ-ভাত খুৱাই পঠাব লাগে। কইনাঘৰীয়া লোকসকলক গৃহস্থ তথা গাঁৱৰ ৰাইজে আদৰ-সাদৰ কৰি চাহ-পানী, মদ, ভোজ-ভাত ভোজন কৰাই বিদায় সম্ভাষণ জনায়।

**সাধাৰণ বিবাহ বা সাদৰি অনা বিবাহ**

ল'ৰা আৰু ছোৱালী দুয়ো গৃহস্থৰ মাজত বিবাহৰ বাবে বন্দবস্ত হোৱাৰ পাছত অৰ্থৰ অভাৱত বৰ বিয়া পাতিব নোৱাৰিলে উভয়পক্ষই আলোচনা কৰি অতি সাধাৰণভাৱে পতা বিবাহক সাধাৰণ বিবাহ বোলে। টোটলা আৰু দাহৰি ৰাভাসকলে এনে বিবাহক 'সৰু বিবাহ' বা 'চুৰ কৰি অনা বিবাহ' বুলিও কয়। পাতি, হানা আৰু বিটলীয়া ৰাভাসকলে 'সাদৰি অনা বিবাহ' আৰু কোচা ৰাভাসকলে 'বৌলিঙ বিয়ৌ' বোলে। এনে বিবাহত পৰিয়ালৰ আত্মীয়-কুটুম আৰু গাঁৱৰ দুই চাৰিজন মুখিয়াল ব্যক্তি আৰু তিৰোতাক নিমন্ত্ৰণ কৰা হয়। নিমন্ত্ৰিত লোকসকলক অনুষ্টুপীয়াকৈ ভোজ ভাত আৰু হাতাচিনি দিয়া হয়। ঠায়ে ঠায়ে কইনা ঘৰীয়াই গা-ধনৰ বাবদত আৰু যুৱক সংঘ, মহিলা সমিতি, বিদ্যালয় আদিৰ নামত দৰাঘৰীয়াৰ পৰা প্ৰাপ্য টকাখিনি আদায় কৰি লয়।

**প্ৰণয় বিবাহ বা গোপন বিবাহ**

ৰাভা সমাজত প্ৰণয় বিবাহ বা গোপন বিবাহ দুবিধ ঃ (ক) পলুৱাই নিয়া বিবাহ আৰু (খ) ঘৰ সোমোৱা বিবাহ

**পলুৱাই নিয়া বিবাহ**

ডেকা আৰু গাভৰুৱে পৰস্পৰে প্ৰণয় আসক্তিৰে ভাল পাই থকা অৱস্থাত ডেকাজনে গাভৰুজনীক পলুৱাই নি কৰা বিবাহক 'পলুৱাই নিয়া বিবাহ' বোলে। এনে বিবাহত কইনাঘৰীয়াই দাবী কৰামতে গা-ধন, গাঁও উন্নয়ন সমিতি, যুৱক সংঘ, মহিলা সমিতিৰ বাবদত দিবলগীয়া ধন দৰাপক্ষই দিব লাগে। এটা নিৰ্দিষ্ট দিনত দৰাগৃহত অনুষ্টুপীয়াকৈ বিয়াখন অনুষ্ঠিত কৰা হয়।

**ঘৰ সোমোৱা বিবাহ**

এই বিবাহক ৰংদানি আৰু মায়তৰি ৰাভাসকলে 'নক ঢাংকায়' , টোটলা ৰাভাসকলে 'টোপোলা বিবাহ' আৰু কোচা ৰাভাসকলে 'দকাডাঙি বিয়ৌ' বুলি কয়। ডেকা আৰু গাভৰুৱে পৰস্পৰে পৰস্পৰক হৃদয়েৰে ভাল পাই থকা সময়ত ঘৰুৱা অসুবিধা বা আৰ্থিক অনাটনৰ বাবে সামাজিক বিবাহ পাতিব নোৱাৰি ডেকা বা গাভৰুৱে নিজ ইচ্ছানুযায়ী যথাক্ৰমে গাভৰু বা ডেকাজনৰ ঘৰলৈ উপযাচি যায়। কেইদিনমান পিছত অনুষ্টুপীয়াকৈ বিবাহ কাৰ্য সম্পন্ন কৰা হয়। এনে বিবাহক ৰংদানি আৰু মায়তৰি উপগোষ্ঠীৰ লোকসকলে 'নক ঢাংকায়' বোলে। বিবাহৰ দিনাখন এযোৰ কুকুৰা ৰিছি দেৱতাৰ নামত

বলি দি ডেকা-গাভৰুক বৈবাহিক জীৱনৰ মিলন কৰাই দিয়ে। ৰাইজক মদ খুৱাই বুজনি দি ৰখা হয়। ছমাহ বা এবছৰৰ পিছত পকাৰস (মদ- ভাত) বা কেঁচাৰস (কেৱল মদ) খুৱাই ৰাইজক সন্মান জনায়। কোনো কোনো ক্ষেত্ৰত গাভৰুজনীৰ মাকক গা-ধন দিয়াৰ পিছতে নিজ গাঁৱৰ ৰাইজক এশ টকা দি কুকুৰা মাংসৰ ভাজি খুৱাই এই বিবাহৰ কাম সমাধা কৰা হয়।

গাভৰুজনীয়ে নিজৰ পিন্ধা কাপোৰ-কানিবোৰ টোপোলা বান্ধি লৈ ডেকাজনৰ ঘৰলৈ পলাই যোৱাৰ পিছত সম্পন্ন হোৱা বিবাহক 'টোপোলা বিবাহ' বোলে। এনে বিবাহ অনুষ্টুপীয়াকৈ অনুষ্ঠিত কৰা হয় আৰু কইনাঘৰীয়াক গা-ধন, গাঁও উন্নয়ণ সমিতি, যুৱক সংঘ আৰু মহিলা সমিতিৰ বাবদত দিবলগীয়া ধন সা-সন্মানেৰে দিয়া হয়।

## আসুৰিক বিবাহ

কোনো ল'ৰাই কোনোবা ছোৱালীক পছন্দ কৰিছে, কিন্তু ছোৱালীজনীয়ে বিবাহত বহিবলৈ সন্মত হোৱা নাই বা ছোৱালীৰ অভিভাৱকেও বাঞ্চা কৰা নাই তেনে অৱস্থাত ল'ৰাপক্ষৰ পৰা ছোৱালীজনীক ৰাস্তা-ঘাট বা ঘৰৰ পৰা বলপূৰ্বকভাৱে ধৰি লৈ গৈ পতা বিবাহক 'আসুৰিক বিবাহ' বুলি কোৱা হয়। এনে বিবাহক ৰংদানি আৰু মায়তৰি উপগোষ্ঠীত 'কায় বিকায়' (বলপূৰ্বক বিবাহ) বোলে। টোটলা ৰাভাসকলে এই বিবাহক 'অপহৰণ বিবাহ' আৰু 'টোকোন বিবাহ' বোলে। ল'ৰাপক্ষই হাতে হাতে টোকোন লৈ বলেৰে ছোৱালীজনীক অপহৰণ কৰি অনা বাবে 'টোকোন বিবাহ' বা 'অপহৰণ বিবাহ' বুলি কোৱা হয়। কোচা উপগোষ্ঠীৰ লোকসকলে এনে বিবাহক 'বোটা বুৗলিঙ' বুলি কয়।

আসুৰিক বিবাহৰ ক্ষেত্ৰত ছোৱালীগৃহত দুয়োপক্ষৰ মাজত মেল বহে। মেলত ছোৱালীপক্ষই ল'ৰাপক্ষক দোষী সাব্যস্ত কৰি জৰিমনা আদায় কৰে। নিজ নিজ উপগোষ্ঠীয় নিয়ম-নীতিৰে ল'ৰাগৃহত অনুষ্টুপীয়াকৈ বিবাহ সম্পন্ন কৰা হয়।

## ঘৰ জোঁৱাই বিবাহ

ল'ৰা আৰু ছোৱালীৰ মন মিলিলে ছোৱালীৰ অভিভাৱকে ল'ৰাপক্ষৰ সন্মতি লৈ তেওঁৰ গৃহত ল'ৰাজনক ৰাখি ছোৱালীজনীৰ সৈতে বিবাহ পাতি দিয়া পদ্ধতিক 'ঘৰ জোঁৱাই বিবাহ' বোলে। পাতি, হানা, বিটলীয়া, টোটলা আৰু দাহৰি ৰাভাসকলে এই বিবাহক 'ঘৰ্জেয়া বিয়া' বুলিও কয়। ৰংদানি আৰু মায়তৰি ৰাভাসকলে 'জাওয় ঢাংকয়' আৰু কোচা ৰাভাসকলে 'কিলাং বিয়ৗ' বোলে। ঘৰ-জোঁৱাই বিবাহ ৰংদানি আৰু মায়তৰি ৰাভা সমাজত ' বৰিছেকায়' বা 'ভৰি চিংকায়' প্ৰথাৰে সম্পন্ন কৰা হয়। বাকীকেইটা উপগোষ্ঠীত এই বিবাহ সাধাৰণভাৱে অনুষ্ঠিত কৰা হয়। ঘৰ-জোঁৱাই দুই প্ৰকাৰৰ ঃ-

### মালখোৱা ঘৰ-জোঁৱাই

মালখোৱা ঘৰ-জোঁৱায়ে শাহু-শহুৰেকক পোহ-পালন কৰিব লাগে। শহুৰেকৰ স্থাৱৰ-সম্পত্তি ভোগ কৰাৰ অধিকাৰ থাকে।

### ওলোৱা ঘৰ-জোঁৱাই

এই প্ৰথামতে ল'ৰাজন বিয়াৰ পিছত শহুৰেকৰ ঘৰত তিনি চাৰি বছৰমান খেতিবাতি কৰি

থকাৰ অন্তত শহুৰ-শাহুৰেকৰ পৰা বিদায় লৈ ছোৱালীজনীৰ সৈতে নিজ ঘৰলৈ যাব লাগে। ওলোৱা ঘৰ-জোঁৱায়ে শহুৰেকৰ স্থাৱৰ সম্পত্তিৰ অংশীদাৰ হ'ব নোৱাৰে।

**বিধৱা বিবাহ**

বিধৱা বিবাহ দুই ধৰণৰ ঃ-

ক) সাদৰি অনা বিবাহ আৰু খ) গোপন বিবাহ।

বিধৱাৰ আত্মীয়-স্বজনক তামোল-পাণ খুৱাই কথা-বতৰা পাতি অনাকে সাদৰি অনা বিবাহ বোলে আৰু বিধৱাৰ আত্মীয়ক কথাটো অৱগত নকৰাকৈ লৈ অনাকে গোপন বিবাহ বোলে। এই বিবাহত আত্মীয়-স্বজনক দিবলগীয়া গা-ধন দৰাপক্ষই দিয়াটো নিয়ম। বিবাহৰ দিনা গাঁৱৰ ৰাইজক এটা সাধাৰণ ভোজ দিয়া হয়।

মায়তৰি আৰু ৰংদানি ৰাভাসকলে এই বিবাহক 'ক্ৰাংচিভৰি' কোচা ৰাভাসকলে 'দকা ভাঙি বিয়ৌ' আৰু টোটলা, পাতি, হানা, বিটলীয়া, দাহৰি ৰাভাসকলে 'ঢকা বিবাহ' বোলে।

**কোৰ্ট বা ৰেজিষ্টাৰী বিবাহ**

আজিকালি কোৰ্ট বা ৰেজিষ্টাৰী বিবাহ ৰাভা সমাজতো প্ৰচলিত হোৱা দেখা গৈছে। চৰকাৰী কোৰ্টত শপত নামা পাঠ কৰি চৰকাৰৰ ঘৰত পঞ্জীয়ণভুক্ত হোৱা বিবাহেই কোৰ্ট বা ৰেজিষ্টাৰী বিবাহ। এনে বিবাহৰ পিছত দৰাপক্ষই ৰাইজক ভোজ-ভাত খুৱাব লাগে আৰু কইনাঘৰীয়াক দিবলগীয়া বিভিন্ন শিতানৰ ধন দিয়াৰ ব্যৱস্থাও আছে।

**আঠমঙলা**

ৰাভা লোক সমাজৰ পৰম্পৰাগত বিবাহ পদ্ধতিত 'আঠমঙলা' বা 'নকবাৰকায়' (মায়তৰি আৰু ৰংদানি উপভাষাৰ শব্দ) অপৰিহাৰ্য। সাধাৰণতে বিবাহৰ এসপ্তাহৰ পিছত অষ্টম দিনত বা এমাহৰ ভিতৰত যিকোনো এটা দিনত নৱ বিবাহিত দম্পতীয়ে কইনাগৃহলৈ যাব লাগে। ইয়াক অঠমঙলা খাবলৈ যোৱা বোলে। যাওঁতে লগত অলপ মদ, চিৰা, সান্দহ গুড়ি, তামোল-পাণ লৈ যোৱা হয়। আজিকালি বজাৰত পোৱা সহজলভ্য মদ, বিলাতী মদ, দৈ, চিৰা, মিঠাই আদি লৈ যোৱাৰ প্ৰৱণতাহে দেখা যায়।

**বিবাহ বিচ্ছেদ**

অন্যান্য সমাজৰ দৰে ৰাভা লোক সমাজতো বিবাহ বিচ্ছেদ প্ৰথা আছে। বিবাহ বিচ্ছেদৰ কাৰণ স্বামী বা স্ত্ৰী উভয়পক্ষৰ পৰা হ'ব পাৰে। বিবাহ বিচ্ছেদ উভয়পক্ষৰ সমাজ আৰু আত্মীয়-কুটুম্বৰ সাক্ষাতত কৰা হয়। স্বামী আৰু স্ত্ৰীয়ে পিঠিয়া পিঠিকৈ থিয় হৈ দুয়োৰে এযোৰ পাণ চিৰি বিচ্ছেদ হ'ব লাগে। লগে লগে স্বামীয়ে ক'ব "আজিৰ পৰা তুমি মোৰ ভনী হ'লা, তোমাৰ বংশৰ কোনো লোকৰ লগত মোৰ বিবাহ অশুদ্ধ বুলি গণ্য কৰা হ'ব"। ঠিক তেনেদৰে স্ত্ৰীয়ে ক'ব "আজিৰ পৰা তুমি মোৰ দাদা হ'লা, তোমাৰ বংশৰ কোনো লোকৰ লগত মোৰ বিবাহ অশুদ্ধ বুলি গণ্য কৰা হ'ব" (মণি ৰাভা,

ৰাভাসংস্কৃতিৰ ধাৰা, পৃঃ ১০৯)। বিবাহ বিচ্ছেদৰ পিছত স্বামী-স্ত্ৰীৰ মাজত পুনৰ মিলন হ'ব পাৰে। এইক্ষেত্ৰত সামাজিকভাৱে বাধা নাই। সমাজে কেৱল সামান্য পৰিমাণৰ জৰিমনা আদায় কৰে। গৰ্ভৱতী অৱস্থাত বিবাহ বিচ্ছেদ কৰা নহয়। ল'ৰা-ছোৱালী জন্ম হোৱাৰ পিছত স্বামী-স্ত্ৰীৰ মাজত বিচ্ছেদ ঘটিলে ল'ৰা-ছোৱালীবোৰ মাকৰ লগতো যাব পাৰে নাইবা দেউতাকৰ লগতো থাকিব পাৰে।

## বহু বিবাহ

অতীজৰ ৰাভা জন সমাজত বহুপত্নীক বিবাহৰ প্ৰচলন থকাৰ কথা পোৱা যায়। আগৰ দিনৰ অন্য সম্প্ৰদায়ৰ ৰজা-মহাৰজাসকলৰ দৰে ৰাভা ৰজা-মহাৰজাসকলেও বহুপত্নী বিবাহ কৰিছিল বুলি জনা যায়। যোল্লশ খৃঃৰ বীৰ পৰশুৰামৰ পাঁচজনী পত্নী আৰু ৰংদান অঞ্চলৰ ৰাভা ৰজা কালতাকাৰীৰ তিনিজনী পত্নী থকাৰ প্ৰমাণ পোৱা গৈছে। ৰাভা সমাজত সাতজনীলৈকে পত্নী বিয়া কৰোৱা তথ্য পোহৰলৈ আহিছে (M. Martin : Eastern India, Book 1, Chapter V, P- 546 - 549)।

বৰ্তমান ৰাভা লোক সমাজত বহুপত্নী বিবাহৰ প্ৰচলন প্ৰায় দেখা নাযায়। প্ৰধানকৈ অৰ্থনৈতিক সমস্যা আৰু নীতিগত আদৰ্শৰ বাবে ৰাভা লোকসকলে বহুপত্নী বিবাহৰ প্ৰতি আগ্ৰহী নহয়। বহুপত্নী বিবাহ ৰাভা লোক সমাজত স্বীকৃত যদিও তেনে ব্যক্তিক সমাজে ঘৃণাৰ দৃষ্টিৰে চায়। ইয়াৰ বিপৰীতে ৰাভা জন সমাজত বহুস্বামী বিবাহ সমাজ স্বীকৃত নহয়।

## সামৰণি

বিবাহ সামাজিক জীৱনৰ আটাইতকৈ বৃহৎ অনুষ্ঠান। বিবাহৰ সৈতে লোক জীৱনৰ ৰীতি-নীতি, পৰম্পৰাগত সামাজিক বান্ধোন, ধৰ্মীয় নীতি-নিয়ম, জনবিশ্বাস আদি উপাদান সাঙুৰ খাই থাকে। ৰাভা লোক জীৱনৰ পৰম্পৰাগতভাৱে প্ৰচলিত বিবাহ পদ্ধতি উক্ত সকলোবোৰ উপাদানেৰে পৰিপুষ্ট। কিন্তু সময়ৰ ক্ৰমাগত পৰিবৰ্তনৰ ঢৌত সমাজ জীৱনৰ পৰিবৰ্তন ঘটাত মন্থৰ গতিত হ'লেও ৰাভা সমাজ জীৱনতো পৰিবৰ্তনৰ ছাপ পৰিছে। ফলত পৌৰাণিক পদ্ধতিগত নীতি-নিয়মৰ পৰিবৰ্তন ঘটাই আধুনিক তথা আৰ্যীয় নিয়ম-নীতিৰে সমাজ জীৱন পৰিচালিত হোৱা প্ৰক্ৰিয়াই এচাম ৰাভা লোক জীৱনৰ বৈবাহিক ক্ষেত্ৰতো প্ৰভাৱিত কৰিছে। সেয়ে ৰাভা লোক সমাজ জীৱনত পৰম্পৰাগত বিবাহ পদ্ধতিৰ উপৰিও মন্দিৰ বা হোমৰ গুৰিত বিবাহৰ মাংগলিক কাম সম্পন্ন কৰি বিবাহ অনুষ্ঠিত কৰাৰ প্ৰৱণতা দেখা যায়। অন্যহাতে পৰম্পৰাগত বিবাহৰ কিছু নিয়ম-নীতি যেনে- মদৰ প্ৰচলন, বিভিন্ন ভাৰ, আমিষ ভোজন শিথিলকৰণ বা নিষিদ্ধকৰণ ব্যৱস্থাই ৰাভা লোক জীৱনত এক নতুন গতিশীলতা প্ৰদান কৰিব। স্থান-অঞ্চলভেদে একে উপগোষ্ঠীয় ৰাভা লোক সমাজত পাৰ্থক্যগত বহুতো সৰু বৰ নিয়ম-নীতিৰ প্ৰচলন আছে।

### *সহায়ক গ্ৰন্থ*


১) ৰাভা, মণি ঃ ৰাভা সংস্কৃতিৰ ধাৰা, ২০০৫ ।

২) ৰাভা, মণি ঃ ৰাভা সমাজৰ সামাজিক আইন আৰু দণ্ডবিধি, ১৯৯৪ ।

৩) ৰাভা, ৰাজেন ঃ ৰাভা জনজাতি, ২০০২ ।

৪) Rabha, Rajen : The Rabhas, 2002.

৫) ৰাভা, মলিনা দেৱী ঃ অসমীয়া আৰু ৰাভা সমাজ-সংস্কৃতিৰ স্বৰূপ, ১৯৯৯।

৬) হাকাচাম, ড° উপেন ৰাভা ঃ ৰাভা লোক-সংস্কৃতি, ২০০৬।

৭) M. Martin : Eastern India, Book 1, Chapter V.

৫

# খাচী আৰু অসমীয়া সংস্কৃতি

*পৰাগ নাথ*



**খাচী সকলৰ পৰম্পৰাগত আৱাস গৃহ**

ভাৰতবৰ্ষৰ প্ৰাদেশিক ভাষাবোৰত ইংৰাজী কাল্চাৰ শব্দটো সংস্কৃতিৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা হয়। সংস্কৃতিৰ লগত জড়িত কাল্চাৰ শব্দটো সৰ্বপ্ৰথমে এডৱাৰ্ড টাইলাৰে ১৮৬৫ চনত ব্যৱহাৰ কৰিছিল। শব্দটোৰ মূল হ'ল লেটিন ভাষাৰ (colere) বা (cultura) অৰ্থাৎ কুলতুৰা। colere বা cultura শব্দৰ অৰ্থ কৰ্ষণ কৰা অথবা খেতি কৰা। গতিকে সংস্কৃত কৃষ্টি আৰু লেটিন cultura শব্দৰ মাজত যে অৰ্থৰ ফালৰ পৰা মিল আছে, তাত সন্দেহ নাই। সংস্কৃতি পৰিৱৰ্তনশীল। সাধাৰণতে

সমাজ পৰিৰৰ্তন, জনগণৰ জীৱনধাৰণৰ প্ৰণালী, জলবায়ু, ভৌগোলিক পৰিৰৰ্তন তথা প্ৰযুক্তিবিদ্যাই সংস্কৃতিৰ পৰিৰৰ্তনত ইন্ধন যোগায়। সংস্কৃতি পৰিৰৰ্তনৰ কাৰণ সুকীয়া হোৱাৰ বাবে পৰিৰৰ্তনৰ প্ৰক্ৰিয়াও সমাজভেদে বেলেগ বেলেগ হোৱা দেখা যায়। মেঘালয়ৰ খাচী আৰু জয়ন্তীয়া সমাজ ব্যৱস্থাও ইয়াৰ বিপৰীত নহয়। যুগ যুগ ধৰি পাহাৰীয়া অঞ্চলত বসবাস কৰা এই লোক সকলৰো জলবায়ু, প্ৰযুক্তিবিদ্যা তথা ৰাজনৈতিক উত্থান-পতনে সংস্কৃতিলৈ বিশেষ পৰিৰৰ্তন আনিছে। বৰ্তমান গ্ৰামাঞ্চলতহে পৰি ৰৰ্তিত ৰূপত খাচী আৰু জয়ন্তীয়াসকলৰ সংস্কৃতিৰ প্ৰাচীন সংস্কৃতিৰ নমুনা পোৱা যায়। ব্ৰিটিছ শাসন আৰু খ্ৰীষ্টান ধৰ্মত দীক্ষিত হোৱা বাবে খাচী আৰু জয়ন্তীয়াসকলৰ সংস্কৃতিয়ে বিশেষভাৱে পৰিৰৰ্তন লাভ কৰিছে। গৃহ নিৰ্মাণ, সাজ-পাৰ, অলংকাৰ খাদ্যাভাস, কৃষি, লোকবাদ্য, লোককথা, কিম্বদন্তী, পূজা-পাৰ্বণ আদি প্ৰাচীন পৰম্পৰা প্ৰায় লুপ্ত হৈছে আৰু কিছুমান অপৰিৱৰ্তিত ৰূপত প্ৰচলিত হৈ আছে। খ্ৰীষ্ট ধৰ্মত দীক্ষিত নোহোৱা চেংখাচীসকলৰ মাজত অৱশ্যে কিছু সংস্কৃতি ৰক্ষিত হৈছে বা তেওঁলোকে প্ৰাচীন সংস্কৃতি তথা পৰম্পৰা ৰক্ষাৰ বাবে সংগ্ৰাম অব্যাহত ৰাখিছে। গতিকে অসমীয়া বা অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ সংস্কৃতিৰ পোহৰত খাচী আৰু জয়ন্তীয়াসকলৰ সংস্কৃতিৰ বিভিন্ন দিশ বিচাৰৰ ক্ষেত্ৰত চেংখাচী তথা গ্ৰামাঞ্চলৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। খাচী আৰু জয়ন্তীয়া গাঁওসমূহত ক্ষেত্ৰ অধ্যয়ন কৰি এতিয়াও পৰিৱৰ্তিত তথা অপৰিৱৰ্তিত ৰূপত প্ৰচলন হৈ থকা পৰম্পৰা তথা সংস্কৃতি অসমীয়া সংস্কৃতিৰ পোহৰত বিচাৰ কৰাৰ যত্ন কৰা হৈছে।

খাচী লোকসকল শৈল সংস্কৃতিৰ (Megalithic) লগত জড়িত হোৱা বাবে তেওঁলোকৰ পৰম্পৰাগত গৃহ নিৰ্মাণ পদ্ধতিত শিলৰ ব্যৱহাৰ সৰ্বাধিক। বিশেষকৈ জলবায়ু তথা প্ৰাকৃতিক পৰিৱেশৰ ওপৰত ভিত্তি কৰি ঠাইবিশেষে নিৰ্মাণ কাৰ্যৰ পাৰ্থক্য দেখা যায়। হেমলেট বাৰেহে খাচীসকলৰ গৃহ নিৰ্মাণ পদ্ধতিৰ বিষয়ে এটা সুন্দৰ বৰ্ণনা দিছে —

> '... Till today at the rainy places, such as Sohra, Mawmluh, Nongbah, Masmai, Mawsynram, Jowai, there houses of solid stone structure. Among the different models, some houses are fenced party of fully with stone although the roof is thatched with grass. The tradition has it that some colossal stone dwellings in the far-off past housed a corporate living, the furnitures tools and implements all being made of stone. It appears that some houses gave away to the thatched houses the economy had become more and more diversified.
>
> The Jaintias and the Khasis kept strong stone walls around the villages (such as Nongbah, Mawmluh, Lapangar and elsewhere) to ensure safety against the possible invasion of the enemy. They used more of the wooden than stone gate which served as exits. Ruins of village walls are still to be noticed at Jaintipur, Madur, Nartiang, Mawsmai and elsewhere.'

খাচী পৰম্পৰাগত গৃহ নিৰ্মাণ পদ্ধতি ঠাইবিশেষে বেলেগ বেলেগ। শিলৰ ব্যৱহাৰ সম্প্ৰতি নাই

বুলিবই পাৰি যদিও কাঠৰ ব্যৱহাৰ প্ৰচুৰভাৱে দেখা যায়। কাঠ ব্যৱহাৰ ক্ষেত্ৰতো কিছু বিশেষত্ব আছে। অসমীয়া গৃহ নিৰ্মাণৰ দৰেই খাচীলোকসকলে বিশেষ প্ৰজাতিৰ কাঠহে গৃহ নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰে। কঁঠাল, চম্পা, বনৰীয়া আম, সৰল গছ আদিৰ কাঠ গৃহ নিৰ্মাণৰ বিভিন্ন কাম-কাজৰ বাবে ব্যৱহাৰ কৰা হয়। এনেবোৰ কাঠত সাধাৰণতে পোক-পৰুৱাই নধৰে আৰু ৰ'দ-বৰষুণেও বহুদিনলৈ নষ্ট কৰিব নোৱাৰে। ঠিক সেইদৰে চঙ্কপদেং ঠাইখনত ভাজখোৱা টিনপাতেৰে গৃহ নিৰ্মাণ কৰা হয়। অসমৰ মিচিং সকলৰ দৰেই বাঁহৰ খুঁটা আৰু খেৰেৰে মুধচ তৈয়াৰ কৰি চাংঘৰ সাজি লোৱাও দেখা যায়। তথাপি কাঠেৰে তৈয়াৰ কৰা ঘৰৰ সংখ্যাই সৰ্বাধিক। বিশেষকৈ শীতৰ পৰা ৰক্ষা পাবৰ বাবেই মাটিৰ পৰা চাৰিফুটমান ওখকৈ চাংঘৰসদৃশ বনাই মজিয়াখন কাঠেৰে সুন্দৰকৈ তৈয়াৰ কৰা হয়। খাচী আৰু জয়ন্তীয়াসকলৰ গৃহ নিৰ্মাণ পদ্ধতি ঠাইবিশেষে বেলেগ হ'লেও মূলত শিল আৰু কাঠেৰেই ঘৰবোৰ সজায়। বৰ্তমান আধুনিক জীৱনযাত্ৰাই এনে পৰম্পৰা ক্ৰমান্বয়ে হ্ৰাস কৰা দেখা গৈছে।

খাচীসকলৰ ঘৰবোৰ বৰ ঐতিহ্যপূৰ্ণ বুলিব পাৰি। প্ৰাচীন কালৰ পৰাই তেওঁলোকে ঘৰবোৰ সুন্দৰকৈ সজোৱা তথা পৰিস্কাৰকৈ ৰখাৰ পৰম্পৰা আছে। ঘৰৰ সন্মুখভাগ ঘূৰণীয়াকৈ ৰাখি পিছৰভাগ সমান্তৰালভাৱে ৰাখিছিল। দুয়োকাযৰ বেৰবোৰ সমান্তৰালকৈ ৰাখি ঘৰৰ মুধচটো পিছফালে ওখ কৰি সন্মুখলৈ এঢলীয়া কৰি ৰাখিছিল। সন্মুখৰ ফালে আধা মেলা ছাতিৰ দৰে সুন্দৰকৈ একোখনকৈ চাল সজাইছিল। ঘৰৰ ভেটিবোৰ সাধাৰণতে তিনিফুটমান ওখকৈ শিলেৰে নিৰ্মাণ কৰা হয়। এই শিলৰ ওপৰৰ সমানকৈ কাঠ পাৰি গৃহ নিৰ্মাণ কৰা হয়। অৰ্থাৎ মাটিৰ পৰা তিনি ফুট ওখলৈকে ঘৰবোৰ ফোঁপোলা হৈ থাকে। ঘৰবোৰ সাধাৰণতে গাঁৱৰ ৰাস্তাৰ দিশেৰে মুখ কৰি থকাকৈ নিৰ্মাণ কৰা হয়। এই ঘৰবোৰ চাংঘৰসদৃশ যদিও সন্মুখভাগ মাটি নাইবা অলপ ওখ কৰি ৰখা হয়। গতিকে ভিতৰভাগ ফোঁপোলা হ'লেও সন্মুখৰ পিৰালিত খৰাহি-পাচি আদি সুন্দৰকৈ ৰখা হয়। খাচীসকলে ইয়াক টায়িংকং বোলে। ইয়াৰ পৰাই তেওঁলোকৰ চায়িংকোপ অৰ্থাৎ ভিতৰচ'ৰালৈ যোৱা বাট। ঘৰৰ ভিতৰচ'ৰা দুটা ভাগত ভগোৱা থাকে। ইয়াৰে এটা ভাগ হ'ল নেংপাই অৰ্থাৎ এই কোঠাত আলহী-অতিথিক অভ্যৰ্থনা জনোৱা হয়। আনটো ভাগ হৈছে ৰাইমপই, এই কোঠাটো ঘৰৰ ভিতৰ অংশ। এই কোঠাত পৰিয়ালৰ লগতে আত্মীয়সকলে বিভিন্ন আলোচনা কৰে। এই অন্তঃমহল সকলো সময়তে ব্যৱহাৰ হৈ থাকে। খাচী পৰম্পৰাগত ঘৰবোৰত খিৰিকী নাথাকে। সেয়েহে ঘৰবোৰ সাধাৰণতে আন্ধাৰ হৈ থাকে। পোহৰৰ বাবে তেওঁলোকে বেৰত ঘূৰণীয়াকৈ ফাঁক ৰাখি থয়। ভিতৰলৈ পোহৰ আহিব পৰা এই ফাঁকবোৰক পংচাই বোলা হয়। এই পংচাইৰে অহা পোহৰেৰে ঘৰৰ ভিতৰলৈ মানুহ অহা-যোৱা কৰে। খাচী পৰিয়ালে সকলো সময়তে ঘৰৰ ভিতৰত জুই জ্বলাই থয়। ধোঁৱা ওলাবৰ বাবে ঘৰৰ পিছফালে সুবিধা কৰি দিয়া থাকে। জুইৰ ওপৰত একোখনকৈ চাং সজা হয় আৰু এই চাঙতে জুইৰ বাবে খৰি আদি ৰখা হয়। এই চাংখনক টাইনগাৰ বোলা হয়। ইয়াৰ ওপৰত আন কিছুমান খাদ্য সামগ্ৰী ৰাখিবৰ বাবে টাইমপান নামৰ আৰু এখন চাং থাকে।

খাচী আৰু জয়ন্তীয়াসকলে ঠাইবিশেষে সুকীয়া পদ্ধতিৰে গৃহ নিৰ্মাণ কৰিলেও সাধাৰণতে ঘৰবোৰ আৰু ঘৰৰ মজিয়াবোৰ কাঠেৰে তৈয়াৰ কৰে। ডিম্বাকৃতিৰে সজোৱা খাচী পৰম্পৰাগত ঘৰবোৰ তিনিটা ভাগত ভাগ কৰা হয়-- বাৰাণ্ডা, মূল কোঠা আৰু অৱসৰ বিনোদনৰ কোঠা। আনহাতে,

চিয়েমৰ ঘৰবোৰ ৬১ ফুট দীঘল আৰু ৩০ ফুট বহলকৈ বিশেষভাৱে সজোৱা হয়। কোঠাৰ ক্ষেত্ৰটো পৰম্পৰাস্বৰূপে খাচী পৰিয়ালৰ মাতৃগৰাকীৰ কোঠাৰ সোঁফালে জীয়ৰীৰ কোঠা হ'ব লাগে। নহ'লে মাতৃৰ কোঠাটোৰ ঠিক পিছফালে জীয়ৰীৰ বাবে কোঠাটো সজোৱা হয়। খাচী আৰু জয়ন্তীয়াসকলৰ পৰম্পৰাগত গৃহ নিৰ্মাণ পদ্ধতি মূলত গ্ৰামাঞ্চলতহে দেখিবলৈ পোৱা যায়। জলবায়ু, প্ৰাকৃতিক পৰিবেশ আদিলৈ লক্ষ্য কৰি বৰ্তমান ঘৰবোৰ নিজ সুবিধাৰ্থে সজাই লোৱা হয়। তথাপি প্ৰতিটো ঘৰেই সুন্দৰকৈ সজোৱা আৰু আটোমটোকাৰীকৈ ৰখাটোও খাচী পৰম্পৰা বুলিব লাগিব। কোৱা বাহুল্য যে চহৰ অঞ্চলত পৰম্পৰাগত গৃহ নিৰ্মাণৰ ঠাই লৈছে আধুনিক পদ্ধতিয়ে— "An indigenous house patternis fast disappearing. Modern buildings with lime-washed, roofed with corrugated iron or form sheet, sometimes inferior tin materials, floored with planks and with doors or windows of wood, or glassware and with well ventilated rooms, have appeared everywhere in their different styles, size and compartmention. The availability of cheap electricity and other factors of urbanization seems to have driven to extinction some of the old house models."

সংস্কৃতি যিহেতু পৰিৱৰ্তনশীল, সেয়েহে খাচী গৃহনিৰ্মাণ পদ্ধতিতো পৰিৱৰ্তন তথা আধুনিকতাৰ প্ৰভাৱ পৰাটো স্বাভাৱিক। খাচী পৰম্পৰাগত গৃহনিৰ্মাণ পদ্ধতিৰ সৈতে অসমৰ বিভিন্ন জনজাতিৰ গৃহনিৰ্মাণ পদ্ধতিৰ সাদৃশ্য আছে। বিশেষকৈ মিচিং, তিৱা, চাহ জনগোষ্ঠীৰ লোকসকলৰ সৈতে খাচী গৃহনিৰ্মাণ পদ্ধতিৰ সাদৃশ্য দেখা যায়। গৃহনিৰ্মাণত কাঠ আৰু বাঁহ ব্যৱহাৰ কৰাৰ লগতে অসমীয়া গৃহনিৰ্মাণৰ দৰেই কঁঠাল, পমা, আম আদি গছৰ কাঠহে বিশেষভাৱে ব্যৱহাৰ কৰাটো মন কৰিবলগীয়া। চাংঘৰৰ পৰম্পৰা এতিয়াও অসমত আছে। চাংঘৰৰ নিৰ্মাণ পদ্ধতি একে যদিও সন্মুখৰ ফালে নিৰ্মাণ পদ্ধতি আংশিক বেলেগ। চাংঘৰেই নহয়, অসমীয়া জুহালতো জুইৰ ওপৰত সুকীয়াকৈ চাং পাতি খাদ্যবস্তু ৰখাৰ পৰম্পৰা আছে। আধুনিক যুগতো জুইৰ ব্যৱহাৰ তথা জুইত খাদ্য প্ৰস্তুত কৰাৰ পৰম্পৰা খাচীসকলৰ দৰে অসমতো আছে। মুধচ ৰাখি ৰাস্তাৰ মুখামুখিকৈ গৃহ নিৰ্মাণ কৰা পদ্ধতি অসমীয়াৰ সৈতে একেই। কোঠাৰ ভিতৰত বিভিন্ন ভাগ অৰ্থাৎ আলহীৰ বাবে, নিজা পৰিয়ালৰ বাবে আছুতীয়াকৈ ৰখা অসমীয়া গৃ হ নিৰ্মাণৰ ক্ষেত্ৰটো অৱলম্বন কৰা হয়। অসমত জনজাতীয় লোক সকলৰ মাজত ঘৰৰ খিৰিকী নথকা বা মাত্ৰ এখনহে খিৰিকী থকা ঘৰ এতিয়াও দেখিবলৈ পোৱা যায়। গতিকে খাচী আৰু অসমীয়া গৃহ নিৰ্মাণৰ ক্ষেত্ৰত ভালেমান সাদৃশ্য দেখা যায়। আনহাতে, উত্তৰ-পূৱমুৱাকৈ নিৰ্মাণ কৰা ৰান্ধনি ঘৰ অসমীয়া জুহালৰ সৈতে একেই। তিনিটা সমান জোখৰ শিল পাৰি লৈ খৰি বা কাঠ ব্যৱহাৰ কৰি খাদ্য প্ৰস্তুত কৰে। ৰান্ধনিঘৰত খাদ্য সামগ্ৰী, ৰন্ধা বাচন-বৰ্তন, চামুচ, কাপ, নিমখ, চেনী, দালি আদি ৰখা পাত্ৰ, তামোল ৰখা বঁটা, চাউল খুন্দা উৰাল আদি সাধাৰণতে ৰখা হয়। খাচী সকলৰ মাজত অসমীয়া সমাজৰ দৰে ভঁৰাল ঘৰ সুকীয়াকৈ নিৰ্মাণ কৰা নহয়। অসমৰ বিভিন্ন জনগোষ্ঠীৰ লগতে চাহ জনগোষ্ঠীৰ লোক সকলেও সুকীয়াকৈ ভঁৰাল তৈয়াৰ নকৰে। খাচী সকলৰ দৰেই ধানবোৰ বস্তাত ভৰাই ঘৰৰ এচুকত ৰাখি থয়। খাচী লোক সকলে ধান পকাৰ সময়ত পৰিয়ালৰ লোকে ধানবোৰ কাটি নৰাবোৰ শিলত এছাৰি ধানবোৰ ঘৰৰ এচুকত সংৰক্ষণ কৰি থয়। প্ৰয়োজন অনুসৰি উৰালত খুন্দি চাউল উলিয়াই লোৱা হয়। চাহ জনগোষ্ঠীৰ ধান সংৰক্ষণৰ ব্যৱস্থা খাচী সকলৰ সৈতে

একেই। অসমৰ অন্যান্য সৰু -বৰ জনজাতিৰ ক্ষেত্ৰতো অনুৰূপ প্ৰক্ৰিয়া দেখা যায়। মুঠতে গৃহ নিৰ্মাণৰ ক্ষেত্ৰত খাচী আৰু জয়ন্তীয়া লোকসকলৰ অসমীয়া গৃহ নিৰ্মাণৰ সৈতে যথেষ্ট সাদৃশ্য আছে।

সাজপাৰ আৰু অলংকাৰ পৰিধানৰ ক্ষেত্ৰত খাচী সকলৰ কেতবোৰ বিশেষত্ব আছে। প্ৰাচীন কালত খাচী পুৰুষে হাত নথকা এবিধ বুকুখোলা চোলা পিন্ধিছিল। অসমৰ বড়ো, তিৱা, মিছিং আদি জনজাতিৰ পৰম্পৰাগত চোলাৰ দৰে এইবিধ চোলাৰ তলত জাল-দহি লগোৱা থাকে। পুৰুষসকলে মুলতঃ লেংটি মাৰিছিল। জয়ন্তীয়া, ভই আৰু লিংগামসকলৰ ভিতৰুৱা গাঁৱত এনেকুৱা সাজ এতিয়াও দেখিবলৈ পোৱা যায়। আঢ্যৱন্ত পৰিয়ালৰ লোকে চুৰীয়া পিন্ধে আৰু মূৰত পাগুৰি মাৰে। বৰ্তমান পৰিৱৰ্তিত ৰূপত ধূতি, কামিজ আৰু পাগুৰিৰ ব্যৱহাৰ আছে। গ্ৰামাঞ্চল আৰু বিশেষ উৎসৱ-অনুষ্ঠানতহে এনে পৰম্পৰাগত সাজ-পোছাক বৰ্তমান পৰিধান কৰা দেখা যায়। ধূতিৰ ক্ষেত্ৰত অসমীয়া পৰম্পৰা আৰু পাগুৰিৰ ক্ষেত্ৰত আহোমসকলৰ তথা অসমত বসবাস কৰা মুছলমানসকলৰ সাদৃশ্য দেখা যায়। খাচী পুৰুষে পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰা সাজ-পোছাকবোৰ হ'ল স্পং অৰ্থাৎ কামিজ। কামিজৰ ওপৰত পটই নামৰ এটা হ াফকোট পৰিধান কৰে। কোটৰ ওপৰত চেলেং জাতীয় চাদৰ একোখন লোৱা দেখা যায়। শীতকালত থুলা নামৰ উলেৰে তৈয়াৰ কৰা এবিধ বস্ত্ৰ পৰিধান কৰে। খাচী পুৰুষে এসময়ত বাহুত পাইলা নামৰ অলংকাৰ পৰিধান কৰিছিল যদিও বৰ্তমান পুৰুষসকলে অলংকাৰ পৰিধান কৰা দেখা নাযায়। অৱশ্যে, আধুনিক তথা পশ্চিমীয়া সমাজ ব্যৱস্থাৰ প্ৰভাৱত পুৰুষে কাণ ফুটা কৰা আৰু পশ্চিমীয়া আৰ্হিৰ বিভিন্ন অলংকাৰ পৰিধান কৰা দেখা যায়।

আনহাতে, খাচী মহিলাই পৰিধান কৰা পোছাকযোৰৰ এক সুকীয়া বৈশিষ্ট আছে। গ্ৰামাঞ্চলৰ মহিলাৰ লগতে চহৰাঞ্চালতো শিক্ষানুষ্ঠান, চৰকাৰী কাৰ্যালয় আদিত কৰ্মৰত মহিলাসকলে পৰম্পৰাগত পোছাক পৰিধান কৰা দেখা যায়। আঁঠুত পৰাকৈ কঁকালত মেৰিয়াই পিন্ধা কাপোৰখনৰ নাম কে জামিয়েন। আজিকালি এই কাপোৰখনৰ সলনি একেই আৰ্হিত হাতেৰে চিলাই পৰিধান কৰে। তাৰ ওপৰত মূগাৰ বা কপাহী কাপোৰ এখন হাতৰ কাষলতিৰ তলেদি নি আনটো বাহুৰ ওপৰত দুয়োটা মূৰৰ ওপৰৰ দুটী চুকেৰে এটা গাঁঠি দি ওলোমাই পৰিধান কৰে। এইখন কাপোৰৰ নাম কে জেইনজেম। তাৰ ওপৰত আন এখন কাপোৰ গাত মেৰিয়াই সন্মুখৰ ফালে গাঁঠি দি পিন্ধে। এইখন কাপোৰৰ নাম কা জেইনকুপ। এই কাপোৰকেইখন দীঘলে তিনি হাতমান হ'ব। মূৰত মেৰিয়াই লোৱা কাপোৰখনৰ নাম কা টাপ্‌মখিল। খাচী মহিলাই এনেবোৰ কাপোৰ কিনি লয়। জয়ন্তীয়া আৰু ভই তিৰোতাই কাপোৰ ব'ব জানে। উৎসৱ আদিত পুৰুষ আৰু তিৰোতা সকলে পোৱাল আৰু সোণৰ মলামণি পিন্ধে।

খাচী মহিলাৰ সাজপোছকৰ ক্ষেত্ৰত অসমীয়া সমাজৰ দৰে পাটমুগাৰ বিশেষ আদৰ আছে। আঢ্যৱন্ত খাচী মহিলাই উৎসৱ-অনুষ্ঠানত পাটমুগাৰে তৈয়াৰী পৰম্পৰাগত কাপোৰ পৰিধান কৰে। বৰ্তমান জয়ন্তীয়া গাঁৱৰ পৰিয়াল বিশেষেহে নিজ হাতেৰে সূতা কাটি কাপোৰ বোৱা পদ্ধতিৰ প্ৰচলন আছে। বজাৰত কম খৰচতে উন্নত মানৰ কাপোৰ পোৱাৰ বাবে তাঁতশালৰ প্ৰচলন প্ৰায় নোহোৱা হৈছে। অৱশ্যে, এচাম মহিলাৰ মাজত উলৰ কাপোৰ, এম্ব্ৰইডাৰী, সৰু ল'ৰা-ছোৱালীৰ শীতৰ উপযোগী সাজপোছাক তৈয়াৰ কৰাৰ পৰম্পৰা আছে। অলংকাৰৰ ভিতৰত চহচ্‌খৰ (কাণফুলি), চটি (আঙঠি),

লকেট কেচিয়াৰ (ডিঙিৰ মালা), কেপিএঙ (ডিঙিৰ তলত ওলোমাই পিন্ধা অলংকাৰ) আদি মহিলাসকলে পৰিধান কৰে। নংক্ৰেম নৃত্যত সেইদৰে সোণৰ নাইবা ৰূপৰ মুকুট পিন্ধা দেখা যায়। অলংকাৰ আৰু সাজপাৰৰ ক্ষেত্ৰত খাচীসকলৰ সৈতে অসমীয়া সমাজৰ ভালেমান সাদৃশ্য দেখা যায়। খাচী পুৰুষ আৰু মহিলাই পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰি অহা সাজপোছাক বোৰৰ এটি পৰিচয় দিয়া হ'ল--

**ক)** **স্পুৰ ঃ** এই পোছাক বিধ মহিলাই পৰিধান কৰে। কপাহী সূতাৰে তৈয়াৰী এই পোছাকযোৰ উৎসৱ-অনুষ্ঠানত বিশেষভাৱে পৰিধান কৰা হয়।

**খ)** **বৰকাপোৰ ঃ** খাচীসকলৰ বৰকাপোৰখন সূতা বা উলেৰে তৈয়াৰ কৰা হয়। অসমীয়া খনীয়া কাপোৰৰ দৰে বৰকাপোৰখন ব্যৱহাৰ কৰা হয়।

**গ)** **জেইনচপেঙ ঃ** পুৰুষে ব্যৱহাৰ কৰা পাগুৰিটোৱেই হ'ল জেইনচ্পেঙ। পাগুৰিৰ বাবে ব্যৱহৃত কাপোৰ বা এড়ী বা মূগাৰে ঠাইবিশেষে তৈয়াৰ কৰা হয়। কেতিয়াবা খাচীসকলে তিনিকোণীয়া টুপীও ব্যৱহাৰ কৰা দেখা যায়। কাণ দুখন ঢাকি ৰখা এই টুপী সাধাৰণতে শীতৰ পৰা ৰক্ষা পাবৰ বাবে ব্যৱহাৰ কৰা হয়। এই টুপী উলেৰেও তৈয়াৰ কৰা হয়। দলৈ, মন্ত্ৰী আদিয়ে এটি বিশেষ ধৰণৰ টুপী পৰিধান কৰা দেখা যায়। বৰ্তমান পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱত পৰম্পৰাগত টুপী দিনকদিনে হ্ৰাস পাই আহিছে।

**ঘ)** **জেইনপেন ঃ** খাচী মহিলাসকলে কঁকালত পৰিধান কৰা জেইনপেন নামৰ পোছাকযোৰ এম্ব্ৰইডাৰী থকা বা নথকা-- দুয়োপ্ৰকাৰে ব্যৱহাৰ কৰা দেখা যায়।

**ঙ)** **জেইনকুপ ঃ** খাচী মহিলাই গোটেই শৰীৰটো ঢাকি মেৰিয়াই লোৱা জেইনকুপ নামৰ সাজত দুটা অংশ থাকে। প্ৰথম অংশটো বুকুত মেঠনি মৰাৰ দৰে বান্ধি লয় আৰু দ্বিতীয় অংশটো বাহুৰ পৰা আঁঠুলৈ মেৰিয়াই লয়। সাধাৰণতে একে ৰঙৰ কাপোৰেৰে জেইনকুপ তৈয়াৰ কৰা হয়।

**চ)** **তাপমোহ ঃ** এই কাপোৰখন এড়ী সূতাৰে তৈয়াৰ কৰা হয়। তাপমোহ মূৰত পৰিধান কৰা হয়। তাপমোহত যদি ৰঙা আৰু হালধীয়া ৰং সনা হয়, তেতিয়া সেই সাজযোৰক ৰিণদিয়ালেম বোলা হয়। তাপমোহ সাজযোৰৰ ওপৰৰ অংশটো ভাঁজ কৰি মূৰটো ঢাকি লোৱা হয় আৰু তলৰ অংশটোৰে দুয়োটা বাহু মেৰিয়াই লোৱা হয় আৰু ডিঙিৰ পিছফালে বান্ধি লয়। তাপমোহৰ ব্যৱহাৰত অসমীয়া ওৰণিৰ সাদৃশ্য দেখা যায়।

**ছ)** **জেইনচেম ঃ** খাচী মহিলাই সৰ্বশৰীৰ ঢাকি লোৱা জনপ্ৰিয় কাপোৰখনেই হৈছে জেইনচেম। শৰীৰৰ দুয়োফালে জেইনচেমখন পৰিধান কৰা হয়। জেইনচেমখন সাধাৰণতে মূগা আৰু চিল্কেৰে তৈয়াৰ কৰা হয়। মূগা ৰঙৰ জেইনচেমৰ আঁচলটোও ৰঙা ৰঙৰ পাৰি দিয়া হয়। বৰ্তমান বজাৰত বিভিন্ন ৰঙৰ তথা মুগাৰ দৰে জেইনচেম পোৱা যায় আৰু সৰ্বসাধাৰণতে মাজত এইবোৰেই জনপ্ৰিয় হৈ উঠা দেখা যায়।

**জ)** **জেইনখোৰ ঃ** খাচী মহিলাই পৰিধান কৰা জেইনখোৰ নামৰ সাজযোৰ চিল্কেৰে সাধাৰণতে তৈয়াৰ কৰা হয়। এই সাজযোৰ ৰঙা, হলধীয়া আৰু বগা ৰঙৰ হয়।

ঝ) **জেইন ইট ঃ** কৃষি কৰ্ম তথা ঘৰুৱা কামত ব্যস্ত খাচী মহিলাই কেঁচুৰা ল'বৰ সুবিধাৰ্থে পিঠিত কাপোৰ এখনেৰে কেঁচুৰাটো ওলোমাই লয়। অসমৰ বিভিন্ন জনজাতিৰ মাজত কেঁচুৰা কাপোৰেৰে পিঠিত বান্ধি লোৱাৰ পৰম্পৰা আছে। বৰ্তমান বজাৰত বয়বস্তু বিক্ৰী কৰা আৰু কৃষিকৰ্মত ব্যস্ত মহিলাসকলে জেইন ইট ব্যৱহাৰ কৰা দেখা যায়।

ঞ) **খোৰ ঃ** ধৰ্মীয় অনুষ্ঠানত বিশেষকৈ চেংখাচীসকলৰ পুৰুষে মূৰত পিন্ধা কাপোৰখনেই হ'ল খোৰ। সাধাৰণতে চিয়েম বা তেনে পদমৰ্যাদাসম্পন্ন লোকে পৰিধান কৰা এই কাপোৰখন চিল্ক সূতাৰে তৈয়াৰ কৰা হয়।

ট) **বোহ খাইলা ঃ** অসমীয়া সমাজত ব্যৱহাৰ কৰা ধূতিকেই খাচীসকলে বোহ খাইলা বুলি কয়। কপাহী আৰু চিল্ক সূতাৰে ধূতি তৈয়াৰ কৰা হয় যদিও চিল্ক সূতাৰে তৈয়াৰী ধূতিবোৰহে দৈনন্দিন জীৱনত বিশেষভাৱে ব্যৱহাৰ হয়। খাচী সকলে ব্যৱহাৰ কৰা ধূতি দুই ধৰণৰ। ইয়াৰে বগা ৰঙৰ ধূতিক বোহ খাইলা আৰু এম্ব্ৰইডাৰী কৰা ধূতিক বোহ খোৰ বোলা হয়। বৰ্তমান গ্ৰামাঞ্চলত বসবাস কৰা দুখীয়া লোকৰ মাজতহে ধূতিৰ ব্যৱহাৰ দেখা যায়। অৱশ্যে, উৎসৱ-অনুষ্ঠানত চেংখাচীসকলে পৰম্পৰা হিচাপে ধূতি পৰিধান কৰে।

ঠ) **ক্যাৰছাহ ঃ** এই কাপোৰখন সাধাৰণতে ঘৰুৱা কামকাজত ব্যৱহাৰ কৰা হয়। চিল্ক আৰু কপাহী সূতাৰে তৈয়াৰী ক্যাৰছাহ মহিলাসকলে ঘৰুৱা কামকাজত দিনৰ সৰহভাগ সময় ব্যৱহাৰ কৰে। সেইদৰে খ্যাৰৱাং কাপোৰখনো ক্যাৰছাহৰ দৰেই যদিও এড়ী সূতাৰে তৈয়াৰ কৰা হয়।

খাচী সমাজত পুৰুষ-মহিলা উভয়েই দৈনন্দিন জীৱনত বিভিন্ন ধৰণৰ সাজপোছাক পৰিধান কৰে। ধূতি, পাগুৰি তথা চোলাৰ আৰ্হি আৰু ব্যৱহাৰ অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত দেখিবলৈ পোৱা যায়। মহিলাসকলৰ সাজপোছাকৰ ভিতৰত ৰং আৰু সূতাৰ ব্যৱহাৰ অনুসৰি সুকীয়া সুকীয়া নাম পোৱা যায়। বৰ কাপোৰ, ৰিহা, খনীয়া কাপোৰ, এড়ী চাদৰ, মেখেলা চাদৰ আদিৰ অনুৰূপ ব্যৱহাৰ খাচী সমাজত দেখা যায়। সৰ্বশৰীৰ আৱৰি ৰখা খাচী মহিলাৰ সাজপোছাক উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য জনগোষ্ঠীতকৈ বৈশিষ্ট্যপূৰ্ণ।

সাজপোছাকৰ লগতে খাচীসকলে বিভিন্ন প্ৰকাৰৰ অলংকাৰ ব্যৱহাৰ কৰে। সাধাৰণতে মহিলাই সৰহভাগ অলংকাৰ পৰিধান কৰে যদিও পুৰুষেও বিশেষ কিছুমান অলংকাৰ ব্যৱহাৰ কৰা দেখা যায়। পুৰুষসকলে কাণত থুৰীয়া আৰু কঁকালত চেইনৰ দৰে অলংকাৰ ব্যৱহাৰ কৰে যদিও উৎসৱ-অনুষ্ঠানতহে পৰম্পৰাগত সাজ তথা অলংকাৰ পৰিধান কৰা দেখা যায়। আজিৰ যুৱচামে কাণত থুৰীয়াৰ পৰিৱৰ্তে কাণত নতুন আৰ্হিৰ অলংকাৰহে পৰিধান কৰা দেখা যায়। মহিলাই ব্যৱহাৰ কৰা অলংকাৰবোৰ অসমীয়াৰ দৰেই সোণ ৰূপেৰে গঢ়াই লয়। কাণফুলিবোৰ সাধাৰণতে ওলোমা ধৰণৰ। নৃত্য তথা উৎসৱ-অনুষ্ঠানত মহিলাসকলে বিশেষ ধৰণৰ অলংকাৰৰ লগতে মুকুট পৰিধান কৰে। নংক্ৰেম নৃত্যত ৰাজমুকুট পৰিধান কৰা হয়। সোণ, ৰূপ আৰু বিভিন্ন ধাতুৰে তৈয়াৰ কৰা এই ৰাজমুকুটৰ এটা অংশ জোঙা আৰু পিছফালে কাঁইটৰ দৰে থাকে। মহিলাই কাণ, ডিঙি আৰু হাতত সোণ ৰূপৰ বিভিন্ন অলংকাৰ পৰিধান

কৰে। খাচীসকলৰ লগত লিংগামসকলৰ অলংকাৰৰ আংশিক পাৰ্থক্য আছে যদিও সাজপোছাকৰ দৰেই খাচী আৰু জয়ন্তীয়াসকলে বিভিন্ন প্ৰকাৰৰ অলংকাৰ পৰিধান কৰে।

খাচী জনজাতি লোকসকলে সাধাৰণতে সিজোৱা আহাৰ গ্ৰহণ কৰে। ভাত খাচীসকলৰ প্ৰধান আহাৰ। ভাতৰ বাবে চাউল সিজোৱা পদ্ধতিটো অসমীয়াৰ সৈতে একেই। ভাত খোৱাৰ ক্ষেত্ৰত খাচীসকলৰ বিশেষত্ব হ'ল দিনৰ যিকোনো সময়ত ভোক লাগিলেই কম পৰিমাণৰ ভাত খায়। প্ৰতিসাজ ভাতৰ সৈতে মাছ-মাংস খায় যদিও মাত্ৰ এটুকুৰা সৰু মাছ বা মাংসহে খায়। মাংসৰ ভিতৰত গাহৰি, কুকুৰা, ছাগলী আদিয়েই প্ৰধান যদিও ঠাইবিশেষে পাৰ' চৰাই আৰু বনৰীয়া কুকুৰাও খাদ্য হিচাপে গ্ৰহণ কৰে। মাছ আৰু মাংস শুকুৱাই খোৱাৰ পদ্ধতিও খাচীসকলৰ মাজত আছে। মাছৰ ভিতৰত একো ধৰা-বন্ধা নাই। অৰ্থাৎ সৰু - বৰ সকলো মাছেই খাদ্য হিচাপে গ্ৰহণ কৰে। অৱশ্যে, ৰাণী উপাধিধাৰী লোকে ৰাণী নামৰ মাছবিধ অৰ্থাৎ কৰটী মাছ নাখায়। মাছ খুন্দি তাত নহৰু, আদা, নিমখ, কচুৰ ঠাৰি আদি একেলগে মিহলাই শুকতি তৈয়াৰ কৰিও খোৱা দেখা যায়। মাংস শুকুৱাই খোৱাৰ পদ্ধতিও গাঁও অঞ্চলৰ খাচীৰ মাজত আছে। মাংসবোৰ পৰিস্কাৰকৈ ধুই কাটি জুইৰ তাপত তাঁৰৰ চালনীৰ ওপৰত মেলি দি শুকুওৱা হয়। কোনো কোনোৱে খৰিকাৰ দৰে লোৰে তৈয়াৰ কৰি এটুকুৰা এটুকুৰাকৈ গাঁঠি দি মাংসবোৰ শুকুৱাই খায়। আমাৰ পোলাওৰ দৰে জাদ' খাচীসকলৰ সকলোতকৈ প্ৰিয় খাদ্য। কুকুৰাৰ মাংস দি জাদ' ৰন্ধা হয়। গাহৰিৰ পোৱালীৰ মূৰৰ পৰাও খাচীসকলে কেইবাবিধো ব্যঞ্জন তৈয়াৰ কৰে। সেইদৰে জাচমনা তৈয়াৰ কৰে গাহৰিৰ তেজেৰে। গাহৰি বা কুকুৰাৰ তেজৰ সৈতে চাউল মিহলাই মাংসৰ টুকুৰা দি এইবিধ ব্যঞ্জন তৈয়াৰ কৰা হয়। আদা, পিয়াজ, নহৰুৰ লগতে খাচী লোকসকলে মাংস তৈয়াৰ কৰোঁতে তিলৰ প্ৰচুৰ ব্যৱহাৰ কৰে। তেলৰ ব্যৱহাৰ যথেষ্ট কম। মাছ বা মাংসৰ জোল খাচীসকলৰ খুব প্ৰিয়। নহৰু, জালুক, পিয়াঁজ, জলকীয়া আৰু শাক-পাচলি একেলগে মিহলাই কম পানীত চুৰুহা তৈয়াৰ কৰা হয়। মুঠতে মাছ আৰু মাংস বিভিন্ন পদ্ধতিৰে প্ৰস্তুত কৰা পৰম্পৰাগত খাদ্যৰ আদৰ কমি যোৱা নাই।

অসমীয়া সমাজৰ দৰে খাচী সমাজত পিঠা-পনাৰ বিশেষ আদৰ আছে। দিনটো চাহৰ লগত তেওঁলোকে পৰম্পৰাগত পিঠা-পনা গ্ৰহণ কৰা দেখা যায়। খাচী সমাজত বিশেষভাৱে প্ৰচলিত পিঠা-পনাৰ ভিতৰত পুথাৰু, পুমলাই, পুচেপি, পুখলেইন আদিলৈ আঙুলিয়াব পাৰি। সেইদৰে বৰা চাউল অৰ্থাৎ ঝা-চাও-লিয়া খাচীসকলৰ প্ৰিয় খাদ্য। বৰাচাউল তৈয়াৰ কৰাৰ পদ্ধতিও অসমীয়া সমাজৰ সৈতে একেই। সৰহভাগ পিঠাই চাউলৰ গুৰিৰ পৰা তৈয়াৰ কৰা হয়। পুঠাৰু অসমীয়া পানীপিঠাৰ দৰে একেই। সেইদৰে পুচেইপ তৈয়াৰ কৰোঁতে প্ৰথমে চাউলখিনি ভালকৈ খুন্দি গুৰি কৰি কাপোৰেৰে টানকৈ বান্ধি সৰু কলহ, লোটা বা কেটলিৰ ভিতৰত অলপ পানী দি কলহৰ মুখত কাপোৰেৰে মেৰিওৱা পিঠা আকৃতিৰ গুৰিখিনি দি জুইত দিয়া হয়। এই পদ্ধতি অসমীয়া টেকেলি পিঠাৰ দৰে হুবহু একে। পুদহ হৈছে পিঠাগুৰিৰ মাজত মাংস ভৰাই দি সৰু সৰু লাৰু কৰি পানীৰ ভাপত সিজোৱা এবিধ পিঠা। এই পিঠা নামনি অসমৰ টুৰটুৰি পিঠাৰ সৈতে একে। জয়ন্তীয়াসকলে ব্যৱহাৰ কৰা পুনিয়াং হালি চাউলগুৰি পানীৰ লগত মিহলাই বাঁহৰ চুঙাত ভৰাই জুইত সেকি তৈয়াৰ কৰা হয়। এই পিঠা তৈয়াৰ কৰাৰ পদ্ধতি অসমীয়া চুঙা পিঠাৰ সৈতে একে। চাউলৰ গুৰিৰ পৰা

তৈয়াৰ কৰা মালপোৱা খাচী সমাজত প্ৰিয়। মালপোৱা তৈয়াৰৰ পদ্ধতি অসমীয়াৰ সৈতে একে। খাদ্যসম্ভাৰৰ ভিতৰত বতৰৰ বিভিন্ন ফল আচাৰ হিচাপে তৈয়াৰ কৰা বা সংৰক্ষণ কৰাৰ পদ্ধতি আছে। ফলৰ ৰস সংৰক্ষণ কৰি বৰ্তমান বহুতেই ব্যৱসাকিভাৱে লাভবান হৈছে।

খাচী সমাজত ঘৰুৱাভাৱে মদ তৈয়াৰ কৰাৰ পৰম্পৰা আগৰ পৰাই চলি আহিছে। বিশেষকৈ কাকিয়াত তেওঁলোকৰ মাজত সকলোতকৈ জনপ্ৰিয়। আলুৰ পৰা তৈয়াৰ কৰা কাকিয়াত বৈশিষ্ট্যপূৰ্ণও। আলুৰ পৰা মদ তৈয়াৰ কৰা পদ্ধতি খাচীসকলৰ মাজতহে পোৱা যায়। অৱশ্যে, অসমৰ আহোম, মিচিং, দেউৰী, কাৰ্বি, বড়ো, ৰাভা, চাহ- জনগোষ্ঠী আদি লোকসকলৰ দৰে চাউলৰ পৰাও মদ তৈয়াৰ কৰা হয়। এনে মদৰ ভিতৰত ইয়াদ, হিয়াৰ, ইয়াদ উম আৰু ইয়াদ থাং উল্লেখযোগ্য। সাধাৰণতে চাউল সিজাই কলহত ভৰাইমুখখন বন্ধ কৰি কেইদিনমান ৰাখি এই মদ তৈয়াৰ কৰা হয়। চাউলৰ পৰা তৈয়াৰ কৰা ইয়াদ প্যাৰনাহ নামৰ মদবিধ ধৰ্মীয় কামকাজত ব্যৱহাৰ কৰা হয়। অসমৰ আহোমসকলৰ দৰেই ধৰ্মীয় কামকাজত খাচীসকলে ঘৰুৱাভাৱে প্ৰস্তুত কৰা মদ ব্যৱহাৰ কৰে।

খাচী জনজাতিৰ খাদ্যাভাসৰ লগত অসমত বসবাস কৰা জনজাতীয় লোকসকলৰ বিশেষ সাদৃশ্য আছে। আনহাতে, পিঠা-পনাৰ ক্ষেত্ৰত চাউলৰ গুৰিৰ পৰা তৈয়াৰ কৰা পুঠাৰু, পুখলেইন আদিকে ধৰি বৰা চাউলৰ ব্যৱহাৰ তথা প্ৰস্তুতি অসমীয়া সমাজৰ অনুৰূপ বুলিব পাৰি।

অসমীয়া সমাজৰ দৰে খাচী সমাজতো তামোল আৰু পাণ অতি আদৰণীয় আৰু লোভনীয়। খাচী জনজাতিৰ লোকেই প্ৰথম তামোল-পাণ প্ৰচলন কৰিছিল বুলি পণ্ডিতসকলে অনুমান কৰে। খাচীসকলৰ ভাষাত গুৱা আৰু কোৱাই মানে তামোলক বুজায়। অসমত প্ৰচুৰভাৱে তামোল-পাণ উৎপন্ন হোৱাৰ কথা লিপি আৰু সাহিত্য উভয়তে পোৱা যায়। যোগিনীতন্ত্ৰত তামোল-পাণ মহিলাসকলৰ মাজত বিশেষভাৱে প্ৰচলন থকাৰ কথা জনা যায়। খাচী সমাজৰ মহিলাৰ মাজত তামোল-পাণৰ আদৰ বেছি। ক'ৰবালৈ গ'লে তামোল-পাণৰ জোলোঙাটো লৈ যোৱা দেখা যায়। তামোল, পাণ, চুণ আৰু ধঁপাত একেলগে খোৱাৰ নিয়ম অসমীয়া সমাজৰ দৰে একেই। খাচীসকলৰ এটা বিশেষ বৈশিষ্ট্য হ'ল, পাণৰ ওলোটা পিঠিতহে চুণ ঘঁহি লয়। তামোল হাঁচতি, তামোলৰ জোলোঙা, তামোল কটা কটাৰী, খুন্দুনাটো-- তামোল খোৱা প্ৰথাৰ লগত সম্বন্ধ থকা অন্যান্য সামগ্ৰী। এই সামগ্ৰীবোৰৰ প্ৰয়োগ অসমীয়া সমাজতো লক্ষণীয়। খাচীসকলৰ ভোজনৰ শেষত তামোল খোৱা প্ৰথাটো অসমীয়া সমাজতো বিদ্যমান। ধৰ্মানুষ্ঠান আৰু সামাজিক উৎসৱত তামোল-পাণৰ ব্যৱহাৰ হোৱা দেখা যায়। আলহী-অতিথিক প্ৰথমে, তামোল-পাণ দি অভ্যৰ্থনা জনোৱাটো অসমীয়া সমাজতো দেখিবলৈ পোৱা যায়। তামোলৰ আদান-প্ৰদানত বন্ধুত্বও গঢ়ি উঠে। সমাজৰ দোষত পৰিলে তামোল পাণ এভাগ দি দোষ খণ্ডন কৰাও দেখা যায় খাচী সমাজত। অসমীয়া সমাজতো একেই দেখিবলৈ পোৱা যায়। চিনাকি বা অচিনাকি ব্যক্তিয়েই হওক বা আন ব্যক্তিয়েই হওক তামোল-পাণ আগবঢ়োৱাটো খাচী সকলৰ এক বিশেষ বৈশিষ্ট্য। খাচী সকলে মৃতকৰ সৎকাৰ কৰোঁতে শৱৰ ওপৰত তামোল-পাণ এযোৰ থৈ শ্ৰদ্ধা নিবেদন কৰা দেখা যায়।

খাচী জনজাতিৰ লোকে অসমীয়াৰ দৰেই বুঢ়া তামোল প্ৰস্তুত কৰে। বুঢ়া তামোলৰ আদৰ

সমাজত সকলোতকৈ বেছি। বুঢ়া তামোল প্ৰস্তুত কৰাৰ পদ্ধতি এনধেৰণৰ-- প্ৰথমে পকী দেৱাল এখনৰে চাৰিওফালটো বেৰি লয়। মাজত তামোল আৰু পানী দিয়ে। তামোলৰ বাকলি যেতিয়া কোমল হ'বলৈ লয়, তেতিয়া পুৰণি পানীবোৰ পেলাই দিয়া হয় আৰু আকৌ নতুন পানী ঢালি দিয়া হয়। এনেকৈ ডেৰ বা দুমাহমান তামোলবোৰ পানীত ডুবাই ৰখা হয়। যেতিয়া তামোলৰ বাকলিটোত হালধীয়া ৰং ধৰিব, তেতিয়া তামোলবোৰ পানীৰ পৰা উঠাই দিয়া হয়।

খাচী জনজাতিৰ লোকে চুপাৰী তৈয়াৰ কৰা দেখা যায়। প্ৰথমে বুঢ়া তামোলৰ বাকলিটো গুচাই গৰম পানীত তিনি বা চাৰি ঘন্টা পানীত উতলাই ৰখা হয়। যেতিয়া তামোলৰ ৰসটো নাইকীয়া হোৱা যেন লাগিব, তেতিয়া তামোলবোৰ পানীৰ পৰা উঠাই লৈ ৰ'দত শুকাবলৈ দিয়ে আৰু তামোলবোৰ একেবাৰে শুকাই যোৱাৰ পাছত কোঠা এটাত জোলোঙাত একগোট কৰি থৈ দিয়ে।

গতিকে দেখা যায় যে খাচী সমাজ ব্যৱস্থাত তামোল-পাণ ব্যৱহাৰ অসমীয়া সমাজৰ দৰেই অপৰিহাৰ্য্য। শীতৰ প্ৰকোপেও খাচীসকলৰ মাজত তামোলৰ আদৰ বঢ়াইছে বুলিব পাৰি। তামোলৰ পৰম্পৰা এতিয়াও গাঁৱৰ পৰা চহৰলৈকে জীয়াই আছে।

খাচী সমাজত নৃত্য-গীতৰ পয়োভৰ থকা দেখা যায়। সেয়েহে নৃত্য-গীতৰ লগতে বাদ্যযন্ত্ৰৰ কথা আহি পৰে। নৃত্যৰ লগত গীত আৰু গীতৰ লগত বাদ্যযন্ত্ৰৰ সম্পৰ্ক অঙ্গাঙ্গীভাৱে জড়িত। খাচী সমাজত বিভিন্ন বাদ্যযন্ত্ৰৰ প্ৰয়োগ আছে। বাদ্যযন্ত্ৰ সমূহ হ'ল-- খাচী ঢোল, পেঁপা, বাঁহী, একতাৰা, দুইতাৰা (দোতোপা), টোকাৰী, গগণা আৰু শিঙা। বহুলভাৱে সকলো বাদ্যযন্ত্ৰক তিনিটা ভাগত ভগাব পাৰি; যথা---১. ঘাট যন্ত্ৰ, ২. ফু যন্ত্ৰ আৰু ৩. তাঁৰৰ যন্ত্ৰ।

১. ঘাট যন্ত্ৰৰ ভিতৰত ঢোল হৈছে অন্যতম। খাচী ঢোলৰ প্ৰয়োগ মাংগলিক উৎসৱত পৰিলক্ষিত হয়। ৰাজহুৱা সংবাদ বিতৰণ কৰিবলৈ খাচী ঢোল বজোৱা হয়। খাচী ঢোলবোৰ এমুখীয়া। খাচী ঢোল তৈয়াৰ কৰাৰ সামগ্ৰীবোৰ হ'ল-- কাঠ, গৰুৰ চামৰা আৰু বৰটি। অসমীয়া ঢোলটোও একেই সামগ্ৰী ব্যৱহাৰ কৰি তৈয়াৰ কৰা হয়।

২. ফু যন্ত্ৰৰ অন্তৰ্গত বাদ্যযন্ত্ৰবোৰ হ'ল-- বাঁহী, পেঁপা, শিঙা, গগণা। অসমীয়া বিহু উৎসৱত যিদৰে বাঁহীৰ ব্যৱহাৰ কৰা হয়, ঠিক তেনেকৈ খাচী সমাজৰ নংক্ৰেম উৎসৱত বাঁহী বজোৱা হয়। অসমীয়া বাঁহী আৰু বড়ো-কছাৰীৰ চিফুং বাঁহীৰ লগত খাচী বাঁহীৰ সাদৃশ্য দেখা যায়। এই বাদ্যযন্ত্ৰবিধ বাঁহেৰে তৈয়াৰ কৰা হয়।

পেঁপা ফু যন্ত্ৰৰ অন্তৰ্গত দ্বিতীয়বিধ যন্ত্ৰ। নংক্ৰেম উৎসৱত পেঁপা বজোৱা হয়। অসমীয়া বিহুত বজোৱা পেঁপাৰ লগত নংক্ৰেম পেঁপাৰ মিল দেখা যায়। তৃতীয়বিধ ফু দি বজোৱা বাদ্যযন্ত্ৰ হ'ল শিঙা। খাচী জনজাতিৰ উৎসৱ-অনুষ্ঠানত শিঙাৰ প্ৰয়োগ কৰা হয়। আচলতে সৰু বাঁহৰ বাঁহী এটা গৰুৰ শিঙৰ যোগেদি শিঙা যন্ত্ৰটো সাজি লোৱা হয়। দৰাচলতে ডাঙৰ বলধ গৰুৰ শিঙহে ব্যৱহাৰ কৰা হয় যদিও পাছলৈ ম'হৰ শিঙেৰে শিঙা তৈয়াৰ কৰিবলৈ ধৰিলে। অসমীয়া শিঙাৰ লগত খাচী শিঙা প্ৰায় একে।

ফু যন্ত্ৰৰ অন্তৰ্গত আন এবিধ বাদ্যযন্ত্ৰ হ'ল-- গগণা। গগণা এটি ক্ষুদ্ৰ বাদ্যযন্ত্ৰ। ইয়াক দাঁতেৰে

ধৰি আঙুলিৰে ঝঙ্কাৰ দি বজোৱা হয়। গগণা বাঁহেৰে সাজি উলিওৱা হয়। খাচী ভাষাত গগণাক কামিয়াং নামেৰে জনা যায়। অসমীয়া সমাজৰ গগণাৰ লগত খাচী গগণা দেখিবলৈ প্ৰায় একে।

৩. তাঁৰ যন্ত্ৰৰ অন্তৰ্গত বাদ্যযন্ত্ৰবোৰ হ'ল— একতাৰা, দুই-তাৰা (দোতোৰা), বীণ, আৰু টোকাৰী ইত্যাদি। খাচী জনজাতি লোকে লোকগীত পৰিৱেশন কৰিবলৈ হ'লে একতাৰা আৰু দুই-তাৰা (দোতোৰা) নামৰ দুয়োবিধ বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰে। এডাল তাঁৰৰ সংযোগ কৰা হয় বাবে তাক একতাৰা আৰু দুডাল তাঁৰৰ সংযোগ কৰা হয় বাবে তাক দুই-তাৰা বোলা হয়। অসমীয়াত দুই-তাৰা বাদ্যযন্ত্ৰবিধ দোতোৰা নামেৰে পৰিচিত। লাওৰ মুখ কাটি তাত তাঁৰ সংযোগ কৰি দুয়োবিধ বাদ্যযন্ত্ৰ তৈয়াৰ কৰা হয়। খাচী দুই-তাৰা বাদ্যযন্ত্ৰবিধ অসমীয়া দোতোৰা বাদ্যযন্ত্ৰবিধৰ সৈতে একে। অসমীয়া লোকগীততো দোতোৰা বাদ্যযন্ত্ৰবিধৰ ব্যৱহাৰ হয়।

তাঁৰ যন্ত্ৰৰ অন্তৰ্গত আন এবিধ বাদ্যযন্ত্ৰ হ'ল বীণ বা বীণা। বীণাখনী ধেনুৰে ৰেপি বজোৱা হয়। এই বাদ্যযন্ত্ৰবিধ তাঁৰেৰে তৈয়াৰী। সমূহীয়া সুৰ-সমলয়ত বীণ বজোৱা হয়। অসমীয়া বীণখনো খাচী বীণ খনৰ দৰে একেই।

খাচীসকলৰ অন্য এবিধ জনপ্ৰিয় বাদ্যযন্ত্ৰ হ'ল টোকাৰী। খাচী জনজাতিৰ লোকে পৰম্পৰাগত গীত পৰিৱেশন কৰোঁতে টোকাৰী বাদ্যযন্ত্ৰবিধৰ ব্যৱহাৰ কৰে। অসমীয়া মুছলমানসকলৰ জিকিৰি আৰু জাৰীত বজোৱা টোকাৰীটোৰ লগত খাচী সমাজৰ টোকাৰী সাদৃশ্য দেখিবলৈ পোৱা যায়। লগতে অসমীয়া হিন্দু সমাজৰ লোকেও দেহবিচাৰ গীত গাওঁতে টোকাৰীৰ ব্যৱহাৰ কৰে। লাওখোলাৰ লগত তাঁৰ সংযোগ কৰি টোকাৰী বাদ্যযন্ত্ৰবিধ তৈয়াৰ কৰা হয়। খাচী জনজাতিৰ বাদ্যযন্ত্ৰসমূহৰ লগত অসমীয়া বাদ্যযন্ত্ৰসমূহৰ যথেষ্টখিনি সাদৃশ্য আছে। কিছুমান বাদ্যযন্ত্ৰ আকৌ কেইবাটাও প্ৰকাৰৰ আছে। বৰঢোল অৰ্থাৎ কা নাক্ৰা দৰবাৰ আৰু ৰাজকীয় উৎসৱ-অনুষ্ঠানত বজোৱা হয়। সৰু ঢোল অৰ্থাৎ পাদিয়াহ কাঠেৰে তৈয়াৰ কৰা হয় আৰু সৰু-সৰু অনুষ্ঠানত বজোৱা হয়। কা কিচিং কেনথেই আকৌ মহিলা সকলে মহিলাৰ মাজত অনুষ্ঠিত লোক উৎসৱত বজায়। সেইদৰে চিং নাইলা নামৰ সৰু ঢোলটো নংক্ৰেম নৃত্যত বজোৱা হয়। বাঁহীৰ ক্ষেত্ৰতো দেখা যায় চাৰাটি নামৰ বাঁহেৰে তৈয়াৰ কৰা বাঁহী মৃতকৰ অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত বজাই শেষ শ্ৰদ্ধা জ্ঞাপন কৰা হয়। বেচ্‌লী নামৰ বেতেৰে তৈয়াৰী বাঁহীবিধ আকৌ গৰখীয়াই গৰু চৰাবলৈ যাওঁতে বজায়। সেইদৰে ৰওাশিঙা যুদ্ধবিগ্ৰহৰ সময়ত বজোৱা হয়। ঢোলৰ বিভিন্ন প্ৰকাৰ তথা ৰণ শিঙা, বাঁহী আদিৰ অসমৰ জনজাতীয় সমাজৰ সৈতে বিশেষ সাদৃশ্য দেখা যায়।

খাচী সকলৰ শতকৰা আশীভাগ লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। এওঁলোকৰ সৰহভাগৰে কৃষিভূমি নাই যদিও আনৰ মাটিত চৰ্তসাপেক্ষে কৃষিকৰ্ম কৰি জীৱন নিৰ্বাহ কৰিব লগা হয়। খাচীসকলৰ কৃষি ঝুম পদ্ধতিৰ ওপৰত নিৰ্ভৰশীল। পৰিয়ালৰ সকলো সদস্যই ঝুমখেতিত সহযোগিতা কৰে। ঝুমখেতিৰ বাবে সাধাৰণতে একোটা পাহাৰ নিৰ্বাচন কৰি গছ-বন পৰিস্কাৰ কৰি জুই লগাই দিয়া হয়। ডাঙৰ-ডাঙৰ গছবোৰ খৰিৰ বাবে আছুতীয়াকৈ ৰাখি গছ-লতা পৰিস্কাৰ কৰি জুই লগাই ঠাইডোখৰ খেতি ৰ বাবে উপযোগী কৰি লোৱা হয়। পিছত সামান্য পৰিশ্ৰম কৰি পাহাৰবোৰৰ এঢলীয়া অঞ্চলত

নানা শস্য ৰোপণ কৰা হয়। আলু, পিয়াজ, মোৰা আলু, আদা, হালধি আদি নানা তৰহৰ খেতি কৰা হয়। কেইবাটাও খেতি একেলগে কৰাৰ কাৰণ হ'ল যদি এবিধ বা দুবিধ শস্য কীট-পতঙ্গই খায় বা বেমাৰত আক্ৰান্ত হয়, তেন্তে বাকী শস্যৰ পৰা উৎপাদন লাভ কৰিব পাৰিব। সেয়েহে খাচীসকলে এনে খেতিৰ ওপৰত নিৰ্ভৰ কৰে। সাধাৰণতে পাহাৰ ভাঙি ঝুম খেতি কৰা একেবাৰে লাভজনক বুলিব নোৱাৰি, কাৰণ ঝুমখেতি কৰিবলৈ হাবি-জংঘল, গছ-লতা আদি জুই  লগাই দি মাটি প্ৰস্তুত কৰাৰ বাবে খেতি মাটিৰ ওপৰ অংশ নষ্ট হৈ যায়। সেয়েহে মাটিৰ উৰ্বৰা শক্তি কমি যায়। তথাপি পৰম্পৰাগতভাৱে পাহাৰীয়া লোকসকলৰ মাজত আজিও ঝুমখেতিৰ প্ৰচলন হৈ আছে।

খাচী জনজাতিৰ কৃষি পদ্ধতিত এটি মন কৰিবলগীয়া কথা হ'ল থলুৱা জলসিঞ্চন পদ্ধতি। খাচী কৃষকসকলে এতিয়াও খেতিত পানী যোগানৰ বাবে বাঁহৰ পাইপ ব্যৱহাৰ কৰে। বাঁহেৰে তৈয়াৰী এই আহিলাৰে নিজৰাৰ পৰা কৃষিভূমিলৈ পানী বোৱাই অনা হয়। ইয়াৰ বাবে তেওঁলোকে পুৰঠ বাঁহ যোগৰ কৰি আধা ইঞ্চিমান বাঁহ দীঘলে দীঘলে এৰুৱাই গাঁঠিবোৰ দাৰে সমান কৰি বাঁহ একোডাল নলীৰ দৰে তৈয়াৰ কৰে। এডালৰ লগত আন এডাল বাঁহ যোৰা দি নিজৰাৰ পৰা কৃষিভূমিলৈ পানী বোৱাই অনা হয়।  বাঁ হবোৰ জেং অথবা অন্যান্য বাঁহৰ সহায়ত ঢোকা দি ৰখা হয়। এই পদ্ধতি গাঁও অঞ্চলত বিশেষভাৱে দেখা যায়।

মেঘালয়ত যথেষ্ট পৰিমাণে ফলমূল উৎপাদন হয়। কল, নাচপতি, প্লাম, সুমথিৰাৰ লগতে ষ্ট্ৰবেৰীৰ উৎপাদনে ৰাজ্যখনৰ কৃষিখণ্ডৰ জনপ্ৰিয়তা বঢ়াইছে। বৰ্তমান খাচী যুৱক-যুৱতীয়ে ব্যৱসায়িক ভিত্তিত ষ্ট্ৰবেৰী, সুমথিৰা, প্লাম আদি উৎপাদন তথা সংৰক্ষণ কৰি লাভবান হোৱা দেখা গৈছে।

খাচী লোকসকলে কৃষিকৰ্মৰ বাবে বিভিন্ন ধৰণৰ সা-সজুলি ব্যৱহাৰ কৰে। দা, কুঠাৰ নাঙল, কোৰ, ধান চপোৱাৰ পিছত মৰণা মৰাৰ বাবে কাঠৰ ড্ৰাম, ধান সৰাবলৈ লাঠি, মৈ আদি কৃষক সকলে নিজে তৈয়াৰ কৰে বা কমাৰশালত তৈয়াৰ কৰি আনে। বাঁহ-বেতৰ বিভিন্ন সামগ্ৰীৰ লগতে মাছ ধৰিবৰ বাবে চেপা, বৰশী, খালৈ আদিৰ ব্যৱহাৰ কৰে। মাছ মৰা সজুলি আৰু কৃষিৰ সজুলি অসমীয়াৰ সৈতে একেই।

কৃষিৰ ক্ষেত্ৰত খাচী জনজাতিৰ লোকসকল আগবঢ়া। বৰ্তমান উন্নত জাতৰ নতুন বীজ, ফলমূল সংৰক্ষণ, ফলমূলৰ ৰস আদি তৈয়াৰ কৰি বহুতো যুৱক-যুৱতী উপকৃত হৈছে। আনহাতে, স্থানীয়ভাৱে আৰু মেঘালয়ৰ বাহিৰতো এই অঞ্চলত উৎপাদিত ফলমূলৰ বিশেষ আদৰ আছে। অসমৰ দৰে মেঘালয়ৰ প্ৰায় আশী শতাংশ লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। খাচী জনজাতিৰ কৃষিপদ্ধতিৰ সৈতে অসমৰ পাহাৰীয়া জনজাতিৰ অধিক সাদৃশ্য দেখা যায়। খাচীসকলে পাহাৰীয়া অঞ্চলত খেতিৰ বাবে ব্যৱহাৰ কৰা খেতিৰ সজুঁলিবোৰ পাহাৰৰ উপযোগীকৈ তৈয়াৰ কৰি লোৱা। কৃষিকাৰ্যত কোৰ আৰু দাৰ ব্যৱহাৰ সকলোতকৈ বেছি। খাচী সকলৰ কৃষি পদ্ধতিত ভৈয়ামৰ কৃষিপদ্ধতি স্পষ্ট প্ৰভাৱ দেখা যায়।

খাচী আৰু জয়ন্তীয়াসকলৰ সৰহভাগ লোক খ্ৰীষ্টান ধৰ্মত দীক্ষিত হ'লেও এতিয়াও নৃত্য, উৎসৱ তথা পৰম্পৰাগত পূজা-পাৰ্বণৰ প্ৰচলন অধিক বুলিব পাৰি। খাচী সকলৰ মাজত প্ৰচলিত নংক্ৰেম

নৃত্য তথা এই উৎসৱত ছাগলী বলি দিয়া কাৰ্য, চাদচুক মিনচিয়েম তথা অসমৰ বিভিন্ন কৃষি উৎসৱ আৰু বেহদেন খ্লামৰ লগত অসমৰ বিভিন্ন জনজাতিৰ উৎসৱ-পাৰ্বণ সাদৃশ্য লক্ষণীয়। সেইদৰে মনসা পূজাৰ দৰে থেল পূজা, নংচহন, আহোমসকলৰ মেদাম-মেফিৰ দৰে পূৰ্বপুৰুষলৈ দিয়া পূজা আদিৰ প্ৰচলন বৰ্তমান কম বেছি পৰিমাণে খাচী আৰু জয়ন্তীয়াসকলৰ মাজত প্ৰচলিত হৈ আছে। খাচী আৰু জয়ন্তীসকলৰ মাজত প্ৰচলিত তথা লুপ্তপ্ৰায় হোৱা উৎসৱ-অনুষ্ঠান আদিৰ চমু আভাস দিবৰ বাবে যত্ন কৰা হ'ল।

খ্ৰীষ্টিয়ান ধৰ্মলৈ ধৰ্মান্তৰ নোহোৱা খাচীসকলে আমাৰ বৈষ্ণৱ ধৰ্মৰ লোকসকলৰ দৰেই এক ঈশ্বৰত বিশ্বাস কৰে। আল্লেই এক ভগৱান-- তেওঁ পুৰুষ বা স্ত্ৰী একোৱেই নহয়, তেওঁ ওচৰলৈ নিবলৈ কোনো গুৰুৰো প্ৰয়োজন নাই। শুদ্ধ চিত্তে পবিত্ৰ কাৰ্যৰ দ্বাৰাহে তেওঁক পোৱাটো সম্ভৱ। মানুহে কৰা দুষ্কাৰ্যৰ বাবে ভগৱানে তেওঁলোকক শাস্তি বিহিব।

খাচী ধৰ্মত দেৱ-দেৱী বা পূজা-পাৰ্বণৰ ব্যৱস্থা নথকাৰ বাবে তেওঁলোকৰ ধৰ্মীয় উৎসৱ-পাৰ্বণ আদিৰো ব্যৱস্থা নাই। খাচী সমাজ ব্যৱস্থা অত্যন্ত গণতান্ত্ৰিক আৰু খাচী লোকসকল ঈশ্বৰ বিশ্বাসী। তেওঁলোকৰ সাংস্কৃতিক উৎসৱ সমূহো সেইবাবে ভগৱানৰ উদ্দেশ্যে আগবঢ়োৱা লোকনৃত্যৰ ৰূপতহে আত্মপ্ৰকাশ কৰিছে।

বছৰৰ বিভিন্ন সময়ত তেওঁলোকে কেইটামান বিশেষ উৎসৱ পালন কৰে। ইয়াৰে ভিতৰত আটাইতকৈ উৎসৱমুখৰ নৃত্য-গীতৰ অনুষ্ঠান হৈছে চাদচুক মিনচিয়েম। আমাৰ ব'হাগ বিহুৰ পিছতো ব'হাগ মাহৰ মাজভাগত মউলাইত অৱস্থিত চেংখাচী চাপৰিত এই নৃত্যৰ আয়োজন কৰা হয়। ঠেৰেঙা লগা শীতৰ পিছত প্ৰকৃতিয়ে ন- ৰূপ ধাৰণ কৰে। প্ৰকৃতিৰ এই ন-ৰূপৰ লগত যেন ডেকা গাভৰুহঁতৰ হৃদয়ো উৎফুল্লিত হৈ পৰে— সেয়ে তেওঁলোকৰ সুস্বাস্থ্য, সুখাদ্য ৰূপ লাৱণ্য প্ৰদান কৰি সুকলমে ৰক্ষা কৰাৰ বাবে ভগৱানক ধন্যবাদ জনাবলৈ এই নৃত্যৰ আয়োজন কৰা হয়। ইয়াক সেয়ে ধন্যবাদ জ্ঞাপনৰ উৎসৱ নাইবা উৎফুল্লিত হৃদয়ৰ নৃত্য বুলিও কোৱা হয়। খাচী ৰূপহীসকলে জাকজমক সাজপাৰ, মণি-মুকুতাৰে সাজি-কাচি নৃত্যৰ বাবে উলাই আহে। তেওঁলোকে মূৰত পাৰিলে খাটি সোণৰ নোৱাৰিলে খাটি ৰূপৰ মুকুট পিন্ধাটো নিয়ম। সাধাৰণতে কুমাৰী ছোৱালীবিলাকেহে এই নৃত্যত অংশ ল'বলৈ আহে।

খাচী গাভৰুৰ নৃত্য অতিশয় শালীন। তেওঁলোকে দেহৰ বা হাতৰ কোনো অংগী-ভংগী প্ৰদৰ্শন নকৰাকৈ নিজৰ ভৰিৰ আঙুলিত দৃষ্টি নিবদ্ধ ৰাখি মাদলৰ চেৱে চেৱে আগুৱাই পিছুৱাই এই নৃত্য প্ৰদৰ্শন কৰে। নৃত্যৰ সময়ত কাৰোবালৈ আনকি চকু তুলি চোৱাটোও নিষেধ। সাজপাৰ, অলংকাৰ আৰু মুকুট পৰিধান কৰি দেহ স্থিৰভাৱে ৰাখি তেওঁলোকে যেন তেওঁলোকৰ দেহৰ সৌন্দৰ্য আৰু কৌমাৰ্য প্ৰদৰ্শন কৰে। আনহাতে, ডেকাসকলে যুদ্ধৰ বৰ্মৰ আৰ্হিৰ পোছাক পিন্ধি পিঠিত ধনু-কাড়ৰ তূণ, মূৰৰ পাগুৰি আৰু এহাতে তৰোৱাল আৰু আনহাতত চোৱাৰ লৈ নৃত্যাংগসকলৰ চৌপাশে ঘূৰি ঘূৰি নৃত্য কৰে। পুৰুষসকলে এই নৃত্যৰ যোগেদি তেওঁলোকৰ দেহৰ শৌৰ্য-বীৰ্যৰ প্ৰদৰ্শন আৰু মাতৃভূমি আৰু মাতৃজাতিৰ ৰক্ষাৰ বাবে তেওঁলোকৰ দায়বদ্ধতা প্ৰকাশ কৰে। আগৰ দিনত আমাৰ ব'হাগ বিহুত ঢুলীয়া নাচনীৰ লগত মন মিলি বিয়া-বাৰু হোৱাৰ দৰে এই চাদচকু মিয়েনচেম উৎসৱতো বিবাহযোগ্য

কোনো দৰাই কন্যা নিৰ্বাচন কৰেহি। অৱশ্যে, বিয়া-বাৰু তেওঁলোকৰ মাজত সামাজিক প্ৰথামতেহে হয়। এই উৎসৱৰ সময়ত বংশ-পৰিয়ালৰ লোক আত্মীয়-স্বজনৰ ঘৰত ফুৰিবলৈ আহে, আনকি এই সময়ত তেওঁলোকে মাটি-বাৰী বা সা-সম্পত্তিৰ ভাগ-বাটোৱাৰা আদি কাৰ্যও সমাপন কৰে।

মৌলাইত অৱস্থিত এই চেংখাচী অনুষ্ঠান অ-খ্ৰীষ্টিয়ান খাচীসকলৰ বাবে অতি পবিত্ৰ ঠাই। বাবু জীৱন ৰায়, চন্দ্ৰনাথ ৰায় আদি মহান দেশহিতৈষী নেতাসকলৰ আপ্ৰাণ চেষ্টাত এই অনুষ্ঠান গঢ়ি উঠিছিল।

ৰঙা ৰঙৰ কাপোৰত বগা এটা গোলকৰ মাজত ডাক দি থকা মতা কুকুৰা চিহ্নিত চেংখাচী পতাকাখনে সাহস, ধৰ্মপ্ৰৱণতা আৰু মানুহক পাপৰ পংকিল পথৰ পৰা আঁতৰি আহি সৎ আৰু পবিত্ৰ পথেৰে জীৱন-যাপন কৰিবলৈ যেন সকিয়াই থাকে। চেংখাচী প্ৰতিষ্ঠানে ১৮৯৯ চনত এই পতাকা তেওঁলোকৰ জাতীয় প্ৰতীক হিচাপে গ্ৰহণ কৰে আৰু সেই দিন ধৰি ইয়াক আজিও পৰম পবিত্ৰ আৰু গৌৰৱৰ চিন হিচাপে মানি আহিছে।

খাচীসকলৰ আন এক লেখত ল'বলগীয়া উৎসৱ হৈছে চাদ নংক্ৰেম বা নংক্ৰেম নৃত্য। বৰ্তমান শ্বিলঙত জোৱাই পথৰ পৰা নাতিদূৰত অৱস্থিত খ্ৰীয়েম ৰাজ্যৰ চিয়েম (ৰজাৰ) দৰবাহ প্ৰাঙ্গণ স্মিটচ বছৰি ছেপ্তেম্বৰ-অক্টোবৰ মাহত এই উৎসৱ উদ্‌যাপিত হয়।

বাহ্যিকভাৱে চাদচুক মিয়েনচেম নৃত্য আৰু নংক্ৰেম নৃত্য একে যেন লাগিলেও নংক্ৰেম নৃত্যৰ ধৰ্মীয় পৰম্পৰা অধিক। আগতে বৰ্ণনা কৰা চাদচুক মিয়েনচেম মুখ্যতঃ ভগৱানক ধন্যবাদ জ্ঞাপন কৰিবৰ বাবে আয়োজন কৰা নৃত্য। আনহাতেদি চাদ নংক্ৰেম ৰাজ্য আৰু প্ৰজাক বছৰটোৰ বাবে নিৰ্বিঘ্নে ৰক্ষা কৰি তেওঁলোকৰ সুখ-সমৃদ্ধি বৃদ্ধি কৰিবলৈ ভগৱানৰ ওচৰত বলি বিধানেৰে পূজা অৰ্চনা কৰা উৎসৱ। এই উৎসৱ সোমবাৰৰ পৰা শুকুৰবাৰলৈ পাঁচদিন ধৰি চলে আৰু উৎসৱৰ কেউদিনেই প্ৰজাসকলে আগবঢ়োৱা ছাগলীবোৰ শ্বিলংৰ দেৱতা উছিলং আৰু কা ব্লেইৰ আগতে পূজা-অৰ্চনা কৰি বলি দি এই দেৱ-দেৱীৰ আশীৰ্বাদ বিচৰা হয়। এই উৎসৱক সেয়েহে ছাগলী বলি দিয়া উৎসৱ বা পমবানাং বুলিও কোৱা হয়।

নংক্ৰেম উৎসৱ খাচীসকলৰ গণতান্ত্ৰিক জীৱন ধাৰাৰ এক প্ৰতিভু। প্ৰথমে মন্ত্ৰীসকল আৰু চিয়েম মিলিত হৈ এই উৎসৱৰ দিনটো ধাৰ্য কৰে আৰু এক বিশেষ ধৰণৰ বেতৰ গাঁঠি দি তেওঁৰ অধীনত থকা সকলো গাঁওবুঢ়ালৈ নংক্ৰমে উৎসৱৰ বাতৰি পঠিয়াই। উৎসৱৰ দিন ঠিক হোৱা দিন ধৰি প্ৰতি সোমবাৰে সন্ধিয়া ঢোল বজাই উৎসৱৰ আগজাননী দি থকা হয়, উৎসৱৰ দিনা ৰাতি নৌপোৱাওঁতেই বিভিন্ন গোটৰ প্ৰজাসকল তেওঁলোকৰ গাঁওবুঢ়াসহ ৰাজদৰবাৰত সমবেত হয়হি আৰু ঢুলীয়াসকলে এক বিশেষভাৱে নিৰ্মিত মাচানত উঠি বাদ্যযন্ত্ৰ বজাবলৈ ধৰে। নংক্ৰেম উৎসৱত জীৱিত ৰজাজনৰ ডাঙৰ ভনীয়েকগৰাকীয়ে মূখ্য ভূমিকা গ্ৰহণ কৰে আৰু মূল পূজা-অৰ্চনা কৰা হয় তেওঁৰ ঘৰতেই। মূল পূজাৰী আৰু মন্ত্ৰী বা বাগৰাওসকল তেওঁৰ ঘৰত সমবেত হয়। লাউপানী খাচীসকলৰ প্ৰথম ৰজা উছিলংৰ উদ্দেশ্যে আগবঢ়ায়। তাৰ পিছত আন এটা লাউপানীৰ পাত্ৰ আগবঢ়োৱা হয় লেই লং চিয়েমলৈ অৰ্থাৎ তেওঁলোকৰ থালৰ প্ৰথম মাতৃগৰাকীৰ আশীৰ্বাদ ভিক্ষা কৰি। ইয়াৰ পিছত আন

এটা লাউপানীৰ পাত্ৰ তাত সমবেত ঢুলীয়াসকলক দিয়া হয়। তেওঁলোকে এইটো জ্ঞান-বিদ্যাৰ অধিকাৰী উ বিশ্বকৰমৰ উদ্দেশ্যে অৰ্পণ কৰে। এইদৰে অৰ্পণ কৰা ফটিকাসমূহ তেওঁলোকেও সেৱন কৰাৰ পিছত ৰাজকুৱঁৰীৰ দৰবাৰ ইং চাদত সকলোৰে মিলিজুলি নৃত্য কৰি নংক্ৰেম উৎসৱৰ শুভাৰম্ভ কৰে। খাচীসকলৰ বিশ্বকৰম দেৱতা হিন্দুসকলৰ বিশ্বকৰ্মাৰ সৈতে একেই। উৎসৱৰ দ্বিতীয় দিনৰ পৰা চিয়েমৰ চোতালত নৃত্য গীত চলে। উৎসৱৰ তৃতীয় দিনা পূজাৰী, মন্ত্ৰীসকল, ৰাজভগ্নী, ৰজা, প্ৰজা সকলো গৈ পাহাৰৰ ওপৰত থকা বিশেষ পূজাথলীত উ ছিলং আৰু ন্যায়ৰ অধিকাৰীনি দেৱী কা ব্লেইৰ উদ্দেশ্যে বিভিন্নজনে আগবঢ়োৱা ছাগলীবোৰ বিশেষ ধৰ্মীয় পৰম্পৰাৰে বলি দিয়া হয়। উৎসৱৰ চতুৰ্থ আৰু পঞ্চম তথা শেষ দিনা বিভিন্ন গাঁও বা ৰেইদসমূহৰ পৰা অহা সুসজ্জিতা কুমাৰীসকলে ঢুলীয়াৰ সংগীতৰ চেৱে চেৱে নৃত্য কৰিবলৈ লয়। পুৰুষ সকলেও অনুৰূপ চোঁৱৰ, তৰোৱাল লৈ কুমাৰীসকলক বেৰি বেৰি নৃত্য কৰে। এই নৃত্যত ৰজাৰ ভনীসকলেও ভাগ লয়। প্ৰতি বছৰেই উৎসৱৰ শেষ দিনা বিভিন্ন প্ৰান্তৰ পৰা অহা সকলো জনগোষ্ঠীৰ লোকেৰে স্মিটৰ উৎসৱস্থলী ভৰি পৰেহি। নংক্ৰেম নৃত্যৰ ধৰ্মীয় পৰম্পৰা আৰু জাকজমকতাই খাচী সমাজৰ গণতান্ত্ৰিক ভাবধাৰাক মহীয়ান কৰি তুলিছে। ভাৰতৰ প্ৰয়াত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুদেৱে এই নৃত্যক ভূয়সী প্ৰশংসা কৰিছিল আৰু এই নৃত্যই খাচীসকলৰ জনজাতীয় সংস্কৃতি চিৰ প্ৰবাহিত কৰি ৰাখিব বুলি মন্তব্য কৰিছিল।

পূব খাচী পাহাৰ জিলাৰ চাদ নংক্ৰেম আৰু চাদ চুক মিয়েনচেম উৎসৱৰ দৰেই জয়ন্তীয়া পাহাৰৰ জোৱাইত বেই ডেন খ্লাম নামৰ এক বিশেষ উৎসৱ পালন কৰা হয়।

প্ৰতি বছৰেই জুলাই মাহত জোৱাইত ধুমধামেৰে এই উৎসৱ পালন কৰা হয়। এই উৎসৱৰ যোগেদি জয়ন্তীয়াসকলে মানুহৰ অপায় অমংগলকাৰী ভূত-প্ৰেত খেদাই দি বছৰটোৰ বাবে তেওঁলোকক নিৰ্বিঘ্নে ৰাখিবৰ বাবে ভগৱানক প্ৰাৰ্থনা কৰে। শস্যে-মৎসে নদন-বদন কৰি সুখে-সন্তোষে জীয়াই ৰাখিবলৈকো ভগৱানক প্ৰাৰ্থনা জনায়। বেই ডেন খ্লাম শব্দকেইটাৰ আক্ষৰিক অৰ্থ প্লেগ মহামাৰী খেদোৱা। এসময়ত হয়তো প্লেগ মহামাৰীৰ পৰা পৰিত্ৰাণ পাবলৈ এনে উৎসৱৰ আয়োজন কৰা হৈছিল। এই উৎসৱত হিন্দুৰ দুৰ্গা পূজাৰ প্ৰতিমা বিসৰ্জন, হোলি , জগন্নাথ ৰথ যাত্ৰা আৰু মুছলমানৰ মহৰম উৎসৱৰ প্ৰভাৱ থকা যেন দেখা যায়।

মূল উৎসৱ আৰম্ভ হোৱাৰ এসপ্তাহ মান আগেয়ে ন-জোন ওলোৱাৰ দিনা পুৰোহিত, পাটৰ আৰু দলৈসকলে চহৰৰ বাহিৰৰ এক পাহাৰী ঠাইলৈ গৈ পূজা-অৰ্চনা কৰি আৰু মংগল চাই উৎসৱৰ শুভাৰম্ভ কৰে। এইদৰে পূজা কৰিবলৈ যোৱা পুৰোহিত আৰু দলৈসকল এসপ্তাহ ধৰি পত্নীসংগৰ পৰা আঁতৰি মাতৃ-গৃহত পবিত্ৰভাৱে থকাটো নিয়ম। তেওঁলোকে মংগল চাই পোৱা শুভ-অশুভ চিহ্নসমূহ চাই আহি জয়ন্তীয়াসকলৰ মূখ্য পুৰোহিতৰ পত্নীগৰাকীক জনাব লাগে। ইয়াৰ পিছদিনাৰ পৰাই বিভিন্ন গোট বা দঙৰ লোকসকল হাবিলৈ গৈ গছ কাটে। এজোপা ওখ পোলোঙা গছ নিৰ্বাচন কৰি উৎসৱৰ বাবে নীতি-নিয়মৰ মাজেদি ৰেইদসকলে কাটে। এই গছ ডালক খনং বুলি কোৱা হয়। বিভিন্ন গোটসমূহে বাঁহ আৰু কাগজেৰে মুছলমানৰ তাজিয়াৰ আৰ্হিত একোখন ৰথ নিৰ্মাণ কৰে। উৎসৱৰ আগদিনা সৰু-সৰু গছ একোডাল প্ৰতিঘৰৰ সন্মুখতে ৰোপণ কৰে আৰু ডাঙৰ পবিত্ৰ গছডাল উৎসৱস্থলীলৈ নৃত্য-গীত কৰি কৰি আনে। মূল উৎসৱৰ আগদিনা পুৰোহিতে দিয়া এডাল দীঘল বাঁহেৰে প্ৰতিঘৰ

মানুহৰ চালত কোবাই ডেকাসকলে ভূত-প্ৰেত খেদায় আৰু এইদৰে ভূত-প্ৰেত খেদাবলৈ যোৱা সকলক গৃহস্থই আপ্যায়িত কৰে, দক্ষিণাও দিয়ে।

উৎসৱৰ দিন-দুপৰীয়া জোৱাইৰ মধ্যস্থানত থকা এটা পুখুৰীৰ পাৰত ছাগলী বলি দি উৎসৱৰ সময়ত কোনো অপায়-অমংগল, দুৰ্ঘটনা আদি নঘটিবলৈ পূজা আগবঢ়োৱা হয়। ইয়াৰ পিছত পৱিত্ৰ খনং গছডাল পুখুৰীত পেলাই থৈ সেইডালৰ ওপৰত ভৰি থ'বলৈ প্ৰতিযোগিতা চলে। এই প্ৰতিযোগিতাত ইমান ঠেলা-হেঁচা, টনাটনি হয় যে কোনো লোক আঘাতপ্ৰাপ্ত হোৱাটোও মুঠেও অস্বাভাৱিক নহয়। ইয়াৰ পিছতে বিভিন্ন দণ্ডে তৈয়াৰ কৰা ৰথ আকৃতিৰ ভূতসমূহে শোভাযাত্ৰা কৰি আইট্নাৰলৈ অনা হয় আৰু ৰথখন লৈ ডেকাসকলে উৰুলীকৃত হৈ নাচি-বাগি প্ৰায় একাঁঠু পানী থকা পুখুৰীটোত ৰং-তামাচা কৰে। এটা সময়ত এনেকুৱা হয়গৈ কেইবাটাও গোটৰ ৰথসমূহ আহি একেলগে পুখুৰীত নামি ইজনে-সিজনৰ হাত বোকা সানি, পানী ছতিয়াই এক বোকা ফাকুৰাৰ পৰিৱেশ সৃষ্টি কৰে। ৰথসমূহ পুখুৰীটোত দুপাকমান ঘূৰাই পিছত পুখুৰীৰ পাৰত বিসৰ্জন দি ভাঙি পেলায়। অৰ্থাৎ দৈত্যৰ মৃত্যু হোৱা বুলি ভাবে। এই উৎসৱৰ দিনা বৰষুণ দিয়াটো নিশ্চিত বুলি জয়ন্তীয়াসকলে বিশ্বাস কৰে। আজিকালি বৰষুণ নিদিলেও অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ীৰে কৃত্ৰিম বৰষুণৰ ব্যৱস্থা কৰি হ'লেও আনুষ্ঠানিকতা ৰক্ষা কৰে। এই উৎসৱত তিৰোতাসকলে পানীত নামি ৰং-ৰহইচ কৰাটো নিষেধ। তেওঁলোকে জাকজমক সাজসজ্জা আৰু অলংকাৰ পৰিধান কৰি পুখুৰীৰ পাৰৰ গেলেৰীত বহি পুৰুষৰ উদাত্ত নৃত্য উপভোগ কৰি আনন্দ লভে।

ৰথসমূহ বিসৰ্জন দিয়াৰ পিছত আন এক স্থানত সুঠাম দেহৰ পুৰুষসকলৰ মাজত ৰাগবি সদৃশ এখন বল খেল আৰম্ভ হয়। ঠিক ৰাগবি বলৰ আকৃতিৰ কাঠৰ বল এটা লৈ দুদল ডেকাৰ মাজত টনা-আজোঁৰা লাগে। প্ৰতি দলেই বলটো নিজৰ আয়ত্তত ৰাখিবলৈ চেষ্টা কৰে। অৱশেষত যি দলে বলটো ৰখাত কৃতকাৰ্য হয় তেওঁলোকক পুৰোহিতসকলে বিজয়ী বুলি ঘোষণা কৰে। বিজয়ী দলৰ লোকসলে ঈশ্বৰৰ পৰা ধনী-মানী হ'বলৈ অধিক আশীৰ্বাদ লভা বুলি ভাবে। এইদৰেই সামৰণি পৰে এক উপভোগ্য পুৰুষসুলভ প্ৰতিযোগিতামূলক উৎসৱৰ।

পৃথিৱীৰ বিভিন্ন ঠাইত প্ৰচলিত সাপ পূজাৰ বিষয়ে সকলোৱে নিশ্চয় শুনি আহিছে। ভিয়েটনাম আদি দেশ আৰু দক্ষিণ ভাৰতেই নহয় আমাৰ অসমতো সৰ্প পূজা (মনসা দেৱীৰ পূজা) কৰা হয়। সেয়ে অতীজৰে পৰা দেৱতাৰূপে সাপে মানুহৰ আধ্যাত্মিক দিশত এক বিশেষ ঠাই অধিকাৰ কৰি আহিছে। দেৱাদিদেৱ শিৱৰ কণ্ঠ শুৱনি কৰিছে ফনা মেলা কাল সৰ্পই। আকৌ সাত সমুদ্ৰৰ গভীৰ জলত ভগৱান বিষ্ণু শয়ন কৰিছিল ফনা মেলা চেচ নাগ (অনন্ত নাগ)ৰ ওপৰত।

খাচী সমাজতো এই সাপ পূজা প্ৰচলিত আছে। এই পূজা মানুহৰ ৰক্তদান দি কৰা পূজা। নাক আৰু কাণৰ পৰা সংগ্ৰহ কৰা তেজেৰে দিয়া পূজাত অতিকায় হৈ উঠা শক্তিসম্পন্ন দানৱীয় সাপক এই পূজা দি সন্তুষ্ট কৰা হয়। সেয়ে এই পূজা ৰক্ত পিপাসু দানৱক সন্তুষ্ট কৰিবলৈ দিয়া দৈত্য পূজা। সো-শৰীৰে কোনোজনক ধৰি আনিব নোৱাৰিলে তাৰ পৰিৱৰ্তে মূৰৰ চুলি বা পৰিধান কৰা কাপোৰ-কানিৰ টুকুৰা কাটি আনি উচৰ্গা কৰি পূজা দিয়াৰ পাছৰে পৰা উচৰ্গা কৰা লোকজনৰ অচিন বেমাৰত শুকাই-খিনাই ধীৰে ধীৰে মৃত্যু ঘটে। এই পূজাত এক কথাত নৰ হত্যা হয় আৰু তাকে লৈ খাচী সমাজত

সময়ে সময়ে উত্তপ্ত বিশৃংখলাৰ সৃষ্টি হোৱা দেখা যায়। এই পূজা কৰা লোকসকলক মাৰপিট কৰা, ঘৰ জ্বলোৱা, বস্তু-বাহানি ভাঙি নষ্ট কৰাই নহয়, আনকি তেনে লোকক হত্যাও কৰাৰ উদাহৰণ আছে। এই পূজা দিবলৈ বিশেষভাৱে ব্যৱহাৰ কৰা লোকক নংচনহ বুলি কোৱা হয়। কোনোমতে নংচনহৰ হাতৰ পৰা সাৰি অহা লোকে দিয়া খবৰে মানুহৰ মাজত অশান্তি ভয়ৰ সৃষ্টি কৰে। অতীজৰে পৰা খাচী দৰবাৰত এই পূজাৰ হৈ কৰা নৰ হত্যাৰ গোচৰ তৰা আৰু তাৰ শাস্তি স্বৰূপে দৰবাৰে তেনে লোকক ৰাজ্যৰ পৰা বহিস্কাৰ বা বিভিন্ন পন্থাৰে মৃত্যুদণ্ড দিয়াৰ উদাহৰণো পোৱা যায়। আনকি বৰ্তমান আদালততো দুই-এজন লোকৰ বিৰুদ্ধে এনে গোচৰ তৰা খবৰ আছে। লোকবিশ্বাস মতে এই পূজা দি থ্লেনক সন্তুষ্ট কৰিলে গৃহস্থৰ ঘৰ ধন-জন আৰু ঐশ্বৰ্য-বিভূতিৰে ভৰি পৰি সৰ্বাংগ উন্নতি হয়। আকৌ সময়মতে এই পূজা দিব নোৱাৰিলে বা নিদিলে থ্লেনে গিৰিহঁতৰ দুৰ্ঘটনাগ্ৰস্ত কৰি শাস্তি দিয়াই নহয়, অচিন বেমাৰ আদিৰে প্ৰাণ লয়। সাপ ৰাখি পূজা কৰা বুলি জ্ঞাত পৰিয়ালক খাচীসমাজৰ সকলোৱে ভয় আৰু শংকাৰ চকুৰে চায় আৰু গা এৰা দি ফুৰিবলৈ চেষ্টা কৰে। আনকি বিয়া-বাৰুৰ সম্বন্ধও সহজে কৰিব নোখোজে। সকলো খাচী লোকে এই পূজা নকৰে, সীমিত পৰিয়ালৰ মাজতহে ই গুপুতে আৱদ্ধ হৈ আছে।

থ্লেন পূজালৈ আৱশ্যকীয় মানুহৰ তেজ গোপনে অভিযান কৰি গোটাবলৈ থ্লেন ৰখা অৱস্থাপন্ন পৰিয়ালে সহায় লোৱা বিশেষ মানুহক নংচনহ বুলি কোৱা হয়। তেওঁলোকৰ এই পাহোৱাল লোকসকল সাধাৰণতে দিনত ওলাই নগৈ ঘৰতে শুই -বহি কটায় যাতে এওঁলোকক সহজে কোনেও চিনি নাপায়। অভিযানৰ পূৰ্বে তেওঁলোকক সাঁচি থোৱা অতি পুৰণি চোকা সুৰা দিয়া হয়, যাক খাই তেওঁলোকৰ মানুহ মাৰিবলৈ ভয়-শংকা একেবাৰে নোহোৱা হয়। তেওঁলোকে কোনো লোহা আদিৰ অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰে। তেওঁলোকৰ সজুলি হ'ল এখনকৈ চিলভাৰৰ কেঁচি, চিলভাৰৰ জোঙা শলা আ ৰু বাঁহৰ চুঙা। হত্যা কৰা মানুহৰ নাক-কাণত সেই শলা সুমুৱাই ওলোৱা তেজ বাঁহৰ চুঙাত ভৰাই থ্লেনলৈ নিয়া হয়। আনহাতে, কোনো ডাঙৰ মানুহ মৰা সম্ভৱ নহ'লে কোনোমতে তেওঁৰ চুলি বা পৰিধান কৰা কাপোৰৰ অংশ কাটি নি থ্লেনলৈ আগবঢ়োৱা হয়। সুবিধা পালে যাদু কৰা মিঠাই আদি খুৱাই সৰু সৰু ল'ৰা-ছোৱালী বশ কৰি বস্তা আদিত ভৰাই নিয়া হয়। অৱশ্যে, তাৰে দুই এজন মানুহ তেনে নংচনহৰ পৰা সাৰি অহা কাহানিও শুনিবলৈ পোৱা যায়। ৰাতিৰ আন্ধাৰত সুযোগ লৈ অকলশৰীয়া লোকক লগত নিয়া চুটি-গধুৰ টাঙোনেৰে মূৰত মৰিয়াই অজ্ঞান কৰি বা মাৰি তেওঁলোকৰ নাক-কাণৰ পৰা তেজ উলিয়াই নিয়া হয়। আকৌ দোকান আদিত সুৰাপান কৰি থকা কোনো লোকক ছেগ চাই তেওঁলোকে নজনাকৈ সুৰাৰ লগতে মন্ত্ৰপুত চাউল বা থ্লেন সৰ্পই পূজাত নাচোঁতে বাগৰি পৰা ঘাম বা প্ৰস্ৰা ৱ সংগ্ৰহ কৰি তাৰে তেজ থ্লেন পূজাৰ কাৰণে আনি দিয়ে। নিচা শেষ হোৱাৰ পিছত তেনে লোকৰ নিজে কৰা সেই কামৰ বিষয়ে একো মনত নাথাকে। সময়ত এনে লোকে স্ব-ইচ্ছাৰে নংচনহ হৈ পৰে। সাধাৰণতে নংচনহ পুৰুষ হ'লেও তিৰোতা নংচনহো আছে বুলি শুনা যায়।

থ্লেন পূজা সাধাৰণতে মাজনিশা সম্পন্ন কৰা হয়। ঘৰৰ দুৱাৰ খিৰিকী খুলি দি মজিয়াত এখন দামী কাপোৰ বা দলিচা পাৰি তাৰ ওপৰত এখন কাঁহ বা পিতলৰ থাল সজাই তাত উ নংচনহৰ দ্বাৰা মানুহৰ তেজ, চুলি, গাৰ কাপোৰৰ টুকুৰা আদি থালত দিয়া হয়। ঘৰৰ সকলো চাৰিওকাষে থিয় হৈ

পূজাত ভাগ লৈ বাটি বা সৰু সৰু কাঁহ টিং টিং কৈ আৰু সৰুকৈ শব্দ কৰি ঢোল বজাই ঘৰৰ মুখিয়ালজনে থ্লেনক আহ্বান জনায়। আমি তোমাক তেজ অৰ্পন কৰিছো, সন্তুষ্ট হৈ আমাৰ শৰীৰ ভালে ৰাখি, ধন-সম্পত্তিৰ গৰাকী হ'বলৈ আশীৰ্বাদ দিয়া। এই আহ্বানত সৰু পাত্ৰত চুলি আকাৰত সোমাই থকা থ্লেন জাগ্ৰত হয় আৰু ক্ৰমে ডাঙৰ হৈ অতিকায় ফনা মেলা সৰ্পৰ ৰূপ লৈ থানখনৰ সন্মুখত ৰয়হি। অৰ্পণ কৰা তেজৰ মানুহজনৰ আত্মা সেই থানখনত হাঁহি-হাঁহি থিয় দিয়েহি আৰু থ্লেন নাচি নাচি তাক ধীৰে ধীৰে গিলি খায়। চুলি আৰু কাপোৰ উচৰ্গা কৰা মানুহজনৰ ধীৰে ধীৰে বেমাৰত মৃত্যু হয়। পূজাৰ শেষত থ্লেন আকৌ সৰু পাত্ৰত সোমাই পৰে। এনে ধৰণেই পূজা সম্পন্ন কৰা হয়। পশ্চিম খাচী পাহাৰৰ বহু এলেকাত এই পূজা চলি আছে বুলি জনা যায়। অৱশ্যে, আজিকালি এনে পূজা প্ৰায় নোহোৰা হৈছে।

হিন্দু আৰু জাপানী লোকসকলৰ দৰেই খাচীসকলেও উপৰি পুৰুষক ভক্তি তৰ্পণেৰে পূজা কৰে। কাছান-ৰিংইউ খাচীসকলৰ পূৰ্ব পুৰুষলৈ দিয়া বছৰেকীয়া পূজা। ৰিংইউৰ অৰ্থ হৈছে আত্মা আৰু কাছান হৈছে ভক্তিৰে তৰ্পণ কৰা। মাতৃপ্ৰধান দেশত কা আইইউবি আদি বুলি ক'লেও তেওঁলোকে তিনিজন গোটখাই হোৱা এক পৰম ব্ৰহ্মাক বিশ্বাস কৰে। কা আইইউবি মাকৰ ফৈদৰ পূৰ্বজ মাতৃ, ঠাওলাং, পিতৃপক্ষৰ পূৰ্বজন আৰু উ ৰেই সৰ্বশক্তিমান ভগৱান আৰু এই তিনিওজনৰে নিৰঞ্জনক বিশ্বাস আৰু ভক্তিৰে এই পূজা প্ৰদান কৰা হয়। সেয়ে এই পূজা এই তিনিজনক ধন্যবাদ জনাবলৈ কৰা বছৰেকীয়া পূজা।

চলি থকা বছৰৰ খেতি পথাৰৰ সুখ-সমৃদ্ধি, মাৰিমৰক আৰু দুখ-কষ্ট আদিৰ পৰা পৰিত্ৰাণ আৰু আগন্তুক বছৰলৈ সুখ-সমৃদ্ধি কামনাৰে আশীষ ভিক্ষা কৰি ভগৱানক এই পূজাৰে ধন্যবাদ জনোৱা হয়। পুৱাতে নিৰ্ধাৰিত দিনত ঘৰৰ সকলো গোট খাই এটা মতা কুকুৰা উচৰ্গা আৰু প্ৰাৰ্থনা কৰি তাক বলি দিয়া হয়। আকৌ এটা কণী ভগৱানলৈ উচৰ্গা কৰি ডেৰ ফুটমান ব্যাসাৰ্ধৰ এখন কাঠৰ পতাত বিধি পূৰ্বক ৰূপে থেকেচি ভাঙি প্ৰাৰ্থনা কৰা হয়। এই কুকুৰাৰ পেটৰ নাড়ী-ভুৰ আৰু কলিজা আৰু ভগা কণীৰ চোকোৰা আৰু কণীৰ সিঁচৰিত হৈ পৰা কুহুম পৰীক্ষা কৰি চোৱা হয়। বিজ্ঞজনে পেটৰ বিভিন্ন অংশ, দাগ আদি পৰীক্ষা কৰি চাই ভৱিষ্যতৰ আৰু বৰ্তমান ভুগি থকা বেমাৰ-আজাৰ আদিৰ কথা ক'ব পাৰে। এই পূজাত লাগতিয়াল সামগ্ৰীসমূহ হ'ল ঘৰত বনোৱা সুৰা, বাকিবলৈ সৰু তিতা লাউৰে তৈয়াৰী হেতা, বিশেষ গছৰ পাত, চাউল, কণী, পানী আৰু এটা মতা কুকুৰা। তেওঁলোকৰ এই পূজাত বেমাৰ-আজাৰ, ভূত-প্ৰেতৰ প্ৰভাৱ বা অন্যান্য কোনো যাদু-মন্ত্ৰ কৰা বুলি সন্দেহ কৰিলে পূজা দিয়া কুকুৰাৰ নাড়ী-ভুৰ আৰু ভগা কণীৰ চোকোৰা আৰু কুহুম পৰীক্ষা কৰি চয়-নিশ্চয় কৰি তেনে বেমাৰৰ পৰা পৰিত্ৰাণ পাবলৈ দিয়া বিধানমতে কাম কৰে। এই পূজাৰ পিছতেই ঘৰৰ সকলোৰে আনন্দত মিলিজুলি ভোজ-ভাত খায়।

সকলো জীৱ-জন্তুৰ ভিতৰত তেওঁলোকে এই পূজাত কিয়নো কুকুৰাৰ কণী বা এটা সুন্দৰ মতা কুকৰা বাছি লৈছিল তাৰো এক প্ৰবাদ আছে। অতীজতে মানুহ, জন্তু আদি সকলো আত্মাই ভগৱানৰ লগত সহজেই কথা-বতৰা পাতি নিজৰ নিজৰ সুখ -দুখৰ কথা কৈ তেওঁ দিয়া উপদেশ মতে কাম কৰিছিল। ভগৱানে নিয়মীয়াকৈ সৰগৰ পৰা নামি আহি মৰ্ত্যত থকা সাতঘৰীয়া খাচী পৰিয়ালৰ লগ

হৈ, ধৰ্ম-কৰ্ম আৰু যুক্তিৰ কথা কৈ সজ উপদেশ দিছিল। মানুহ ক্ৰমে দাম্ভিক আৰু মদগৰ্বী হৈ নানান অসৎ কাৰ্য আৰু লোভত লিপ্ত হৈ পৰাত ভগৱানৰ লগত থকা সম্পৰ্ক ধীৰে ধীৰে কমি আহিছে। মানুহে কোনো বিপদ-আপদেও ভগৱানৰ লগত প্ৰত্যক্ষভাৱে সম্পৰ্ক স্থাপন কৰিব নোৱাৰা হ'ল। দুৰৱস্থাত পতিত মানুহে ভগৱানৰ লগত কি ধৰণে পুনৰ স্থাপন কৰা সম্ভৱ হয় তাকে আলোচনা কৰিবলৈ দৰবাৰত গোট খালে।

বহু আলোচনা-বিলোচনাৰ পিছতো তেওঁলোকে ভগৱানৰ লগত প্ৰত্যক্ষ সংযোগৰ কোনো উপায় উলিয়াব নোৱাৰি হতাশ হৈ পৰিল। মানুহৰ এই মানসিক উৎকণ্ঠা আৰু দুৰৱস্থা দেখি উদাৰ মনৰ বুকু ফিন্দাই পুৱা-গধুলি ওখ ঠাইত থিয় হৈ কুকুৰে ৰিঙিয়াই ভগৱানক আহ্বান কৰা কুকুৰাটোৱে মানুহক সহায় কৰিবলৈ আগবাঢ়ি আহিল। দহৰ ভালৰ কাৰণে আনকি সি নিজৰ জীৱনো আহুতি দিবলৈ কুণ্ঠাবোধ নকৰিলে।

কুকুৰাটোৱে জনালে যে পূজাত ভগৱানক উদ্দেশ্য কৰি সকলো ক'বলগীয়া কোৱা কথা আৰু প্ৰাৰ্থনা পিছত তাক বলি দি কলিজা আৰু নাড়ীৰ মংগল চাই মানুহে তেওঁলোকৰ বহু প্ৰশ্নৰ উত্তৰ পাব। আকৌ বলিৰ পিছত সেই কুকুৰাৰ আত্মাই মানুহৰ উপৰিপুৰুষ আৰু ভাগৱানৰ আগত গৈ মানুহৰ ৰোগ, ব্যাধি, বিলাই-বিপত্তিৰ সকলো কথা কৈ সেৱকৰ সদ্‌গতিৰ বাবে খাতনি ধৰি প্ৰাৰ্থনা কৰিব।

এই পূজাৰ কাৰণে মানুহে সেয়ে এটা দেখিবলৈ ভাল ৰঙৰ নিখুঁত কুকুৰা আনি বলি পূৰ্বে সেই কুকুৰাটোক অনুনয়-বিনয় কৰি অশেষ ধন্যবাদ জনায় আৰু তাক বলি দি জীৱন অন্ত পেলোৱা কাৰ্যৰ কাৰণে ক্ষমা ভিক্ষা কৰে। মানুহৰ ভালৰ কাৰণে কুকুৰাই স্ব-ইচ্ছাৰে দিয়া আত্মবলিদান, মহৎ আদৰ্শ আৰু ত্যাগৰ প্ৰশংসা কৰি কুকুৰাক নমস্কাৰ জনায়। আকৌ প্ৰাৰ্থনা কৰে যে, ভগৱানৰ ওচৰত সেই কুকুৰাৰ জীৱন ধন্য যেন হয়। তেওঁলোকে কুকুৰাক অনুৰোধ জনায় যেন তাৰ আত্মাই গৈ তেওঁলোকৰ দুখ-কষ্ট, মাৰি-মৰকৰ পৰা ৰক্ষা কৰিবলৈ কৰা এই পূজাৰ উদ্দেশ্য ভগৱানক দৰ্শাই মানুহলৈ আশিস ভিক্ষা মাগে। সেয়ে ভগৱানৰ নামত বলি দি জীৱন অন্ত পেলোৱা কুকুৰা হ'ল মানুহৰ প্ৰেৰিত এক দূত বা বাহক।

এইদৰে খাচী আৰু জয়ন্তীয়াসকলৰ মাজত প্ৰচলিত পূজা-পাৰ্বণ, নৃত্য, উৎসৱ-অনুষ্ঠান আদিৰ সৈতে অসমত বসবাস কৰা বিভিন্ন জাতি-উপজাতিৰ সাদৃশ্য লক্ষ্য কৰিব পাৰি। এনে সাদৃশ্যই পাহাৰীয়া অঞ্চলত বসবাস কৰা খাচী আৰু জয়ন্তীয়াসকলৰ মাজত ভৈয়ামৰ যে ঐতিহাসিক প্ৰবাহ এটা আছিল সেই কথা অনুমান কৰিব পাৰি।

অসমীয়া সমাজৰ দৰে খাচী সকলৰ মুখে চলি অহা গল্প, সাধুকথা আৰু মাজে মাজে নাম গাই কৈ যোৱা ভালেখিনি কাহিনী আছে। উলেই ছিলং শিখৰৰ অতি ধুনীয়া সেই খাচী ছোৱালীজনীৰ দৰে বিভিন্ন ঠাইৰ নানাৰকমৰ প্ৰবাদ কা চৰাতি বাঁহী সুৰত মদাহী লিয়েন মাকাওৰ দেহমন ৰাইজাই কৰি দিয়া মাণিক ৰাইটঙৰ কাহিনী আৰু চীয়েমৰ দৰবাৰত হোৱা ঐশ্বৰিক বিচাৰ আৰু তাৰ পৰিণতি, ন কালিকাই আৰু শিল কেঁচুৰা গিলা উ মাই ঙুইদ খুনৰ দৰে হৃদয় বিদৰা কাহিনী বা পা চেন্তিউ নামৰ

ধুনীয়া গুহাত থকা ছোৱালীজনীৰ কাহিনী সুন্দৰকৈ আছে। এই কাহিনীবোৰৰ মাজেৰে প্ৰকাশ পোৱা মনস্তত্ব অসমীয়া গল্প তথা সাধুকথাৰ সৈতে একে। খাচীসকলৰ মাজত প্ৰচলিত কেইটামান কাহিনীৰ আভাস দিয়া হ'ল। কাহিনীকেইটা 'খাচী জনজীৱনত এভূমুকি'ৰ পৰা সংগ্ৰহ কৰা হৈছে।

## শিলে শিশু গিলা এক কাহিনী

কৃষিপ্ৰধান দেশ ছিলঙত পুৰুষ-মহিলাই সমানে পথাৰত কাম কৰে। এই কাহিনীটো এগৰাকী মাকে শিলৰ শিতানত কেঁচুৱা শুৱাই পথাৰত কাম কৰি থাকোঁতে ঘটা এটা দুখ লগা কাহিনী। এই কাহিনীটোৰ নাম উ মাও ঙুমিদ খুন অৰ্থাৎ সেই কেঁচুৱা গিলা ডাঙৰ শিলটো।

হেলনীয়া পাহাৰৰ ধলোৱানত, গছৰ ছাঁত সৰু কেঁচুৱা ছোৱালীজনী কাপোৰ দি শুৱাই, ধলোৱানৰ তলৰ খেতিত মাকে কাম কৰিব ধৰিছিল। কেঁচুৱা ভনীয়েকক চাবলৈ ৰখীয়া থৈছিল চাৰি বছৰীয়া ককায়েকক। তাই চোকা সৰু নালৰ বেঁকা কোৰেৰে চিতা চিতা কৰি খলি খান্দি তাত আলু আৰু কবি পুলি ৰোৱাত ব্যস্ত হৈ পৰিছিল। ধূলি, বতাহ আৰু ৰ'দৰ পৰা হাত সাৰিবলৈ মূৰত বান্ধি লৈছিল তাই এখন ফুটুকা ফুটুকি কাপোৰ। মেহনতী কষ্টসহিষ্ণু খেতিয়ক তাই, পুৱাৰ পৰা ভৰদুপৰলৈ কামত ব্যস্ত। এনেতে ভনীয়েকক ৰাখি থকা সৰু পুতেকে তেওঁক বিনাই মাত দিলে সৰু ভনীয়েকক আহি চাই যাবলৈ আৰু বুকুৰ গাখীৰ দিবলৈ। তাকে শুনি মাকে আৰু এচিতা মাটিত কাম শেষ কৰিব বুলি নাম গাই উত্তৰ দিলে। অলপ পৰৰ পিছত পুতেকে আকৌ বিনাই ক'লে যে শিলে মুখ মেলিছে আৰু ভনীয়েকক খাবলৈ ধৰিছে। কামত ব্যস্ত হৈ থকা মাকে আগৰ দৰেই ভেটিটো শেষ কৰি অহাৰ কথা কৈ ৰ'বলৈ ক'লে। অলপ পৰৰ পাছত সৰু পুতেকে আকৌ মাকক বিনাই মাতিলে আৰু শিলে মুখ মেলি ভনীয়েকক খোৱাৰ কথা ক'লে। মাকে ভাবিলে, শিলে মুখ মেলা অসম্ভৱ। ল'ৰাটোৱে বৰ ডাঙৰকৈ চিঞৰি বিনাই কান্দি মাকক মাতি ক'লে-- শিলে মুখ মেলি সিঁহত দুয়োটাকে গিলিছে। সেই কান্দোনত মাকে চক খাই দৌৰি আহি দেখে যে সেই ডাঙৰ শিলটোৱে সচাঁই ফাঁচ মেলি তাইৰ ছোৱালীজনী আৰু ল'ৰাটোক গ্ৰাস কৰিছে। কোনোমতে তাই ডাঙৰ ল'ৰাটোৰ হাতত ধৰি টানি উলিয়ালে। সৰু ছোৱালীজনী ইতিমধ্যে শিলৰ গৰ্ভত। বহু দেৰি হৈ গ'ল। শিলৰ ফাঁট বন্ধ হ'ল। সৰু ছোৱালীজনী শিলৰ ফাঁটতে ৰৈ গ'ল। তাই হিয়া ভুকুৱাই, চুলি ছিঙি কান্দিলে, শিলত মূৰ মাৰিলে, কপাল ফাটি তেজ ওলাল। সৰু ছোৱালীজনী আৰু ওলাই নাহিল। সঁচাই ই এক কৰুণ কাহিনী। এই কাহিনী পথাৰত ব্যস্ত হৈ থকা মাকসকললৈ এক সকীয়নি, যাতে কেঁচুৱা থৈ কাম কৰোঁতে সদায় সজাগ হৈ থাকে। মাক আৰু ল'ৰাটোৰ নামৰ মাধ্যমেৰে হোৱা কথোপকথনেৰে আমাৰ তেজীমলা আৰু কমলা কুঁৱৰীৰ দৰে কৰুণ সাধুলৈ মনত পেলাই দিয়ে।

## ন কালিকাই

ছিলঙৰ পৰা প্ৰায় ৬০ কিলোমিটাৰ দূৰত চেৰাপুঞ্জীত অৱস্থিত জলপ্ৰপাতসমূহৰ ভিতৰত ন কালিকাই অতি সুন্দৰ। প্ৰকৃতিৰ আছুতীয়া ঠাইত ওখ গছ-গছনিৰে ভৰা পাহাৰৰ থিয় শিলৰ বুকুৰেদি সশব্দে নামি অহা খৰস্ৰোতা পানীয়েই ন কালিকাই। তাই যেন আউলী-বাউলী হৈ কঁকাললৈ বৈ পৰা

দীঘল চুলি মেলি দুহাতে নিজৰ বুকু ভুকুৱাই হুকহুকাই কান্দি উচ্চতাৰ পৰা বহু তললৈ সশক্তিৰে জঁপিয়াই জঁপিয়াই নামি আহিছে। এই মনোমোহা দৃশ্য পৰ্যটকসকলৰ বাবে বিশেষ আকৰ্ষণৰ স্থল। তাই যেন চিঞৰি কৈ গৈছে এগৰাকী মাতৃৰ হিয়া ভগা কাহিনী আৰু এক গিৰিয়েকৰ পৈশাচিক, হৃদয় কঁপোৱা ব্যৱহাৰ, কৰ্ম আৰু তাৰ পৰিণতি। এক স্বাৰ্থলোভী কামুকৰ অতি কদৰ্য ইতিহাস।

এগৰাকী অতি সুন্দৰ যুৱতীৰ বিয়া হৈছিল এজন উদাৰ-মৰমিয়াল পুৰুষৰ লগত। তেওঁলোকৰ সুখী যুগ্ম দাম্পত্য জীৱন পূৰ্ণ কৰি কোলালৈ আহিছিল এগৰাকী কন্যা সন্তান। এটি সৰু পৰিয়াল আৰু অনেক সুন্দৰ ভৱিষ্যতৰ সপোন। এয়ে আছিল সৰল জীৱন। নিয়তিৰ নিষ্ঠুৰ পৰিহাস, হঠাতে এদিন গিৰিয়েকৰ অকাল মৃত্যু ঘটে। মৰ্মাহত কালিকাই দুখ-বেজাৰ পাহৰি জীৱন অতিবাহিত কৰিবলৈ চেষ্টা কৰিছিল। তাই কটনা কাটি অশেষ কষ্টেৰে জীৱন নিৰ্বাহ কৰি যাবলৈ ধৰিলে। সৰু ছোৱালীজনীক মানুহ কৰিব, এয়ে তাইৰ একমাত্ৰ পণ। তেনেতে জীৱনে এক নতুন মোৰ ল'লে। তাইৰ যৌৱনৰ কমনীয় দেহাৰ কান্তি দেখি মুগ্ধ হৈ বিয়াৰ প্ৰস্তাৱ দিয়ে অন্য এক যুৱকে। প্ৰথমে মান্তি নোহোৱাত ন কালিকাই বহু খাটনিৰ পিছত সৰু ছোৱালীজনীৰ ভৱিষ্যতৰ কথা ভাবি অৱশেষত সেই প্ৰস্তাৱত মান্তি হ'ল। বিয়া হৈ গ'ল তেওঁলোকৰ। জীৱন চলিল গতানুগতিকভাৱে। দুয়োজনে নিজ নিজ কামত ব্যস্ত হৈ পৰিল। গৰিয়েকে খৰি কাটি কালিকাই ঘৰে ঘৰে কাম কৰি সৰু পৰিয়ালটো চলাইছিল। তাই ভাবিছিল যে আদৰ যত্ন কৰি দুয়োজনে ছোৱালীজনীক ডাঙৰ-দীঘল কৰিব পাৰিব। গোটেই দিনটো বাহিৰত কাম কৰা কালিকাই ঘৰ পায়েই গধূলি সৰু ছোৱালীজনীক আদৰ যত্ন কৰি খুৱাই বুৱাই বুকুত লৈ নিচুকনি গীত গাই শুৱাবলৈ ব্যস্ত হৈ পৰে। ছোৱালীজনী শোৱাৰ পিছতহে ভাগৰুৱা কালিকাই তাইৰ গিৰিয়েকক সোধ-পোছ কৰিবলৈ সময় পাইছিল। তাই গিৰিয়েকক সকলো প্ৰকাৰে সুখ দিবলৈ পাৰ্যমানে চেষ্টা কৰিছিল। সেয়ে সৰু ছোৱালীজনীক পিঠিত বান্ধি লৈ লোকৰ ঘৰত দিনৰ দিনটো কাম-বন কৰিও তাই সপোন দেখিছিল এক সুন্দৰ ভৱিষ্যতৰ। কালিকাই ছোৱালীজনীক দিয়া সময় আৰু মৰম দেখি পেটে পেটে অতি ক্ষুণ্ণ হৈছিল গিৰিয়েক। কালিকাইৰ আগত মিছা মৰম দেখুৱালেও পেটে পেটে ছোৱালীজনীক সি একেবাৰে চকুপাৰি দেখিব নোৱাৰা হ'ল আৰু তাইক জীৱনৰ প্ৰতিদ্বন্দী বুলি গণ্য কৰিবলৈ ল'লে। সৰু ছোৱালীজনীয়ে কাঢ়ি নিয়া সময়খিনিৰ কথা ভাবি সি নিজৰ মনতে গুজৰি গুমৰি তাইক কেনেকৈ সিঁহতৰ মাজৰ পৰা অভিসন্ধি কৰি উলিয়াই তাৰ প্ৰেমৰ ৰাস্তা নিষ্কণ্টক কৰিব পাৰে সেই বিষয়ে চিন্তা কৰাত লাগিল। সি নানান অজুহাত দেখুৱাই কামলৈ নগৈ ঘৰতে থাকিব ধৰিলে। ঘৈণীয়েকক কাম কৰিবলৈ পঠিয়াই কিবা কিবি অজুহাত দেখুৱাই নিজে ঘৰত থাকি ছোৱালীজনীক ৰখি থকা কামটো ল'লে। এদিন পুৱাতে কালিকাই দূৰণিলৈ বস্ত্ৰ কঢ়িয়াই নিব লগা কাম এটা পোৱাত গিৰিয়েকে মনতে পাঙি থোৱা অভিসন্ধি মতে সৰু ছোৱালীজনীক হত্যা কৰি তাইৰ হাত-ভৰি, মূৰ আদি মাটিত পুতি থৈ তাইৰ মাংস ৰান্ধি ন কালিকালৈ অপেক্ষা কৰি থাকিল। সংঘটিত হ'ল ঠাণ্ডা মগজুৰে সংঘটিত কৰা এটা নৃশংস হত্যাকাণ্ড। দুপৰীয়া ঘূৰি আহি কালিকাই ছোৱালীজনীৰ কথা সোধাত ক'লে যে তাই ওচৰৰ বন্ধুৰ ঘৰলৈ খেলিবলৈ গৈছে। মৃদু হাঁহি মাৰি মাংসৰে সুন্দৰকৈ সজাই দিয়া ভাত দেখি গিৰিয়েকলৈ প্ৰশ্নবোধক দৃষ্টিৰে চোৱাত উত্তৰ পালে যে ওচৰতে পূজা দিয়া গাহৰিৰ মাংস আনি সি তাইলৈ ৰান্ধি থৈছে। বৰকৈ ভোক লগাত সি আগতেই ভাত খোৱা বুলি কৈ

সি ভাত নোখোৱাকৈ থাকিল। সি তাৰ ক্ৰুৰ আৰু ৰক্তপিপাসু, পৈশাচিক ৰূপটো এইদৰে ছলাহী কথাকৈ ঢাকি ৰাখিবলৈ সক্ষম হ'ল। অতদিনৰ মূৰত গিৰিয়েকে এইদৰে সুন্দৰকৈ আলপৈচান ধৰা আৰু যতন কৰি মাংস-ভাত খাবলৈ দিয়াত তাই অতি সন্তোষেৰে ভাত খালে। গিৰিয়েকে ভাত বাঢ়ি থাকোঁতেই হঠাৎ মন কৰিলে যে তাৰ অসাৱধানতাতেই ছোৱালীজনীৰ সৰু হাতৰ অংশ ঘৰৰ চুকতে পৰি ৰ'ল। ঘৈণীয়েকে দেখাৰ আগতেই সি কটা হাতৰ আঙুলিটো ছেগ চাই পিছত নি দূৰত পেলাব বুলি লৰালৰিকৈ ওচৰতে বেৰত ওলোমাই থোৱা তামোলৰ হাঁচতিটোত ভৰাই থ'লে। ভাত-পানী আনন্দ মনেৰে পেট ভৰাই খাই তামোল এখন খাবলৈ ন কালিকাই যেতিয়া তামোলৰ হাঁচতিটোত হাত ভৰাই হঠাতে কটা হাতখন দেখাত বুকু চিৰিংকৈ উঠিল। তাইৰ সৰ্বশৰীৰ কঁপিবলৈ ধৰিলে। তাই সকলো বুজি পালে যে ছোৱালীজনী ক'লৈ ফুৰিবলৈ গ'ল, গিৰিয়েকে কি কৰিলে আৰু তাইক কিহৰ মাংস খুৱালে। অতি গভীৰ শোক, ধিক্কাৰ আৰু খঙত অগ্নিশৰ্মা হৈ তাই ওচৰতে পোৱা চোকা দা খনেৰে গিৰিয়েকৰ ডিঙিত পূৰ্ণ শক্তিৰে ঘাপ মাৰিলে। ডিঙি চিঙি পৰিল। কটা মূৰটো হাতত লৈ পাগলীৰ দৰে হিয়া ভাঙি কান্দি, চিঞৰি গৈ ওচৰতে থিয় ওখ পাহাৰৰ গৰাৰ পৰা তাই তললৈ জাঁপ মাৰি দি নিজৰ জীৱনৰ অন্ত পেলালে।

থিয় ওখোৰা-মোখোৰা শিলত ঠেকা খাই ঢৌ খেলি নামি অহা পানীয়ে সুচায় ন কালিকাই আউলী-বাউলী হৈ পৰা দীঘল মেলা চুলিটাৰি। তাইৰ হিয়াভগা কান্দোন পাহাৰত ঠেকা খাই আজিও প্ৰতিধ্বনিত হৈ আছে। বুকু ভুকুৱাই কান্দি কান্দি ন কালিকাই যেন দুটি কথা চিঞৰি কৈ গৈছে-- তাইৰ জীৱনত অতি আপোনজন বুলি ভবাজনে কৰা সেই নিৰ্মম বিশ্বাসঘাতকতা আৰু দ্বিতীয় বিবাহলৈ সম্বন্ধ বচাৰ আগতে দ'কৈ ভাবি চাবলৈ দিয়া খাচী মহিলাসকললৈ সতৰ্ক বাণী। ইয়েই হ'ল বহ্নিমান ন কালিকাইৰ ইতিবৃত্ত।

## জোনত কিয় ক'লা দাগ আছে, কিয় বেলি আৰু জোন একেলগে নোলায়

সূৰ্য আৰু জোন দুয়ো একে ঘৰৰে একে মাক-বাপেকৰ সন্তান। বেলি ডাঙৰ বাইদেৱেক আৰু জোন ভায়েক। ল'ৰা হিচাপে দিনে-ৰাতিয়ে বাহিৰত ঘূৰি ফুৰি বেয়া ল'ৰাৰ সংগত পৰি জোনৰ স্বভাৱ বেয়া হ'ল। সেই সময়ত জোন আৰু বেলি দুয়োৰে ৰশ্মি প্ৰায় একে আছিল। গাভৰু বায়েকৰ সুন্দৰ চেহেৰা, উঠন বুকু, শৰীৰৰ কান্তি আৰু সৌন্দৰ্যত মোহিত হৈ সৰু ভায়েক জোন মনে মনে তেওঁৰ গভীৰ প্ৰেমত পৰিল আৰু নিজৰ কামুক বাসনা চৰিতাৰ্থ কৰাৰ উদ্দেশ্যে অগ্ৰসৰ হ'বলৈ চেষ্টা কৰিলে। আনকি বায়েকৰ সৌন্দৰ্য বখানি নিজৰ মাকক সি বায়েক সূৰ্যক বিয়া কৰোৱাৰ অভিপ্ৰায়ো জনালে। মাকে তাৰ এনে আচৰণত ক্ষুণ্ণ হ'ল আৰু বৰ দুখ পালে। বায়েকে এই কথা গম পোৱাত খং আৰু বিতৃষ্ণাত অতীষ্ঠ হৈ জোনক বেয়াকৈ গালি-শপনি পাৰি ওচৰৰ জুইশলাৰ পৰা এমুঠি ফুট ছাঁই লৈ জোনৰ মুখত সোপা মাৰি ধৰি ক'লা কৰি দিলে আৰু ক'লে— মই তোৰ ডাঙৰ বায়েৰ, মাৰৰ দৰে, তই কি সাহসত মোৰ লগত এনে ঘৃণনীয় ব্যৱহাৰ কৰাৰ কথা ভাবিব পাৰ? এইবুলি তাই ভায়েকক ঘৰৰ পৰা বাহিৰ কৰি দিলে। বায়েকে ছাঁইৰ মুখতে সোপা মাৰি ধৰাত সেই আগৰ সূৰ্যৰ দৰে প্ৰখৰ

ৰশ্মি কমি নিস্প্ৰভ হৈ বৰ্তমানৰ অৱস্থা পালে আৰু তেতিয়াৰে পৰাই জোনৰ মুখত হোৱা ক'লা দাগ আজিও দেখা যায়। বিশ্বাস যে সেই দিনৰ পৰাই বেয়া কামত মুখ ক'লা কৰা উক্তি প্ৰচলিত হয়।

## মানুহ সৃষ্টিৰ কাহিনী

ভগৱানে মানুহ সৃষ্টি কৰা খাচী কাহিনীটো বৰ সুন্দৰ। খাচীসকলে বিশ্বাস কৰে যে ভগৱানে ১৬ টা দম্পতিৰে তেওঁলোকৰ উপৰিপুৰুষ সৃষ্টি কৰি তেওঁলোকক নিজৰ লগত সৰগতে ৰাখিছিল। কালক্ৰমত বাঢ়ি অহা তেওঁলোকৰ সতি-সন্ততিয়েই হ'ল খাচী আৰু জয়ন্তীয়াসকল।

খাচীসকলৰ প্ৰবাদমতে ভগৱানে পুৰুষ আৰু প্ৰকৃতিকএকেলগে স্ৰজন কৰিছিল। আনহাতে, খ্ৰীষ্টান ধৰ্মালম্বীসকলৰ মতে ভগৱানে প্ৰথমে আদমক (পুৰুষ) সৃষ্টি কৰি অকলশৰীয়া আদমৰ সংগীৰূপে বুকুৰ কামিহাড়েৰে ইভক (প্ৰকৃতি) সৃষ্টি কৰা বা হিন্দু ধৰ্মৰ মতে প্ৰকৃতিক প্ৰথমে সৃষ্টি কৰি পাছত পুৰুষ সৃষ্টি কৰা প্ৰবাদৰ লগত খাচী জন্মসূত্ৰৰ পাৰ্থক্য দেখা যায়।

খাচীসকল ক'ৰ পৰা কি ধৰণে আহি এই খাচী আৰু জয়ন্তীয়া পাহাৰত বসতি কৰেহি আৰু ভগৱানে কি ধৰণে বিভিন্ন মানৱগোষ্ঠীৰ সৃষ্টি কৰি পৃথিৱীৰ বেলেগ ঠাইত বসবাস কৰা কৰিবলৈ দিয়ে এই বিষয়ে ভালেকইটা সুন্দৰ কাহিনী আছে।


ভগৱানে নদ-নদী, জুৰি-পাহাৰ-সমতলেৰে সুন্দৰ পৃথিৱী সৃষ্টি কৰি তাত আধিপত্য বিস্তাৰ কৰিবলৈ নিজৰ প্ৰতিনিধি ৰূপে অন্য জীৱ-জন্তুতকৈ শ্ৰেষ্ঠ মানুহ জাতিক নিজেই মাটিৰে গঢ়িলে। প্ৰবাদ মতে মাটিৰে নিজৰ সাঁচত গঢ়া পুতলাক মাটি পুৰি ইটা কৰা পদ্ধতিৰে ভাতীত পুৰি পঞ্চভূতৰ দেহৰ মানুহ সৃষ্টি কৰিলে। ব্যস্ত ভগৱান। মাটিৰ মানুহহাল ভাতীত সুমুৱাই অন্য কামত লাগি থাকোঁতে এই বিষয়ে একেবাৰে পাহৰি গ'ল। হঠাৎ মনত পৰাত লৰালিৰকৈ ভাতীৰ পৰা মানুহহাল উলিয়াই অনাত দেখিলে মানুহহাল বেছিকৈ পুৰি গৈ ক'লা হৈ গৈছে। এই দম্পতিহালেই হ'ল নিগ্ৰোসকলৰ উপৰি পুৰুষ। আকৌ এহাল মানুহ সাজি এইবাৰ অতি সাৱধানেৰে সযত্নে পুৰি লৰালৰিকৈ উলিয়াই আনি দেখে যে এইবাৰ মাটি ভালদৰে নোপোৰাকৈ কেঁচা-বগা বৰণৰ হৈয়েই থাকিল। এওঁলোকেই হ'ল বগা ছালৰ ইংৰাজ জাতিৰ উপৰিপুৰুষ। নিজৰ কামতে অসন্তুষ্ট হৈ আকৌ এহাল মানুহ সাজি আগতকৈ অলপ বেছি সময় ভাতীত পুৰি উলিয়ালে। এইবাৰ পুৰি তাৰ ৰং প্ৰায় হালধীয়া তাম বৰণৰ হ'ল। তেওঁলোকেই হ'ল চীনাসকলৰ উপৰিপুৰুষ। নিজৰ মনঃপুত সৃষ্টি নোহোৱাত আৰু এহাল মানুহ সাজি আগৰবোৰতকৈ আৰু অধিক সময় পুৰি উলিয়ালে। দেখে, এইবাৰো লগাতকৈ অলপ বেছিকৈ পুৰিলে। এইহালেই হ'ল মাগুৰ বৰণীয়া ভৈয়ামত বাস কৰা দখাৰ লোকসকলৰ উপৰিপুৰুষ। এইবাৰ আকৌ এহাল মানুহ সাজি আগৰ অভিজ্ঞতাৰে সময় বুজি নিজেই ভাতীৰ কাষতে বহি অতি সযত্নে পুৰি উলিয়ালে আৰু দেখি আত্মবিভোৰ হৈ নিজেই হাঁহি মাৰি স্বস্তিৰ নিশ্বাস পেলালে। সুন্দৰ ৰঙৰ তেওঁৰ মনঃপুত সৃষ্টি। ভগৱানে এইহালৰ অনুৰূপ ১৬ টা দম্পতি সৃষ্টি কৰি তেওঁলোকক নিজৰ লগতে সৰগত ৰাখিলে। সৰগত জৰা-মৃত্যু, দুঃখ-কষ্ট, শোক আদি নাই। সেয়ে তেওঁলোকে সুখে-সন্তোষে তাতেই থাকিবলৈ ল'লে।

এনে কিম্বদন্তী তথা সাধুকথা অসমীয়া সমাজতো আছে যদিও বৰ্তমান খাচী আৰু জয়ন্তীয়াসকলৰ মাজৰ পৰাও লুপ্ত হ'বলৈ ধৰিছে। বয়োজেষ্ঠ্য লোকসকলৰ মাজতহে এনে কাহিনীৰ প্ৰচলন দেখা যায়। বৰ্তমান গ্ৰামাঞ্চলতো দুই এজন বয়োজেষ্ঠ্যৰ মাজতহে পৰম্পৰাগতভাৱে মুখ বাগৰি অহা কাহিনীবোৰ শুনিবলৈ পোৱা যায়। অসমীয়া সমাজৰ দৰেই মুকলি আকাশৰ তলত নাতি-নাতিনীক সাধু শুনোৱাৰ পৰম্পৰা আছিল যদিও বৰ্তমান এনে পৰম্পৰাই সাধুকথা হোৱাৰ উপক্ৰম হৈছে।

# ৬

# চাওঁতাল জনগোষ্ঠীৰ লোক-সংস্কৃতি

*মিণ্টু হেম্বৰম*



**চাওতালী লোকউৎসৱৰ এক দৃশ্য**

লোক উৎসৱ হৈছে একোটা জনগোষ্ঠীৰ জাতীয় ঐতিহ্য, পৰম্পৰা আৰু সংস্কৃতিৰ প্ৰাণস্পন্দন। সেয়ে পৃথিৱীৰ প্ৰায় সকলো জনগোষ্ঠীয়ে বিভিন্ন ক্ষেত্ৰত বিভিন্ন উৎসৱ পালন কৰি কৰি তেওঁলোকৰ জাতীয় ঐতিহ্য পৰম্পৰা সংস্কৃতিক উজ্জীৱিত কৰি ৰাখে।

চাওঁতাল সকলক ভাৰতৰ আদিম জনগোষ্ঠী বুলি কোৱা হয়। তেওঁলোক প্ৰকৃতিৰ সন্তান। 1830 চনত আৰম্ভ হোৱা চাহ শিল্পত দেশৰ ভিন্ন ভূ-খণ্ডৰ বিকল্প জীৱিকাৰ সন্ধানত বৃটিছ সকলৰ ফুচুলনিত অসমৰ চাহ বাগিচা সমূহত শ্ৰমিক হিচাপে কাম কৰিবলৈ আহিছিল যদিও অসমত বসবাস কৰা চাওঁতালী লোকসকল বহু আগৰে পৰাই কামৰূপত বসবাস কৰিছিল বুলি বুৰঞ্জীবিদ ডঃ বাণীকান্ত কাকতিদেৱৰ 'The Mother Goddess Kamakhya' আৰু প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে সম্পাদনা কৰা 'The History of Civilisation of the people of Assam' নামৰ পুথিখনত উল্লেখ আছে। বৃটিছৰ ফুচুলনিতেই হওঁক বা জীৱিকাৰ বিকল্প সন্ধানতে হওঁক অসমত স্থায়ীভাৱে বসবাস কৰা চাওঁতালী জনগোষ্ঠীৰ লোকসকল চাহ বাগিচাত শ্ৰমিক হিচাপে নহয়, গ্ৰাম্য অঞ্চলত কৃষি কাৰ্য কৰিহে পৰিয়াল পোহ-পাল দি আছে। বৰ্তমান সময়ত অসমত থকা এই চাওঁতাল জনগোষ্ঠীৰ লোক সকলৰ পাঁচ শতাংশও বাগিচাত কাম নকৰে।

ভাৰতবৰ্ষৰ প্ৰধানতঃ অসম, বিহাৰ, উৰিষ্যা, পশ্চিমবংগ, ঝাৰখণ্ড, ত্ৰিপুৰা আদি ৰাজ্যত বৰ্তমান চাওঁতাল জনগোষ্ঠীৰ লোকসকলে বসবাস কৰে। ভাৰতবৰ্ষৰ লগতে অসমত বসবাস কৰা চাওঁতাল লোকসকলৰ বিজস্ব ভাষা-সাহিত্য, কলা-কৃষ্টি -সংস্কৃতি আদি সুকীয়াকৈ আছে। অসমত থাকি অসমকে নিজৰ মাতৃভূমি বুলি কৈ অসমীয়া ভাষাৰ লগতে অসমৰ কৃষ্টি-সংস্কৃতিক আকোঁৱালি লৈ বৃহৎ অসমীয়া জাতি গঠনত বিশেষ ভূমিকা পালন কৰি আহিছে চাওঁতাল সকলে। অসমখন বিভিন্ন জাতি জনজাতিৰ বসতি ভূমি। এই বিভিন্ন জাতি জনজাতিৰ সু-সমন্বয়ৰ মাজতে গঢ়ি উঠিছে অসমৰ সাংস্কৃতিক স্তম্ভ। অসমৰ লগতে ভাৰতৰ অন্য ৰাজ্যৰ বিভিন্ন প্ৰান্তত বসবাস কৰা চাওঁতাল লোকসকলে উদযাপন কৰা লোক উৎসৱ সমূহ কৃষি কেন্দ্ৰিক। সাধাৰণতে লোক উৎসৱ উদযাপিত হয় খেতিৰ আৰম্ভণীত আৰু খেতি চপোৱাৰ সময়ত। চাওঁতাল সকলৰ লোক উৎসৱ মানেই গীত-নৃত্য-বাদ্যৰ সমাহাৰ। অসম ভূমিত বাস কৰা চাওঁতাল সকলে উদযাপন কৰা বৰ্ণময় লোক উৎসৱ সমূহৰ লগতে উৎসৱ সমূহত ব্যৱহৃত বাদ্য সমূহক আপোনা সবৰ লগত চিনাকী কৰি দিয়াৰ উদ্দেশ্যৰেই এই লেখাৰ প্ৰয়াস।

চাওঁতাল জনগোষ্ঠীৰ লোকসকল মূলতঃ কৃষিজীৱি। ধান, মাহ, সৰিয়হ সকলো প্ৰকাৰৰ শাক-পাচলি আদি বিভিন্ন খেতি কৰি তেওঁলোকে জীৱিকা নিৰ্বাহ কৰে। কৃষি কৰ্মৰ লগতে তেওঁলোকে মীন পালন, গো-পালন, গাহৰি পালন, হাঁহ-কুকুৰা পালন, মৌ পালন আদি কৃষি সম্পৰ্কীয় কৰ্ম কৰি জীৱিকা নিৰ্বাহ কৰে। কৃষি জীৱি হোৱা বাবেই চাওঁতালী সকলৰ প্ৰধান আহাৰ ভাত। অৱশ্যে মদ-মাংস, মাছ, শামুক আদিও তেওঁলোকে পানীয় বা খাদ্য হিচাপে গ্ৰহণ কৰে।

চাওঁতাল সংস্কৃতিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত পূজা-পাৰ্বনৰ প্ৰমুখ উৎসৱ হ'ল-- বাহা,চহৰাই, কাৰাম, দাঁশায়, সাকৰাত, মা-মড়ে, মাঘসিম, ইৰ'কসিম, জানথাড় পৰৱ অন্যতম।

চাওঁতাল সকলে পালন কৰা মুখ্য উৎসৱ সমূহৰ ভিতৰত হ'ল-- বাহা পৰৱ, চহৰাই পৰৱ, দাঁশায় পৰৱ, সাকৰাত পৰৱ।

বসন্ত কালৰ আগমণৰ লগে লগে চাওঁতাল সকলে 'বাহা পৰৱ' পালন কৰে। পৰিৱৰ্তনশীল

জগতত শীতৰ অন্তত বসন্ত আগমণৰ লগে লগে প্ৰকৃতিৰ বুকুলৈ পৰিৱৰ্তন আনে। এই সময়তে গছ-গছনিত, হাবি বননিত নতুন কুঁহিপাত গজিবলৈ আৰম্ভ কৰে আৰু গছ-গছনিৰ কুঁহিপাত, ফুল-ফল ঠন ধৰি উঠে। কুলি, কেতেকী চৰায়ে নাচি-বাগি সুমধুৰ গীত-গাই বসন্তক আদৰণী জনায়। নদ-নদী, জান-জুৰি, হাবি-বননি পৰিবেষ্টিত পৃথিৱীৰ সুন্দৰ বিনন্দীয়া ৰূপ কথা এই বাহা পৰবতে প্ৰকাশ পায়। চাওঁতাল সকলৰ বাহা পৰৱক প্ৰকৃতিৰ উৎসৱ, বসন্তৰ উৎসৱ, কৃষিৰ উৎসৱ, প্ৰেমৰ উৎসৱ, ফুলৰ উৎসৱ, ভাতৃত্ববোধ-শান্তি-সম্প্ৰীতিৰ উৎসৱ আৰু মানবীয় দৃষ্টিকোণৰ পৰা এক উদৰতাৰ প্ৰতীক বুলি ক'ব পাৰি। চাওঁতালী এই 'বাহা' শব্দটোৱে দুটা অৰ্থ প্ৰকাশ কৰে। এটা হ'ল— ফুল আৰু আনটো হ'ল সেন্দুৰ। চাওঁতাল সমাজত বাহা অৰ্থাৎ সেন্দুৰ ইয়াৰ অনেক মহত্ব আছে। বাহা পৰৱৰ কাৰ্য সমাপন নকৰাকৈ যিকোনা সামাজিক কাৰ্য সমাপন কৰা নহয়। যিহেতু বাহা পৰৱত প্ৰথমতে উপাস্য দেৱ-দেৱীক ফুল অথবা সেন্দুৰ উচ্ছৰ্গা কৰিহে শুভ কাম বিলাক হাতত লোৱা হয়। চাওঁতাল সকলে অতি আগ্ৰহৰে এই উৎসৱ পালন কৰি কৃষি কাৰ্যৰ পাতনি মেলে। এই বাহা উৎসৱেই তেওঁলোকৰ প্ৰধান উৎসৱ। গছ-গছনিৰে পৰিবেষ্টিত এখন পৰিস্কাৰ আৰু পৱিত্ৰ (Sacred Grove) স্থান 'জাহেৰ থান'ত পূজা-পাৰ্বন কৰি নৃত্য-গীতেৰে এই উৎসৱ পালন কৰে। তেওঁলোকৰ অতীতৰ ইতিহাস, হৰ্ষ-বিষাদ, উত্থান-পতনৰ অনেক কাহিনী 'বাহা গীত'ৰ মাজেদি প্ৰকাশ পায়। বাহা পৰৱ বসন্ত কালৰ আৰম্ভণীতে তথা ৰঙালী বিহুৰ সময়তে পালন কৰা হয়। ফাগুন মাহৰ পূৰ্ণিমা তিথিৰ সময়ত তিনিদিনীয়াকৈ বাহা পৰৱ পালন কৰাৰ নিয়ম। বাহা পৰৱৰ প্ৰথম দিনটোক উম মাহা, দ্বিতীয় দিনটোক চাৰদি মাহা আৰু শেষৰ দিনটোক বাহা বাচকে বুলি কোৱা হয়।

চহৰাই পৰৱ চাওঁতাল সকলৰ বৃহৎ উৎসৱ। চহৰাই পৰৱ খেতি শেষ হোৱাৰ পিছত পালন কৰা হয়। চহৰাই পৰৱ এসপ্তাহ ধৰি চাওঁতাল লোক সকলে পালন কৰে। চহৰাই পৰৱৰ প্ৰথম দিনটোক উম মাহা, দ্বিতীয় দিনটোক দাকা হিলোং,তৃতীয় দিনটোক খুন্টাউ-হিলোং, চতুৰ্থ দিনটোক জালে, পঞ্চমদিনটোক হাকু-কাটকম আৰু শেষৰ দিনটোক চাকৰাত বুলি কোৱা হয়। এই উৎসৱৰ আগমণৰ লগে লগে চাওঁতাল মহিলা সকলে নদী পাৰৰ পৰা বগা আলতীয়া মাটি আনি ঘৰবোৰ লেপি লয় আৰু ঘৰৰ বেৰ বোৰত গছলতা, ফুল, চৰাই আদিৰ নানান ধৰণৰ ছবি আঁকে। চহৰাই পৰৱৰ প্ৰাৰম্ভণীতে গঞা সকলে সমূহীয়া স্নান কৰা (গা-ধোৱা), কাপোৰ ধোৱাৰ লগতে ঘৰ-দুৱাৰ বোৰ গোবৰ মাটিৰে লেপা কাৰ্য সম্পন্ন কৰে। এই উৎসৱতেই বিয়া দিয়া জী-জোঁৱায়েকক মাকৰ ঘৰলৈ মাতি পঠোৱাৰ লগতে আত্মীয়-কুটুম্বক আমন্ত্ৰণ কৰাৰ এক পৰম্পৰাও পূৰ্বৰে পৰা চলি আহিছে। সাধাৰণতে চহৰাই পৰৱত চহৰাই এনেচ (চহৰাই নৃত্য) আৰু চহৰাই চেৰেং (চহৰাই গীত)হে পৰিৱেশন কৰাৰ নিয়ম আছে। এই পৰৱতে গাঁৱৰ ডেকা-গাভৰু, পুৰুষ-মহিলা সহিতে সকলোৱে গাওঁখনৰ প্ৰত্যেকৰ ঘৰতে চহৰাই নৃত্য আৰু গীত পৰিৱেশন কৰে। খেতি শেষ হোৱাৰ পিছত ঘৰচীয়া গৰু-ম'হ আদিক তেল-সেন্দুৰ সানি যতন আলপৈচান ধৰাৰ বাবে পালন কৰাৰ নিয়মো চহৰাই পৰৱৰ এক বৈশিষ্ট্য। এক কথাত কবলৈ গলে চহৰাই পৰৱ হ'ল প্ৰাচুৰ্যৰ উৎসৱ।

চাওঁতাল সকলে মাঘ বিহুৰ দিনটোত সাকৰাত উৎসৱ পালন কৰে। অসমৰ মাঘ বিহুৰ লগত সাকৰাতৰ কোনো পাৰ্থক্য নাই। পথাৰৰ শস্য চপাই অনাৰ পিছত কৃষক সকলৰ পুহ মাহটোত খেতিৰ

কোনো বিশেষ কাম নাথাকে। গতিকে এই সময়খিনিত হাতত ধন মজুত থাকে বাবে ভোগ-বিলাস, নৃত্য-গীত আদি কৰাৰ লগতে লগে ভাগে ভোজ ভাত খায়। চাওঁতাল সকলৰ প্ৰতিটো গানৰ লগত নৃত্য আৰু প্ৰতিটো নৃত্যৰ লগত গানৰ অংগাংগী সম্পৰ্ক। সাকৰাত বা মাঘ বিহুত চাওঁতাল ডেকা-গাভৰুৱে চহৰাই, মাতৰাৰ, ৰিঞ্জা নৃত্য-গীত পৰিৰেশন কৰে। সাকৰাত উৎসৱতে চাওঁতাল সকলৰ পৰম্পৰাগতভাৱে চলি অহা বেঝাতুঁএঃ (লক্ষ্যভেদ) কাৰ্য সমাপন কৰি আহিছে।

চাওঁতাল সকলৰ প্ৰধান উৎসৱবোৰৰ ভিতৰত দাঁশায়ো এটা উৎসৱ। দাঁশায় শৰৎ কালত অনুষ্ঠিত হয়। চাওঁতাল সকলৰ দাঁশায় পৰৱ দূৰ্গাপূজা সময়ত পালন কৰা হয়- যদিও দূৰ্গাপূজা-পাৰ্বনৰ লগত ইয়াৰ কোনো বিশেষ সম্পৰ্ক নাই। দাঁশায় উৎসৱত ‘লবই নৃত্য’ পৰিৰেশন কৰা হয়। এই নৃত্য কৰিবলৈ চাওঁতাল সকলে মূৰত দাৰহি বা পাগুৰি মাৰি লয়। পাগুৰিটোৰ মূৰৰ পৰা প্ৰায় দুই হাত মান দীঘল কাপোৰ একাংশ পিছফালে ওলমি থাকে। এই নৃত্যত অংশগ্ৰহণ কৰা ডেকা সকলে পাগুৰিত মাৰা পিঞ্চাৰ অৰ্থাৎ ময়ুৰৰ পাখি মাৰি লয়। লগতে ডিঙিত মালা, কাণত মণি, ভৰিত লিপুৰ পিন্ধে। দাঁশায় নৃত্য কৰিবলৈ তেওঁলোকে বাদ্যযন্ত্ৰ হিচাপে তুমদা (মাদল), টামাক (নাগাৰা), কৰতাল (তাল), ভুয়াং ব্যৱহাৰ কৰে। লবই নৃত্যত হস্ত স্ঞ্চালন কৰা দেখা নাযায়। ককালৰ পৰা শৰীৰৰ ওপৰৰ ভাগ হাউলি কিছুদুৰ পিছুৱাই আহি বিহু নাচ নচাৰ দৰে নৃত্য কৰে। লবই নৃত্য কৰি ডেকা সকলে ইখন গাঁৱৰ পৰা সিখন গাঁওলৈ ঘুৰি ফুৰে।

অসমৰ বাপতিসাহোন বিহুৰ ৰং ৰহস্যৰ উপভোগ কৰিবলৈ বিহু নৃত্য-গীত আদিত ব্যৱহৃত লোকবাদ্য সমূহৰ ভিতৰত হ’ল ঢোল, তাল, বাঁহৰ তকা, ম’হ শিঙৰ পেপা, গগনা আদি। ঠিক তেনেকৈ চাওঁতাল সকলৰ বাহা নৃত্য-গীততো তুমদা (মাদল), টামাক, চাকৰা, শিঙা আদি ব্যৱহাৰ কৰা দেখা যায়। চাওঁতাল সকলে কাৰাম পৰৱত তুমদা-টামাক ব্যৱহাৰ কৰে।

সাধাৰণতে চাওঁতাল সকলে ব্যৱহাৰ কৰা পৰম্পৰাগত লোকবাদ্য সমূহ হ’ল তুমদা (মাদল), টামাক(নাগাৰা), বানাম (ভায়োলিন সদৃশ বাদ্য), তিৰিয় (বাঁহী), শিঙা, চাকৰা (ম’হৰ শিঙৰ পেপা আকৃতিৰ বাদ্য), ভুয়াং, চুৰচুৰি, ঢাক, কৰতাল (তাল), ঘান্টি আদি। একেদৰে চহৰাই নৃত্যত তুমদা, টামাক, তিৰিয়(বাঁহী)ক মূল বাদ্যযন্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হয়।

লোক-কৃষ্টি বা সাংস্কৃতিক দিশতো চাওঁতাল সকল চহকী। তেওঁলোকৰ মাজত বাহা নৃত্য,চহৰাই নৃত্য-গীত, লাগড়ে নৃত্য-গীত, চিকাৰ গীত, ভুঁই ৰোৱা গীত, ধান দাওতে গোৱা গীত ( কেৱল মহিলা সকলে গায়), বাপলা চেৰেং (বিয়ানাম), ছাটিয়াৰ চেৰেং আদি উল্লেখযোগ্য বিভিন্ন লোক নৃত্য-গীত প্ৰচলিত হৈ থকা দেখা যায়। চাওঁতাল সকলৰ এই নৃত্য-গীত সমূহ পৰিৰেশনত তুমদা (মাদল), টামাক, কৰতাল, তিৰিয় (বাঁহী) আদি বাদ্যযন্ত্ৰৰ ব্যৱহাৰ হোৱা দেখা যায়।

চাওঁতালী সকলৰ বিয়ানাম সমূহত চাওঁতাল জনগোষ্ঠীৰ জনসমাজত প্ৰচলিত বিবাহ সম্পৰ্কীয় ৰীতি-নীতি তথা সমাজ জীৱনৰ প্ৰতিচ্ছবিৰ প্ৰকাশ ঘটে। চাওঁতাল জনগোষ্ঠীৰ বিবাহ পদ্ধতি, শৱ সৎকাৰ, পূজা-পাৰ্বণ লোকবিশ্বাস আদিত স্বকীয় বৈশিষ্ট্য বিৰাজমান।

চাওঁতাল জনগোষ্ঠীৰ ভাষা, লোক-সংস্কতিৰ বিস্তৃত পৰ্যালোচনা এই প্ৰৱন্ধৰ ক্ষুদ্ৰ পৰিসৰত

সম্ভৱ নহয়। চাওঁতাল সকলৰ ঐতিহ্য আৰু সংস্কৃতিৰ এটি সামান্য ধাৰণা দাঙি ধৰাৰ বাবেহে এই লেখা যুগুত কৰা হৈছে।

(প্ৰবন্ধটো যুগুত কৰোতে সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ দ্বাৰা প্ৰকাশিত স্মৃতিগ্ৰন্থ টামাক, বাহা, দিনীশা, ধ্ৰুৱকুমাৰ তালুকদাৰৰ অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোক উৎসৱ গ্ৰন্থ আদিৰ সহায় লোৱা হৈছে।)

# ৭

# অসমীয়া আৰু নেপালী লোকসমাজৰ সম্পৰ্ক আৰু সাংস্কৃতিক সমন্বয়

*দীননাথ নিৰলা*



**নেপালী লোক নৃত্যৰ এক দৃশ্য**

কালক্ৰমত সংস্কাৰ হৈ অহা জ্ঞান, বিজ্ঞান, বুদ্ধি বিকাশ, শিল্প, কলা-কৌশল, আচাৰ-ব্যৱহাৰ, উৎসৱ, পূজা-পাৰ্বন, সামাজিক শৃঙ্খলাবোধ আৰু মানৱীয় মূল্যবোধৰ উপাদানবোৰকেই সংস্কৃতি ৰূপে আখ্যা দিব পাৰি। সংস্কৃত ভাষাৰ সংস্কাৰ শব্দৰ পৰা সংস্কৃতি শব্দৰ সৃষ্টি হৈছে। সম্ আৰু কৃতি এই দুই শব্দ সংমিশ্ৰণত সৃষ্টি হৈছে সংস্কৃতি। সম্ অৰ্থাৎ উত্তম অথবা ভাল আৰু কৃতি শব্দই কোনো

কাৰ্যৰ ভাৰ পুষ্ট কৰে। সেয়েহে সংস্কৃতি শব্দই কোনো উত্তম অথবা ভাল কাৰ্য হোৱাৰ সংকেত কৰে। মূলত সংস্কৃতি শব্দৰ দ্বাৰা সংস্কাৰ হোৱা জ্ঞান বুদ্ধিৰ ভঁৰালক সংস্কৃতি বুলি কোৱা হয়। মানৱ সমূদায়ে নিজস্ব জীৱনধাৰণৰ পদ্ধতি সৃষ্টি কৰি সু-সংগঠিত সমাজ নিৰ্মাণৰ বাবে ভৌগোলিক অৱস্থানৰ সুবিধা মতে কিছুমান নীতি নিৰ্দেশনা প্ৰস্তুত কৰি লয়। এই সকলোবোৰক একেলগেত সংস্কৃতি আখ্যা দিব পাৰি। সংস্কৃতিয়ে সদায় সমন্বয়ৰ পোষকতা কৰে। যেনেকৈ পৃথিৱীত মিশ্ৰণত তিলমাত্ৰাও গোন্ধ নথকা সমাজ বিচাৰি পোৱা নাযায় ঠিক তেনেকৈ অবিমিশ্ৰ সংস্কৃতিও পাবলৈ নাই। সাংস্কৃতিক সান্নিধ্যৰ যোগেদি সংহতি নতুবা মহামিলন সম্ভৱ হ'ব পাৰে। কেতিয়াবা আকৌ কোনো এটা প্ৰক্ৰিয়াৰ জৰিয়তে বিভিন্ন নৃ-গোষ্ঠীৰ সাংস্কৃতিক সমলৰ সংযোগত আন এটি পৰিপূৰ্ণ সংস্কৃতি গঢ় লৈ উঠিব পাৰে। এনে প্ৰক্ৰিয়াৰ দ্বাৰা গঢ়ি উঠা নতুন সংস্কৃতি আমি সমাহৰণ প্ৰক্ৰিয়াৰ দ্বাৰা সৃষ্টি হোৱা সংস্কৃতি হিচাপে ল'ব পাৰো। ভাৰতীয় সংস্কৃতিৰ সৃষ্টিত এনেকৈ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক প্ৰক্ৰিয়াৰ দ্বাৰা অষ্ট্ৰলয়ড, মংগোলয়ড, নিগ্নিতো আদি সংস্কৃতিৰ লগত ঐতিহাসিক সমন্বয় ঘটি ভাৰতীয় সংস্কৃতিৰ সৃষ্টি হৈছে।

ভাৰতীয় সংস্কৃতিৰ দৰে অসমীয়া সংস্কৃতিও সমন্বয়ৰ সংস্কৃতি বুলি ক'ব পাৰি। কাৰণ অসমীয়া সংস্কৃতিৰ উদ্ভৱ, বিকাশ আৰু অগ্ৰগতিত মঙ্গোলয়ড, অষ্ট্ৰলয়ড, দ্ৰাবিড়ীয় আৰু আৰ্য্য সংস্কৃতিৰ প্ৰভাৱ আছে। এই চাৰিটা নৃ-গোষ্ঠীৰ সাংস্কৃতিক সমলৰ সমাহৰণত অসমীয়া সংস্কৃতিৰ জন্ম হৈছে। আনকি হিন্দু সংস্কৃতিৰ বিকাশ আৰু অগ্ৰগতিতো মঙ্গোলয়ড, অষ্ট্ৰলয়ড আৰু দ্ৰাবিড়ীয় নৃ-গোষ্ঠীৰ অৱদান অস্বীকাৰ কৰিব নোৱাৰি।

ডঃ সুনীতি কুমাৰ চেটাৰ্জীয়ে এঠাইত লিখিছে— The Austrics, the Dravidians and the Aryans were the language culture groups which were jointly responsible or unconsciously in the evolution of Hindu culture. তদুপৰি চিনীয়-তিব্বতীয় আৰু মঙ্গোলয়ড ভাষা সংস্কৃতিৰ অৱদানৰো হিন্দু সংস্কৃতিৰ বিকাশত যথেষ্ট অৰিহণা আছে। জাতিৰ বিকাশৰ বাবে পৰিবৰ্তনৰ আৱশ্যকতা যেনেকৈ অস্বীকাৰ কৰিব নোৱাৰি ঠিক তেনেকৈ মৰ্যাদা সম্পন্ন জাতিৰ ৰূপত নিজকে প্ৰতিষ্ঠা কৰিবলৈ মৰ্যাদাপূৰ্ণ স্বকীয় সংস্কৃতিৰ আৱশ্যকতাকো নুই কৰিব নোৱাৰি।

মেথিও আৰ্নোল্ডিৰ— Culture and Anarchy নামৰ কিতাপত সংস্কৃতিৰ বিষয়ে কবলৈ গৈ তেখেতে কৈছে— culture means genuine but disinterested curiosity in every thing that is pasy and present. সেয়েহে আমিও আজি সংস্কৃতি নামৰ এই বহুমূল্য সম্পদৰাজিক সামাজিক জীৱনৰ লগত সমাহৰণ প্ৰক্ৰিয়াৰে সম্পূৰ্ণতা প্ৰদান কৰি এই মূল্যৱান সম্পদক সংস্কাৰৰ যোগেদি জনমানসত আস্থা আৰু বিশ্বাসৰ সামাজিক প্ৰতিমূৰ্ত্তি নিৰ্মাণ কৰি পূৰ্ণতা প্ৰদানত সক্ৰিয় সহযোগ আগবঢ়াব লাগে।

এই সংস্কৃতি হৈছে সমাজ আৰু ৰাষ্ট্ৰৰ উত্থান-পতনৰ মেৰুদণ্ড। প্ৰতিটো জাতি জনগোষ্ঠীয়ে ভৌগোলিক অৱস্থানৰ অনুকুলে নিজস্ব সংস্কৃতি গঢ়ি তোলে। বৃহত্তৰ অসমীয়া জাতি গোষ্ঠীৰ অঙ্গ হিচাপে অন্যান্য জাতি গোষ্ঠীৰ লগতে নেপালী সকলেও নিজস্ব পূজা-পাৰ্বণ, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিক সাৱটি লৈ যুগ সাপেক্ষ সংস্কৃতি বহন কৰি সুশৃঙ্খলভাৱে অগ্ৰসৰ হৈ আহিছে। বিভিন্ন সামাজিক, সাংস্কৃতিক উপাদানৰ সংমিশ্ৰনত ৰূপান্তৰৰ মাধ্যমেদি অসমীয়া আৰু নেপালী উভয়ৰে

সমাজ তথা সংস্কৃতি গঢ় লৈ উঠিছে। নেপালীসকলেও নিজস্ব ভাষা-সংস্কৃতি আকোৱালি লৈও বৃহৎ অসমীয়া জাতি সত্বাৰ অবিচ্ছেদ্য অঙ্গ হৈ পৰিছে। ধৰ্ম-সংস্কৃতি দিশৰ পৰাও নেপালী সমাজৰ লগত অসমীয়া সমাজৰ বিশেষ পাৰ্থক্য নাই। লোক সংস্কৃতি আৰু শিষ্ট সংস্কৃতিৰ দিশৰ পৰাও নেপালী আৰু অসমীয়া সমাজৰ মাজত বহুখিনি সাদৃশ্য দেখা পোৱা যায়। নেপালী আৰু অসমীয়া সমাজৰ মাজত সম্পৰ্ক কেতিয়াৰ পৰা আৰম্ভ হ'ল সেই বিষয়ে কোনো তথ্যভিত্তিক প্ৰমাণ নহ'লেও প্ৰাচীন ঐতিহাসিক সমল আৰু অধ্যয়ন সামগ্ৰীবোৰৰ পৰা পোৱা ধাৰণা অনুযায়ী অসম আৰু নেপালৰ সম্পৰ্ক বহু শ বছৰ আগৰ বুলি অনুমান কৰিব পাৰি। বিভিন্ন পুৰাণ আৰু কাব্য-মহাকাব্য আদি গ্ৰন্থবিলাকত কামৰূপ (প্ৰাচীন অসম) আৰু নেপালৰ নাম একেলগে উল্লেখ হোৱাটো আৰু গুৰু মচ্ছেন্দ্ৰ নাথক (নাথ সম্প্ৰদায়ৰ প্ৰতিষ্ঠাপক গুৰু) বিচাৰি গোৰখ নাথ কামৰূপলৈ অহা ঘটনাৰ পৰাও নেপাল আৰু কামৰূপৰ সম্বন্ধৰ বিষয়ে জানিব পৰা যায়। গুৰু মচ্ছেন্দ্ৰনাথ নেপালত আছিল আৰু খ্ৰীষ্টিয় অষ্টম শতাব্দীত গুৰুজনাই বৌদ্ধ সিদ্ধাচাৰ্যৰ ৰূপত প্ৰসিদ্ধি লাভ কৰিছিল। বৌদ্ধ আৰু শৈৱ, দুই ধৰ্মৰ সাৰ গ্ৰহণ কৰি গুৰুজনাই শৈৱ পন্থাৰ প্ৰতিষ্ঠা কৰিছিল। এই মচ্ছেন্দ্ৰনাথ গুৰুৰ প্ৰিয় শিষ্য আছিল গুৰু গোৰখ নাথ। অসমৰ লেখীয়াকৈ নেপালতো গুৰু গোৰখ নাথৰ শিষ্য 'যোগী' সকল হোৱা আৰু অসমীয়া ভাষাৰ আদি ৰূপে স্বীকৃত 'চৰ্য্যাপদ' পুথি নেপালৰ সম্বন্ধ অতি প্ৰাচীন কালৰ পৰাই বৰ্তি আছিল। অসম বুৰঞ্জীৰ তথ্য মতে প্ৰাচীন অসম প্ৰাগজ্যোতিষপুৰৰ কিৰাত বংশীয় প্ৰথম ৰজা মহীৰংগ দানৱ বুলি স্বীকৃতি পোৱা আৰু নেপালতো কিৰাত ৰাজ্য থকাৰ প্ৰমানে নেপাল আৰু অসমৰ সম্বন্ধ আৰু অধিক নিকটতন কৰি তোলে। অসমত বসবাস কৰা আষ্ট্ৰিক আৰু মঙ্গোলীয় গোষ্টীৰ বড়ো, কছাৰী, কাৰবি, ডিমাছা, তিৱা, কোচ, মেচ, দেউৰী আদি জনগোষ্ঠীৰ লগত নেপালত বসবাস কৰা কিৰাত প্ৰদেশৰ বাসিন্দাৰ শাৰীৰিক গঠনৰ পৰা লৈ আচাৰ-ব্যৱহাৰ, খোৱা-বোৱা, প্ৰথা-প্ৰচলন, মানসিক বিকাশ আৰু চিন্তা চৰ্চা আদিৰ মিল থকা কথাবোৰে নেপাল আৰু অসমৰ সম্বন্ধৰ বিষয়ে অৱগত কৰায়। এই দুই ঠাইৰ মানুহৰ মাজত তান্ত্ৰিক পন্থা আৰু বলি বিধান নিয়মৰ প্ৰচলনেও দুই ঠাইৰ সম্বন্ধৰ বিষয়ে জ্ঞান দিয়ে। লগতে এই দুই ঠাইৰ মাজত বৈবাহিক সম্বন্ধ স্থাপন আদিয়েও নেপাল আৰু অসমৰ সম্বন্ধৰ বিষয়ে জানিব পৰা যায়। খ্ৰীষ্টিয় অষ্টম শতাব্দীত কামৰূপৰ শালস্তম্ভ বংশৰ ৰজা হৰ্ষ বৰ্মাৰ কন্যা ৰাজ্যমতীক নেপালৰ লিচ্ছবী বংশীয় ৰজা জয়দেৱ দ্বিতীয়ই বিয়া কৰা কাৰ্য আৰু নেপালৰ ৰাজকুমাৰী ৰত্নকান্তীৰ লগত অসমৰ কোচৰজা বিবাহপাশত আবদ্ধ হোৱা কথাই নেপাল আৰু অসমৰ সম্বন্ধ অতি প্ৰাচীন বুলি অনুমান কৰিব পাৰি। লগতে অসমীয়া আৰু নেপালী ভাষাত ব্যৱহাৰ হোৱা শব্দবোৰৰ সাদৃশ্য আৰু ইতিহাসে দৰ্শোৱা সমলবোৰৰ দ্বাৰা নেপাল আৰু অসমৰ সম্পৰ্ক অতি প্ৰাচীন বুলি ক'ব পাৰি। সেই সময়ৰ পৰা এতিয়ালৈকে নেপালী আৰু অসমীয়া সমাজৰ মাজত গঢ় লৈ উঠা সাংস্কৃতিক সংমিশ্ৰনৰ প্ৰক্ৰিয়াও ক্ৰমে দৃঢ়ৰ পৰা দৃঢ়তৰ হৈ আহিছে। অসমৰ নেপালী সংস্কৃতিও বিভিন্ন উপাদানাৰ সংমিশ্ৰণত সমন্বয়ৰ সৃষ্টি হৈছে। অসমৰ অন্যান্য জাতি জৰগোষ্ঠীৰ দৰে নেপালী সকলেও স্বকীয় পৰম্পৰাৰে নিজৰ ধাৰ্মিক বিধি বিধান আৰু উৎসৱ পাৰ্বণবোৰ পালন কপি আহিছে। বছৰৰ চ'ত মাহক অন্তিম মাহ হিচাপে আৰু ব'হাগ মাহক বছৰৰ আৰম্ভণি হিচাপে লৈ নেপালী জাতিৰ উৎসৱবোৰ উদয় হোৱা দেখিবলৈ পোৱা যায়। নেপালী সমাজৰ মূল উৎসৱবোৰৰ ভিতৰত অচাৰে পন্দ্ৰ (আহাৰ মাহৰ পোন্ধৰ তাৰিখ), শাউনে সংক্ৰান্তি (শাওন মাহৰ সংক্ৰান্তি তিথি),

তীজ (বিশেষকৈ মহিলা সকলৰ উৎসৱ), দচৈঁ (দুৰ্গা পূজা), তিহাৰ (দেৱালী) আৰু মাঘে সংক্ৰান্তি (মাঘ মাহৰ সংক্ৰান্তি তিথি) আদিয়েই প্ৰধান। কিন্তু বৰ্তমান অসমৰ নেপালী সমাজত দেশ, কাল, পৰিৱেশ আৰু সঙ্গৰ প্ৰভাৱত নতুনকৈ কিছু উৎসৱবোৰো অন্তৰ্ভুক্তি হৈছে। সেইবোৰ হ'ল ভোগালী বিহু, ৰঙালী বিহু আৰু ফাগুন মাহৰ পূৰ্ণিমা তিথি অৰ্থাৎ ফাকুৱা। এই উৎসৱবোৰো নেপালী সমাজে আকোৱালি লৈ অন্যান্য জাতি জনগোষ্ঠীৰ ৰগত লগ লাগি অগ্ৰসৰ হোৱা দেখিবলৈ পোৱা যায়।

শ্ৰদ্ধাভাজন পাঠক বৃন্দ, আজি আমি এই লিখনিত এই আটাইবোৰ উৎসৱৰ বিৱৰণ দিয়াৰ পৰিবৰ্তে এই লিখনিৰ মূল উদ্দেশ্য নেপালী সমাজ আৰু অসমীয়া সমাজৰ সাংস্কৃতিক সাদৃশ্যতা আৰু সমন্বয়ৰ বিষয়ে আলোকপাত কৰাৰ চেষ্টা থকা হেতুকে এই বিষয়ত আগবাঢ়িব বিচাৰোঁ। এই উদ্দেশ্যেৰে আমি বিশেষভাৱে দুয়ো সমাজৰ সাংস্কৃতিক উৎসৱ তিহাৰ (দেৱালী) আৰু ব'হাগ বিহু অৰ্থাৎ ৰঙালী বিহুৰ বিষয়ে তুলনামূলক আলোচনা আগবঢ়াব বিচাৰোঁ।

নেপালী সমাজৰ লোক উৎসৱবোৰৰ ভিতৰত 'তিহাৰ' উৎসৱ অন্যতম। এই উৎসৱ কাতি মাহৰ ত্ৰয়োদশী তিথিৰ পৰা আৰম্ভ হৈ পাঁচ দিনীয়াকৈ পালন কৰা হয়। এই পৰ্বৰ প্ৰথম দিনক কাগ তিহাৰ (কাউৰী তিহাৰ) নামাকৰণেৰে পালন কৰা হয়। সেইদিনা পক্ষীৰ ভিতৰৰ কাউৰীক বছৰটোৰ বাবে 'শুভ সবাদ' আনি দিবৰ বাবে প্ৰাৰ্থনা জনাই সেৱা আগবঢ়াই পূজাভাগ দিয়া হয়। নেপালী সমাজৰ মতে কাউৰীয়ে প্ৰাতবেলা ঘৰৰ ওচৰলৈ আহি কা— কা— ধ্বনি উচ্চাৰণ কৰিলে কিবা নতুন শুভ অথবা অশুভ বাৰ্তা বহন কৰি লৈ অহা জনবিশ্বাস আছে।

দ্বিতীয় দিনা কুকুৰ তিহাৰ নামাকৰণেৰে প্ৰাতবেলা কুকুৰক পূজাভাগ আগবঢ়াই মালা পিন্ধাই খোৱা বস্তু অৰ্পন কৰা হয়। প্ৰভূভক্ত আৰু বিশ্বাসী প্ৰাণী হিচাপে সন্মান জনাই পূজাভাগ আগবঢ়োৱা হয়।

তৃতীয় দিনা গাই তিহাৰ নামাকৰণেৰে পালন কৰা হয়। সেইদিনা প্ৰাত উঠি গোহালি আদি চাফ চিকুন কৰি নতুন পঘা দি গাই গৰুক পূজা কৰি মালা পিন্ধাই শ্ৰদ্ধাভক্তি অৰ্পন কৰা হয়। নেপালী সকলে গাই গৰুক লক্ষীৰ প্ৰতীক হিচাপে জ্ঞান কৰে। সেইদিনা ঘৰত কলপুলি পুতি চাকি বন্তি জ্বলোৱা হয় আৰু ৰাতি সম্পদৰ অধিষ্ঠাত্ৰী দেৱী লক্ষীৰ পূজা কৰা হয়। ইয়াৰ পিছতেই স্ত্ৰী জাতিৰ 'ভইলো' খেলা আৰম্ভ হয়। মহিলা সকলে দলবদ্ধভাৱে ঘৰে ঘৰে গৈ 'ভইলো' খেলা কাৰ্যক নেপালী সকলে লক্ষী আগমনৰ শুভ সংকেত হিচাপে মানি লয়। এই নেপালী সমাজৰ মহিলা সকলে দলবদ্ধভাৱে ঘৰে ঘৰে গৈ এনেদৰে 'ভইলী' গীত গোৱাও শুনিবলৈ পোৱা যায়।

'ভৈলেনী আঁয়ৌ আঁগন বঢ়াৰী-কুঢ়াৰী ৰাখন হে

অঁউসী বাৰ গাই জিহাৰ ভৈলো'

এনেকৈ মহিলা সকলে চতুৰ্থ দিনা 'হলি তিহাৰ' অৰ্থাৎ হালোৱা গৰু তিহাৰ হিচাপে পালন কৰা হয়। সেইদিনা হালোৱা গৰুৰে পৰিয়ালৰ সদস্যৰূপে বছৰ দিন ধৰি খেতিৰ কামত সহায় সহযোগ কৰাৰ স্বীকৃতি প্ৰদান কৰি কৃতজ্ঞতাৰ চিন স্বৰূপে পূজাভাগ অৰ্পন কৰি মালা পিন্ধাই মিষ্টান্ন আদি প্ৰদান কৰা হয়। এই পূজাৰ পিছত পুৰুষ সকলে 'দেউচী' খেলিবলৈ আৰম্ভ কৰে। পুৰুষ সকলে

দলবদ্ধভাৱে গৃহস্থৰ ঘৰে ঘৰে গৈ গৃহস্থ তথা গোটেই সমাজখনৰ মঙ্গলৰ কামনা কৰি দেউচী গীত আৰম্ভ কৰে আৰু শেষত গৃহস্থৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰি আশীৰ্বাদ প্ৰদান কৰে।

তিহাৰ উৎসৱৰ পঞ্চম দিনক ভাইটিশ অৰ্থাৎ 'ভাতৃ দ্বিতীয়া' বোলা হয়। সেইদিনা ভাই-ককায়েকক বায়েক-ভনীয়েকে ৰামধেনু ৰঙৰ টীকা (ফোঁট) লগাই সু-স্বাস্থ্য, দীৰ্ঘায়ু আৰু মঙ্গল কামনা কৰে। এনেকৈ পাঁচদিন ধৰি এই উৎসৱ পালন কৰা বাবে ইয়াক 'পঞ্চ তিহাৰ' বুলিও কোৱা হয়। অসমীয়া লোক সমাজত প্ৰচলিত সাত বিহুৰ লগত সাদৃশ্য থকা দেখা যায়। ৰঙালী বিহুৰ প্ৰথম দিনা গৰু বিহু কোৱা হয়। গো সম্পদৰ যতন লৈ কুশল কামনা কৰি যথোচিত কৃতজ্ঞতা প্ৰদৰ্শন কৰাই হৈছে গৰু বিহুৰো মূল লক্ষ্য আৰু উদ্দেশ্য। সেইদিনা গাই গৰু, হালোৱা গৰু আদিক গা ধুৱাই নতুন পঘা দি দীঘলতি-মাখিয়তিৰে কোবাই আদৰ যতন লোৱা প্ৰথা পৰম্পৰাৰূপে চলি আহিছে। সাত বিহুৰ দ্বিতীয় দিনক— মানুহ বিহু হিচাপে পালন কৰা হয়। সেইদিনা কনিষ্ঠ সকলে জ্যেষ্ঠসকলক সেৱা জনায় আৰু আশীৰ্বাদ গ্ৰহণ কৰে। তৃতীয় দিনা গোঁসাই বিহু ৰূপে পালন কৰি নামঘৰত সোমাই ঈশ্বৰৰ নামত নৈবেদ্য প্ৰসাদ আদি আগবঢ়োৱা হয়। চতুৰ্থ দিনা তাঁতৰ বিহু হিচাপে অসমীয়া শিপিনীৰ প্ৰধান সম্বল তাঁতশালখনৰ যতন লোৱা হয়। পঞ্চম দিনা ৰাঙলৰ বিহুত কৃষিৰ সঁজুলি নাঙল-যুঁৱলি ধুই পখালি কৃষি কৰ্মৰ বাবে সাজু হয়। ষষ্ঠ দিনা অন্যান্য ঘৰচীয়া পশু-পক্ষীৰ যতন লোৱা হয় আৰু সপ্তম দিনা অৰ্থাৎ অন্তিম দিনা অনেক বিধ আঞ্জাৰে ভোজভাত খোৱাৰ পিছত সাত বিহুপ সামৰণি পৰে। নেপালী সমাজৰ তিহাৰ উৎসৱৰ দৰে এই বিহুৰ আটাইকেইদিন আবাল-বৃদ্ধ-বনিতাই ঘৰে ঘৰে হুঁচৰি গাই গৃহস্থৰ মঙ্গল কামনাৰে আনন্দময় পৰিৱেশৰ সৃষ্টি কৰে। অসমীয়া সমাজত প্ৰচলিত প্ৰথা কনিষ্ঠ সকলে মান্যজন সকলক গামোচা প্ৰদান কৰি সেৱা আৰু সন্মান আগবঢ়োৱাৰ দৰে নেপালী সমাজতো তিহাৰ উৎসৱৰ সময়ত ভাই ককায়েকে বায়েক অথবা ভনীয়েকক কোনো নতুন বস্ত্ৰ আদান-প্ৰদান কৰাৰ প্ৰথা অদ্যাৱধি চলি আহিছে।

নেপালী সমাজৰ তিহাৰ উৎসৱ শৰৎ কালত আৰু অসমীয়া সমাজৰ ৰঙালী বিহু বসন্ত কালত অনুষ্ঠিত হয়। প্ৰাকৃতিক দিশৰ পৰাও এই দুই উৎসৱৰ সাদৃশ্য অনুভৱ কৰিব পাৰি। কাৰণ এই দুই সময়ছোৱাতেই প্ৰকৃতিৰ বতৰৰ অৱস্থা প্ৰায় মিল থকা দেখা যায়।

ৰঙালী বিহুৰ হুঁচৰি আৰু তিহাৰ পৰ্বৰ দেউচী উভয়কে কলাধৰ্মী অনুষ্ঠান বুলি ক'ব পাৰি। দেউচী আৰু হুঁচৰি এই দুই অনুষ্ঠানৰেই পৰিৱেশন থলী গৃহস্থৰ ঘৰৰ চোতালত হয়। উভয় অনুষ্ঠানেই দলবদ্ধভাৱে পৰিৱেশন কৰা হয়। প্ৰথমে এজনে আঁত ধৰে আৰু পিছত অন্য সদস্য সকলে গাবলৈ আৰম্ভ কৰে। হুঁচৰি আৰু দেউচী উভয়ে উৎসৱৰ লগত জড়িত পৰম্পৰা। দুয়ো অনুষ্ঠানেই পৌৰাণিক কাব্য-মহাকাব্য আদিৰ পৰা উদ্ধৃত পদ ফাঁকিৰে আৰম্ভ কৰা হয়। অসমীয়া সমাজৰ হুঁচৰি গীতত এনেদৰে প্ৰকাশ কৰাও শুনিবলৈ পোৱা যায়।

"কৃষ্ণৰ সুৰৰে বকুল ফুল এপাহি
নিয়ৰ পাই মুকলি হ'ল—
গোবিন্দই ৰাম"

ঠিক তেনেদৰে দেউচী গীততো নেপালী সমাজে কোনো পৌৰাণিক আখ্যান আদিৰ পৰা সংগ্ৰহ কৰা পদফাঁকিৰে এনেদৰে চেউচী গোৱাও শুনিবলৈ পোৱা যায়।—

ঝিলি মিলি ঝিলি মিলি— দেউচিৰি ৰাম

কেকো ঝিলিমিলি— দেউচিৰি ৰাম

কালো কাৰ্তিক— দেউচিৰি ৰাম

যম পঞ্চক— দেউচিৰি ৰাম

এনেদৰে চেউচী আৰু হুঁচৰি দুয়ো অনুষ্ঠানতেই ধৰ্মীয় তথা আধ্যাত্মিকতাৰ পৰশ অনুভৱ কৰিবলৈ পোৱা যায়। দুয়ো অনুষ্ঠানতেই ক্ৰমে দেউচিৰি ৰাম আৰু গোবিন্দই ৰাম ধ্বনিয়ে আমাৰ আৰাধ্য পুৰুষ দশৰথ নন্দন শ্ৰীৰামচন্দ্ৰৰ উল্লেখ কৰি আধ্যাত্মিকতাবাদৰ পোষকতা কৰে।

হুঁচৰি দলৰ সদস্যসকলে কপালত চন্দনৰ ফোঁট লগাই হুঁচৰি গাবলৈ অহাৰ দৰে দেউচি গীত পৰিৱেশন কৰিবলৈ অহা দলৰ সদস্যসকলেও জাতীয় পৰম্পৰাৰে কপালত টীকা (ফোঁট) লগাই আহে। এনেদৰে অধিকাংশ সাদৃশ্য থকা দুয়োটা লোক অনুষ্ঠানে দুই সম্প্ৰদায়ৰ মাজত সমন্বয়ৰ সেতু নিৰ্মাণ কৰিছে।

ৰঙালী বিহু আৰু তিহাৰ পৰ্বৰ মাজত থকা সাদৃশ্যৰ দৰে দুই সমাজৰ অন্যান্য দিশতো বহুখিনি মিল থকাৰ প্ৰমাণ পোৱা যায়। নেপালী সমাজত প্ৰচলিত 'বালুন' আৰু অসমীয়া সমাজত প্ৰচলিত 'ওজাপালি'ৰ মাজতো যথেষ্ট সাদৃশ্য থকা অনুভৱ হয়। উভয় লোক সংস্কৃতিত দল হিচাপে অংশগ্ৰহণ আৰু প্ৰথমে এজনে আৰম্ভ কৰাৰ পিছত অন্যান্যসকলে অংশগ্ৰহণ কৰে। তদুপৰি দুয়ো লোক সংস্কৃতিয়ে পৌৰাণিক আখ্যান আদিৰ পৰা পদবোৰ বাচি লৈ পৰিৱেশন কৰা কাৰ্যই ধৰ্মীয় দিশৰ পোষকতা কৰে।

ঠিক তেনেদৰে নেপালী সমাজৰ 'মাগল গীত' অসমীয়া সমাজৰ বিয়া নামৰ মাজতো বহুক্ষেত্ৰত সাদৃশ্যতা ধৰা পৰে। নেপালী সকলৰ মাগল গীত এনেধৰণে পৰিৱেশন কৰাও শুনা যায়—

'ভিত্ৰ দেখি ছম ছম বলেঁচিমা জাউন

ভোকো পেট ফুকো কেশ কন্যাদান দেউন'

অসমীয়া সমাজৰ বিয়ানামতো ঠিক একে ভাৱৰ প্ৰকট কৰা শুনিবলৈ পোৱা যায় এনেদৰে—

'যোৱা বাইদেউ যোৱাগৈ

ৰভাঘৰত বহাগৈ

হাতত সাৰু ফুলৰ মালা

ভিনিদিউক বৰাগৈ।'

এনেদৰে দেখা যায় অসমীয়া আৰু নেপালী সমাজৰ মাজত ধৰ্মীয় সংস্কৃতি, লোক সংস্কৃতিৰ ক্ষেত্ৰত যথেষ্ট সাদৃশ্য আছে। এনেদ সাদৃশ্যৰ বাবে দুয়ো সমাজৰ মাজত সমন্বয়ৰ সেতু গঢ়ি উঠিছে। লগতে আশা আৰু বিশ্বাসৰ জন্ম ন দি ক'বলৈ মন যায় যে— এই দুই সমাজৰ অংশীদাৰ সকলৰ সমন্বয়ৰ ভঁৰালে অসমৰ অন্যান্য জাতি জনগোষ্ঠীৰ লগতো মিলাপ্ৰীতি আৰু একতাৰ দোলেৰে বান্ধ খাই সামাজিক আৰু সাংস্কৃতিক দিশত আগুৱাই যোৱাৰ পথ সুগম হ'ব।

৮

# চাহ জনগোষ্ঠীৰ বৰ্ণাঢ্য লোক সংস্কৃতিৰ এক চমু অৱলোকন

*নকুল কুৰ্মী*



**চাহ জনগোষ্ঠীৰ ঝুমুৰ নৃত্যৰ এক দৃশ্য**

মানৱ সভ্যতাৰ বিৱৰ্ত্তনৰ বিভিন্ন স্তৰত জীৱিকাৰ সন্ধানত পৃথিৱীৰ বিভিন্ন ঠাইৰ জাতি-জনগোষ্ঠীয়ে এটা স্থানৰ পৰা অন্য এটা স্থানলৈ ঢাপলি মেলা দেখা যায়। নতুন ঠাইত তেওঁলোকে নিগাজীকৈ থাকিবলৈ লোৱাৰ লগে লগে জন্ম হয় এখন নতুন সমাজ তথা নতুন পৰম্পৰাৰ। আদিম মানৱ সভ্যতাৰ দিনৰে পৰা এই প্ৰক্ৰিয়াৰ ধাৰা আৰম্ভ হৈ বৰ্তমানেও ই বিদ্যমান আৰু ভৱিষ্যতলৈয়ো এই ধাৰা অব্যাহত থাকিব। অসমৰ চাহ জনগোষ্ঠীৰ বিভিন্ন জাতি-উপজাতিৰ লোক সকলো ইয়াৰ

ব্যতিক্ৰম নহয়। বৃটিছ চাহ পুঁজিপতি সকলে তেওঁলোকক আড়কাঠিয়া আৰু গিৰমিটীয়া আদি প্ৰথাৰে অসমৰ চাহ বাগিচাত চুক্তিবদ্ধ শ্ৰমিক হিচাবে লৈ আহিছিল।

আজিৰ চাহ জনগোষ্ঠীৰ লোকসকলক সৌ তাহানিতেই ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাই বৃহত্তৰ অসমীয়া জাতি সত্তাৰ এক অংশ ৰূপে স্বীকৃতি প্ৰদান কৰি অসমীয়া ডেকাৰ উক্তি কবিতাত এনেকৈয়ে ঘোষণা কৰিছিল।

*"সাম্য মৈত্ৰীৰ ময়েই ৰণুৱা / চাহ বাগিচাৰ ময়েই বনুৱা / ন- অসমীয়া, মৈমন ছিঙীয়া / থলুৱা নেপালী মই নৃত্য-কুশলী মণিপুৰীয়া মই।..." — জ্যোতি প্ৰসাদ আগৰৱালা।*

অসমৰ অতীত বুৰঞ্জীলৈ আঙুলিয়াই দি জ্যোতি ককাইদেৱে আন এঠাইত প্ৰকাশ কৰিছে এইদৰে — "অসমৰ বুৰঞ্জীয়ে দেখুৱাইছে যে অসমীয়া জাতিটো ভাৰতৰ আন আন প্ৰদেশৰ পৰা অহা জনগোষ্ঠীয় ভাৰতবাসী মানুহৰ সোঁত আৰু অসমৰ থলুৱা মানুহৰ নানা উপজাতি লগ খাইহে বৰ্তমানৰ এই অসমীয়া জাতি হৈছে।"

অসম বিভিন্ন জনগোষ্ঠী, জাতি-উপজাতি আৰু জনজাতিৰ মিলনক্ষেত্ৰ। ইয়াত বড়ো, ৰাভা, মিছিং, কাৰ্বি, ডিমাছা, কছাৰী, দেউৰী, তিৱা, মৰাণ, মটক, চুতীয়া, আহোম, কোঁচ-ৰাজবংশী, চাহজনগোষ্ঠী-আদিবাসী, নেপালী, সংখ্যালঘু, বঙালী আদি বিভিন্ন জাতি জনগোষ্ঠীয়ে বসবাস কৰে। প্ৰত্যেক জাতি-জনজাতিৰেই স্বকীয় ভাষা-দোৱান, কৃষ্টি-সংস্কৃতি, সাহিত্য আৰু ধৰ্মীয় পৰম্পৰা আদি থকা স্বত্বেও সকলোৰে সম্প্ৰীতি আৰু সমন্বয়ৰ মাজেদি এক বৃহত্তৰ অসমীয়া জাতি, অসমীয়া সংস্কৃতি গঢ়ি তোলাৰ ক্ষেত্ৰত যৎপৰোনাস্তি অৰিহনা আগবঢ়াই আহিছে।

পৰিৱৰ্ত্তনশীল সমাজ ব্যৱস্থাত ভাষা, সংস্কৃতি, ধৰ্ম, শিক্ষা, অৰ্থনৈতিক অৱস্থা আদিয়ে একোখন সমাজ পৰিৱৰ্তন কৰাত বিশেষ অহিৰণা যোগায়। সুচতুৰ বৃটিছ চাহাব সকলে শাসন আৰু শোষণৰ সুবিধাৰ্থে অসমৰ চাহ বাগিচা সমূহত বিভেদ আৰু শাসন নীতি প্ৰয়োগ কৰি মূল ভূমিৰ পৰা বিচ্ছিন্ন এটা তেনে ধৰণৰ শ্ৰমিক শ্ৰেণী সৃষ্টিৰ পৰিকল্পনা ৰূপায়িত কৰিছিল। আনকি বাগিচা বোৰত শ্ৰমিক সকলৰ বসবাসৰ বাবে গঢ়ি তোলা "বনুৱা লাইন"ত একেটা জাতি গোষ্ঠীৰ লোকক থাকিবলৈ সুবিধা নিদি ভিন্ন ভাষা গোষ্ঠীৰ লোকক বলপূৰ্বক ভাবে সংস্থাপিত কৰা হৈছিল যাতে সংগঠিত হৈ অন্যায়-অত্যাচাৰৰ প্ৰতিবাদ কৰিব নোৱাৰে। চাহ শ্ৰমিক সকলৰ শোষণ-নিপীড়নৰ জীৱন্ত উদাহৰণ এই বিখ্যাত কবিতা ফাঁকিত পৰিস্ফুট হোৱা দেখা যায়ঃ

*কিহেৰে চাহ গছ তেজী হ'ল / মাংৰা ভাই? / 'ককাদেউতাৰ হাড়ৰ সাৰেৰে / জবাব আহে', /*
*কিহেৰে চাহৰ ৰঙ ৰঙা হ'ল বুধুৱা কাই? / 'গিৰিমিটীয়াৰ তেজৰ ৰঙেৰে / আৱাজ উঠে'।*
*— ড° অমলেন্দু গুহ*

চাহ বাগিচাই যিহেতু আজিৰ চাহ জনগোষ্ঠী গঢ়ি উঠাৰ প্ৰাথমিক ভিত্তি সেয়েহে বাগিচাৰ শ্ৰমিক আৰু গাঁও অঞ্চলত বাস কৰা প্ৰাক্তন চাহ শ্ৰমিক সকলৰ সম্পৰ্ক অতি নিবিড়। সম্প্ৰতি অসমৰ চাহ বাগিচাৰ পৰিবেশ আৰু পৰিস্থিতিৰ তাগিদাত তেওঁলোকৰ মাজত এক জাতি সত্বাগত আবেগ (One Nationality Based Sentiment) গঢ় লৈ উঠিছে। প্ৰায় এশটাৰো অধিক জাতি- উপজাতিৰে

(কুৰ্মী, তাঁতী, ঘাটোৱাৰ, ওৰাং, মুণ্ডা, চাওঁতাল, গোৱালা, ৰাজোৱাৰ, বৰাইক, খাড়িয়া, ভূমিজ, চাওৰা, ভূঁইয়া, প্ৰজা, গোড়, কন্ধ, কোল, ভীল, সবৰ, গৰাইত, গঞ্জু, বাউৰী, খদাল, কুমহাৰ, কৈৰী, কয়া, তুৰী, চুঁড়ী, মোদী, হাজাম, তেলী, ৰাজপুত, বাঢ়ৈ, কৰ্মকাৰ, মহান্তি, মাহলি, পানিকা, পাতৰ, হাড়ি, চামাৰ, ঘাঁসী, ডোম, পাইক, তেলেগু, মালী, কিষাণ, জল্হা ইত্যাদি) গঠিত চাহ জনগোষ্ঠী সকলৰ প্ৰত্যেক জাতিগোষ্ঠীৰ নিজা কৃষ্টি, সাংস্কৃতিক উপাদান, সামাজিক ৰীতি- নীতিৰ ভিন্নতা আছে। তাৰে কুৰিটামান জাতি-গোষ্ঠীৰ নিজ নিজ ভাষা আৰু দোৱান আছে। চাওঁতাল, মুণ্ডা, ওৰাঙ, চাওঁৰা, ছত্তিশগড়ী, উৰিয়া আদি উপজাতিৰ লোকসকলে এতিয়াও তেওঁলোকৰ মাজত নিজৰ ভাষা আৰু দোৱানতে ভাৱৰ আদান প্ৰদান কৰে। কুৰ্মীসকলৰ মাজত কুৰ্মালীৰ উপৰিও খৰঠা ভাষাও অঞ্চল ভেদে প্ৰচলিতআছে। সম্প্ৰতি চাহজনগোষ্ঠীৰ মাজত প্ৰচলিত খৰঠা, নাগপুৰীয়া, পাঁচপৰগনীয়া, কুৰমালী আদি শব্দৰ লগতে অসমীয়া, বঙালী, উৰীয়া আদিৰ শব্দৰ সংমিশ্ৰনত গঢ়ি উঠা এক উমৈহতীয়া সংযোগী ভাষাই (One Common Communicating Linguafranca) জাতি-উপজাতি সমূহক একতাৰ ডোলেৰে বান্ধি ৰাখিছে। তেঁওলোকৰ প্ৰচলিত গীত-মাত, সাধুকথা, কিংবদন্তী, ফঁকৰা-যোজনা আৰু সাঁথৰ আদি এই ভাষাৰ জৰিয়তে আদান-প্ৰদান কৰা দেখা যায়।

অসমলৈ শ্ৰম কৰিবলৈ আহোঁতে চাহ জনগোষ্ঠীৰ লোক সকলে লগত একো আনিব নোৱাৰিলেও লৈ আহিছিল হাজাৰ হাজাৰ বছৰ লালন-পালন কৰি থকা কৃষ্টি সাংস্কৃতিৰ এক মেট মৰা সম্ভাৰ। অসমত অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আদি সকলো দিশত দুখ লগাকৈ শোষিত হোৱা এই জনগোষ্ঠীৰ শোষণ মুক্ত হৈ আছে কেৱল সাংস্কৃতিক উপাদান সমূহ; যি বোৰে তেওঁলোকক হাড় ভঙা পৰিশ্ৰম কৰাৰ পিছতো দিছিল জীয়াই থকাৰ প্ৰেৰণা আৰু ভৱিষ্যতৰ আশা-সপোন। কিন্তু অতি পৰিতাপৰ কথা যে, বৰ্তমান বিশ্বায়নৰ ধামখুমীয়াত চলি থকা সাংস্কৃতিক আগ্ৰাসনৰ হাতোঁৰা তেওঁলোকৰ অতিকৈ প্ৰিয় কৃষ্টি সংস্কৃতিৰ ওপৰতো পৰা দেখা গৈছে।

ইয়াত চাহ জনগোষ্ঠীৰ লোক সাংস্কৃতিক উপাদান সমূহ সংক্ষিপ্ত ৰূপত দাঙি ধৰা হ'ল—

চাহ জনগোষ্ঠীৰ সাৰ্বজনীন জাতীয় লোক উৎসৱ কৰম পৰব আৰু টুসু পৰবক বহুতে কৰম পূজা আৰু টুসু পূজা হিচাৱে আখ্যায়িত কৰা দেখা যায়। আচলতে এই দুয়োটা উৎসৱ জনগোষ্ঠীটোৰ নাৰী প্ৰধান জনপ্ৰিয় লোক উৎসৱহে। কাৰণ পূজা অনুষ্ঠিত কৰিবলৈ বেদ-বিধান, পুৰোহিত নতুবা কোনো মুখীয়াল জাতীয় লোকৰ আৱশ্যক হয়। কৰম আৰু টুসু পৰবত জাতীয় লোকগীত (Folk Song) হে পৰিবেশিত হয়। আনহাতে পূজাত মন্ত্ৰহে উচ্ছাৰিত হয়। এই পৰৱসমূহ বিভিন্ন জাতি-উপজাতি আৰু গোষ্ঠীসমূহৰ সমন্বয়ৰ প্ৰতীক সকলোৰে পৰস্পৰ ভেদাভেদ পাহৰি এক প্ৰাণ এক জাতি হিচাপে অংশ গ্ৰহণ কৰি কৰম আৰু টুসু পৰবক এক জাতীয় উৎসৱত পৰিণত কৰিছে।

**কৰম পৰব**

চাহ জনগোষ্ঠীয়ে পালন কৰা জনপ্ৰিয় জাতীয় উৎসৱ কৰম পৰব ভাদমাহৰ পাৰ্শ্ব একাদশীৰ দিনা পালন কৰা হয়। এই পৰৱত নিৰ্দিষ্ট নিয়মৰ মাজেৰে কৰমতী সকলে কৰম দেৱতাক (আৰাধ্য দেৱতা) পূজা অৰ্চনা কৰে। গাঁৱৰ বয়োবৃদ্ধ এজন লোকে কৰমা আৰু ধৰমাৰ এটি আদৰ্শমূলক

কাহিনী কৰমতী সকলক শুনোৱাৰ নিয়ম আছে, যাৰ দ্বাৰা তেওঁলোক ভৱিষ্যত জীৱনত অগ্ৰসৰ হ'বলৈ অনুপ্ৰাণিত আৰু উৎসাহিত হয়। ভাদ মাহৰ কৰম পৰবৰ উপৰিও আহিন মাহৰ বিজয়া দশমীত বুঢ়ী কৰম আৰু আঘোন মাহৰ পূৰ্ণিমা তিথিত ৰাস কৰম উদযাপন কৰা হয়।

*এফাঁকি কৰম জাৱা জাগৰণ গীত ঃ-*

| | | |
|---|---|---|
| জাৱা মাই জাৱা /কিয়া কিয়া জাৱা | অথবা | যাহু যাহু কৰম ৰাজা /এহো বাৰ মাসৰে, এহো বাৰ মাস |
| জাৱা জাগল মাই / এক পাতা সেইৰে | | আৱত ভাদৰ মাস/আনব ঘূৰাই, আনব ঘূৰাই। |

তেওঁলোকৰ অতিকৈ প্ৰিয় ঝুমইৰ গীত-নৃত্য এই পৰৱত পৰিবেশন কৰা হয়। অসমত চাহ বাগিচা জন্ম হোৱাৰ বহু বছৰ আগতেই ঝুমইৰ নৃত্য-গীত সমূহৰ সৃষ্টি হৈছিল। চাহ বাগিচাৰ সৰু-সৰু চাহ পুলিবোৰ ডাঙৰ হৈ বিশাল চাহ-বাগিচাৰ সৃষ্টি হোৱাৰ দৰে এই ঝুমইৰ নৃত্য-গীতসমূহৰ বিকাশ আৰু প্ৰসাৰ ঘটি বৰ্তমান অসমৰ সাংস্কৃতিক জগতৰ এক এ ৰাব নোৱাৰা অংগ হৈ পৰিছে। অসমলৈ অহা প্ৰায়বোৰ চাহ জনগোষ্ঠীৰ লোকেই অতীতত বৃত্তিধাৰী আৰু কৃষিজীৱী আছিল। কৃষি কৰ্মৰ লগত জড়িত হোৱা বাবে তেওঁলোকৰ মনত অধিক শস্য আৰু সন্তান উৎপাদনৰ কামনাই বাৰু কৈয়ে স্থান পাইছিল। কৃষি অথবা কৰ্ম জীৱন আশা-আকাংক্ষা, কল্পনা, সৌন্দৰ্যবোধ আৰু সাধাৰণ মানুহৰ প্ৰেম, বিৰহ, ধৰ্ম-ভাবনা, যৌৱন আদি জীৱনৰ প্ৰতিটো ক্ষণৰ চিন্তা অথবা উৎসৱ-অনুষ্ঠান, আচাৰ-ব্যৱহাৰেৰে কৃষিজীৱী মানুহৰ মনত সৃষ্টি হৈছিল এই ঝুমইৰ লোকগীতসমূহৰ। অনাখৰী সেই অখ্যাত লোকসকলে ৰচনা কৰা লোকগীতসমূহত প্ৰকাশ পায় সমাজ জীৱনৰ একো একোখন প্ৰকৃত প্ৰতিচ্ছবি। মুখে মুখে বাগৰি আহি ৰূপান্তৰিত হৈ এই লোকগীতসমূহ এদিন সমাজৰ অমূল্য সম্পদ হিচাপে পৰিগণিত হয়। ঝুমইৰ গীত সমূহক বন্দনা, ডাঁড়সালীয়া, ঝিঙ্গাফুলীয়া, গল'ৱাৰী, ভিনসেৰীয়া আৰু ৰং বা খেমটা হিচাপে ভাগ কৰা হৈছে।

এফাকি বন্দনা গীত ঃ- আখড়া বন্দনা কৰি/ সৰস্বতী মাকে ধৰি / আখড়া বন্দনা ব্ৰজনাৰী/ মদনে ঝুমইৰ লাগল ভাৰী।

ওঠৰ শতিকাৰ পৰা ঊনৈশ শতিকাৰ মাজভাগলৈকে "দেশ ছাড়ি" অহা এই লোকসমষ্টিৰ প্ৰায় সকলেই সম্প্ৰতি নিজৰ নিজৰ পূৰ্বপুৰুষ অথবা জন্মভূমিৰ কথা পাহৰি গ'ল। অসম খনকে জনমভূমি, কৰমভূমি আৰু মৰণভূমি হিচাপে গ্ৰহণ কৰি ইয়াৰ "হাৱা-পানীৰ" লগত মিলি গৈ "সোনাৰ আসাম" গঢ়াত মনোনিবেশ কৰিছে। তাৰেই প্ৰতিফলন এই ঝুমইৰ গীত ফাঁকিত প্ৰকাশ পাইছে ঃ-

কৰম ৰাজা কাৰ বেটা/ কে বলিতে
পাৰে সেটা
কৰম ছিলৰে ভাই /অযোধ্যা নগৰে
আইজ কৰম/আসিল সংসাৰে।

অথবা

কি বলিব বৃটিছেৰ কথা/বলিলে যে লাগে বেথা
মজদুৰ চালান কৰিল আসামে/ ৰেল গাড়ী গ'
চলে ঘনে ঘনে
দেশ ছাড়ি আসলি আসাম/ভুলাই গেলি গ'
দেশেৰ নাম
আসাম দেশে খুললি বাগান /বানাই লেলি
হামৰা সোনাৰ আসাম।

এই কৰম পৰৱ আৰু ঝুমইৰ লোকগীতৰ সৈতে অসমৰ জাতীয় উৎসৱ বিহু আৰু বিহু গীতৰ যথেষ্ঠ সাদৃশ্য দেখা যায়।

## টুসু পৰব

মাঘ বিহুৰ লগতে চাহ জনগোষ্ঠী সকলে পালন কৰা আন এটি প্ৰধান লোক উৎসৱ হ'ল পৌষপৰব বা টুসু পৰব। ই এটি মহিলা প্ৰধান উৎসৱ। পুহ আৰু মাঘ মাহৰ মকৰ সংক্ৰান্তিৰ দিনাখন এই উৎসৱ মহা আড়ম্বৰেৰে উদ্‌যাপন কৰা হয়। এগৰাকী সতী- সাধ্বী নাৰী টুসু দেৱীৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ চলিবলৈ জনগোষ্ঠীটোৰ নাৰী সমাজে এই উৎসৱ পালন কৰে। টুসু পৰৱত গোৱা গীতবোৰ অৰ্থপূৰ্ণ আৰু ৰসাল। আৰম্ভণিতে দেৱীক বন্দনা কৰি গোৱা হয় ঃ

এই পৰৱত পৰিবেশন কৰা টুসু গীতবোৰক বন্দনা গীত, জাগৰণ গীত, ওমলোৱা গীত, ৰূপ-যৌৱনৰ গীত, আশীৰ্বাদ বিচৰা গীত, ৰামায়ন বৰ্ণনা গীত, ফুল পাতা (সখী ধৰা) গীত, ভাসান (বিসৰ্জন) গীত আদি ভাগত ভাগ কৰি পৰ্যায় ক্ৰমে গোৱা হয়। অতি প্ৰানস্পৰ্শী, ৰসাল আৰু অৰ্থপূৰ্ণ এই টুসু গীত সম্পৰ্কে গণেশ চন্দ্ৰ কুৰ্মিয়ে কৈছে - 'টুসু গীতবোৰ হ'ল চাহ জনগোষ্ঠীৰ লোক জীৱনৰ হৃদয়ৰো হৃদয়ৰ এক গভীৰ পৰিতৃপ্তি, এক মহান সৃজনী শক্তিৰ আনুভূতিক চৈতন্য একক চিন্তা ব্যঞ্জনাৰ ঐকান্তিক সুৰ।' আন এগৰাকী বিশিষ্ঠ সাহিত্যিক সুশীল কুৰ্মীয়ে এই লোকগীত সম্পৰ্কে কৈছে - ' অসমীয়া বিহু গীত, মিচিঙৰ ঐনিতম আদিৰ দৰেই চাহ জনগোষ্ঠীৰ টুসু লোকগীতবোৰ অতি সুমধুৰ, ছন্দযুক্ত আৰু কাব্যিক ধৰ্মী।' টুসু পৰবৰ উৎপত্তি সম্পৰ্কীয় এক হৃদয় বিদাৰক আখ্যান জনগোষ্ঠীৰ মাজত প্ৰচলিত হৈ আছে। টুসুৰ আত্ম ত্যাগ আৰু স্বজাতি প্ৰেমৰ সম্পৰ্কত স্বনামধন্য সাহিত্যিক দেউৰাম তাছাই কৈছে - 'টুসু পৰবৰ আখ্যান ভাগ আতি মৰ্মস্পৰ্শী, হৃদয় বিদাৰক আৰু কৰুণ। টুসু নামৰ এগৰাকী সাধাৰণ নাৰীৰ আসাধাৰণ আত্মত্যাগক অসমৰ চুতীয়া ৰজাৰ ৰাজকুমাৰী সতী সাধিনীৰ স্বজাতিৰ হকে কৰা আত্মত্যাগৰ দৰেই নিজ দেশ অথবা স্বজাতিক অপৰিসীম ভালপোৱাৰ জলন্ত নিদৰ্শন বুলি কব পাৰি।'

## সহৰাই পৰব

সহৰাই পৰব বা দেৱালী পৰব কাতি বিহুৰ সময়ত পালন কৰা হয়। গো লক্ষ্মী সেৱাই এই পৰবৰ প্ৰধান উদ্দেশ্য। ঘৰৰ গৰু গাইক তিনি বা পাঁচ দিন আগৰে পৰা নোৱাই ধুৱাই শিং আৰু মূৰত তেল দিয়া হয়। এই পৰবৰ মুখ্য অনুষ্ঠান হৈছে পৰম্পৰাগত গোহালীৰ গৰয়া পূজা। ইয়াক গৰয়া পৰব বুলিও কোৱা হয়। অৱশ্যে বহাগ মাহৰ গৰু বিহুৰ লগত ইয়াৰ সম্পৰ্ক ওচৰাওচৰি। ঘৰৰ জীয়াৰী বোৱাৰীয়ে ঘৰ দুৱাৰ চাফ-চিকুণ কৰে। সকলোৰে পদূলি মূৰত কল গছ পুতি 'দিয়া বাতি' জ্বলায়। সেই দিনাই আবেলি মহিলা সকলে পদূলি মূৰৰ পৰা গোহালী, ভড়াল ঘৰ আৰু অন্যান্য ঘৰলৈ এক বিশেষ ধৰণৰ পিঠাগুৰিৰ আল্পনা আঁকে। ইয়াক 'চইখ পূৰা' বুলি কোৱা হয়। সন্ধিয়া সময়ত নৱ বস্ত্ৰ পৰিধান কৰি এগৰাকী বোৱাৰীয়ে আঁৰৈ চাউল, দুবৰি বন, গুৱা-পান, পিঠা, ধূপ-ধূনা আদিৰে প্ৰতিটো গৰুক 'চুমান' (সেৱা) কৰে। এই পৰবত ডেকা- বুঢ়া সকলোৱে মিলি আনন্দ স্ফূৰ্তিৰে সহৰাই গীত গায় আৰু নাচে। বিহু হুচৰিৰ দৰে ঘৰে ঘৰে গোৱা এই সহৰাই গীতবোৰ শ্ৰুতিমধুৰ।

সহৰাই গীতবোৰক জাহলি বা কপিলা মংগল গীত বুলিও কোৱা হয়। এই গীতবোৰৰ মাজেৰে কৃষিজীৱী জন সাধাৰণৰ ভাৱ অনুভূতি, সামাজিক ৰীতি-নীতি গো মাতাৰ প্ৰতি থকা ভক্তি আৰু মা লখিমীৰ মাহাত্ম আদি আতি সাৱলীল ৰূপত প্ৰকাশ পায়। এই গীতবোৰ 'অহিৰে' শব্দৰে আৰম্ভ কৰা হল। কোনো কোনো ঠাইত এই পৰবৰ লগত সংগতি ৰাখি সমূহীয়া ভাবে গৰু অথবা ম'হ সমূহীয়া ভাৱে খুটাত বান্ধি নচোৱা হয়।

এফাঁকি জাহলি গীত ঃ *অহিৰে/জাগমা লছমী, জাগমা ভগৱতী/জাগকে অমাবস্যা ৰাতৰে/জাগকে প্ৰতিফল দেবেমা লছমী গ'/পাচ-পুত্ৰ দশ ধেনু গাইৰে।*

## ফাগুৱা পৰব

ফাগুৱা বা হোলী পৰব চাহ জনগোষ্ঠী সকলৰ আন এটি জনপ্ৰিয় উৎসৱ। ফাগুন মাহৰ পূৰ্ণিমা তিথিত উদ্‌যাপন কৰা ফাকুৱাৰ লগতে সমূহীয়া ভাবে লাঠী নাচ বা কাঠী নাচ নাচে আৰু ফাগুৱা গীত গাই ৰং-তামাচা কৰে। ফাকুৱাৰ নানাৰঙী ফাকুৰে ৰঙীয়াল কৰা চাহ জনগোষ্ঠীৰ ডেকা-গাভৰুসকলে হাতত ডেৰ ফুট মান দীঘল দুডাল কাঠী লৈ ফাগুৱা গীতৰ লগে লগে বৃত্তাকাৰ হৈ নৃত্য গীত কৰে। ঢোল মাদলৰ ছেৰে ছেৰে হোলী গীত গাই ঘৰে ঘৰে গোঁসাই ফুৰায়। এই পৰৱত কোনো কোনোৱে কাঠ বাঁহৰ মেজি সাজি হোলীকা দাহ কৰি ধ্বনি দিয়ে— *'হৰি হৰি হৰি/হৰিৰ মাকে চুলহাই ভৰি।'* হাতত লাঠী লৈ খেল কৰা বাবে এই নৃত্যক লাঠী নৃত্য বা লাঠী খেল বুলি কোৱা হয়। এই পৰবত চাওৰা সকলে নৰ বস্ত্ৰ পৰিধান কৰি মুৰত পাখি লগা টুপী পিন্ধি ঘৰে ঘৰে নৃত্য গীত কৰে। চাওতাল সকলেও একে সময়তে বাহা নৃত্য কৰা পৰিলক্ষিত হয়। এফাকি ফাগুৱা গীত — *কাঠী কাঠী বীৰফল' কাঠী/কাঠীৰ নাচ চলেৰে/শুন' বাছা নিমাই ৰে/চখে কাণে লাগে গেলে /মৰণ সমান ৰে ।*

## চাহৰুল পৰব

চাহ জনগোষ্ঠীৰ চাওঁতাল সকলৰ এটি জনপ্ৰিয় লোক উৎসৱ। চ'ত মাহৰ পঞ্চমী, সপ্তমী বা নৱমী তিথিত উলহ-মালহেৰে এই উৎসৱ পালন কৰা হয়।

## গৰাম পূজা

চাহ জনগোষ্ঠী বসতি প্ৰধান প্ৰায়বোৰ গাঁৱতে অৱস্থিত 'গ্ৰামথান' ত জেঠ-আষাড় মাহৰ কোনো এটা মঙ্গল বাৰত এই পূজা ভাগ পালন কৰা হয়। গাঁওবাসীক কোনো মাৰি মাৰক, অপায় অমংগল আৰু অনাবৃষ্টিয়ে যাতে নাপায় তাৰ পৰা ৰক্ষা পাবলৈ নিৰ্দ্দিষ্ট নিয়মৰ মাজেৰে এই পূজা সম্পন্ন কৰা হয়। এই পূজাত 'ঝুপান বা চাটিয়া' (দেওধ্বনি) উঠা সকলে বছৰটোৰ কৃষি কৰ্ম আৰু কুশল মঙ্গলৰ বিধান দিয়ে বুলি সমাজত জনবিশ্বাস প্ৰচলিত হৈ আছে।

## চড়ক পূজা

বৰ কঠিন সাধনা আৰু নীতি-নিয়মৰ মাজেৰে এই জনগোষ্ঠীৰ লোকে পালন কৰা অন্যতম উৎসৱ। উৰিয়া লোক সকলৰ মাজত বেছিকৈ জনপ্ৰিয় এই উৎসৱ শোণিতপুৰ জিলাৰ পাভৈ পাঁচআলি

আৰু উজনি অসমৰ কোনো কোনো ঠাইত বৰ ধুম ধামেৰে উদযাপন কৰা হয়। চড়ক পূজা নিষ্ঠাৰে কৰা ভক্ত সকলে জ্বলা জুইৰ মাজেৰে খোজ কঢ়া, জিভা, বুকু, পিঠি আৰু ডিঙিত অনায়াসে জোঙা তাঁৰ সুমুৱাই দিলে কোনো দুখ নাপায়।

## মনসা পূজা

এই জনগোষ্ঠীৰ লোকসকলে সৰ্পদেৱতাক সন্তুষ্ট কৰাৰ অৰ্থে শাওঁণ মাহৰ নাগ পঞ্চমী তিথি অথবা ভাদ মাহৰ শেষৰ দিনা এই পূজাভাগ পালন কৰা হয়। সাপে যাতে কোনো ধৰণৰ অনিষ্ট আৰু অমঙ্গল নকৰে তাৰ বাবে প্ৰাৰ্থনা কৰা হয়। এই পূজাত গোৱা গীতবোৰ কৰুণ অথচ মৰ্মস্পৰ্শী। গীতবোৰত মনসা স্তুতিৰ উপৰিও বেউলা-লক্ষিন্দৰ আৰু চান্দসদাগৰৰ হৃদয় বিদাৰক শোকগাথাৰ কাহিনী পোৱা যায়। এই পূজাত "ঝুপান বা চাটিয়া" (দেওধ্বনি) উঠা লোকসকলক কহুৱা বনেৰে তৈয়াৰী "কড়ৰা" নামৰ পঘাৰে কোবাই কোবাই অপদেৱতাক খেদি পঠোৱা হয় বুলি জন বিশ্বাস আছে। এফাকি মনসা গীত — *বড়ই দুৰন্ত চান্দ মনসা না মানে / মনসা উপায় চিন্তে আপনাৰ মনে। অথবা মাকে আন্‌তে যাব গ' / কিৰাই নদীৰ কূল / গলাই দিব লাল গামছা / চৰণে দিব ফুল ।*

উল্লিখিত পূজা পৰবৰ উপৰিও এই চাহ জনগোষ্ঠীৰ জাতি উপজাতিৰ বিশেষে কিছু পূজা পৰৱ অনুষ্ঠিত কৰে। সেই বোৰৰ ভিতৰত গণ্ড সম্প্ৰদায়ৰ বড়দেৱ পূজা, চাওতাল সকলৰ অযোধ্যা বা বেঝা বিন্ধা নামৰ ধনুকাঁড় মৰা উৎসৱ, কৰুৱা সম্প্ৰদায়ৰ দুৰ্জাগিন পূজা, চিক্ সম্প্ৰদায়ৰ আঁচৰল আৰু চণ্ডী পূজা, কয়া সম্প্ৰদায়ৰ মেটৈতাদেয়ান পূজা, চাওৰা সম্প্ৰদায়ৰ ৰহৰ আৰু কাঠআলু পূজা। উৰিয়া সম্প্ৰদায়ৰ ত্ৰিনাথ পূজা, দুযাদ সম্প্ৰদায়ৰ ৰাহু পূজা, কৰ্মকাৰ সকলৰ লুগু বাবাৰ পূজা, ওৰাং সম্প্ৰদায়ৰ উপাস্য দেৱতা মাৰাং বুৰু (চন্দ্ৰ) পূজা, বা গাঁৱলী পূজা, চাওৰা সকলৰ গুৰৰ পূজা, ভূইয়া সম্প্ৰদায়ৰ সাতবীৰৰ নামত বীৰ পূজা আদি উল্লেখযোগ্য। তাৰোপৰি চাহ জনগোষ্ঠীয়ে সম্প্ৰদায়ভেদে পৰম্পৰাগত নীতি নিয়মেৰে আয়োজন কৰা বিয়া-বাৰুবোৰত নিজা নিজা বিয়া নাম (সাদী গীত) গায় আৰু ঠাই বিশেষে নটুৱা নৃত্য কৰে। চাহ জনগোষ্ঠীৰ কোনো কোনো লোকে বহুতো পূজা-পাতল শাস্ত্ৰ বা বেদৰ নিয়মমতে পালন কৰে। যেনে- সত্যনাৰায়ন পূজা, শিৱ পূজা, জন্মাষ্টমী পূজা, দুৰ্গা পূজা, কালী পূজা, লক্ষ্মী পূজা, সৰস্বতী পূজা ইত্যাদি বংশানুক্ৰমিকভাৱে পালন কৰি আহিছে। ইয়াৰ বাদেও পৰম্পৰাগত ভাৱে দণ্ড পূজা, গছ পূজা, সূৰ্যাহী পূজা, শীতলা পূজা, বাগদেই পূজা, ডেহৰী পূজা, বুঢ়াডাঙৰীয়া বা মঙ্গলা পূজা, বড়পাহাড়ী পূজা, ফুছপুনীমাৰ পূজা, ক্ষেত্ৰ পূজা, হনুমান পূজা, গঙ্গা পূজা আদি অনেক প্ৰকাৰৰ পূজা এতিয়াও প্ৰচলন হৈ আছে। চাহ জনগোষ্ঠীসকলে জন্মৰ পৰা মৃত্যুলৈ জাতি আৰু সম্প্ৰদায় বিভিন্ন ৰীতি-নীতি আৰু পৰম্পৰাপালন কৰা দেখা যায়। অৱশ্যে খ্ৰীষ্ট ধৰ্মত দীক্ষিত হোৱা সকলৰ মাজত এই পূজা-পৰব পালন কৰা দেখা নাযায়।

## ডমকচ গীত

ডমকচ চাহ জনগোষ্ঠী সকলৰ আন এটি অতি জনপ্ৰিয় লোক নৃত্য গীত। এই ডমকচ গীত আৰু ঝুমইৰ গীতৰ সম্পৰ্ক ওচৰা ওচৰি বুলি ক'ব পাৰি। ইয়াত ডেকা- গাভৰুহঁতে ঢোল মাদলৰ ছেৱে ছেৱে গীত গাই হাতে হাতে ধৰা-ধৰিকৈ নাচে। সাধাৰণতে বিয়া-বাৰুত এই নৃত্য-গীত বেছিকৈ

পৰিবেশন কৰা হয়। পূৰ্বতে এই নৃত্য গীত ওৰাং আৰু মুণ্ডাসকলৰ মাজত বেছিকৈ প্ৰচলিত আছিল যদিও বৰ্তমান চাহ জনগোষ্ঠীৰ প্ৰায় সকলোবোৰ জাতি-উপজাতিয়েই ইয়াক আদৰি লৈছে। মেহনতী চাহ জনগোষ্ঠী সকলৰ জীৱনৰ তথ্যবহুল সফল প্ৰতিচ্ছবি ডমকচ গীততো প্ৰতিফলিত হয়। যেনে-

*আই গেলি আসাম দেশে/বিদেশীকেৰ মিঠা মাতে*
*কাহেৰে বিদেশী ৰাজা/জইড় দেলে নাতা হায়ৰে/জইড় দেলে নাতা।*

## নিচুকনি গীত

চাহ জনগোষ্ঠী সকলৰ মাজত নিচুকনি গীতৰ প্ৰচলন অতীতৰ পৰা চলি আহিছে। ল'ৰা-ছোৱালীক ওমলাবৰ সময়ত বা শুৱাবৰ সময়ত এই গীতবোৰ গোৱা হয়। এই গীতবোৰ যুগ যুগ ধৰি মুখে মুখে বাগৰি আহিছে। তেওঁলোকে এই গীতবোৰক ছানা খেলা গীত বোলে। শিশু মনত আনন্দ যোগোৱা আৰু মনোগ্ৰাহী এই গীতবোৰেৰে মা, আইতা আৰু দিদিহঁতে সৰু লৰা-ছোৱালীক নিচুকায়। এফাঁকি গীত ঃ *নাই আচবিৰে বাণ্ডিয়া শিয়াল / পিণ্ডাৰ দিকে থাক বাবুৰ মাই জলকে গেছে / বাবুৰ কাণ কাট। নাইবা আটুল পাটুল চিমলা পাটুল / চিমলা গেল' হাট / আগুন নাই পানী নাই / দে পৰশী ভাত।*

## ঘেৰা গীত

সম্প্ৰতি চৰ্চাৰ অভাৱত লুপ্ত হবলৈ ধৰা ঘেৰা গীত সমূহ অতি হৃদয় স্পৰ্শী আৰু বেদনা গধুৰ। ঘেৰা নামৰ এবিধ বাদ্য যন্ত্ৰ ব্যৱহাৰ কৰি পৰিৱেশন কৰা গীতবোৰেই হৈছে ঘেৰা গীত। দিনটোৰ কৰ্মব্যস্ততাৰ অন্তত প্ৰৌঢ় সকলে এই ঘেৰা গীতবোৰ গাই নিজৰ দুখ বেদনাবোৰ পাতলাইছিল। ঈশ্বৰৰ মাহাত্ম আৰু আধ্যাত্মিক ভাৱাপন্ন ঘেৰা গীত বোৰে অন্তৰৰ আশা আকাঙ্খা, জীৱনৰ পোৱা-নোপোৱাৰ বেদনা আৰু ঈশ্বৰৰ গুণানুকীৰ্তন আদি প্ৰকাশ কৰে। এফাকি ঘেৰা গীত— *কেহঅ চলে আলি ডালি / পালকি লাগাইকে/ আৰঅ কেহঅ চলে ভূঁয়ে ভূঁয়ে/ নিৰু গুনে গাইকে / ৰামনা ভজলে মানৰা/ মৰবঅ বাঁওড়াইকে / ৰাজা চলে আলি ডালি / পালকি লাগাইকে/ আৰঅ সাধু চলে ভূঁয়ে ভূঁয়ে/নিৰু গুনে গাইকে / ৰামনা ভজলে মানৰা।*

## বিয়া-বাৰু

চাহ জনগোষ্ঠীৰ গোষ্ঠী-সম্প্ৰদায় ভেদে বিয়া-বাৰুৰ নীতি-নিয়মৰ কিছু ব্যৱধান দেখা যায়। পূৰ্বতে বিয়া বাৰুত ঢাঁক আৰু সহনাইৰ লগতে নটুৱা নাচৰ ব্যৱহাৰ আছিল যদিও বৰ্তমান এই বোৰৰ ব্যৱহাৰ কম দেখা যায়। এই জনগোষ্ঠীৰ লোক সকলৰ মাজত বৰ্তমানেও যৌতুক প্ৰথাৰ প্ৰচলন গা কৰি উঠা নাই। দৰা বা কন্যা চোৱা হোৱাহ পাছত দুয়ো পক্ষৰ সন্মতি সাপেক্ষে কন্যা দেখা (আঙঠি পিন্ধোৱা), বৰ দেখা (তিলক দিয়া), লগন বান্ধা (জোৰন দিয়া), শেষত পৰম্পৰাগত নীতি নিয়মৰ মাজেৰে 'সাদী' (বিবাহ) অনুষ্ঠিত হয়। বিবাহত গোৱা সাদী গীতবোৰ বিবাহ কাৰ্য্য আৰম্ভনিৰ পৰা অন্তিম লৈকে নেঘ-নীতি অনুসাৰে গোৱা হয়। যেনে ঃ- মাডুৱা ছাৱা গীত (ৰভা বনোৱা), হলদী লাগা গীত (মাহ-হালধী সনা), জল সহা গীত (পানীতোলা গীত), নাপিত-ধবিৰ গীত, গাইল দিয়া গীত (জোৰা নাম), সিন্দ্ৰা দান (সেন্দুৰ প্ৰদান), আৰু বিদায় গীত আদি। এফাঁকি বিদায় সাদী গীতঃ- *কাঁহা*

*জনম লেলি/ জাহি-জুহি ফুলৰে /কাঁহা জনম পালি/ বৌৰা সালুকেৰ কনিয়া...../ বাবা হ' কইনাৰ মা কে / অন্তৰ পুড়ে / সামাইতে বাহাৰাইতে কান্দে/ আধা আচঁল ঘামে ভিঞ্জে/ আধা আচঁল ঘামে ভিঞ্জে গ'।*

## তন্ত্ৰ-মন্ত্ৰ

এই জনগোষ্ঠীৰ মাজত পূৰ্বৰ পৰাই তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱ দেখা যায়। বৰ্তমান বৈজ্ঞানিক ধ্যান-ধাৰণাৰ যুগতো চাহ বাগিছা আৰু চাহ জনগোষ্ঠীৰ অধ্যুষিত অঞ্চলত গোপনে তন্ত্ৰ-মন্ত্ৰৰ চৰ্চা আৰু প্ৰয়োগ চলি আছে। মাজে মাজে ইয়াক লৈ ডাইনী হত্যাকে ধৰি বিভিন্ন অপ কৰ্ম সংঘটিত হোৱা পৰিলক্ষিত হয়। এই সমাজত 'অঝা' আৰু 'ঝাড় ফুক'ক গুণীন, নায়া, মতি, বৈদ, আৰু চখা আদি বিভিন্ন নামেৰে জনা যায়। তন্ত্ৰ-মন্ত্ৰৰ দ্বাৰা বিভিন্ন ৰোগ আৰোগ্য, বিষাক্ত জীৱ-জন্তুৰ দংশনৰ বিষ নিৰাময় আদিৰ ওপৰিও নজৰ লগোৱা, উৎপীড়ণ, আৰু বান মৰা আদি অপ কৰ্মও সংঘটিত হয়। এই সমাজত প্ৰচলিত সৰ্পৰ বিষ নিৰাময়ৰ মন্ত্ৰ এটিঃ- *অৰলা গৰলা বিষ /ঝাঁটি তলে সামাই/কাহা আছে গডুৰা বীৰ /তোমাৰ দহাই নাই বিষ/ আৰ' ৰাম নাম শুনিকে/হই সাত সমুদ্ৰ পাৰ / কাৰ দহাই ঈশ্বৰ গৌৰা পাৰ্বতীৰ দহাই।*

আন এটি ৰোগ নিৰাময় মন্ত্ৰ - *জৰ সুৰজুৰা ওগে নাই পাৰে /তব ঝাড়ু আধ কাপালি /কে ঝাড়ে /মৰ গুৰু ঝাড়ে /আনকে ঝাড়ে ঘাঁস পাঁৱাৰ/ মৰ ঝাড়ে /বিজিৰ কে পাৰ / গুৰু মহাদেউ ঈশ্বৰ / গৌৰা পাৰ্বতী নানা জগনী /সিদ্ধ গুৰুকে বন্দি ৰাম*

সেই দৰে মাৰণ, তাড়ন, উৎপীড়ন আৰু বশীকৰণ মন্ত্ৰৰ সাধনা বৰ্তমানেও প্ৰচলিত আছে।

## বাদ্য যন্ত্ৰ

চাহ জনগোষ্ঠীসকলৰ মাজত প্ৰচলিত লোক বাদ্য সমূহ হ'ল- ঢাঁক, ঢল, ঢলকী, মাঁদল, ধামসা, নাগৰা, চাঙ্গু (একফলীয়া), মঁদন ভেড়ি, বাঁশী, মূৰলী, সহনাই, পেঁপটি, কৰতাল, খল-তাল, ৰেব্‌কা, চুঁৰৰ, শিংগা, তুমড়ী, শঁক, ঝাঁঝ, চম্‌চমী, ঝুম্‌কা, কেৰিং, তুদুম আদি উল্লেখযোগ্য।

## আ-অলংকাৰ

চাহ জনগোষ্ঠী মহিলা সকলে সীতাপাটি, চন্দ্ৰহাৰ, হাঁসলী, গজহাৰ, তৰপা, টঁটচিপা, ঝুটিয়া, পঁয়ৰী, গঁড়মালা, বাজু, লুলুক নাকঠুপী,আংঠি কানতড়কা, ঝুড়ঝুড়ী, শাঁখা-চুঁড়ী, সিকিমালা, ঝুমকা, কান্‌সী, লহা চুড়ী, পাঘৰা, মালা তংগম, নাগফুল, ফুলগুড়া, নথ, কেৰু, কাণফুল, ৰচুনমালা, মাদ্‌লি, চেন, চুঁড়ী, বালা, কিলিপ কাঁটা, বুঁট কাটা, খংচ, পায়ল, কমৰদড়ী, কাজললতি, টিক্‌লি, চুলদড়ী আদি আ-অলংকাৰ পৰিধান কৰা পৰিলক্ষিত হয়। তাৰোপৰি চাহ জনগোষ্ঠীলোকসকলে নিজস্ব সাংস্কৃতিক ঐতিহ্য অটুট ৰাখি ধাতু আৰু মাটিৰ পাত্ৰত ব্যৱহাৰ কৰাৰ লোককলাৰ উপৰিও পুৰুষ নাৰী উভয়েই শৰীৰৰ বিভিন্ন ঠাইত 'খদ্‌না' অংকন কৰোৱাৰ লগতে ঘৰ, বেৰ, চোতাল, ঘৰৰ দুৱাৰমুখ, পূজা-পাৰ্বনৰ থলী, বিবাহ বাহৰ আদিত একপ্ৰকাৰ পৰম্পৰাগত চিত্ৰকলাৰ প্ৰয়োগ কৰা দেখা যায়।

## সাজপাৰ

এই জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত সাজপাৰ পৰিধান কৰা দেখা যায়।পুৰুষসকলে লেংটি ধঁতি, গামছা, বনিয়ান, পাগড়ী, ফতই কুৰ্তা, ফটলুং আদি আৰু মহিলা সকলে শাড়ী, ব্লাউজ, (দীঘল হাতৰ) ফাড়িয়া, মেখ্‌লা, ঘটিহাতৰ কুৰ্তা আদি পিন্ধিছিল যদিও সময়ৰ পৰিবৰ্তনৰ লগত তেওঁলোকৰ সাজপাৰত পৰিবৰ্তনে দেখা দিছে।

## বাঁহ-বেতৰ কাম

এই জনগোষ্ঠীৰ লোকসকলে বাঁহ-বেতৰে নিজৰ প্ৰয়োজনীয় বহুতো সা-সামগ্ৰী সাজি ব্যৱহাৰ কৰে । তাৰ ভিতৰত ঃ-ওচকানি, খকা, চেপা, পচা, ডিংৰা, পিঞ্জৰা, টুসুৰ চৌড়ল, বেৰনি ঝাড়ু, ফুলঝাড়ু, ঠটি, ধেনুক-কাঁড়, পল',ঝাপি,ধুক্‌নি, ঢক', লাঠী, ফাঁচড়ী, চংগা, ডেমনি, কাখনা, খালই, বন্‌শীপুহি, বহিংগা, হলংগা, দনা, দল ইত্যাদিয়েই প্ৰধান।


বৰ্তমান গোলকীকৰণৰ প্ৰভাৱত চাৰিওফালে অপসংস্কৃতিয়ে গা- কৰি উঠাত চাহ জনগোষ্ঠীৰ সংস্কৃতিৰ মাজতো বিভিন্ন অপসংস্কৃতিৰ ধাৰা এটি প্ৰচলিত হোৱা দেখা গৈছে। সচেতন মহলে সময় থাকোতে এই দিশত গুৰুত্ব প্ৰদান কৰি অপসংস্কৃতিৰ প্ৰৱণতা ৰোধ কৰিব নোৱাৰিলে কালৰ কুটিল গতিত চাহ জনগোষ্ঠীৰ কৃষ্টি -সংস্কৃতি, ভাষা, সাহিত্য নিঃচ্ছিন্ন হোৱাৰ সম্ভাৱনা অধিক। চাহ জনগোষ্ঠীৰ সাংস্কৃতিক সম্পদ সমূহ উপযুক্ত সংৰক্ষণ আৰু বিকাশ কৰিব পাৰিলে অসমৰ জাতীয় সাংস্কৃতিক ভঁৰাল যে চহকী নহ'ব তাক নুই কৰিব নোৱাৰি।

ভাৰতবৰ্ষৰ এক ক্ষুদ্ৰ সংস্কৰণ বৈচিত্ৰময় অসমৰ জাতি-উপজাতি সমূহক ঐক্য, শান্তি, সম্প্ৰীতিৰ এনাজৰীৰে বান্ধি ৰাখিবলৈ হলে জনগোষ্ঠীসমূহৰ প্ৰণালীবদ্ধ অধ্যয়ন, আৰ্থ-সামাজিক আৰু সাংস্কৃতিক সমবিকাশ কৰা নিতান্তই প্ৰয়োজন। সাংস্কৃতিক আদান প্ৰদানৰ জৰিয়তে জনগোষ্ঠীসমূহে পৰস্পৰে পৰস্পৰৰ কৃষ্টি- সংস্কৃতিক সন্মান কৰাৰ আৰু ভাল বুজাবুজিৰ এক পৰিবেশ সৃষ্টিত অৰিহনা যোগাব পাৰে। অসমৰ সাম্প্ৰতিক প্ৰেক্ষাপটত ইয়াৰ গুৰুত্ব অধিক বুলি বিবেচিত হৈছে।

# ৯

# বড়ো সমাজৰ শ্ৰাদ্ধ আৰু কেইটিমান প্ৰাসংগিক সাধুকথা

*বৈজয়ন্ত কেওঁট*



**বড়োসকলৰ শ্ৰাদ্ধত সাধু পৰিবেশনৰ এক দৃশ্য**

বড়ো জনজাতি সকলৰ মৃতকৰ শ্ৰাদ্ধৰ ৰাতি গঞা ৰাইজে মাটিমাহ আৰু ঔটেঙাৰ তৰকাৰীৰে নিৰামিষ আহাৰ খায় আৰু আহাৰ গ্ৰহণ কৰি গোটেই ৰাতি গৃহস্থৰ ঘৰত উজাগৰে কটাব লাগে। যদি কোনোবা ব্যক্তিয়ে আহাৰ গ্ৰহণ কৰি গৃহস্থৰ ঘৰ এৰি যায় তেন্তে তেঁও দণ্ড ভৰিব লাগে আৰু তেনে ব্যক্তিক মৃতকৰ প্ৰেতাত্মাই অনিষ্ট কৰে বুলি এটা জনবিশ্বাস আছে। সেইদিনা ৰাতি টেঙাভাত খোৱাৰ

পাছত স্থানীয় বাইলুঙ (Local Priest)ৰ তত্বাবধানত মৃতকৰ চুৰা লোৱা ব্যক্তিজনে যথাবিধি মানি তিনিটা মাটিৰ উধানৰ ওপৰত নতুন মলাচৰুত আহাৰ ৰন্ধন কাৰ্য কৰে। কুকুৰাৰ মাংস, শুকান মাছ, ভাত, ভাজি আদি বৰ পৰিপাটিকৈ ৰান্ধি কলৰ পুলিৰ তলত চাকি-বন্তি জ্বলাই গৃহস্থৰ সকলো সদস্যই মৃতকৰ আত্মাৰ ওচৰত ক্ষমা ভিক্ষা মাগি আহাৰ মুঠি অৰ্পণ কৰে। তাৰ পাছত ক্ষন্তেক জিৰাই সকলোৱে মদ্যপান (Rice beer) কৰি মহিলা আৰু পুৰুষে সুকীয়াভাৱে নিজৰ শিৰিৰ পাতে। মহিলাসকলে পিঠা পনা পোৰে, নানা গল্প গুজৰ, হাঁহি তামাচা কৰে। পুৰুষসকলে মদ্যপান কৰি বাইলুঙে কৈ যোৱা কাহিনী শুনে আৰু অংশ গ্ৰহণ কৰে। কাষতে তিনিটা মাটিৰ চপৰাৰ উধানত দপদপাই জ্বলি থাকে একুৰা জুই। সাধুৰ পৰ্ব লাহে লাহে আৰম্ভ হয় নিশাৰ নিৰ্জনতা ভাঙি................।

## ডিংগাবুঢ়া আৰু ডিংগাবুঢ়ী

ডিংগাবুঢ়া আৰু ডিংগাবুঢ়ীৰ দুটা ল'ৰা। ডাঙৰ ল'ৰাজনৰ নাম ধনসিং আৰু সৰুজনৰ নাম আছিল মনসিং। তেঁওলোকৰ এটা কুকুৰা আছিল। এদিনাখন ডিংগাবুঢ়াই কুকুৰাটোৱে মতা শুনিলে, " ককৰে ক, আংনি গাংখুং খৰ জায়ানো জাগৌন, বিনো ৰাজাজ।"

(মোৰ মূৰ আৰু ডেউকা যিয়ে খাব, সি ৰজা হ'ব।)

কথা শুনি ডিংগাবুঢ়াই ঘৈণীয়েকক ক'লে, "আমাৰ কুকুৰাটো আজি কাটি বাছি ৰান্ধি মূৰ, ঠেং আৰু ডেউকা কেইডোখৰ মোক দিবি।" এইবুলি বুঢ়া হাল বাবলৈ গ'ল।

বুঢ়া পথাৰলৈ যোৱাৰ পাছত ধনসিং আহিল আৰু পাকঘৰত সোমাই দেউতাকৰ বাবে সুকীয়াকৈ ৰান্ধি থোৱা কুকুৰাৰ মূৰ, ডেউকা আৰু ঠেং কেইটা খাই পেলালে। মনসিঙেও কুকুৰাৰ অৱশিষ্ট অংশ খালে। মাকে কথা সৰ্বনাশ দেখি ধনসিং আৰু বিনাদোষী মনসিঙক দেউতাক আহি পোৱাৰ আগতেই ঘৰৰপৰা আঁতৰি যাবলৈ ক'লে।

মাকৰ কথামতে ধনসিং আৰু মনসিং দুই ভাই ককায়ে ঘৰৰ পৰা আহি অটব্য অৰণ্যত বাস কৰি ফলমূল খাই জীৱন ধাৰণ কৰিবলৈ ল'লে।

এদিনাখন অৰণ্যৰ মাজত ধনসিং আৰু মনসিঙৰ বিৰাট পানী পিয়াহ লাগিল। ওচৰত পানী নথকাত ধনসিঙে ওখ গছ এজোপাৰ ওপৰলৈ উঠি কেউফালে চালে। কিছুদূৰত বগলী পৰি থকা দেখি পানী আছে বুলি ভাবি ধনসিং নামি আহিল আৰু ভায়েকক ৰৈ থাকিবলৈ কৈ পানীৰ সন্ধানত গুছি আহিল। আহি দেখে যে পানী নাই, বৰঞ্চ বগলীবোৰে বোকাত শুকাই থকা মাছ-পুঠিবোৰ বিচাৰি খাই আছে। পিয়াহত কাতৰ হৈ সি অকোৰা-পকোৰা পথেদি হাবি অতিক্ৰমি বহু দূৰ পালেগৈ। গৈ গৈ অৱশেষত এখন নদী দেখা পালে। তাতে নিজে প্ৰাণ ভৰাই পানী খালে। ভায়েকৰ বাবে পানী কিহত আনিব তাৰে চিন্তাত সি তলমূৰকৈ বহি পৰিল। এনেতে এজন সদাগৰে সেই নৈৰ বুকুৰেদি নাও বাই আহি আছিল। সি ভাবিলে তাৰ ঘৰত কাম কৰা মানুহ এজনৰ বৰ আৱশ্যক। সেয়েহে ধনসিঙৰ কাষলৈ আহি আদ্যোপান্ত খবৰ ল'লে। তেওঁ ধনসিঙক নিজৰ ঘৰলৈ লৈ গ'ল। ধনসিঙৰ গাত ৰাজলক্ষণ দেখা পাই তেঁও নিজৰ একমাত্ৰ জীয়েকক তালৈ দিয়াৰ সংকল্প ল'লে। অতি মৰম পাই আৰু সুস্বাদু

আহাৰ ভক্ষণ কৰি কৰি ধনসিঙৰ চেহেৰাপাতি থুলন্তৰ পুৰুষৰ দৰে হৈ আহিল। সি অৰণ্যত তৃষ্ণাতুৰ অৱস্থাত এৰি থৈ অহা ভায়েক মনসিঙৰ কথা সমূলি পাহৰি গ'ল। ইফালে মনসিঙে মনৰ ভয় আৰু ককায়েকৰ বিচ্ছেদৰ বেদনাত ভাৰাক্ৰান্ত হৈ গাবলৈ ধৰে.......

"অই আদা অই, আংখো হাৰ্ছিং গাৰনা বৰৌ থাংখো
ৰে মৌছা হাগ্ৰায়াও মুফুৰা আংখৌ বুথাৰ গীমৌনথায়
আংখৌ থাংনা থায়ামৌন
(দাদা অ' দাদা, মোক অকলে এৰি থৈ এই অৰণ্যত তুমিনো ক'লৈ গ'লা ?
এই অৰণ্যত যদি অকলে পাই বাঘে ভালুকে খালেহেঁতেন
মইতো জীয়াই নাথাকিলোহেঁতেন)

এইদৰে বনৰ মাজত ভালেমান দিন হেৰোৱা ককায়েকক বিচাৰি আহি অৱশেষত ককায়েকে সদাগৰক লগ পোৱা নৈ খন পালেহি। এনে সময়তে আহি পাওকহি সদাগৰ জন। তেঁওক দেখিয়েই সদাগৰে পৰিচয় সুধিলে। কেনেকৈ পানী বিচাৰি ককায়েকক এদিন হেৰুৱাইছিল, সেই কথা মনসিঙে বিবৰি ক'লে। সদাগৰে নিজৰ ৰজা জোঁৱায়েকক ভায়েকৰ স'তে সাক্ষাৎকাৰ হোৱাটো নিবিচাৰিলে। সদাগৰে ককায়েকক বিচাৰি দিম বুলি মনসিঙক ঘৰলৈ লৈ আহিল। তাক গৰখীয়া পাতিলে। দিনৰ দিনটো সি গৰু চৰায়। গধূলি তাক নৈ কাষৰ ঘৰ এটাতে শুই থাকিবলৈ দিয়ে। এইদৰে দিন, মাহ, বছৰ বাগৰি যাবলৈ ধৰিলে।

সি ককায়েকক, মাক বাপেকৰ কথা মনত পেলাই গীত গাবলৈ ধৰে....

" অই আদা অই, আংখো হাৰ্ছিং গাৰনা বৰৌ থাংখো
বে মৌছা হাগ্ৰায়াও মুফুৰা আংখৌ বুথাৰ গীমৌনথায়
আংখৌ থাংনা থায়ামৌন
(দাদা অ' দাদা, মোক অকলে এৰি থৈ এই অৰণ্যত তুমিনো ক'লৈ গ'লা ?
এই অৰণ্যত যদি অকলে পাই বাঘে ভালুকে খালেহেঁতেন
মইতো জীয়াই নাথাকিলোহেঁতেন)

ওৰে দিনটো সি গৰু চৰায়। ওখ গছত উঠি বিনাই বিনাই গায়.....

" অই আদা অই,......................

কিন্তু তাৰ হৃদয়ৰ তাপ প্ৰশমিত নহয়। গৰু গাই বান্ধি চিন্তা কৰি কৰি সি টোপনি যায়। স পোনতো সি ককায়েকৰ সন্ধান কৰে। এদিন সি ভাবিলে এবিধ বাদ্য উলিওৱাৰ কথা, যাৰ সহায়ত তাৰ মনৰ কথাবিলাক বতাহৰ লগত দূৰ-দূৰণিলৈ সিঁচি দিব পাৰিব। সি কঠাল গছৰ অংশ এটা কাটি কাটি তাৰ লগত গৰুৰ নেজৰ জৰী লগাই এটা বাদ্য সাজিলে। কিন্তু আঙুলিৰে বোল দিলে বৰ শুৱলা নহয়। সি মিহি বাৰি এডালত গৰু নেজেৰে দুই মূৰ বান্ধি বুকুৰ কামিহাড়ৰ দৰে এখন ধনু সাজিলে আৰু তাৰেই

বাদ্যটোত বোল দিবলৈ ধৰিলে। এইবাৰ বাদ্যৰ সুৰ বেছি সুৰলা হ'ল। ৰাইজে পিছলৈ ইয়াকে চেৰেংগা বা চেৰ্‌জা বোলা হ'ল। মনসিঙে গছৰ ওপৰত উঠি বেলি মাৰ নোযোৱালৈকে বজাই থাকে।

এদিনাখন চেৰ্‌জা বজাই গছৰ ওপৰত গীত গাই আছিল মনসিঙে.....

" অই আদা অই,.................................................................. ।"

এনেতে সদাগৰে তাক ভাত দিবলৈ আহি কৰুণ স্বৰত গোৱা গীত শুনি ধমক দিলে।

"অই, তই গৰখীয়া ল'ৰা। এইবোৰ গান-বাজনা বন্ধ কৰ। নহ'লে গৰু গাই বিলাক পগলা হ'ব।"

ইয়াৰ পিছত ভালেমান দিন সি দিনত বজাবলৈ এৰি সি ৰাতি ৰাতি বজাবলৈ ধৰিলে।

এদিনাখন সদাগৰজন নৰীয়াত পৰিল। তেঁও গৰখীয়াক ভাত দিবলৈ পঠালে নিজৰ জোৱায়েকৰ হাতত। ধনসিঙে ভাত দিবলৈ গৈ দেখে যে গৰখীয়াজন বৰ কৰুণ সুৰত চেৰ্‌জা বজাই আছে। সি গৰখীয়াৰ মখলৈ নোচোৱাকৈ ভাতখিনি গছৰ তলত থৈ গুচি আহিল। ৰাজপ্ৰাসাদলৈ আহি গোটেই ৰাতি গৰখীয়াৰ চেৰ্‌জাৰ কৰুণ সুৰ আৰু বিলাপৰ কথা ভাবি ভাবি উজাগৰে কটালে ধনসিঙে। সি পুনৰ ভাত লৈ গ'ল পিছদিনা। গৰখীয়াই আন দিনৰ দৰে আপোনভোলা হৈ চেৰ্‌জাত বোল দি বিলাপ গাবলৈ ধৰিলে—

" অই আদা অই, আংখো হার্ছিং গাৰনা বৰৌ থাংখো
বে হাগ্ৰায়াও মৌছা মুফুৰা আংখৌ বুথাৰ গৌমৌনথায়
আংখৌ থাংনা থায়ামৌন"

বৰ উৎকণ্ঠাৰে সি গৰখীয়াক মাতি আনিলে আৰু তাৰ অন্তৰত কি দুখ আছে সুধিলে। মনসিঙে নিজৰ পৰিচয় দিয়াত ধনসিঙে দুখ আৰু অনুতাপত হুকহুকাই কান্দি ভায়েকক গবা মাৰি ধাৰিলে। মনসিঙক ৰাজ সভালৈ লৈ গ'ল আৰু তাক সিংহাখনত বহুৱাই নিজে মন্ত্ৰী হৈ থাকিল।

## ৰিংগা বুঢ়া-বুঢ়ী

এসময়ত এখন দেশত ৰিংগা বুঢ়া-বুঢ়ীয়ে বাস কৰিছিল। তেঁওলোকৰ কোনো ল'ৰা ছোৱালী নাছিল। তেঁওলোকে কুকুৰ পোৱালি দুটাকে নিজৰ ল'ৰা ছোৱালী হিচাপে ডাঙৰ দীঘল কৰিছিল। এটাৰ নাম আছিল গলছেংগ্ৰা আৰু মাইকী পোৱালিটোৰ নাম দিছিল গলছেংগ্ৰী। সিঁহতহালক বুঢ়াই চিকাৰৰ সকলো আদব কায়দা শিকাই পৈণত কৰি লৈছিল। বুঢ়ীক ঘৰতে থাকিবলৈ কৈ মদ এবাতি খাই বুঢ়া কুকুৰ হালেৰে সৈতে ওলাই যায় আৰু কেটেলা পহু, গুঁই, উদ, কাছ আদি চিকাৰ কৰি আনে। বুঢ়ীয়ে গুঁই দেখি পোৱা নাছিল। এদিন বুঢ়ীয়ে বুঢ়াৰ চিকাৰৰ বস্তাটোত হাত সুমুৱাই দিলে। গুঁইটোৱে সাপৰ দৰে ফোচ-ফোচাই দিয়াত বুঢ়ীয়ে বৰ ভয় খালে। বুঢ়ীয়ে বুঢ়াক ধমক দিলে, "এই বাল, সাপহে আনিলে দেখোন।" বুঢ়াই ক'লে, "সাপ নহয়, গুঁইহে, খাই ভাল পাবি।"

বুঢ়ীয়ে সুন্দৰকৈ মাংসবিলাক কাটি-বাছি ৰান্ধি দিয়ে আৰু বুঢ়াই কুকুৰ দুটাৰে সৈতে মদে ভাতে তৃপ্তিৰে খায়।

এদিন গলছেংগ্রা আৰু গলছেংগ্ৰীয়ে প্ৰকাণ্ড পহু এটা মাৰিলে। বুঢ়াৰে সৈতে পহুটো কোনোমতে ঘৰলৈ চোচৰাই চোচৰাই আনিলে। পহুটোৰ ছালখন ছেলিয়াই থৈ অতবোৰ মাংস চাৰিওটাই পাৰে মানে খালে আৰু নোখোৱাবোৰ বুঢ়ীয়ে শুকুৱাই থৈ দিলে। বুঢ়ীয়ে ধুনীয়া পহুৰ ছাল খন পেলাই নিদি সযতনে ৰাখি থ'লে।

এদিন বুঢ়াই কুকুৰ হালক চিকাৰলৈ এফালে পঠিয়াই দি নিজেও অকলশৰে আন ফালে গ'ল। এনেতে এঘৰত শ্ৰাদ্ধৰ মা হ প্ৰসাদ বিতৰণৰ কাম চলি আছিল। বুঢ়া কাষেদি পাৰ হৈ যোৱাত প্ৰসাদ খাবলৈ মাতিলে।

বুঢ়াই অসমীয়া ভাষা বুজি নোপোৱাত নামঘৰৰ খুটা এটাকে খামুচি ধৰি আছিল। প্ৰসাদ ল'বলৈ হাত মেলিবলৈ দিয়াত বুঢ়াই খুটাটো খামুচি ধৰি, তাৰ সিপাৰেই প্ৰসাদৰ পাতখন ল'লে। কিন্তু খাই কেনেকৈ ? হাতখন মুখলৈ আনিলেই প্ৰসাদ পৰিব। মানুহবোৰে বুঢ়াৰ নিৰ্বুদ্ধিতা বুজি পাই প্ৰসাদখিনি লৈ পুনৰ হাত দুখন খুটাৰ পৰা এৰুৱাই দি, প্ৰসাদখিনি দিলে। তেঁওলোকে বুঢ়াক প্ৰসাদ খাবলৈ কয় যদিও বুঢ়াই যাবলৈ কোৱা বুলি ভাবি প্ৰসাদ লৈ বুঢ়ীৰ ওচৰ পালেগৈ। চিকাৰৰ পৰিবৰ্ত্তে প্ৰসাদ দিয়াত বুঢ়ীয়ে সুধিলে," এইসোপা তই কি আনিলি ?"

বুঢ়াই ক'লে, "এঘৰত শ্ৰাদ্ধ পাতিছিল। তাৰেই প্ৰসাদ, খাচোন তই।"

বুঢ়ীয়ে প্ৰসাদ খাই বৰ সোৱাদ পালে। নিজৰ ঘৰতো বুঢ়াক শ্ৰাদ্ধ পাতি প্ৰসাদ গোটাবলৈ ক'লে। কিন্তু বেচেৰা বুঢ়াই কোনো নমৰিলে শ্ৰাদ্ধ পাতে কেনেকৈ ? কিন্তু বুঢ়ী নাচোৰবান্দা। গলছেংগ্ৰীকে মাৰি শ্ৰাদ্ধ পাতিব লাগে। উপায়হীন হৈ বুঢ়ীৰ কথামতে গলছেংগ্ৰীক বুঢ়াই আন এঘৰত থৈ আহি মৰিল বুলি ক'লে। গলছেংগ্ৰীক এটা বাক্য দিলে বুঢ়াই।

" কেচুৱা পোৱালিৰ পেট কামোৰা অসুখ হ'লে তুমি ভোগ পাবা। কিন্তু মোৰ নাম ল'লে এৰিব লাগিব।"

সেইদৰে গলছেংগ্ৰীয়ে আজিও ভোগ পাই থাকে।

বুঢ়াই গলছেংগ্ৰীৰ কাম-কাজ কৰিলে। কাম-কাজৰ বাবে বুঢ়াই ভগৱান বিষ্ণুৰ পৰা দিহা পৰামৰ্শ ল'লে। "জন্ম আৰু মৃত্যু হৈ থাকিলেহে শ্ৰাদ্ধ, কাজ আদি ভোগ কৰিব পাৰি" এই কথাটো বুঢ়াৰ জ্ঞাত হয়।

## মাইদাং ছিখ্‌লা

এখন দেশত এজন সদাগৰ আছিল। তেওঁৰ সাতজন পুতেক, সাতজনী বোৱাৰীয়েক, লগুৱা লিকচৌৰে ঘৰখন নদন বদন আছিল। বুঢ়াৰ সাতটা ভৰাঁল আৰু সাতটা গোহালি আছিল। সদাগৰে নিজৰ পুতেক বোৱাৰীয়েকহঁতক সদায় কৈছিল," ল'ৰাহঁত, বোৱাৰীহঁত, তঁহতে দুখীয়া নিচলাক দয়া কৰিবি। ভিক্ষাৰী আহিলে এমুঠি দিবি।" কিন্তু সদাগৰৰ ল'ৰা কেইজন আৰু বোৱাৰীয়েক কেইজনীয়ে ধনৰ অহংকাৰত ইমান নিৰ্দয় হৈ পৰিছিল যে সৰু-সুৰা মানুহক কিবা দিয়াৰ দূৰৰ কথা, নানা অকথ্য কথাৰে তিৰস্কাৰ কৰি খেদি পঠিয়াইছিল। কিন্তু সদাগৰৰ সৰুজন ল'ৰা আৰু সৰুজনী বোৱাৰী কিছু মৰমীয়াল আছিল। সৰু বোৱাৰীয়েকৰ এই বিপৰীত ধৰ্মী আচৰণৰ বাবে ঘৰৰ আনসকলে ইতিকিং কৰিছিল।

দিন বাগৰি যাবলৈ ধৰিলে। বাথৌ বৰাইয়ে তেওঁলোকৰ অতপালি সহিব নোৱাৰা হ'ল। তেওঁলোকক এশিকনি দিয়াৰ কথা ভাবিলে। এজন এজনকৈ প্ৰত্যেক বছৰে সিফলীয়া হ'বলৈ ধৰিলে। বোৱাৰীয়েক বিলাকো এজনী এজনীকৈ মৰিবলৈ ধৰিলে অচিন ব্যাধিত।

এদিন বুঢ়ীয়ে বুঢ়াক ক'লে, "আমাৰ ঘৰখন দেখোন সকলো মৰি-হাজি উছন হ'বলৈ ধৰিলে। কিবা দেওভূতে ধৰিছে নেকি? গণক এজন বিচাৰি যাওকচোন।"

বুঢ়াই কলে," কেউফালে হাবিয়েই হাবি। মই ক'ত বিচাৰি পাম গণকক?"

বুঢ়ীয়ে ক'লে,"মই অন লাৰু, পিয়া লাৰু বান্ধি দিও বাটত খাবলৈ। তাকে বান্ধি লৈ গণক বিচাৰি যাওক।"

বুঢ়ীৰ কথামতে বুঢ়াই গাঁও ভূই পাৰ হৈ গৈ আছে। এদিন অকস্মাৎ বাথৌ বৰাইয়ে গণক বুঢ়াৰ ৰূপ লৈ আগভেটা দি সুধিলে,"ক'লৈ বা যোৱা হৈছে? ইমান খৰখেদা?"

সদাগৰ বুঢ়াই থমকা মাৰি ক'লে,"এজন গণক বিচাৰি আহিছো। মোৰ সকলো উছন হ'বলৈ ধৰিছে। আপুনি কিবা কিবি চাব জানে নেকি?"

গণক বুঢ়াই কেহো ধেহো কৈ ক'লে, "অলপ চলপ জানো।"

সদাগৰ বুঢ়াই ক'লে,"কওকচোন বাৰু, যিকণ জানে।"

গণক বুঢ়াই ভালকৈ গমি-পিটি চাই ক'লে, "মহা অথন্তৰ মিলিব। সকলো শেষ হৈ আপুনি ভিক্ষা কৰি খাব লাগিব। পুনৰ বুঢ়া মহেশ্বৰৰ কৃপাতে শেষত সম্পদ লাভ কৰিব।"

এইবুলি কৈ গণকজন অৰ্ন্তধান হ'ল। বুঢ়াই নিৰাশ মনেৰে ঘৰলৈ উভতি আহিল। ইয়াৰ পিছত সাতোটা গোহালীৰ গৰু মৰি উছন হ'ল। বুঢ়াৰ সাতোটা পুতেক, সাতজনী বোৱাৰীয়েক, সাতটা ভৰাঁল, সাতটা গোহালী কালৰ বুকুত উটি গ'ল। থাকিল কেৱল সদাগৰ বুঢ়া-বুঢ়ী। কিন্তু বাথৌ বৰাইয়ে এদিন বুঢ়ীকো লৈ গ'ল বুঢ়াক সম্পূৰ্ণ অকলশৰীয়া কৰি।

সদাগৰ বুঢ়া এতিয়া বাটৰ ভিকহু। দিনৰ দিনটো ভিক্ষা কৰি ফুৰে। ক'ৰবাত ধান, ক'ৰাবত এমুঠি চাউল, ক'ৰবাত এডাল খৰি, য'তে যি পায় বুটলি আনে। গধূলি এমুঠি ৰান্ধি খাই বুঢ়া শুই পৰে ফটাকানিৰ ওপৰত। প্ৰমাদ গণে নিজৰ দুৰ্ভাগ্যৰ বাবে।

বুঢ়াই ভিক্ষা কৰি পোৱা ধানৰ দীঘল ছিৰাবোৰ থৈ যায় ডুলি এটাত। এদিন বুঢ়াই ঘৰলৈ আহি দেখে যে কোনোবাই ভাত, ভাজি, আঞ্জা ৰান্ধি থৈ গৈছে। বুঢ়াৰ কৌতুহল উপজিল। বুঢ়াই একো ভাবি নাপাই সেইখিনি খালে আৰু শুই পৰিল। পিছদিনা গধূলিও দেখিলে আগৰ দৰেই বাঢ়ি থোৱা সুন্দৰ ভাত,ভাজি, আঞ্জা। বুঢ়াই পিছদিনা ভিক্ষালৈ বুলি ওলাই যোৱাৰ ভাও জুৰি ঘৰৰ কাষৰ হাবিডৰাতে লুকাই থাকিল। এপাকত বুঢ়াই ঘৰৰ ভিতৰ সোমাই দেখিলে যে বুঢ়াৰ সৰু বোৱাৰীয়েকে ৰান্ধি আছে। বুঢ়াই বৰ আচৰিত হৈ সুধিলে, "সৰু বোৱাৰী তুমি দেখোন মৰিছিলা? আকৌ কেনেকৈ আহিলা?

সৰু বোৱাৰীয়েকে ক'লে," দেউতা, মই পুনৰ আপুনি গোটাই থোৱা ডুলিৰ সেই ধানৰ ছিৰাবোৰতে

জন্ম ল'লো। মই আপোনাৰ বোৱাৰী নহয়। মই আপোনাৰ ছোৱালী। মোৰ নাম এতিয়াৰ পৰা মাইদাং ছিখ্‌লা। বুঢ়া মহেশ্বৰে আপোনাৰ পাপৰ প্ৰায়চিত্ত আৰু দুখৰ ওৰ পেলাবৰ বাবেই মোক জন্ম দিছে। আপুনি আজিৰ পৰা মোৰ কথা শুনিব লাগিব। আগতেতো আপোনালোকে মোক শাও-শপনি দিছিল।"

সদাগৰ বুঢ়াই ক'লে, "হ'বদে আই। তোৰেই আজ্ঞাবাহী হ'ম আজিৰ পৰা।"

পিছদিনাৰ পৰা বুঢ়াই মাইদাং ছিখ্‌লাৰ কথামতে হাবি ভাঙি মাটি উলিয়াবলৈ ধৰিলে। প্ৰত্যেক দিনেই বুঢ়াই মাটি ভাঙিবলৈ গৈ দেখে যে কোনোবাই আৰু দহগুণ মাটি হাবি ভাঙি পৰিস্কাৰ কৰি থৈছে। বুঢ়াৰ মাটি যথেষ্ট হ'ল।

এতিয়া মাইদাং ছিখ্‌লাৰ কথামতে বুঢ়াই এহাল কপিলা-কপিলী গৰু বিচাৰি ওলাল। ভালেমান দিন গ'ল গৰু বিচাৰোতেই। এদিন অকস্মাতে নিজৰ মাটিৰ কাষতে কপিলা-কপিলী গৰু এহাল বিচাৰি পালে। ঘৰলৈ লৈ আহি বুঢ়াই মাইদাং ছিখ্‌লাক দেখুৱালেহি গৰুহাল।

মাইদাং ছিখ্‌লাই ক'লে, "গৰুহাল ভিৰুৱা নাই। এজন ওজা বিচাৰি যাওক।"

বুঢ়াই ছোৱালীজনীৰ কথামতে গৰু ভিৰুৱা ওজা বিচাৰি হায়ৰাণ হ'ল। বহু দিনৰ অন্তত এজন ওজা বিচাৰি পাই লৈ আহিল বুঢ়াই। কিন্তু ওজাই গৰুহালৰ ওচৰলৈকে যাব নোৱাৰা হ'ল। গ'লেই শিং দাঙি খেদি আহে। ভৰিৰ ওচৰলৈ হাত নিলেই জপিয়াই লথিয়াই খাস্তাং কৰে।

ওজাই ক'লে, " নমস্কাৰ হে কৰিলো আৰু। আমাৰ দ্বাৰা নহ'ব।"

মাইদাং ছিখ্‌লাই ক'লে, "এইবাৰ মই কৈছো। আপুনি পাৰিবই লাগিব।"

মাইদাং ছিখ্‌লাৰ কথামতে ওজাই এইবাৰ গৰু হালৰ কাষ চাপি ভিৰাই থৈ আহিল। গৰু হালে লৰ-চৰেই নকৰিলে। ওজা বুঢ়াই এইবাৰ আঠুকাঢ়ি প্ৰণাম জনাই মাইদাং ছিখ্‌লাক ক'লে, "এই সকলো বোৰ আপোনাৰেই কৃপা। আমি নিমিত্তহে।" এইবুলি ওজাবুঢ়াই উপযুক্ত মাননি লৈ গুছি গ'ল।

এইবাৰ বুঢ়াই মাইদাং ছিখ্‌লাৰ কথামতে হাল বাই মাটি চহাবলৈ ধৰিলে। প্ৰত্যেক দিনাই বুঢ়াই ৰাতিপুৱা পথাৰলৈ গৈ দেখে যে কোনোবাই আগতকৈ বহু বেছি মাটি হাল বাই মৈয়াই থৈছে। মাইদাং ছিখ্‌লাই দিনটোৰ ভিতৰতে সেইবোৰ ৰুই শেষ কৰিলে। দিনবাগৰি যাবলৈ ধৰিলে। সময়ত সোণালী ধানেৰে পথাৰ উপচি পৰিল। বুঢ়াৰ সাতটা ভৰাঁল ধানেৰে পৰিপূৰ্ণ হ'ল।

আন এদিনৰ কথা। বুঢ়া আমন-জিমনকৈ চোতালত বহি আছিল। মাইদাং ছিখ্‌লাই বুঢ়াৰ ওচৰলৈ আহি ক'লে, "দেউতা, আমাক এতিয়া এটা পকা গুমৰু গুটি আনি দিয়ক।"

বুঢ়াই ছোৱালীৰ কথামতে গুমৰু গুটি বিচাৰি বিচাৰি চলাথ কৰিলে গোটেই দুনিয়া। কেতিয়াবা আনি দিয়ে। কিন্তু বৰণ নিমিলে। এদিন ৰাতিপুৱা বুঢ়াই বাথৌ বৰাইৰ নাম লৈ পথাৰলৈ যাওঁতে তাতেই বিচাৰি পালে ছোৱালীজনীয়ে বিচৰা ৰঙৰ গুমৰু গুটি। বুঢ়াই আনি দিলেহি মাইদাং ছিখ্‌লাক। মাইদাং ছিখলাই গুটিটো হাতত লৈয়ে বুঢ়াক ক'লে, "আপুনি সুখে শান্তিৰে থাকক। মই ওলালো এটা সকামত।"

ৰ'দে বৰষুণে গৈ থাকিল মাইদাং ছিখ্‌লা, হাতত গুমৰু গুটি লৈ। ভোক, পিয়াহ, ভাগৰ নেউচি গৈ থাকোঁতে তেওঁৰ সৰ্বশৰীৰ এঙাৰৰ দৰে ক'লা হৈ গ'ল।

এদিন তেওঁ এটা পুখুৰীত সাতজন ডেকাই সাতুৰি-নাদুৰি টৌ খেলি থকা দেখা পালে। পুখুৰীৰ নাতি দূৰতে এটা ঘৰ। সেই সাতজন আছিল ভাই-ককাই। ঘৰতে থাকে তেওঁলোকৰ বৃদ্ধা মাক। ভাই-ককাই কেইজনে মাইদাং ছিখ্‌লাক দেখি তেওঁৰ বৰণটোৰ বাবে ঠাট্টা মস্কৰা কৰিবলৈ ধৰিলে। ক'বলৈ ধৰিলে, "সেইজনী চাচোন অই, ক'লী ফেঁচী, ক'লী ডুমুনী। অই অমুকা, তই তাইকে আন। মই হ'লে নানোদেই।

সৰুজনে ক'লে, "নাপায়, নাপায়, ভগৱানে দিয়া ৰূপ, ক'লা বগা কি আছে?"

তেওঁলোকে চাই থাকোতেই ছোৱালীজনী সিহঁতৰ ঘৰত সোমালগৈ। লৰা-লৰিকৈ আটাইকেইজনে ঘৰলৈ আহি তাইক ওলাই যাবলৈ ক'লে।

মাইদাং ছিখ্‌লাই ক'লে, " মই গোবৰ জাবৰ পেলাই ইয়াতে থাকিম। মোৰ কেও কিছু নাই।" সৰুজন আছিল বৰ মৰমীয়াল। তেওঁ মাইদাং ছিখ্‌লাক ঘৰতে ৰাখিবৰ বাবে ককায়েকহঁতক খাটনি ধৰিবলৈ ল'লে। সকলো সন্মত হ'ল। সময় আগবাঢ়িবলৈ ধৰিলে। মাইদাং ছিখ্‌লাই দেখিলে যে গুমৰু গুটিৰ নিচিনাই সৰুজন ডেকাৰ বৰণ। লাহে লাহে সৰু ল'ৰা আৰু মাইদাং ছিখলাৰ মাজত প্ৰণয় গঢ়ি উঠিল। এদিন ককায়েকহঁতে মাছ মাৰিবলৈ যাওঁতেই মাইদাং ছিখ্‌লাই সৰু ল'ৰাক পলোৱাই লৈ আহিল। তেওঁলোক পলাই আহি পূৰ্বৰ সদাগৰৰ ঘৰ পালেহি। বুঢ়া সদাগৰে তেওঁলোক হালৰে সৈতে সুখেৰে দিন নিয়াবলৈ ধৰিলে।

## উৰাংপক্ষী

এসময়ত এখন দেশত এহাল বুঢ়া-বুঢ়ী আছিল। তেওঁলোকৰ সাতজন ল'ৰা আছিল। কিবা এক কাৰণত সৰু ল'ৰাৰ প্ৰতি আন ছয়োজনৰ পেটে পেটে বিদ্বেষ ভাব আছিল। দিনৰ দিনটো ছয়োজনে চিকাৰলৈ গৈছিল। মৰমীয়াল সৰু ভায়েজনে তেওঁলোকৰ অপায়-অমংগল হ'ব পাৰে বুলি পিছে পিছে গৈছিল।

এদিন ল'ৰাকেইজন চিকাৰলৈ বুলি অৰণ্যলৈ ওলাই গ'ল। বুঢ়ীয়ে ভাত ৰান্ধিবৰ বাবে চাউলখিনি বাহিৰলৈ উলিয়াই ধোৱাত লাগিল। এনেতে উৰাংপক্ষীয়ে চাউলৰ ওপৰত মলত্যাগ কৰিলে আকাশৰ পৰা। বুঢ়ীয়ে পাৰেমানে চাউলখিনি ধুলে যদিও মলৰ ৰঙ নুগুছিল। উপায়বিহীন হৈ বুঢ়ীয়ে তাকে ৰান্ধিলে।

ক্ষন্তেক পিছতে সাতোজন পুতেক চিকাৰৰ পৰা আহিল ভোকে-পিয়াহে আধামৰা হৈ। তেওঁলোকে ভাতখালে পৰম তৃপ্তিৰে। বুঢ়ীক সুধিলে, "আই, আই, ভাত খিনিত তই কি দিছিলি?" পুতেকহঁতে আকোৰগোজ হৈ সোধাত বুঢ়ীয়ে আচল কথাটো কৈ দিলে।

পুতেক কেইটাই ভাবিলে, উৰাংপক্ষীৰ বিষ্ঠাই যদি ইমান তেলেতীয়া হয়, তেন্তে চৰাইটো আৰু কিমান সোৱাদ হ'ব?

এইবুলি সৰুজনক ঘৰতে এৰি ছয়োজন ককাই ভাই ধেনু কাঁড় লৈ উৰাং পক্ষীক বিচাৰি ওলাল। গৈ গৈ তেওঁলোকে উৰাংপক্ষীক এজোপা গছত পৰি থকা দেখিলে। কিন্তু বহুবাৰ শৰ নিক্ষেপ কৰিও উৰাংপক্ষীক তেওঁলোকে মাৰিব নোৱাৰিলে। উৰাংপক্ষী আনফালে উৰি গুছি গ'ল।

এনে সময়তে সৰু ভায়েক সিহঁতক বিচাৰি বিচাৰি গৈ থাকিল। সি কান্দি কান্দি কৈ গ'ল--

আদা ঐ, আদা ঐ আদা..................

নৌংছোৰ আংখো গাৰনানৈ বহা থাংখোলৈ ?

(দাদা ঐ দাদা, মোক এৰি থৈ ক'লৈ গ'লা তোমালোক ?)

ইতিমধ্যে ককায়েকহঁতে উৰাংপক্ষীক বিচাৰি পালে। তেওঁলোকে এইবাৰো উৰাংপক্ষীক মাৰিব নোৱাৰিলে। খঙে বেজাৰে একো নোহোৱা হৈ সিহঁত দাঁত কৰচি তথাকিল। এনে সময়ত সৰু ভয়েকজন পুনৰ সেইখিনি পালেগৈ। যেন জ্বলা জুইত ঘিউহে পৰিল। ক'ৰনো এই অমংগলীয়াটো আহিল বুলি সিহঁতে তাক এইবাৰ কাটি টুকুৰা টুকুৰ কৰি নদীত পেলাই দিলে।

কিন্তু নেউল আৰু শালিকা চৰায়ে এই কাৰ্য চাই আছিল। নেউলে নদীত থকা উদ(মথাম)ৰ লগত মিত্ৰতা কৰিলে। নৈৰ মথামবিলাকে লগে-লগে মঙহৰ টুকুৰাবোৰ বিচাৰি বিচাৰি পাৰত থ'লেহি। নেউলে মঙহবোৰ জোৰা লগাই পুনৰ জীয়াই তুলিলে সৰু ভায়েকজনক।

সি পুনৰ ককায়েহঁতক বিচাৰি গৈ থাকিল।

অই আদা ঐ, আদা

নৌংছোৰ আংখো গাৰনানৈ বহা থাংখোলৈ ?

(দাদা ঐ দাদা, মোক এৰি থৈ ক'লৈ গ'লা তোমালোক ?)

ককায়েকহঁতে বিচাৰি বিচাৰি উৰাংপক্ষীক এজোপা গছত লগ পালেগৈ। অনেক শৰ নিক্ষেপ কৰিও উৰাঙক মাৰিব পৰা নাই তেওঁলোকে।

এনে সময়তে সৰু ভায়েকজন সেইখিনি ওলালগৈ। সিহঁতে ক'লে, "ঐ কুলক্ষণীয়া, তয়ে পাৰ যদি উৰাং পক্ষীক মাৰি পেলা। নহ'লে তোক আমি এইবাৰ আকৌ যমপুৰীলৈ পঠিয়াম।"

ককায়েকহঁতৰ আজ্ঞা পাই সি এপাত তীক্ষ্ণ শৰ বুঢ়া মহেশ্বৰৰ নাম লৈ মাৰি পঠিয়ালে। কাড়পাত গৈ উৰাং পক্ষীৰ বুকু বিদীৰ্ণ কৰিলে। সি চট্‌ফটাই এইবাৰ মাটিত পৰি প্ৰাণত্যাগ কৰিলে।

সৰু ভায়েকৰ পাৰদৰ্শিতাত ককায়েকহঁত মুগ্ধ হ'ল। সিহঁতে তাক কান্দি-কান্দি আকোঁৱালি ল'লে। উৰাংপক্ষীৰ মঙহেৰে ভোজ খাই সিহঁত মাক পিতাকৰ ওচৰলৈ উভতি আহিল।

ইতিমধ্যে বুঢ়া-বুঢ়ীৰ মৃত্যু হ'ল। সিঁহতে শ্ৰাদ্ধ সমাপন কৰি মিলাপ্ৰীতিৰে জীৱন নিৰ্বাহ কৰিবলৈ ধৰিলে।

# হেলামণি চৰাই

বহুদিনৰ আগতে অৰণ্যৰ দাতিকাষৰীয়া এখন গাঁৱত এহাল বয়োবৃদ্ধ পুৰুষ মহিলাই সংসাৰ পাতি সুখেৰে খাই ব'ই আছিল। চিকাৰ কৰা, হাবিৰ আলু-কচু সংগ্ৰহ কৰা, মাছ কেকোৰা আদি ধৰাই আছিল তেওঁলোকৰ উপাৰ্জনৰ পথ। সময় বাগৰাৰ লগে লগে এজন এজনকৈ তেওঁলোকৰ ছজন পুত্ৰ সন্তানৰ জন্ম হ'ল। বাপেকে প্ৰত্যেকজনকে নিচেই কোমল বয়সৰ পৰাই শিকাই বুজাই একো একোজন চিকাৰী কৰি গঢ়ি তুলিলে।

এদিনাখনৰ কথা। ছয়োজন পুতেকক লৈ বাপেক চিকাৰলৈ গ'ল। মাকে ভাত ৰান্ধিবৰ বাবে চাউল ধুবলৈ ওচৰৰ জানটোলৈ গ'ল। এনেতে হেলামণি নামৰ এক ঈগলজাতীয় প্ৰকাণ্ড চৰায়ে ওপৰৰ পৰা মল ত্যাগ কৰিলে। সেই মল চাউলৰ ওপৰত পৰি হঠাতে ৰঙচুৱা হৈ পৰিল। মাকে অনেকবাৰ ধুই পখালিও চাউলৰ পৰা বিষ্ঠাৰ ৰঙচুৱা বৰণ আঁতৰাব নোৱাৰিলে। ভোকে-পিয়াহে কাম কৰি অহা ল'ৰা কেইজনক মাকে কিদৰে সোধপোছ কৰিব এতিয়া? উপায় নোহোৱা হৈ মাকে তাকে ৰান্ধি দিলে। বেলি পৰাৰ সময়ত ভোকে পিয়াহে কাতৰ হৈ ছয়োজন ল'ৰা ঘৰ সোমালহি। মাকে আথে বেথে ভাত বাঢ়ি দি পুতেকহঁতক খাবলৈ মাতিলে। ল'ৰাহঁতে সেইদিনা ভাত খাই ইমান তৃপ্তি পালে যে মাকক সুধি পেলালে, "মা, আজি ভাতত কি দিছিলি, ইমান সোৱাদ হৈছে?"

মাকে ক'লে, "একো নাই দিয়া, মোৰ সোণহঁত। এনেয়ে সোৱাদ হৈছে।"

পুতেকহঁতে ক'লে," নহয় আই, সঁচা কথা কচোন।"

মাকে ভাবিলে, পুতেকহঁতৰ চকুত ধূলি দিয়া টান। ইহঁতে নকওঁ মানে নেৰিব আজি। এইবুলি মাকে আচল কথাটো ক'লে," বোপাইহঁত, আজি মই চাউল ধুই থাকোতে হেলামণি চৰায়ে চাউলৰ ওপৰতে বিষ্ঠা ত্যাগ কৰিলে। হেজাৰ ঘঁহিও মই তাৰ তেল এৰুৱাব নোৱাৰিলো।"

ল'ৰাহঁতে ভাবিলে, চৰাইটোৰ বিষ্ঠাৰ সোৱাদেই যদি ইমান ভাল হয়, তেন্তে তাৰ মঙহ আৰু কিমান সোৱাদ হ'ব? এইবুলি সিহঁতে হেলামণি চৰাইটো বিচাৰি গ'ল। বিচাৰি বিচাৰি সিহঁতে চৰাইটো এজোপা ওখ গছত পৰি থকা দেখিলে। প্ৰথমজনে কাঁড় নিক্ষেপ কৰিলে।

কিন্তু হেলামণিক মৰা দূৰৰ কথা তাৰ গাত লাগি কাঁড়বোৰহে টুকুৰা-টুকুৰ হ'ল। হেলামণিয়ে এপাকত ছোঁ মাৰি ডাঙৰ ককায়েকক গিলি থ'লে। তাৰ পাছত এজন এজনকৈ আন কেইজনেও হেলামণিৰ লগত যুঁজ দিলে। কিন্তু সকলোটিয়েই হেলামণিৰ পেটত সোমালগৈ।

সেইসময়ত মাক অন্তঃসত্বা আছিল। ককায়েকহঁত হেৰুৱাৰ কেইদিনমান পিছতে মাকৰ সপ্তম পুত্ৰ জন্ম হ'ল। ডাঙৰ হৈ সি ককায়েকহঁত হেৰুৱাৰ বৃত্তান্ত গম পালে।

এদিন সি ধেনুকাঁড় লৈ হেলামণি চৰাইক বিচাৰি গ'ল। গৈ গৈ বহুদিনৰ মূৰত হেলামণিক এজোপা ওখ গছত পৰি থকা দেখিলে।

কিন্তু সি হেলামণিৰ গালৈ কি সতেৰে শৰ নিক্ষেপ কৰিব? পেটৰ ভিতৰত তাৰ ককায়েক

কেইজন সোমাই আছে। সেয়ে ভাবি-চিন্তি তাৰ ঠোটটো ভেদ কৰাকৈ কাঁড় মাৰি পঠিয়ালে। তীক্ষ্ণ কাঁড়ৰ আঘাতত হেলামণি মাটিত বাগৰি পৰি প্ৰাণ ত্যাগ কৰিলে। তেতিয়া সৰু ভায়েকে চুৰি এখনেৰে হেলামণিৰ পেট ফালি ছয়োজন ককায়েকক উদ্ধাৰ কৰিলে।

ককায়েকহঁতৰ আগত সি নিজৰ পৰিচয় দি ক'লে, “দাদা, আপোনালোকৰ মই কনিষ্ঠ ভাতৃ। আই পিতায়ে আপোনালোকৰ চিন্তাত ভাত পানী এৰিছে। ব'লক এতিয়া ঘৰলৈ যাওঁ।”

কৃতজ্ঞতা আৰু ভাতৃস্নেহত ককায়েকহঁতৰ চকুপানী ওলাল। আটাইকেইজনে সৰু ভায়েকক আকোঁৱালি ধৰি ক'লে, “তোমাৰ বাবেহে আমাৰ জীৱন ৰক্ষা পৰিল। ভাই, কিদৰে তোমাৰ ধাৰ শুজিম!”

তাৰ পাছত সাতভায়ে নিজঘৰলৈ বুলি খোজ ল'লে।

ইতিমধ্যে সাতভাইৰ পিতৃমাতৃৰ মত্যু হৈছে। ঘৰলৈ আহি মাক দেউতাকৰ শ্ৰাদ্ধ কৰিলে সুখেৰে জীৱন নিয়াবলৈ ধৰিলে।

## চেৰেঙা খোজ্ৰা

এসময়ত এখন দেশত এহাল মাউৰা ল'ৰাই বাস কৰিছিল। তেওঁলোকে ওৰে দিনটো ভিক্ষা কৰি কৰি পেট প্ৰবৰ্ত্তাইছিল। ভিক্ষা নাপালে দুয়ো কেতিয়াবা কেইবাসাজো লঘোণে থাকিব লগীয়াত পৰিছিল।

এদিন ককায়েকে ভায়েকক ক'লে--

ঐ আগৈ লৈ আগৈ
হা গৈয়া বাং গৈয়া
জৌংলাই মাখৌ জানানৈ থাগৗন?
(অ' ভাই, অ' ভাই,
আমাৰ মাটি বাৰী নাই, ঘৰবাৰী নাই
আমি কি খাই জীয়াই থাকিম?)

তেতিয়া ভায়েকে ক'লে--

ঐ আদা, আদা লৈ আদা
ৰাজ খুংগুৰা হা চেফাদৗং
জৌংবু থাংনি দৈ
হা লানানৈ
জৌংবৗ ৰাইজৗ জাগৗন দি
(ককাই ঐ, ককাই

আমাৰ ৰজাই মাটি ভাঙিছে

আমিও অলপ লওগৈ দেই

সেই মাটি ভাঙি আমিও

সমাজ এখন গঠন কৰিম)

তেওঁলোক দুয়োজনে দিনৰ দিনটো মাটি ভাঙাত লাগিল। ৰাতিপুৱালেই ওলাই যায়। গধূলিহে ঘৰ চাপে।

ল'ৰাহালৰ ঘৰলৈ সিউলী বুঢ়ী নামৰ এজনী বুঢ়ী মাজে সময়ে আহি থাকিছিল। বুঢ়ীয়ে ল'ৰাহালক সুখ দুখৰ বতৰা সোধে আৰু ভালদৰে কাম-কাজ কৰি সংসাৰ পতাৰ কথা কয়।

এদিন বুঢ়ীয়ে কথা প্ৰসংগত ল'ৰাহালক ক'লে, “ৰোপাইহঁত, তোমালোকৰ ডাঙৰ জনালৈ মই এগৰাকী ৰূপৱতী, গুণৱতী গাভৰু চাই থৈছো। কি মন কৰা ?”

ডাঙৰজনে ক'লে, “আব'ই, আমাৰ ধন ধান নাই, ভাল ঘৰ-বাৰী নাই, ছোৱালীজনী আনি কেনেকৈ পোহপাল দিম ?”

বুঢ়ীয়ে ক'লে, “বোপাইহঁত, তঁহত ঘৰখন এৰি থৈ গুছি যাব ৰাতিপুৱাই। চোৰ সোমাই নিলেও নিয়ে, দেও ভূত সোমাও বুলিলেও সোমাব পাৰে। ৰখীয়া এজনী থাকিলে একো ভয় নাই।”

বুঢ়ীৰ কথাত দুই ভাই ককাই সন্মত হ'ল। বুঢ়ীয়ে সিহঁতক ছোৱালী দেখুৱাই ডাঙৰজনলৈ বিয়া বন্দোবস্ত কৰিয়েই পেলালে।

ঘৰ আহি দুই ভাই ককাই মহা বিমোৰত পৰিল। ধনবিত একো নাই। বিয়া পাতি মানুহক সোধপোছ কৰে কেনেকৈ ?

বুঢ়ীয়ে ইফালে ছোৱালীৰ বিয়াৰ কাৰণেও ধনবিত বিচাৰি হাবাথুৰি খাই এটা বুদ্ধি পাঙিলে। এদিন ছোৱালীজনীক পাচলি চিঙিবলৈ বুলি বুঢ়ীয়ে লৈ আহিল। বহুদূৰ আহি আহি নৈ, জান, জুৰি পাৰ হ'ল। এনেতে গধূলি হৈ আহিল। বুঢ়ীয়ে ছোৱালীজনীক ক'লে--

“আইজনী, তুমি এইখিনিতে অকণমান ৰোৱাচোন।

মই নৈত পানী এটোপা খাই আহোঁ।”

বুঢ়ী আৰু উভতি নাহিল। ছোৱালীজনীয়ে নিৰুপায় হৈ চিঞৰি চিঞৰি সিউলী বুঢ়ীক মাতিবলৈ ধৰিলে। বুঢ়ীয়ে এপাকত ছোৱালীজনীক বাট দেখুৱাই দি আকৌ নোহোৱা হ'ল। ছোৱালীজনীয়ে ৰাস্তা এটা চকামকাকৈ বিচাৰি পাই কিছু সকাহ পালে।

ঐ আবৈ, ঐ আবৈ লৈ আবৈ

গাহাম লামাখী

দিষ্ঠিনা হীবায়

(আবৈ এ আবৈ

মই দেখি নোপোৱা ৰাস্তা তুমি দেখুৱাই দিলা
আবৈ, আৰু ইয়াতকৈ মোক কি লাগে ?

কিন্তু বুঢ়ীয়ে দেখুৱাই দিয়া বাটেদি ছোৱালীজনী আহি ল'ৰাদুজনৰ ঘৰ সোমালহি। তেতিয়া ভায়েকজনে ককায়েকক ক'লে--

আদা লৈ আদা
জৌং নাইনায় হিনজাও চায়া
মাথী নৰাওনী চুফৈবায়
(দাদা ঐ দাদা
আপোনাৰ কাৰণে চোৰা ছোৱালীজনী
দেখোন ঘৰতে আহি ওলাল
এতিয়া আমি ৰাইজক মাতো)

কথা বিষম দেখি ভাই ককাই হালে গাঁৱৰ ৰাইজক গোটাই লৈ ছোৱালীৰ ঘৰত ভাৰ ভেটি সোধাই থৈ আহিলগৈ। কিন্তু ৰাইজক এতিয়া খুৱাব কেনেকৈ।

ভায়েকে ক'লে--

আদা লৈ আদা
ৰাইজৌ ফৗৰখৗ লিংনা লাবৗনানৈ
দা জৌং মাখৗ জাহৗগৗন
(ককাই ঐ ককাই
ৰাইজক মাতিলো
ৰাইজক লৈ ভাৰ ভেটি সোধালো
এতিয়া ৰাইজক কি খুৱাম ?)

ককায়েকে ক'লে--

আগৈ লৈ আগৈ
নৗং জিংগা ছিনৗ নাঙা
আং বুংনায় দৗঙৗ গাংবুঢ়ানিয়াও
থাং দাওলাদাও মাছে লাবৗ
(ভাই ঐ ভাই
তই একো চিন্তা নকৰিবি
যা ঐ যা

গাওঁবুঢ়াৰ ঘৰলৈ যা

তাত মই এটা কুকুৰা চৰাইৰ কথা কোৱা আছে।

ভায়েকে ক'লে--

অই আদা লৈ আদা

ৰাংখাউৰি হীৰা বা

মানীথী হীগীন বি দাওলা দাও

(ককাই ঐ ককাই

টকা পইচা নিদিলে

গাওঁবুঢ়াই মুৰ্গী চৰাইটো দিবনে ?)

ককায়েকে ক'লে--

আগৈ লৈ আগৈ

নীং জেবৌ জিংগা দাচান

আং গয়, ফাথৈ জৰাছে

হীনা বাইনানৈ দীনদীং

নীং থাং..

(ভাই অই ভাই, তই একো চিন্তা কৰিব নালাগে

মই গাওঁবুঢ়াক তামোল পান এযোৰ দি

কুকুৰা এটা কিনি থৈছো।)

বৰ উলহ মালহেৰে প্ৰথম কেইদিনমান পাৰ হ'ল। কিন্তু তেওঁলোকৰ এই সুখৰ দিন বেছি স্থায়ী নহ'ল। ঘৰত মহা দুৰ্ভিক্ষই চানি ধৰিলে। উপায়হীন হৈ এদিন ডাঙৰ ককায়েক অৰ্থৰ সন্ধানত বাহিৰলৈ যাবলৈ ওলাল।

যাবৰ সময়ত এটা ৰামতুলসী পুলি পিৰালিৰ কাষত ৰুই ঘৈণীয়েক আৰু ভায়েকক ক'লে-

"মই বাৰ বছৰৰ কাৰণে বিৰাট ৰজাৰ দেশলৈ যাওঁ। তাতে বণিজ কৰোঁগৈ। এই পুলিটো যিমান দিন জীয়াই থাকিব, মইও সিমান দিন জীয়াই থাকিম। পুলিটো নিশকতীয়া হৈ আহিলে বুজিবি মইও মৃত্যুৰ ক্ষণ গণিছো।"

এইবুলি কৈ ককায়েকে ঘৈণীয়েক আৰু ভায়েকক ঘৰত এৰি থৈ বিৰাট ৰজাৰ দেশ পালেগৈ। বিৰাট ৰজাৰ দেশ সোমোৱাৰ লগে-লগে বিৰাট ৰজাই তাক সাতখন দুৱাৰ থকা এটা কাৰাগাৰত বন্দী কৰি থ'লে। ভোকে-পিয়াহে মানুহটো নিশকতীয়া হৈ আহিল।

ইফালে ৰাম তুলসী পুলিটোও মৰো মৰো হ'ল। বৌয়েকে দেওৰেকক ক'লে—

ঐ বিবিনাং, ঐ বিবিনাং, ঐ বিবিনাং
নৌংদাখৌ নামায়লাং
ঢাল তৰোৱাল বানায়না লাইথাং
নৌং খামাৰ নিয়াও থাং
(অ' দেওৰ, অ' দেওৰ
ককায়েৰক বিচাৰি যোৱা
কমাৰৰ ওচৰলৈ গৈ
ঢাল তৰোৱাল বনাই লোৱা)

দেওৰেকে ক'লে—

ঐ বাজৈ লৈ বাজৈ
বহায় লাই নামায় লাংগৗন আংলাই
বৰৗথৗ মৗনহিগৗন আদাখৌলায়
(ন বৌ ঐ নবৌ
দাদাক নো ক'ত বিচাৰি যাওঁ
দাদাক নো ক'ত লগ পাম ?

বৌয়েকে ক'লে—

বিবিনাং ঐ বিবিনাং
নৌংদায়া গৈয়াখায় নৌং আংখৌ
লাখামানৗ নাইগিৰদৗং
(দেওৰ ঐ দেওৰ
ককায়েৰ নোহোৱা অৱস্থাত
চেগ চাই বিয়া পাতিব বিচাৰিছা মোক)

দেওৰেকে ক'লে—

অ'ই বাজৈ লৈ বাজৈ
নৌং বিমাখৌলায়
আংমানৗ হাবা লানৗ।
(বৌ ঐ বৌ

তুমি মোৰ মাতৃ দেৱী
কেনেকৈনো বিয়া পাতিম ?)

দেওৰেকে পুনৰ ক'লে—

বাজৈ লৈ বাজৈ
আংলায় বৰী নামায় লাংবাওগীন
বৰীথী মৌনহৈগীন
(বৌ ঐ বৌ
দাদাকনো ক'ত বিচাৰি পামগৈ ?)

বৌয়েকে ক'লে—

আগৈ হায় আগৈ
বিবিদাং গদায়
জৌং মানৈজৌং নামায় লাংগীন
থফলাও অনলাৰু পিয়ালাৰু
খানালা দেই উখৈল্লা লামায়াও জাগীন।
(মোৰ মৰমৰ দেওৰ
আমি দুয়ো একেলগে বিচাৰি যাওঁ
টোপোলাত পিঠাপনা বান্ধি লৈছো
ভোক লাগিলে ৰাস্তাত খাম)

এইবুলি বৌয়েক আৰু দেওৰেক ঢাল তৰোৱাল লৈ ককায়েকৰ সন্ধানত ওলাল। লগত ল'লে পিঠা পনাৰ টোপোলা এটা। হাবি, বন, নৈ, নিজৰা অতিক্ৰম কৰি গৈ থাকিল দুয়োজন। বাটত বহুতো অমংগলে দেখা দিলে। চিলনীয়ে থপিয়ালে, হাতীয়েও ভয় খুৱালে। দেওৰেকে কৈছে--

ঐ বাজৈ লৈ বাজৈ
জৌংখৌলায় চিলায়া চাবদৌং
মৈদেৰাবী চিগিদৌং
(ৱৌ ঐ বৌ
আমাক দেখোন চিলনীয়ে থপিয়াইছে
হাতীয়েও ভয় খুৱাইছে)

বোয়েক আৰু দেওৰেক গৈ গৈ সাগৰৰ পাৰ পালেগৈ। সাগৰৰ বিশাল ঢৌ দেখি দেওৰেকে ভয় খালে।

বৌয়েকে ক'লে--

ঐ বিবিনাং বিবিনাং নৌংলায়
আৰৌ গিনৌ নাঙা
হাগ্ৰা জিগাব দাননানৈ
ভূৰ খানানৈ
ফাৰ জাগৌন জৌং
(দেওৰ ঐ দেওৰ
ভয় নকৰিবা তুমি
কাহিবন, খেৰ কাটি
ভূৰ এখন সাজা
তাৰেই পাৰ হ'ম আমি)

ভূৰ সাজি সাগৰৰ বতাহ ধুমুহা অতিক্ৰম কৰি গৈ থাকিল বৌয়েক দেওৰেক। কিন্তু দুৰ্ভাগ্য লগ এৰা নিদিলে সিহঁতক। সাগৰৰ মাজভাগতে এটা গৰুণ্ড পক্ষীয়ে চকুৰ পচাৰতে দেওৰেকক থপিয়াই লৈ গুচি গ'ল। বেচেৰী বৌৰেক একেবাৰে নিথৰুৱা হৈ পৰিল। দিক্ বিদিক্ হেৰুৱাই সাতদিন সাতৰাতি ভূৰৰ ওপৰতে ওপঙি গৈ থাকিল বৌয়েক। শোকত দেওৰেকৰ নাম কাঢ়ি কাঢ়ি বিনাবলৈ ধৰিলে--

ঐ বিবিনাং বিবিনাং নৌংলায়
বৰৌবা দঙৌল্লা মাথৌ ফংচে হৌলাং
সাগৰ গেজেৰাও আংলায়
সাতোদিন সাতোৰাতি
সাগৰ গেজেৰাও দঙৌ
(দেওৰ ঐ দেওৰ
তুমিনো ক'ত আছা
মাত এযাৰি দি যোৱা
আজি সাতদিন সাতৰাতি
সমুদ্ৰৰ মাজতেই কটাইছো)

ইফালে গৰুণ্ড পক্ষীৰ হাতোৰাৰ পৰা দেওৰেক সাগৰৰ মাজত খহি পৰিল। এটা প্ৰকাণ্ড ৰাঘবৰালিয়ে দেওৰেকক গিলি থ'লে। সেই ৰাঘবৰালিটো দৈবক্ৰমে এহাল নিঃসন্তান বুঢ়া-বুঢ়ীৰ জালত পৰিল। বুঢ়া-বুঢ়ীয়ে এদিনাখন ৰাতিপুৱা জালত লাগি থকা প্ৰকাণ্ড বৰালিটো পাই আনন্দত আত্মহাৰা

হ'ল। কিন্তু ঘৰলৈ  আনি মাছৰ কণীখিনিৰ বাবে লাহেকৈ পেটটো ফালোতে কণীৰ পৰিবৰ্ত্তে এটা আধামৰা আধাজীয়া ধুনীয়া ল'ৰাহে ওলাল।

বুঢ়ীয়ে ল'ৰাটোৰ কোমল পূৰঠ মুখখন দেখি মোহ গ'ল। ততাতৈয়াকৈ তেল -পানী দি ল'ৰাটোক সুস্থ কৰিলে। নিঃসন্তান বুঢ়া বুঢ়ীয়ে এতিয়া হাততে সুন্দৰ ল'ৰাটো পাই নিজৰ সন্তানৰ দৰে মৰম কৰিবলৈ ধৰিলে। ওচৰ চুবুৰীয়া, সমনীয়াৰ লগত খেলি ধেমালী কৰি, সাগৰত মাছ ধৰি, গান বাজনা কৰি সুখেৰে দিন নিয়াবলৈ ধৰিলে। বুঢ়া-বুঢ়ীয়ে তাক বজাবলৈ এখন ছেৰেণ্ডাও বনাই দিলে।

ইফালে নবৌয়েকে সাগৰৰ পাৰ পালেহি ভালেমান দিনৰ মূৰত সাগৰৰ পাৰলৈ উঠি আহি মাজে সময়ে দেওৰেকৰ সন্ধান কৰে তেওঁ।

কিন্তু তাতে ছেৰেণ্ডাবাদক এজনে ৰূপ যৌৱন দেখি বৌয়েকক তাৰ ঘৰতে ৰাখিবলৈ মন কৰিলে। সি দেওৰেকৰ ভেশচন ধৰি গাবলৈ ধৰিলে-

ঐ বাজৈ লৈ বাজৈ লৈ বাজৈ লৈ
আংখৌ গাৱনানৈ মহা থাংখৌ ?
সাগৰ গেজেৰাও আংখৌলায়
ৰাঘ বৰালিয়া মননা লাবায়
বৌৰাই বুৰ'ই হালিছেয়া
আংখৌ ফৌথাংনা লাবায়।
(নবৌ ঐ নবৌ
তুমিনো ক'ত আছা
মোক সাগৰৰ মাজত
সেই বৰালি মাছৰ পেটৰ পৰা
বুঢ়া-বুঢ়ী এহালে মোক পাই
জীয়াই ৰাখিছে।)

তেতিয়া নবৌয়েক জনীয়ে ক'লে--

ঐ বিবিনাং ঐ বিবিনাং নৌংলায়
আংনি বিবিনাং মাৰল্লৌ
সমনি খৌৰাংখৌ খিন্থাহত
( দেওৰ ঐ দেওৰ
যদি সচাকৈ মোৰ দেওৰ হোৱা
পূৰ্বৰ কথাখিনি কৈ পঠোৱা)

তেতিয়া চেৰেণ্ডাখোজৰাই ক'লে--

ঐ বাজৈ লৈ বাজৈ আংলায়
মাথৌ নৌংনিনৌ নৌংবৌনাংথাৰ
(নবৌ ঐ নবৌ
মই দেখোন তোমাৰেই দেওৰ হওঁ)

কিন্তু চেৰেণ্ডাখোজৰাৰ অসৎ অভিপ্ৰায় নবৌয়েকে বুজি পালে। সেয়েহে দেওৰ নহয় বুলি পতিয়ন গৈ ক'বলৈ ধৰিলে--

ঐ চেৰেণ্ডাখোজৰা
নৌং যদি ইনাই খালা মৌ
নৌংখৌ আং মহাশাপ হৌগৌন
(ঐ চেৰেণ্ডাবাদক, ঐ চেৰেণ্ডাবাদক
তই যদি মোৰ অন্যায় চিন্তা কৰ
তোক মই অভিশাপ দিম)

এই বুলি চেৰেণ্ডাখোজৰাৰ ঘৰতে বৌয়েক কেইদিনমান আলহী হৈ থাকিল। এদিন দুপৰীয়া সময়ত বৰ কৰুণ ভাৱে চেৰেণ্ডাত বোল দি কোনোবা এজনে গাই থকা শুনিলে নবৌয়েকে--

ঐ বাজৈ লৈ বাজৈ
আংখৌ বৌৰাই বুৰৈ হালিচেয়া
বাৰালি নানি উদিনিফ্ৰাই ফৌথাংনা দৌনদৌ
(অ' নবৌ, অ' নবৌ
বুঢ়া বুঢ়ী এহালে বৰালি মাছৰ পেটৰ পৰা
উদ্ধাৰ কৰি জীয়াই ৰাখিছে মোক)
ঐ বাজৈ লৈ বাজৈ
সাগৰ গেজেৰাও আংখোলায়
কৰোৰায়া চাবনা লাংবায়
(অ' নবৌ, অ' নবৌ
মোক সাগৰৰ মাজৰপৰা গৰুড় পক্ষীয়ে
থপিয়াই লৈ গৈছিল)

এইদৰে পূৰ্বৰ কাহিনী সবিশেষ গাই গাই দুখত কাতৰ হৈ থকা এই যুৱকজনেই যে দেওৰেক,

সেই কথা নিশ্চিত হ'ল বৌয়েকৰ। তেওঁ দেওৰেকৰ পাছফালে আহি চিএঙৰি চিএঙৰি মাতিবলৈ ধৰিলে। কিন্তু দেওৰেক দুখৰ সাগৰত ইমান মজি আছিল যে বৌয়েকৰ উপস্থিতিৰ কথা গমেই নাপালে।

হঠাৎ বৌয়েকক ওচৰত দেখি আনন্দত ক'ব নোৱাৰা হৈ গবা মাৰি ধৰি হুকহুকাই কান্দি পেলালে।

দেওৰেকে বৌয়েকক বুঢ়া বুঢ়ীৰ ওচৰলৈ লৈ গ'ল। তেওঁলোকে গোটেই কথাবিলাক বুঢ়া বুঢ়ীক বিবৰি ক'লে। নবৌয়েকে বুঢ়াক ক'লে--

ঐ আফা ঐ আফা ঐ আংখৌলায়
শাও-শপনি দাহীছৈ আংখৌলায়
আংনি বিবিনাং খৌ হগাৰনা হৗ
(অ' দেউতা, অ' দেউতা
মোক শাপ-শপনি নিদিবা
মোৰ দেওৰ ল'ৰাক চিনি পালো
দেওৰক এৰি দিয়া)

কিন্তু ইমান দিন নিজৰ ল'ৰাৰ দৰে পোহপাল দিয়া ল'ৰাটোক এজনী বোৱাৰীয়ে কাঢ়ি নিবলৈ ধৰাত বুঢ়া বুঢ়ীৰ হৃদয় ভাগি চিগি গ'ল। আক্ষেপতে কৈছে--

অ'ই আয়ৈ লৈ
মহানি ৰাংখিনি সাংখিনি ফৈন্দৌং
আংনি ফিছাখৌ লাংনৌ
( অ' ছোৱালী, অ' ছোৱালী
তইনো ক'ৰ যখিনী এজনী আহিলি
মোৰ পোহনীয়া ল'ৰাটো নিবলৈ)

নবৌয়েকে বুঢ়ীক কাকূতি কৰিব ধৰিলে--

অ' আয়ৈ আয়ৈ লৈ
নৌংছীৰখৌ সাতসেৰা খালামদৌং
আংনি ফিছাখৌ
হগাৰনা হৗদৌ
(অ' আই, অ' আই
মোৰ মৰমৰ দেওৰক এৰি দিয়া
মই শতকোটি নমস্কাৰ কৰিছো)

বুঢ়াবুঢ়ীৰ পৰা বিদায় লৈ বৌয়েক দেওৰেক বিৰাট ৰাজ্য অভিমুখে গ'ল য'ত বণিজ কৰিবলৈ আহিছিল ডাঙৰ ককায়েক। গৈ গৈ ভালেমান দিনৰ মূৰত বিৰাট ৰাজ্যৰ ৰাজধানী পালেগৈ। বিৰাট ৰাজ্যৰ মানুহ বিলাক বৰ ৰণনিপুন, ৰজা বৰ মায়াবী। সৰ্পৰ দৰে পিছল দেহা বিৰাট ৰজাৰ পৰিয়ালৰ। কোনো শত্রু আহি ইয়াৰ পৰা সাৰি যাব নোৱাৰে। ইমুখ সিমুখ কৰি গম পালে যে ককায়েক জন ৰজাৰ বন্দীশালত আবদ্ধ। দেওৰেকে বৌয়েকৰ পৰামৰ্শমতে ঢাল তৰোৱাল লৈ ৰজাৰ বন্দীশালৰ সৈন্যসকলক আক্রমণ কৰি দিলে। ৰজাৰ বন্দীশালৰ সাতখন দুৱাৰ। জাকে জাকে সৈন্য আহি জপিয়াই পৰিলহি দেওৰেকৰ গাত। দেওৰেক যুদ্ধ কৰি কৰি ক্লান্ত হৈ পৰিছে।

অ'ই বাজৈ লৈ বাজৈ লৈ আং
আংলায় হাৰ্ছিংহৈ আৱী বেসেখী
নাংবাওগীন যুদ্ধখী
(অ' নবৌ, অ' নবৌ
মইনো অকলশৰে কিমান যুদ্ধ কৰিম)

এইবাৰ যুদ্ধ ভূমিৰ পৰা গৈ আকাশৰ ওপৰত চলিবলৈ ধৰিলে। হেজাৰ হেজাৰক বধ কৰি ল'ৰা ভাগৰি পৰিছে। নবৌয়েকে তলৰ পৰা কৈছে--

অ'ই আগৈ লৈ বেসেখী হমবাও নী
হায়াও গীগ্লৈ চিগীন
খেনায় খপা খেওনানৈ
দখনা লচাও হাজাদীং আং
(অ' দেওৰ, অ' দেওৰ
তই আৰু কিমানজনক ধৰি ৰাখিব পাৰিবি
তই তললৈ নামি আহ
মই চুলিটাৰি মেলি
মেখেলাৰ আচল পাতি ৰাখিছো
তাতে জিৰণী ল')

বৌয়েকে দেওৰেকৰ অৱস্থা দেখি কাতৰ হৈ পৰিছে। দেওৰেকক শত্রুক নিহত কৰাৰ দিহা দিছে এনেদৰে--

অ'ই বিবিনাং নীংলায়
মাখী নাইবাই থাদীং
আগদাখী চিপনা
আগচিখী হগাৰনা হীদী

(অ' দেওৰ অ' দেওৰ

তইনো কি চাই আছ

সোঁহাতেৰে ৰেপি বাওঁহাতেৰে পেলাই দে)

যুদ্ধ কৰি অৰশ হৈ দেওৰেকে কৈছে--

অ'ই বাজৈ লৈ বাজৈ আংলায়

সাচে বুথৰবা দহজন বিশজন ফৈয়ী

দহজন বুথাৰবা লাখ লাখ ফৈয়ী

(অ' নবৌ, অ নবৌ

মই এজন বধ কৰিলে দহ বিশ জনে বেঢ়ি ধৰে

দহ বিশ জন বধ কৰিলে লাখ লাখ আহে)

সকলো সৈন্য নিধন হোৱাৰ পিছত এইবাৰ থাকিল বিৰাট ৰজা, ৰাণী আৰু জীয়েক।

নবৌয়েকে কৈছে--

অ'ই বিবিনাং লৈ নৌং

বিৰাট ৰাজখী হমনা বুথাৰ দৌং

বিৰাট ৰাজানি ফেছাজৌখী

খানানৈ দৌনদী

(অ' দেওৰ, অ' দেওৰ

তই বিৰাট ৰজাক ধৰি বধ কৰ

তই বিৰাট ৰজাৰ জীয়েকক

ধৰি বান্ধি ৰাখ (বন্দী কৰি থ)

নবৌয়েকৰ কথামতে দেওৰেকে বিৰাট ৰজাৰ জীয়েকক বন্দী কৰিলে। বিৰাট ৰজাৰ দেহ ইমান পিছল যে অস্ত্ৰৰে আঘাত কৰিলেও উফৰি আহে। দুবাহুৰে খামুচিব নোৱাৰি। যুদ্ধ কৰি কৰি ক্লান্ত হৈ নবৌয়েকক ক'লে--

অ'ই বাজৈ লৈ

বিৰাট ৰাজাখী হমনা ৰাখিনৌ হায়া

(অ' নবৌ, বিৰাট ৰজাক দেখোন

ধৰি ৰাখিব নোৱাৰো)

বৌয়েকে বুদ্ধি দিলে এইবাৰ--

অ'ই বিবিনাং বিবিনাং লৈ

বালিহা হগাৰনা হৰদী আং

(অ' দেওৰ, অ' দেওৰ

মই বালিমাটি ছটিয়াই দিছো এতিয়া ধৰ)

নবৌয়েকে বিৰাট ৰজাৰ গালৈ বালি এপাচি মাৰি পঠালে। এইবাৰ দেওৰেকে বিৰাট ৰজাক বগৰাই লৈ টেটু চেপি হত্যা কৰিলে।

নবৌয়েকে ক'লে--

অ'ই বিবিনাং লৈ

বিৰাট ৰাজানি হিনজাওখৌ হমদী

(অ' দেওৰ, অ দেওৰ

বিৰাট ৰজাৰ ঘৈণীয়েকক ধৰি মাৰ)

দেওৰেকে ক'লে--

অ'ই বাজৈ লৈ বাজৈ

বিৰাট ৰাজানি হিনজাওখৌ হমথানা

ৰাখিনো হায়া

(অ' নবৌ, অ'নবৌ বিৰাট ৰজাৰ ঘৈণীয়েকক ধৰি ৰাখিব নোৱাৰো)

নবৌয়েকে সমিধান দিলে--

অ'ই বিবিনাং লৈ নৌং

বিৰাট ৰাজানি হিনজাওখৌ বালি হৌনা বুথাৰদী

(অ' দেওৰ, অ' দেওৰ বিৰাট ৰজাৰ ঘৈণীয়েকৰ গাত বালি ছটিয়াই ধৰি বধ কৰ)

নবৌয়েকৰ পৰামৰ্শ মতে দেওৰেকে বিৰাট ৰজাৰ ঘৈণীয়েকৰ গাত বালি ছটিয়াই ধৰি বধ কৰিলে।

এইদৰে এখন এখনকৈ সাতখন দুৱাৰ অতিক্ৰম কৰি অৱশেষত নিজৰ ককায়েকক উদ্ধাৰ কৰিলে ভায়েকে বৌয়েকৰ সহায়ত। তিনিও লগহৈ গবাগবিকৈ কান্দিবলৈ ধৰিলে। ককায়েকে পুৰণি বস্ত্ৰ পেলাই দাড়ি চুলি কাটি পুনৰ আগৰ দৰে সুন্দৰ হৈ পৰিল। বিৰাট ৰজাৰ জীয়েকক ভায়েকৰ লগত বিয়াপাতি দি সাগৰৰ পাৰৰ বুঢ়াবুঢ়ী হালৰ সৈতে লগ লগাই দিলে। ভায়েক বোৱাৰীয়েকে ৰাজ্যশাসন কৰি বুঢ়া বুঢ়ীৰ সৈতে সুখেৰে দিন নিয়াবলৈ ধৰিলে। ককায়েক বৌয়েকহঁত পুনৰ আগৰ পঁজালৈ ঘুৰি আহিল।

## সাধু কথা কেইটিৰ তাৎপৰ্য্য

ডিংগাবুঢ়া আৰু ডিংগাবুঢ়ীৰ সাধুটো নীতি শিক্ষামূলক সাধুকথা (Moral Tale) ৰ ভিতৰতে ধৰিব লাগিব। পিতৃ বা মাতৃৰ বিয়োগৰ পাছত ভাই-ককাই বা বাই-ভনীয়ে যাতে ধনসিং আৰু মনসিঙৰ দৰেই চেনেহৰ জৰীৰে বান্ধ খাই থাকে, তাৰ কাৰণেই শ্ৰাদ্ধৰ ৰাতি এই কাহিনী পৰিবেশনীয়।

তদুপৰি এবিধ অপৰিহাৰ্য্য বাদ্য যন্ত্ৰ 'চেৰেংগা'ৰ সৃষ্টি কাহিনীও সধুকথাটোত বৰ্ণিত। বুকুত কামিহাড়ৰ আৰ্হিত মনসিঙে হৃদয়ৰ কৰুণ সুৰ প্ৰতিফলিত কৰিবলৈ নিৰ্মাণ কৰা 'চেৰ্জা'খন বেদনাসিক্ত সকলো মানুহৰ বাবেই এক সম্পদ। নিজৰ আত্মীয়-কুটুম্বৰ বিয়োগত যি অপ্ৰকাশ্য কাৰুণ্যতা মানুহৰ হৃদয়ত বিৰাজ কৰে, তাৰেই-মূৰ্ত্তপ্ৰতীক এই 'চেৰ্জা' খন। বোধকৰো আধুনিক ভায়োলিনখন এই বড়ো সংস্কৃতিৰ 'চৰ্জা' খনৰেই বিৱৰ্ত্তিত ৰূপ। হাজাৰ-হাজাৰ বছৰ ধৰি চলি অহা এই মৌখিক সাহিত্যত বিৰাজ কৰা 'সদাগৰ' শব্দটোৱে তেওঁলোকৰ সমাজত পূৰ্বৰ জল বানিজ্যৰ ইংগিত দিয়ে।

ডিংগাবুঢ়ীয়ে ডিংগাবুঢ়াৰ ভয়ত নিজৰ দুটা পুত্ৰক দূৰলৈ পঠাই দিয়া কাৰ্যই সুদূৰ অতীতত বৰ্তি থকা এখন পিতৃপ্ৰধান সমাজৰ কথা আমাক সোঁৰৰাই দিয়ে।

মনসিঙৰ উপৰ্য্যুপৰি দুখ, বিলাপৰ মাজেদি তাৰ প্ৰকাশ আৰু সৰ্বশেষত দুখৰ পৰিসমাপ্তিয়ে আমাক অসমীয়া সাধুকথা 'তেজীমলা'ত বৰ্ণিত তেজীমলাৰ দূৰ্দশা, বিলাপ (হাতো নেমেলিবি, পাতো নিছিঙিবি, কৰে নাৰৰীয়া তই) আৰু দুখৰ নিৰাকৰণে আমাক একেখন সামাজিক পটভূমি, ইয়াৰ চিন্তন আৰু আৰ্থসামাজিক অৱস্থাৰ কথাই ভাবিবলৈ বাধ্য কৰে।

ৰিংগাবুঢ়া-ৰিংগাবুঢ়ী সাধুটো ডিংগাবুঢ়া- বুঢ়ীৰ সাধুটোতকৈ কিছু আগৰেপৰা প্ৰচলিত বুলি ভাবি বৰ থল আছে। কাৰণ ডিংগাবুঢ়া-বুঢ়ীৰ জীৱিকা অৰ্জনৰ পথ কৃষি। আনহাতে ৰিংগাবুঢ়া-বুঢ়ীৰ বৃত্তি আছিল চিকাৰ আৰু পশুপালন। ৰিংগাবুঢ়াই এখন ভকতীয়া সমাজৰ শ্ৰাদ্ধ প্ৰথমবাৰৰ বাবে দৰ্শন কৰা, আদব-কায়দাৰ লগত অপৰিচিতিয়েই সেই সময়ৰ বড়ো সমাজৰ গাতে লাগি থকা এখন হিন্দু প্ৰধান সংস্কাৰ থকা অসমীয়া সমাজৰ কথাই সকিয়াই দিছে। শ্ৰাদ্ধৰ প্ৰসাদ খাই নিজৰ ঘৰতে শ্ৰাদ্ধ কৰিবলৈ ৰিংগাবুঢ়ীয়ে বিচৰা কথাটোৱে অসমত "হিন্দুকৰণ" প্ৰক্ৰিয়াটোৰ প্ৰাৰম্ভিক অৱস্থাৰ কথা আমাক জানিবলৈ দিয়ে। হিন্দু দেৱতা 'বিষ্ণু'ৰ উপস্থিতিৰ কথাই অনুমানটো সৰলীকৰণত সহায় কৰিছে। জন্ম মৃত্যুৰ একেডাল শৃংখলৰ বাবেই যে শ্ৰাদ্ধৰ অস্তিত্ব বিদ্যমান-এই চিৰন্তন ৰহস্যটোৰো ভেদ ভঙাত সহায় কৰিছে ৰিংগাবুঢ়া-বুঢ়ী সাধুটোৰ সামৰণিটোৱে। প্ৰথমতে গুঁই, কাছ, শিহু আদিৰ চিকাৰৰ পাছত কুকুৰৰ প্ৰশিক্ষণ, পহুৰ চিকাৰ, ছালৰ সংৰক্ষণ, শ্ৰাদ্ধৰ আৰম্ভণি, বিষ্ণুৰ আৱিৰ্ভাৱ আদি সন্নিবিষ্ট এই সাধুটো এখন ক্ৰম বিৱৰ্ত্তনশীল সমাজৰেই দলিলস্বৰূপ।

মাইদাং ছিখ্‌লা সাধুটো বড়ো লোকসাহিত্যৰ অন্য এক মননশীলতা, প্ৰেমৰ দৈবিকতা আৰু মানৱীয় গুণৰাজিৰে ভৰপূৰ সম্পদ। অহংকাৰ ধনলিপ্সা, ঈৰ্ষা আদিৰে ভৰপূৰ এখন সম্পদশালী ঘৰ কিদৰে ঈশ্বৰৰ কোপদৃষ্টিত থানবান হৈছিল, সদাগৰ বুঢ়া বাটৰ ভিকহু হৈছিল আৰু শেষত প্ৰেম, বিশ্বাস, পাৰস্পৰিকতাৰ প্ৰতীক সৰু বোৱাৰীয়েক জনীয়ে নৱ জীৱন লাভ কৰি শহুৰেক সদাগৰ বুঢ়াক

মানৱতা আৰু শ্ৰমসৰ্বস্ব জীৱনৰ আদিপাঠ শিকাই পুনৰ সম্পদশালী কৰি তুলিছিল, সেয়া সকলো সমাজৰেই উত্তৰণৰ শিক্ষা।

সৰু বোৱাৰীৰ মৃত্যু হৈ পুনৰ ধানৰ ডুলিত মাইদাং ছিখ্‌লা ৰূপে জীৱন লাভ কৰা কথাটোৱে বড়ো সমাজ জন্মান্তৰবাদৰ বিশ্বাসৰ কথাই প্ৰকট কৰিছে। প্ৰেমৰ স্বৰ্গৰ বান্ধোন যে চিৰবিদ্যমান আৰু সতীত্বৰ অসাধ্য একো নাই, এই কথাটোও স্পষ্ট হৈছে মাইদাং ছিখ্‌লাই হেজাৰ বাধা অতিক্ৰম কৰি পুনৰ জীৱন লাভ কৰা গিৰীয়েকৰ সৈতে পুনৰ্মিলন হোৱা ঘটনাটোৱে।

বড়োসমাজ শ্ৰমজীৱী আৰু প্ৰেমপ্ৰীতি সৰ্বস্ব। দুস্কৃতিৰ বিনাশ আৰু সংস্কৃতিৰ প্ৰতিষ্ঠাই লোকসাহিত্যৰো মূল বিষয়ৱস্তু। সততা আৰু ভাতৃত্ববোধক আকোঁৱালি লৈ পৰশ্ৰীকাতৰতা, শোষণ, নিৰ্মমতা আদিক নিৰ্বাসন দিবলৈ লোকসমাজে নেপাহৰে। সাধুকথাবোৰেই অলিখিত সংবিধান আৰু বিধিৰ কানুন। হেলামণি চৰাই আৰু উৰাংপক্ষী সাধুদুটা তাৰেই নিদৰ্শন।

"উৰাংপক্ষী"ত নিষ্ঠুৰ ককায়েক কেইজন মৰমীয়াল সৰু ভায়েকক বহুকেইবাৰ হত্যা কৰিছে। কিন্তু শালিকা, নেউল, উদ (মথাম) আদিৰ সহায়ত পুনৰ জীৱন লাভ কৰিছে।

সকলো জীৱৰ লগত অন্তৰংগতাইহে মানুহৰ অস্তিত্ব ৰক্ষা কৰিব পাৰিব--এই চিৰন্তন সত্যটোও প্ৰাচীন লোকসমাজৰ জ্ঞাত। হত্যাকাৰী, নিৰ্দয় ককায়েক কেইজনে সৰু ভায়েকৰ অনুগ্ৰহতে জীৱন ঘূৰাই পালে। সৰু ভায়েকৰ হতুৱাই উৰাংপক্ষীক বধ কৰাই, ককায়েকহঁতক মুক্ত কৰাই লোক সমাজে 'ধৰ্মৰ জয়, অধৰ্মৰ পৰাজয়' জ্ঞাত কৰাৰ লগতে সৰু ভায়েকে সকলো পাহৰি ককায়েকহঁতক আকোৱালি লোৱা কথাটোৱে 'প্ৰতিশোধহীনতা', 'মহন্তৰ ক্ষমাসে ভূষণ' বোধগম্য হোৱাত সহায় কৰিছে।

বড়োসমাজ প্ৰধানকৈ কৃষিজীৱী যদিও সাধুকথাবোৰত বৰ্ণিত 'বণিজ কৰা', 'সদাগৰ' আদি শব্দ আৰু কাৰ্যৰ উপস্থিতিয়ে তেওঁলোকৰ দ্বায়িত্ব ল'ব পৰা সামৰ্থতা (Risk taking ability), দুঃসাহসিক অভিযান (Adventure) আদিৰ কথা সোঁৱৰাই দিয়ে। 'চেৰেঙ্গা খোজৰা' তেনে এটা বেলাডধৰ্মী সাধুকথা। স্বামী স্ত্ৰীৰ অগাধ ভালপোৱা আৰু বিশ্বাস, বৌয়েক আৰু দেওৰেকৰ পবিত্ৰ সম্বন্ধ আৰু দায়বদ্ধতা আদি কথাবোৰে 'চেৰেঙ্গা খোজৰা'ৰ চৰিত্ৰসমূহৰ লগত ৰাম, সীতা আৰু লক্ষ্মণৰ ভালেমান সাদৃশ্য অনুভৱ কৰাত সহায় কৰে।

বিপদৰ অংশীদাৰজন সম্পদৰো অংশীদাৰ। ভায়েক বোৱাৰীয়েকক বুঢ়াবুঢ়ীহালৰে সৈতে লগ লগাই বিৰাট ৰজাৰ ৰাজ্য ভোগ কৰিবলৈ দিয়া কথাটোৱে তাৰেই ইংগিত দিয়ে।

জীৱিত পিতৃ মাতৃ যিদৰে সন্তানৰ আশ্ৰয়ৰ স্থল, সেইদৰে পিতৃ মাতৃৰ মৃত্যুয়েও গঢ়ে সন্তানৰ একতাৰ জৰী। কাৰণ শ্ৰাদ্ধত পৰিবেশিত হয় মনোমালিন্যই গ্ৰাস কৰা ভাই ককাইৰ একাত্মবোধৰ বোলসনা নীতিশিক্ষামূলক সাধুকথা।

ৰাতিপুৱা দোকমোকালিতে সাধুৰ পৰ্বৰ শেষৰখিনি কৈ শেষ হোৱাৰ পাছত বাইলুঙৰ তত্বাবধানত চুৰা লোৱা ব্যক্তিজনে কুকুৰা মাংস, ভাত, ভাজি, আঞ্জা মৃতকৰ বাবে মাটিৰ উধানত জুই দি মলাচৰুত ৰান্ধে। কেইটিমান বাঁহৰ চুঙাত পানী, মদ আদি লোৱা হয়। তাৰপাছত পূজাৰ নৈবদ্য সমূহ নদীৰ পাৰলৈ বা অৰণ্যৰ মাজলৈ লৈ যোৱা হয়। তাতে চাকি বন্তি জ্বলাই বাইলুঙে মৃতকৰ উদ্দেশ্যে বস্তু

সমূহ আগবঢ়ায় আৰু চুৰা লোৱা ব্যক্তি জনক আৰ্শীবাদ দি পুনৰ ৰাতি আধৰুৱা হৈ থকা সাধুকথাটোৰ অৱশিষ্ট খিনি কৈ শেষ কৰে। এইখিনিতে এটা মন কৰিব লগা কথা আছে। বড়ো সমাজৰ বহু ধৰণৰ বিবাহ আছে যদি মৃতকে সামাজিক আচাৰ বিধি বৰ্জন কৰি বিবাহ পাশত আবদ্ধ হৈছিল, তেন্তে এই নদীৰ পাৰতেই বাইলুঙে মৃতকৰ হৈ বিবাহ কাৰ্যৰ নিয়মখিনি সমাপন কৰে। অন্যথা মৃতকৰ আত্মাই সৎগতি নাপায় বুলি জনবিশ্বাস আছে। এই বিয়াত কোনোবাই দৰাৰ মাক দেউতাক আৰু কোনোবাই কন্যাৰ মাক দেউতাক হৈ বিবাহ বিধিত সহায় কৰে। ইয়াৰ পিছত বাহিৰে বাহিৰে নদীত গা পা ধুই আহি মৃত ব্যক্তিৰ নঙলামুখত সকলো গোট খাইহি। নঙলামুখত আগৰেপৰা সাজু হৈ থকা বামুণে চুঙাত ভৰাই লোৱা তুলসী পানী চটিয়াই দিয়াৰ পাছত গৃহস্থৰ ঘৰলৈ সকলো সোমাই যায়। তাৰ পাছত সকলোৱে শোকোতা আৰু শুকান মাছৰ আঞ্জা (নাৰ্জি) গ্ৰহণ কৰে। ইতিমধ্যে গাৱঁৰ বাকী সকলে দুপৰীয়াৰ ভোজনৰ বাবে গাহৰি মাংস কটা, ভাত তৰকাৰী প্ৰস্তুত কৰা কাৰ্য আৰম্ভ কৰি দিয়ে। ৰাতি কটোৱা সকলে ঘৰলৈ গৈ গা-পা ধুই আহি ভোজ ভাত খায়।

এইখিনিয়েই বড়ো সমাজৰ শ্ৰাদ্ধৰ থূল-মূল এক বিৱৰণ।